


গুৱাহাটী আৰু শিলচৰৰ পৰা প্ৰকাশিত

গৌৰৱোজ্জ্বল যাত্ৰাৰ একত্ৰিংশ বৰ্ষ

# দৈনিক গণ অধিকাৰ

মূক জনতাৰ মুক্ত কণ্ঠ



MEDICITY GUWAHATI

সাৱধান

চিকিৎসাজনিত জৰুৰীকালীন অৱস্থা

যিকোনো স্থানত, যিকোনো সময়তে হ'ব পাৰে

বিনামূলীয়া এম্বুলেন্স সেৱাৰ বাবে

এতিয়াই ফোন কৰক

7002067082

Rajgarh Rd, SATSANG VIHAR, Bhangagarh, Guwahati, Assam-781005

চৰ্তাৱলী প্ৰযোজ্য*





■ বছৰ ৩১ ■ সংখ্যা ২৫৮ ■ গুৱাহাটী, শনিবাৰ, ২৬ এপ্ৰিল, ২০২৫ ■ ১২ ব'হাগ, ১৯৪৭ শক ■ GUWAHATI, VOL. XXXI, NO. 258, SATURDAY, 26 APRIL, 2025 ■ RNI No. 63550/95 ■ মূল্য ঃ ১০ টকা


## সিন্ধু জল সন্ধি

### চুক্তি বাতিলে পাকিস্তানলৈ নমাই আনিব ভয়াৱহ বিপদ

**চন্দ্ৰ কুমাৰ শইকীয়া**

বিশ্বৰ অন্যতম সফল জল চুক্তি 'সিন্ধু জল চুক্তি'। ভাৰত আৰু পাকিস্তানৰ মাজত সিন্ধু নদীৰ জলভাগক লৈ কৰা হৈছিল এই চুক্তি। মঙলবাৰে কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিবাদত ভাৰত চৰকাৰে সিন্ধু জল চুক্তি স্থগিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই চুক্তি ভাৰত আৰু পাকিস্তানৰ মাজত ১৯৬০ চনত স্বাক্ষৰিত হৈছিল। বিশ্ব বেংকে মধ্যস্থতা কৰিছিল এই চুক্তি স্বাক্ষৰত। এই চুক্তি অনুসৰি সিন্ধু নদী আৰু ইয়াৰ পাঁচখন উপনৈৰ পানী দুয়োখন দেশৰ মাজত বিভক্ত কৰা হৈছিল। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ এদিন পিছতে ভাৰতৰ ■ ২ পৃষ্ঠাত

### সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ গৃহমন্ত্ৰীৰ ফোন

## সকলো পাকিস্তানীক চিনাক্ত কৰি বিতাড়নৰ নিৰ্দেশ

**বিশেষ প্ৰতিনিধি, দিল্লী, ২৫ এপ্ৰিল ঃ** অতি সোনকালে নিজ নিজ ৰাজ্যত থকা পাকিস্তানী নাগৰিকক চিনাক্ত কৰাৰ ব্যৱস্থা কৰিব লাগিব মুখ্যমন্ত্ৰীসকলে। ইতিমধ্যে সকলো মুখ্যমন্ত্ৰীক এই লৈ নিৰ্দেশ দিছে গৃহমন্ত্ৰী অমিত শ্বাহে। সূত্ৰৰ খবৰ অনুসৰি, গৃহমন্ত্ৰীগৰাকীয়ে প্ৰত্যেক ৰাজ্যৰ মুখ্যমন্ত্ৰীৰে এই সন্দৰ্ভত কথা পাতিছে। ফোনযোগে প্ৰত্যেক ৰাজ্যৰ মুখ্যমন্ত্ৰীক কোৱা হৈছে যে নিজ নিজ ৰাজ্যৰ সকলো পাকিস্তানী নাগৰিকক চিনাক্ত কৰি পাকিস্তানলৈ তৎকালীনভাৱে বিতাড়ন নিশ্চিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগে। ইফালে ■ ৭ পৃষ্ঠাত



## ধৰ্মীয় অধিকাৰত নহয় কোনো হস্তক্ষেপ

### ৱাকফ সংশোধনী আইনক লৈ উচ্চতম ন্যায়ালয়ত শপতনামা কেন্দ্ৰৰ

**নতুন দিল্লী, ২৫ এপ্ৰিল ঃ** ৱাক্‌ফ সংশোধনী আইনক লৈ কেন্দ্ৰীয় চৰকাৰে আজি উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল কৰে। দাখিল কৰা শপতনামাত কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে যে ৱাক্‌ফ মুছলমানৰ কোনো ধৰ্মীয় সংস্থা নহয়, ই কেৱল এটা বৈধ সংস্থা। লগতে ৱাক্‌ফ সংশোধনী আইনৰ বৈধতাক লৈ উচ্চতম ন্যায়ালয়ত দাখিল কৰা সকলো আবেদন নাকচ কৰাৰ দাবী উত্থাপন কৰিছে। কেন্দ্ৰীয় চৰকাৰে শপতনামাত উল্লেখ কৰিছে যে আদালতে আইনী ব্যৱস্থাৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ কৰিব নোৱাৰে। সাংবিধানিক বৈধতাক ■ ৭ পৃষ্ঠাত



### সিন্ধু জল চুক্তি স্থগিতৰ পিছত জলসম্পদ মন্ত্ৰালয়ৰ বৈঠক ■ সিন্ধু নৈত শীঘ্ৰে হ'ব খনন, সলনি কৰা হ'ব গতিপথ

# পাকিস্তানক দিয়া নহ'ব ভাৰতৰ এটুপিও পানী

**নতুন দিল্লী, ২৫ এপ্ৰিল ঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পিছত ভাৰত চৰকাৰে পাকিস্তানৰ সৈতে হোৱা সিন্ধু জল চুক্তি তৎকালে প্ৰযোজ্য হোৱাকৈ স্থগিত কৰাৰ কথা ঘোষণা কৰে। ভাৰত চৰকাৰৰ এই সিদ্ধান্তক পাকিস্তানে একপক্ষীয় বুলি আখ্যা দিছে যদিও ভাৰত চৰকাৰ নিজ সিদ্ধান্তত অটল হৈ আছে। সেই অনুসৰি সিন্ধু জল চুক্তি স্থগিতৰ পিছত আজি জলশক্তি মন্ত্ৰালয়ত এক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কেইবাটাও ■ ৭ পৃষ্ঠাত




### প্ৰভাৱ পৰিল ভাৰতৰ বিমানসেৱাত

## ভাৰতৰ বাবে বন্ধ পাকিস্তানৰ আকাশমাৰ্গ

**বিশেষ প্ৰতিনিধি, দিল্লী, ২৫ এপ্ৰিল ঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত নিৰীহ পৰ্যটকৰ ওপৰত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। ভাৰতে সাময়িকভাৱে স্থগিত ৰাখিলে সিন্ধু জল চুক্তি। ভাৰতত থকা পাকিস্তানী নাগৰিকক দেশ এৰিবলৈ দিয়া হৈছে নিৰ্দেশ। পাকিস্তানো মনে মনে বহি থকা নাই। যুদ্ধৰ বাবে যেন সাজু হৈছে পাক বাহিনী। সাজু ভাৰতো। এতিয়া পাকিস্তান চৰকাৰে ভাৰতীয় বিমান সংস্থাৰ বাবে নিজৰ আকাশমাৰ্গ বন্ধ কৰি দিছে। ■ ৭ পৃষ্ঠাত

### যুদ্ধবিৰতি উলংঘাৰ চেষ্টা পাকিস্তানৰ

## এলঅ'চিত পাকিস্তানৰ গুলীচালনা, ভাৰতৰ প্ৰত্যুত্তৰ



**বিশেষ প্ৰতিনিধি, শ্ৰীনগৰ, ২৫ এপ্ৰিল ঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পিছত ভাৰত-পাকিস্তানৰ মাজত উত্তেজনা তীব্ৰগতিত বৃদ্ধি পায়। ইয়াৰ মাজতে বৃহস্পতিবাৰে নিশা জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ কাষৰ পৰা পাকিস্তানী সেনাই ভাৰতীয় সেনা চকীত গুলীবৰ্ষণ কৰে। প্ৰত্যুত্তৰত ভাৰতীয় সেনায়ো গুলী চলায়। অৱশ্যে বৰ্তমানলৈ এই গুলীচালনাৰ ঘটনাত কোনো হতাহতৰ তথ্য আহি পৰা নাই। জানিব পৰা মতে, ভাৰতীয় সেনাৰ গুলীত ■ ৭ পৃষ্ঠাত


## নিৰ্দেশ পালেই যুদ্ধলৈ সাজু ৭২ বছৰীয়া সেনাৰ অৱসৰপ্ৰাপ্ত কেপ্টেইন



**হেমন্ত কুমাৰ নাথ, তেজপুৰ, ২৫ এপ্ৰিল ঃ** ভাৰত চৰকাৰ বা সেনাবাহিনীয়ে যিকোনো মুহূৰ্তত মাতিলেই ঘৰৰ পৰা ওলাই যাবলৈ সাজু প্ৰাক্তন সেনা বিষয়া ঘনকান্ত কেওট। সোঁবাহুৰ ■ ৭ পৃষ্ঠাত

## পাকিস্তানক প্ৰত্যক্ষ-পৰোক্ষভাৱে সমৰ্থন কৰি আৰক্ষীৰ জালত অসমৰ সাত যুৱক

### ফে'চবুকত সাম্প্ৰদায়িক পোষ্ট দি বিপদত



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী ২৫ এপ্ৰিল ঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত বৰ্বৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া অব্যাহত আছে দেশত। ইয়াৰ মাজতে সন্ত্ৰাসবাদীক প্ৰশ্ৰয় দিয়া পাকিস্তানক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সমৰ্থন কৰি সামাজিক মাধ্যমত দিয়া পোষ্টৰ বাবেই অসম আৰক্ষীৰ জালত পৰিল ছয়জনকৈ যুৱক। আৰক্ষীয়ে হাইলাকান্দিৰ জাবিৰ হুছেইন, শিলচৰৰ মহম্মদ এ কে বাহাৰুদ্দিন, মঃ জাভেদ মজুমদাৰ, মৰিগাঁৱৰ মঃ মাজাহাৰ মিএগু ওৰফে মুজিহিৰুল ইছলাম, নগাঁৱৰ আমিনুল ইছলাম আৰু শিৱসাগৰৰ মঃ ছাহিল আলী। উল্লেখ্য যে অসমৰ ভূমিত থাকি পাকিস্তানক সমৰ্থন কৰা দালালক কোনো কাৰণতে এৰি ■ ২ পৃষ্ঠাত



## বিধায়ক আমিনুলক চাৰি দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২৫ এপ্ৰিল ঃ** কাশ্মীৰৰ পেহেলগামত সংঘটিত নাৰকীয় হত্যালীলাৰ প্ৰসংগত বিতৰ্কিত মন্তব্য কৰি গ্ৰেপ্তাৰ হোৱা ধিঙৰ ■ ৭ পৃষ্ঠাত

## বোমাৰে উৰুৱাই দিলে পেহেলগাম আক্ৰমণত জড়িত সন্ত্ৰাসবাদী আদিল-আছিফৰ ঘৰ

### সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ

**বিশেষ প্ৰতিনিধি, শ্ৰীনগৰ, ২৫ এপ্ৰিল ঃ** জম্মু-কাশ্মীৰৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পিছতেই সক্ৰিয় হৈ উঠিছে নিৰাপত্তাৰক্ষী। বৃহস্পতিবাৰে নিশা কৰা অভিযানত নিৰাপত্তাৰক্ষীয়ে পেহেলগাম ঘটনাৰ লগত জড়িত সন্ত্ৰাসবাদী আদিল থোকৰৰ ঘৰ ধ্বংস কৰি পেলায়। ■ ৭ পৃষ্ঠাত



## আজি বিজেপিয়ে প্ৰকাশ কৰিব পঞ্চায়ত নিৰ্বাচনৰ ইস্তাহাৰ

**বিশেষ প্ৰতিনিধি, গুৱাহাটী, ২৫ এপ্ৰিল ঃ** কাইলৈ ২৬ এপ্ৰিলত পুৱা ৯ বজাত অটল বিহাৰী বাজপেয়ী ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনৰ ইস্তাহাৰ প্ৰকাশ কৰিব। ইস্তাহাৰ উন্মোচনৰ উপলক্ষে কৃষিৰ পৰা আৰম্ভ কৰি উদ্যোগীকৰণলৈকে ব্যতিক্ৰমী কামৰ ■ ৭ পৃষ্ঠাত

## হাস্পতালত আহতসকলৰ স্বাস্থ্যৰ বুজ ল'লে ৰাহুল গান্ধীয়ে

### সিন্ধু জল চুক্তিৰ পক্ষত নাছিল জম্মু-কাশ্মীৰৰ জনতা ঃ ওমৰ আব্দুল্লা

**শ্ৰীনগৰ, ২৫ এপ্ৰিল ঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণৰ এটা দিনৰ পিছতে কেন্দ্ৰীয় চৰকাৰে পাকিস্তানৰ সৈতে হোৱা সিন্ধু জল চুক্তি স্থগিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ভাৰত চৰকাৰৰ এই সিদ্ধান্তক পাকিস্তানে একপক্ষীয় বুলি আখ্যা দিছে যদিও ভাৰত চৰকাৰে তেওঁলোকৰ সিদ্ধান্তত অটল আছে আৰু সেই অনুসৰিয়ে স্থগিত ■ ৭ পৃষ্ঠাত



## ডিব্ৰুগড়ত ৮ বছৰীয়া শিশুক ধৰ্ষণ ঃ গ্ৰেপ্তাৰ সতিন্দৰ শ্বাহ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ এপ্ৰিল ঃ** ডিব্ৰুগড়ত আজি এটি ৮ বছৰীয়া কন্যা শিশুক ধৰ্ষণ কৰে লম্পট সতিন্দৰ শ্বাহে। আৰক্ষীয়ে অভিযুক্ত ধৰ্ষণকাৰী ■ ৭ পৃষ্ঠাত

### ৰূপহীহাটৰ হাতীপাৰাত কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা মন্ত্ৰী হাজৰিকাৰ

## মছজিদত সন্ত্ৰাসৰ বিৰুদ্ধে প্ৰাৰ্থনা কৰি মুছলমানে ৰাষ্ট্ৰবাদীৰ পৰিচয় দিছে

**গণ বাৰ্তা বিশেষ, ৰূপহীহাট, ২৫ এপ্ৰিল ঃ** পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত মানুহ মৰিল, বিধায়ক আমিনুল ইছলামে ভাল পাইছে, তাৰ বিপৰীতে ভাৰতবৰ্ষৰ বিভিন্ন মছজিদত ইয়াক গৰিহণা দি মানুহে প্ৰাৰ্থনা কৰিছে। এইটো ভাল লক্ষণ, আমি সকলো ৰাষ্ট্ৰবাদী হ'ব লাগে, দেশৰ স্বাৰ্থত আমি সকলো একত্ৰিত। আজি ৰূপহীহাটৰ হাতীপাৰা গাঁও পঞ্চায়তৰ নগৰাণী খেলপথাৰত আয়োজিত এক নিৰ্বাচনী সভাত অংশ লৈ দেশক শোকস্তব্ধ কৰা জম্মু-কাশ্মীৰৰ ঘটনাক লৈ এইদৰে মন্তব্য কৰিলে মন্ত্ৰী পীযূষ হাজৰিকাই। ৰূপহীহাট সমষ্টিৰ ■ ৭ পৃষ্ঠাত



## কাৰ্যালয় মুকুলি কৰিবলৈ গৈ ৰাইজৰ ৰোষত এ কে ৰছিদ আলম

**গণ বাৰ্তা, নগৰবেৰা, ২৫ এপ্ৰিল ঃ** গোৱালপাৰা পূব সমষ্টিৰ বিধায়ক এ কে ৰছিদ আলমে নৱাগত শিমলীতোলা বজাৰত পঞ্চায়ত নিৰ্বাচন উপলক্ষে কংগ্ৰেছৰ নিৰ্বাচনী কাৰ্যালয় মুকুলি কৰিবলৈ আহি বৃহস্পতিবাৰে সন্ধিয়া ৰাইজৰ ৰোষত পৰাৰ লগতে এক অবাঞ্ছিত পৰিস্থিতিৰ সন্মুখীন হয়। জানিব পৰা মতে, টিকটকেন্দ্ৰিক বিতৰ্কই গোৱালপাৰা ■ ৭ পৃষ্ঠাত

## তেজপুৰত হাতীদাঁতসহ সৰবৰাহকাৰী গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ২৫ এপ্ৰিল ঃ** এক গোপন তথ্যৰ আধাৰত তেজপুৰ চহৰৰ মাজমজিয়াৰ পৰা কালি দিনৰ ভাগত দুটা হাতীদাঁতসহ দুই সৰবৰাহকাৰীক ■ ৭ পৃষ্ঠাত

### উচ্চ শিক্ষাৰ নতুন সম্ভাৱনীয়তাৰে উদ্ভাসিত গুৱাহাটী বিশ্ববিদ্যালয়

## ৩০০খনতকৈও অধিক মহাবিদ্যালয়ৰ ৩৭৪৩ শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান

**গুৱাহাটী, ২৫ এপ্ৰিল ঃ** ৰাজ্যৰ শিক্ষাখণ্ডলৈ নতুন বাৰ্তা কঢ়িয়াই আজি গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হয় দ্বাত্ৰিংশতম দীক্ষান্ত সমাৰোহ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৩০০খনতকৈও অধিক মহাবিদ্যালয়ৰ সৰ্বমুঠ ৩৭৪৩গৰাকী শিক্ষাৰ্থীক এই অনুষ্ঠানৰ জৰিয়তে আনুষ্ঠানিকভাৱে সন্মানীয় ডিগ্ৰী প্ৰদান কৰা হয়। লগতে সৰ্বমুঠ ১৪৮গৰাকী ব্যক্তিলৈ পি এইচ ডি ডিগ্ৰী আগবঢ়োৱা হয়। দীক্ষান্ত সমাৰোহৰ ■ ৭ পৃষ্ঠাত




## যোৰহাটত মৃতদেহ লৈ ৰাজপথ অৱৰোধ ৰাইজৰ



**গণ বাৰ্তা, পশ্চিম যোৰহাট, ২৫ এপ্ৰিল ঃ** যোৰহাটত দুজনকৈ যুৱকক মৰিয়াই হত্যা কৰা ঘটনাই উত্তেজিত কৰিছে ৰাইজক। প্ৰথমটো ঘটনা যোৰহাট চন্দন নগৰত সংঘটিত হোৱাৰ পিছত দ্বিতীয়টো ঘটনা যোৰহাট পুলিবৰ থানাৰ এলেকাভুক্ত পানীচকুৱা দৈনিক বজাৰত সংঘটিত হয়। পিতা-পুত্ৰই মৰিয়াই হত্যা কৰে এজন যুৱকক। আনজন হয় আঘাতপ্ৰাপ্ত। হত্যাৰ ■ ৭ পৃষ্ঠাত

CLASSIFIED
ADVERTISEMENT
Phone: 9401114444
বিঃ দ্ৰঃ— কাকতত প্ৰকাশিত বিজ্ঞাপনৰ বক্তব্যৰ বাবে কাকত কৰ্তৃপক্ষ দায়বদ্ধ নহয়।

SM GROUP OF INSTITUTIONS A Unit of SVJ Foundation
ST MARTHA INSTITUTE OF NURSING & PHARMACHY, GUWAHATI
CEE SEMINAR AT BARPETA
One day Seminar on Common Entrance Exam, Conducting by SSUHS Guwahati for Nursing, Pharmacy & Paramedical Aspirants
- Training by Subject Experts
- Free Entry
- Guidelines for Application Process
- Guidelines for Education Loan & Scholarship

On 27th April'25 (Sunday) at Radiance Academy Kalgachia From 11 AM Onwards
For More Details
60024 98622 | 98645 14698

# চুক্তি বাতিলে পাকিস্তানলৈ নমাই আনিব ভয়াৱহ বিপদ

*প্ৰথম পৃষ্ঠাৰ পৰা...* চিচিএছ বৈঠকে সিন্ধু জল চুক্তি সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত লৈছে। এই চুক্তি অনুসৰি সিন্ধু নদীৰ পুব উপনৈসমূহ ভাৰতৰ বাবে আৰু পশ্চিম নদীৰ পানী পাকিস্তানৰ বাবে আবণ্টন দিয়া হৈছিল। পাকিস্তান নিজৰ পানীৰ প্ৰয়োজনীয়তাৰ বাবে এই নদীসমূহৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। এই চুক্তি বাতিল হ'লে পাকিস্তানত ভয়াৱহ প্ৰভাৱ পৰিব আৰু সেয়া বিতংভাৱে জানি লওঁ আহক। ভাৰতে সিন্ধু জল চুক্তি স্থগিত ৰখাৰ ফলত পাকিস্তানত ভয়াৱহ জল সংকটৰ সৃষ্টি হ'ব পাৰে। পাকিস্তানৰ কৃষি, অৰ্থনীতি আৰু কিছুমান ক্ষেত্ৰত উদ্যোগ শিল্পৰ প্ৰায় ৮০ শতাংশ পানীৰ ওপৰত নিৰ্ভৰশীল সিন্ধু আৰু ইয়াৰ উপনৈ (বিটাস্তা, চন্দ্ৰভাগ, ইৰাৱাদী, বিপাশা, ছতলেজ)।

শুকান পাকিস্তান ঃ পাকিস্তানে পানীৰ প্ৰয়োজনীয়তাৰ বাবে সিন্ধু নদীৰ পানীৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। চুক্তিখন স্থগিত ৰখাৰ ফলত পানীৰ প্ৰবাহত ব্যাঘাত জন্মিব পাৰে, যাৰ ফলত দেশত পানীৰ ব্যাপক সংকটৰ সৃষ্টি হ'ব পাৰে।

কৃষি বিপদ ঃ পাকিস্তানৰ অৰ্থনীতিৰ মূল শিলাখণ্ড কৃষি বিশেষভাৱে দুৰ্বল। ঘেঁহু, ধান, কপাহৰ দৰে প্ৰধান শস্যত যথেষ্ট পৰিমাণৰ জলসিঞ্চনৰ প্ৰয়োজন হয়। পানীৰ অভাৱত শস্যৰ ক্ষতি হ'ব পাৰে, যাৰ ফলত স্থানীয় খাদ্য সুৰক্ষা আৰু জীৱিকাৰ প্ৰতি ভাবুকি আহিব।

অৰ্থনৈতিক জোকাৰণি ঃ পাকিস্তানৰ জিডিপিত কৃষিয়ে প্ৰায় ২০ শতাংশ অৰিহণা যোগায় আৰু প্ৰায় ৪০ শতাংশ কৰ্মশক্তি নিয়োজিত কৰে। এই খণ্ডত বিঘিনি ঘটিলে ৰাষ্ট্ৰীয় অৰ্থনীতিত ব্যাপক প্ৰভাৱ পৰিব, যাৰ ফলত নিবনুৱা সমস্যা আৰু দৰিদ্ৰতা বৃদ্ধি পাব।

শক্তি সংকট ঃ পাকিস্তানৰ তৰবেলা আৰু মংগলা বান্ধকে ধৰি বহু বান্ধ জলবিদ্যুৎ উৎপাদনৰ বাবে সিন্ধু নদীৰ প্ৰবাহৰ ওপৰত নিৰ্ভৰশীল। পানীৰ প্ৰবাহ হ্ৰাস পালে পাকিস্তানৰ বৰ্তমানৰ শক্তি সংকট আৰু অধিক ভয়াৱহ কৰি তুলিব পাৰে, যাৰ ফলত বিদ্যুতৰ নাটনি হ'ব পাৰে আৰু অৰ্থনৈতিক কাৰ্যকলাপত ব্যাঘাত জন্মিব পাৰে। যেনেকৈ ভাৰতৰ মাজেৰে বৈ যোৱা মুখ্য নদী বুলি ক'লে গংগা, যমুনা, ব্ৰহ্মপুত্ৰ, গোদাৱৰী, কৃষ্ণা, মহানদী আদি আছে, পাকিস্তানৰ মাজেৰে বৈ যোৱা মুখ্য নদী কি জানে নে অকল সিন্ধু নদী। আচলতে পাকিস্তানৰ মাজেৰে বৈ যোৱা ছয়খন মুখ্য নদী আছে; সেইকেইখন হৈছে সিন্ধু, ঝেলুম বা ঝিলাম, চেনাব, ৰবি, ব্যাস আৰু ছাটলেজ। ইয়াৰে সিন্ধু মুখ্য আৰু ডাঙৰ নদী, বাকী ৫খন সৰু নদী আৰু এই ৫খন সৰু নদী মিলি শেষত সিন্ধু নৈত পৰিছে আৰু তাৰ পিছত এখন নদী সিন্ধু হিচাপে বৈ গৈছে। সেইবাবে পাকিস্তানত সিন্ধুকে মুখ্য নৈ বুলি কোৱা হয়। এই সিন্ধু নদীখন উপৰিউক্ত ৬খন নদীত বিভক্ত হৈ তিব্বত মালভূমিৰ কৈলাস পৰ্বতৰ মানস সৰোবৰ আৰু বোখৰ চু হ্ৰদৰ হিমবাহৰ পৰা ওলাই আহিছে আৰু ভাৰতৰ লাডাখ, হিমাচল প্ৰদেশ, হাৰিয়ানা, জম্মু-কাশ্মীৰ আৰু পঞ্জাবৰ মাজেৰে বৈ গৈ পাকিস্তানত সোমাইছে। অৰ্থাৎ উপৰিউক্ত সিন্ধু নদীসহ আৰু ৫খন নদী ভাৰতৰ মাজেৰে বৈ গৈ পাকিস্তানত পৰিছে।

ইয়াৰে ৰবি, ব্যাস আৰু ছাটলেজ নদীক পূবৰ নদী আৰু সিন্ধু, ঝেলুম, চেনাব নদীক পশ্চিমৰ নদী বুলি কোৱা হয়। পাকিস্তান দৈনিক জীৱনত ব্যৱহাৰ কৰাৰ বাবে পানী, খেতি, উদ্যোগ, মীন পালন, যাতায়াত, কাৰখানা, জলসিঞ্চন, বিদ্যুৎ উৎপাদন সকলো এই ৫খন নদীসহ সিন্ধু নৈৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল। এক কথাত, সিন্ধু নদীৰ পানী নহ'লে পাকিস্তান শুকাই মৰুভূমি হৈ যাব। এতিয়া আহোঁ সিন্ধু জল সন্ধি কি স্বাধীনতাৰ আগৰ পৰা এই ৬খন নদী এনেকৈয়ে বৈ আছে। স্বাধীনতাৰ পাছত যেতিয়া ভাৰত আৰু পাকিস্তান দুভাগত বিভক্ত হ'ল পাকিস্তানৰ তেতিয়া চিন্তা হ'ল যে পাকিস্তানৰ মুখ্য গোটেইকেইখন নদী দেখোন ভাৰতৰ পৰা অহা। ভাৰত-পাকিস্তানৰ যুদ্ধ-কাজিয়া লাগিয়েই থাকে। ভৱিষ্যতে ভাৰতে যদি কেতিয়াবা পাকিস্তানৰ ওপৰত খং কৰি এই নদীবোৰৰ পানী আবদ্ধ কৰি থয় বা বেলেগ ফালে বোৱাই লৈ যায় তেতিয়া কি হ'ব? পাকিস্তান শুকাই মৰিব লাগিব। এনেবোৰ চিন্তাই পাকিস্তানক চিন্তিত কৰিলে।

১৯৬০ চনৰ ১৯ ছেপ্টেম্বৰত পাকিস্তানৰ কৰাচীত তেতিয়াৰ ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক তেতিয়াৰ পাকিস্তানৰ ৰাষ্ট্ৰপতি আয়ুব খানে বন্ধুত্ব প্ৰস্তাৱৰে আলহী হিচাপে মাতি নি বুজাই-মেলি সিন্ধু নদী পানী সন্দৰ্ভত এখন চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিখন বিশ্ব বেংকৰ তত্বাৱধান আৰু বুজাবুজিত কৰা হয়। এই চুক্তিখনেই হ'ল ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা সিন্ধু জল সন্ধি বা Indus Waters Treaty. এই চুক্তিখনৰ মতে পূবৰ তিনিখন নদী ৰবি, ব্যাস আৰু ছাটলেজৰ ওপৰত ভাৰতৰ নিয়ন্ত্ৰণ থাকিব আৰু পশ্চিমৰ তিনিখন নদী সিন্ধু, ঝেলুম, চেনাবৰ ওপৰত পাকিস্তানৰ নিয়ন্ত্ৰণ থাকিব। লগতে ভাৰতে ভাৰতৰ মাজেৰে বৈ যোৱা সিন্ধু নদীৰ মাত্ৰ ৩০ শতাংশ পানী সীমিত পৰিমাণৰ বাবে জলসিঞ্চন আৰু অসীমিত পৰিমাণৰ বাবে বিদ্যুৎ উৎপাদন, যাতায়াত, মীনপালন আদিত বিবোৰ ব্যৱহাৰ পানী ধৰি ৰখা নহয় যেনে ব্যৱহাৰ কৰাৰ বাবে ব্যৱহাৰ কৰিবলৈ পাৰিব। সিন্ধু নদীৰ বাকী ৭০ শতাংশ পানী ভাৰতে ব্যৱহাৰ নকৰি পাকিস্তানলৈ সম্পূৰ্ণৰূপে এৰি দিব যাতে পাকিস্তানৰ জন-জীৱনত একো অসুবিধা নহয়।

আজি ৬৫ বছৰে এনেকৈয়ে ভাৰতে এই সিন্ধু জল সন্ধিক সন্মান কৰি চলি আহিছে। এই ৬৫ বছৰত ভাৰত আৰু পাকিস্তানৰ মাজত ১৯৬৫, ১৯৭১ আৰু ১৯৯৯ চনত তিনিখন যুদ্ধ হ'ল। পাকিস্তান সমৰ্থিত কেইবাটাও ইছলামিক সন্ত্ৰাসবাদীয়ে ৩০ বাৰ ওপৰ ভাৰতৰ বিভিন্ন ঠাইত আক্ৰমণ, বোমা বিস্ফোৰণ, গুলি বৰ্ষণ কৰি হাজাৰ ভাৰতীয় জনতা আৰু সেনাৰ হত্যা কৰিলে। সীমাত কিমানবাৰ সোমাব যত্ন কৰি আমাৰ ভাৰতীয় সেনাক পিছফালৰ পৰা হত্যা কৰি গ'ল, তথাপি ভাৰতে মানৱীয়তাৰ খাতিৰত সিন্ধু জল সন্ধিক সন্মান কৰি সিন্ধু নদীৰ পানীৰ ৭০ শতাংশ পাকিস্তানক এৰি দি আছিল।

মাজতে ভাৰতে কিষাণগংগা নদীৰ আৰু ঝেলুম নদীৰ ওপৰত জম্মু-কাশ্মীৰত ৩৩০ মেগাৱাট ক্ষমতাৰ কিষাণগংগা জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰোঁতে পাকিস্তানে কিবাকিবি অসুবিধা দেখুৱাই বহুত বিৰোধিতা কৰিছিল। সেইদৰে জম্মু-কাশ্মীৰতে চেনাব নদীত ভাৰতে বনাই থকা ৯০০ মেগাৱাট ক্ষমতাৰ বাগলীহাৰ জলবিদ্যুৎ শক্তি প্ৰকল্পৰ ওপৰতো বিৰোধিতা কৰি বিশ্ব বেংকক অভিযোগ দিছিলেঁ। ইয়াৰ বাবে এই দুয়োটা জলবিদ্যুৎ প্ৰকল্পৰ কাম বহু লেহেমীয়া হৈ পৰিছিল। সিন্ধু জল চুক্তি মতে পাকিস্তানৰ নিয়ন্ত্ৰণ থকা পশ্চিমৰ তিনিখন নদীত ভাৰতে জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰিব পাৰে কাৰণ জলবিদ্যুৎ প্ৰকল্পত পানী আবদ্ধ কৰি আকৌ এৰি দিয়া হয়। চুক্তিমতে একেবাৰে খৰচ হোৱা কাম যেনে জলসিঞ্চন আদিতহে এই তিনিখন নদীৰ পানী ব্যৱহাৰ কৰিব নোৱাৰে।

ইমানবোৰ সুবিধা দি থকাৰ পিছতো ২০১৬ চনত পাকিস্তান সমৰ্থিত ইছলামিক সন্ত্ৰাসবাদীয়ে জম্মু-কাশ্মীৰৰ উৰিত ভাৰতীয় সেনা ছাউনিত আক্ৰমণ কৰি ১৯জন ভাৰতীয় সেনাক হত্যা কৰাৰ পিছত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাকিস্তানক সকীয়নি দিছিল, 'তেজ আৰু পানী একেলগে বব নোৱাৰে। ভাৰতীয়ৰ তেজ বলে শত্ৰু দেশলৈ এই পানী বৈ যোৱা বন্ধ কৰা হ'ব। এই পানীৰ দিশ সলনি কৰি ভাৰতৰ জম্মু-কাশ্মীৰ, পঞ্জাব-হাৰিয়ানাৰ কৃষকক ব্যৱহাৰ কৰিবলৈ দিয়া হ'ব।' তাৰ পিছতো পাকিস্তান চিধা নহ'ল। আকৌ ১৪ ফেব্ৰুৱাৰী ২০১৯ত জম্মুৰ পুলৱামাত পাকিস্তান সমৰ্থিত ইছলামিক সন্ত্ৰাসবাদীয়ে ভাৰতৰ চিআৰপিএফ জোৱানৰ ওপৰত আক্ৰমণ কৰে আৰু ৪০জন চিআৰপিএফ জোৱানৰ জীৱন লয়। সেইবাৰেো কেন্দ্ৰীয় জলসম্পদ মন্ত্ৰী নীতিন গাডকাৰীয়ে পাকিস্তানক সকীয়নি দিয়ে পাকিস্তান চিধা নহ'লে পাকিস্তানক শিক্ষা দিবলৈ ভাৰতে সিন্ধু জল চুক্তি ভাঙি সিন্ধু নৈৰ গতি সলাবলৈ বাধ্য হ'ব। কুকুৰৰ নেজ চিধা নোহোৱাৰ দৰে, পাকিস্তানৰ স্বভাৱ সলনি নহয়। এবাৰ তাৰ পিছত দুবাৰ সকীয়নি দিয়া হ'ল। তাৰ পিছতো যেতিয়া তিনি নম্বৰবাৰ যোৱা ২২ এপ্ৰিল তাৰিখে আকৌ জম্মু-কাশ্মীৰৰ পেহেলগামত পাকিস্তান সমৰ্থিত ইছলামিক সন্ত্ৰাসবাদীয়ে ২৮জন নিৰীহ ভাৰতীয় পৰ্যটকক বৰ্বৰভাৱে হত্যা কৰিলে তাৰ পিছত ভাৰত চৰকাৰে সিদ্ধান্ত ল'লে যে শাস্ত্ৰতো লিখা আছে 'তিনিবাৰতে নিবাৰণ', এতিয়া সিন্ধু জল সন্ধি নিবাৰণ কৰাৰ সময় আহি গ'ল। আৰু ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ সুৰক্ষা বিভাগৰ কেবিনেটে ২৩ এপ্ৰিল তাৰিখে সিন্ধু জল সন্ধি ভংগ কৰি দিয়া হয়। এতিয়া সেই ৩০-৭০ শতাংশ, তিনিখন তোমাৰ-তিনিখন মোৰ খেল নাই আৰু। এতিয়া ভাৰত চৰকাৰে স্বতন্ত্ৰভাৱে নিয়ন্ত্ৰণ আৰু ব্যৱহাৰ কৰিব ভাৰতৰ মাজেৰে বৈ অহা সিন্ধু নদীৰ লগতে আন ৫খন নদী।

( বিঃ দ্ৰঃ বিভিন্ন উৎসৰ সহায় লৈ লিখা হৈছে।)

# পাকিস্তানক প্ৰত্যক্ষ-পৰোক্ষভাৱে সমৰ্থন কৰি আৰক্ষীৰ জালত অসমৰ সাত যুৱক

*প্ৰথম পৃষ্ঠাৰ পৰা...* দিয়া নহ'ব বুলি মুখ্যমন্ত্ৰীয়ে হুংকাৰ প্ৰদান কৰিছিল। মুখ্যমন্ত্ৰীৰ এই হুংকাৰৰ পিছতে তৎপৰ হৈ পৰিছে অসম আৰক্ষী। সামাজিক মাধ্যমত পেহেলগামত সংঘটিত বৰ্বৰ ঘটনাক লৈ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে পাকিস্তানক সমৰ্থন কৰা ব্যক্তিসকলক আৰক্ষীয়ে তীক্ষ্ণ নজৰ ৰাখিছে। যাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে অভিযান চলাই এই ছয়জন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীয়ে এইকথা সদৰী কৰি কয় যে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ জঘন্য আক্ৰমণ সন্দৰ্ভত প্ৰত্যক্ষ বা পৰোক্ষভাৱে পাকিস্তানক সমৰ্থন কৰা ব্যক্তিক অসমবাসীয়ে কোনো কাৰণতে ক্ষমা নকৰে। এয়া সম্পূৰ্ণৰূপে দেশদ্ৰোহিতা হিচাপে বিবেচিত হ'ব। এই সন্দৰ্ভত জড়িত ব্যক্তিসকলক গ্ৰেপ্তাৰ কৰা হৈছে। এইসকল যুৱকে সামাজিক মাধ্যমত পাকিস্তানক প্ৰত্যক্ষ বা পৰোক্ষভাৱে সমৰ্থন কৰাৰ তথ্য লাভ কৰা হৈছে। অভিযান অব্যাহত আছে। আৰু বিভিন্ন তথ্যৰ আধাৰত আইনৰ আওতালৈ অনা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰে। মন কৰিবলগীয়া যে পেহেলগামৰ সেই জঘন্য ঘটনাটোক লৈ মন্তব্য কৰি ইতিমধ্যে আৰক্ষীৰ জালত পৰিছে ধিং সমষ্টিৰ বহুবল্কী বিধায়ক আমিনুল ইছলাম। এইগৰাকী বিধায়কক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে। ইপিনে সামাজিক মাধ্যমত সাম্প্ৰদায়িক পোষ্ট দি গ্ৰেপ্তাৰ হ'ল ছাত্ৰ মুক্তিৰ নেতা অনিল বণিয়া। বিহালী আৰক্ষীয়ে আজি ৰাছালীৰ বাসগৃহত উপস্থিত হৈ ছাত্ৰনেতাজনক গ্ৰেপ্তাৰ কৰে।

**পাকিস্তানৰ প্ৰচাৰ! শিলচৰত গ্ৰেপ্তাৰ অধিবক্তা আৰু বিশ্ববিদ্যালয় ছাত্ৰ**

**গণ বাৰ্তা, শিলচৰ ঃ** শুকুৰবাৰে কাছাৰ আৰক্ষীয়ে ছ'চিয়েল মিডিয়াত অপমানজনক মন্তব্য আৰু 'পাকিস্তানৰ কাৰ্য'ক প্ৰচাৰ কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে সোনাইৰ জাভেদ মজুমদাৰক। সূত্ৰ অনুসৰি সোনাইৰ নগদিৰগ্ৰামত থকা বাসগৃহৰ পৰা সোনাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে তেওঁক। পেছাত এজন অধিবক্তা মাজুমদাৰে সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰিবলৈ চেষ্টা কৰি অপমানজনক মন্তব্য পোষ্ট কৰিছিল ছ'চিয়েল মিডিয়াত বুলি অভিযোগ। অসম আৰক্ষীক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পেহেলগামত সংঘটিত জঘন্য আক্ৰমণ সন্দৰ্ভত প্ৰত্যক্ষ বা পৰোক্ষভাৱে পাকিস্তানক সমৰ্থন বা ৰক্ষা কৰা যিকোনো ব্যক্তিৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। কালি অসম বিশ্ববিদ্যালয় শিলচৰৰ ছাত্ৰ এ কে বাহাউদ্দিনক ফে'চবুক পোষ্টত ভুল তথ্য আৰু সাম্প্ৰদায়িক মন্তব্য প্ৰচাৰ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। এইপৰ্যন্ত ৬জন লোকক আটক কৰিছে অসম আৰক্ষীয়ে বুলি জানিব পৰা গৈছে।

**বিতৰ্কিত পোষ্ট দি গ্ৰেপ্তাৰ শিৱসাগৰৰ যুৱক**

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ ঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীয়ে নিৰীহ হিন্দু পৰ্যটকক ধৰ্মৰ আধাৰত বৰ্বৰভাৱে হত্যা কৰা ঘটনাটো শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে মুকলিকৈ সমৰ্থন কৰাৰ অভিযোগ উত্থাপন কৰিছে শিৱসাগৰৰ এজন যুৱকে। শিৱসাগৰ বেতবাৰীৰ কাকতিগাঁৱৰ অভিজিত দত্তই সংবাদ মাধ্যমৰ আগত কয় যে বিধায়কজনে ভিডিঅ' বাৰ্তাযোগে জম্মু-কাশ্মীৰত পুনৰ ৩৭০ অনুচ্ছেদ বলৱৎ কৰাৰ পোষকতা কৰি পুনৰ এবাৰ ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে আৰু সেই কথাৰ দ্বাৰা তেওঁ সন্ত্ৰাসবাদ তথা সন্ত্ৰাসবাদীসকলক নিৰীহ লোকক হত্যা কৰিবলৈ একপ্ৰকাৰে উৎসাহ যোগাইছে। ৩৭০ অনুচ্ছেদ বাতিল হোৱাটো ভাৰতৰ আভ্যন্তৰীণ নিৰাপত্তা আৰু ৰাষ্ট্ৰীয় একাত্মতাৰ বাবে এক অনন্য পদক্ষেপ, যাৰ পক্ষত মহামান্য উচ্চতম ন্যায়ালয়ে সিদ্ধান্ত দি থৈছে। অখিল গগৈয়ে প্ৰদান কৰা বক্তব্যত ভাৰতীয় সংবিধান, ভাৰতীয় সাৰ্বভৌমত্ববিৰোধী আচৰণ স্পষ্ট হৈ পৰিছে বুলিও যুৱকজনে ক্ষোভেৰে কয়। অভিজিত দত্তই লগতে কয়, সন্ত্ৰাসবাদীৰ পক্ষত আৰু মুকলিকৈ পাকিস্তানৰ সন্ত্ৰাসবাদীৰ দ্বাৰা ভাৰতীয় নাগৰিকৰ হত্যা কৰাটো যেন সন্ত্ৰাসবাদীৰ উচিত কাৰ্য হৈছে, এইধৰণৰ কথা-বতৰা কৈ সন্ত্ৰাসবাদক উৎসাহ যোগাই ভাৰতৰ অখণ্ডতা, ভাৰতৰ সাৰ্বভৌমত্ব, ভাৰতৰ ৰাষ্ট্ৰীয় সুৰক্ষা, ভাৰতীয় ৰাষ্ট্ৰীয় একাত্মতা বিনষ্ট কৰাৰ চেষ্টা কৰিছে। বিধায়ক অখিল গগৈৰ সেই বিশেষ মন্তব্যৰ লগতে তেওঁৰ শেহতীয়া কিছু আচৰণ দেখি তেওঁক পাকিস্তান, বাংলাদেশৰ দৰে কোনোবা ভাৰতবিৰোধী বিদেশী ৰাষ্ট্ৰৰ এজেণ্ট যেন আমাৰ অনুভৱ হৈছে বুলিও কয়। ৰাষ্ট্ৰীয় সুৰক্ষা, সমন্বয় আৰু শান্তি ৰক্ষা কৰাৰ লগতে সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ খাতিৰত অখিল গগৈক অনতিপলমে গ্ৰেপ্তাৰ কৰি উচিত। তদন্ত কৰিবলৈ অনুৰোধ জনাই এজাহাৰ দাখিল কৰে অভিজিত দত্তই। বিধায়ক অখিল গগৈৰ কথা-বতৰা উদ্দেশ্যপ্ৰণোদিত আৰু তেওঁ সন্ত্ৰাসবাদীৰ সহযোগত ভাৰতৰ বিভিন্ন ঠাইত পুনৰ পেহেলগামৰ দৰে ঘটনা ঘটাব পাৰে বুলি এগৰাকী ভাৰতীয় নাগৰিক হিচাপে শিৱসাগৰৰ যুৱক অভিজিত দত্ত যথেষ্ট শংকিত আৰু আতংকিত হৈছে বুলিও মন্তব্য কৰে। আনহাতে আজি ৰাইজৰ দলৰ কৰ্মীয়ে এগৰাকী বিজেপি কৰ্মীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি ৰাইজৰ দলৰ কৰ্মীয়ে বিজেপিৰ আই টি চেলত কাৰ্যনিৰ্বাহ কৰা নীলু নেওগৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। তেওঁলোকে অভিযোগ উত্থাপন কৰি কয় যে নীলু নেওগ নামৰ মহিলাগৰাকীয়ে বিধায়ক অখিল গগৈৰ বিৰুদ্ধে কিছুমান ভুৱা অপপ্ৰচাৰ আৰু অসত্য বাৰ্তা সম্পাদনা কৰি ফে'চবুকত পোষ্ট কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ সময়ত সামাজিক আৰু সাম্প্ৰদায়িক সংঘাত সৃষ্টিৰ সম্ভাৱনাৰ আশংকা প্ৰকাশ কৰি এনেবোৰ কথাই বিধায়কজনৰ ভাবমূৰ্তি ম্লান কৰিব বুলিও মন্তব্য কৰে। 'হিন্দু জল চুক্তি উঠাই পাকিস্তানলৈ পানী যোৱা যদি ভাৰতে বন্ধ কৰে, তেনেহ'লে মই অনুৰোধ কৰিম যে চীনেও ব্ৰহ্মপুত্ৰৰ পানী বন্ধ কৰক'— এনে মন্তব্য বিধায়ক অখিল গগৈয়ে কৰা বুলি বিজেপিয়ে যি ভুৱা প্ৰচাৰ চলাইছে, এয়া সম্পূৰ্ণ ভুৱা বুলি অভিযোগ উত্থাপন কৰিছে ৰাইজৰ দলৰ কৰ্মীয়ে। আনহাতে অখিল গগৈয়ে এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, 'মইবাৰে বাৰে কৈ আছোঁ যে উগ্ৰপন্থীসকলক নিৰ্মূল কৰিব লাগে। মোৰ বিৰুদ্ধে যথেষ্ট অপপ্ৰচাৰ চলাই আছে। কালি আৰু পৰহি আমাৰ যিমান সভা হৈ আছে সকলোতে কাশ্মীৰৰ ঘটনাৰ মৃতকসকলৰ বাবে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ লগতে প্ৰতিবাদ সাব্যস্ত কৰিছোঁ আৰু উগ্ৰপন্থীসকলক নিৰ্মূল কৰিবৰ বাবে ভাৰত চৰকাৰৰ অনুৰোধ জনাইছোঁ।' উজনি অসমত ৰাইজৰ দলে জনপ্ৰিয়তা লাভ কৰাৰ বাবে ইচ্ছু ডাইভাৰ্ট কৰাৰ চেষ্টা চলাইছে বুলি মন্তব্য কৰে বিধায়কজনে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰত চৰকাৰে যি ব্যৱস্থা লয়, ৰাইজৰ দলৰ সম্পূৰ্ণ সমৰ্থন থকাৰ কথা

পঞ্জাব নেশ্বনেল বেংক punjab national bank

**যোৰহাট ৰাজহচক্ৰ কাৰ্যালয়**
**বাবুপট্টী, যোৰহাট, অসম-৭৮৫০০১**

ৰেফ নং: পিএনবি/জেচিঅ'/জিএছএডি/প্ৰিমিছ/আৰএছইটিআই/২০২৫-২৬
তাৰিখ: ২৫/০৪/২০২৫

**চৌহদৰ প্ৰয়োজন**

চৰাইদেউ জিলাত আৰএছইটিআই অস্থায়ীভাৱে স্থাপনৰ বাবে পঞ্জাৱ নেচনেল বেংকৰ বাবে তলত উল্লেখ কৰা সুবিধা থকা উপযুক্ত ৰেডি বিল্ট আৰু সুনিৰ্মাণিত হল আৰ্হিত ভৱনৰ প্ৰয়োজনঃ-

১। শ্ৰেণীকোঠাঃ ৩৫ জনকৈ প্ৰশিক্ষাৰ্থী বহিব পৰাকৈ ন্যূনতম ২টা শ্ৰেণীকোঠা।
২। সঞ্চালক কক্ষঃ সঞ্চালক কাৰ্যালয়ৰ বাবে এটা সুকীয়া কোঠা।
৩। ফেকাল্টি কক্ষঃ ফেকাল্টি আৰু কাৰ্যালয়ৰ কৰ্মচাৰীৰ বাবে এটা কোঠা।
৪। কৰ্মশালা/ব্যৱহাৰিক কক্ষঃ প্ৰশিক্ষাৰ্থীসকলৰ বাবে কৰ্মশালা বা ব্যৱহাৰিক শ্ৰেণীৰ বাবে এটা কোঠা।
৫। কেণ্টিন কাম ডাইনিং হলঃ একে সময়ত ৩৫জন প্ৰশিক্ষাৰ্থীয়ে আহাৰ গ্ৰহণ কৰিব পৰা এটা ডাঙৰ হল।
৬। ছাত্ৰাবাস/হোষ্টেল ঃ ছাত্ৰাবাসৰ বাবে/পুৰুষ আৰু মহিলাৰ বাবে পৃথকে ২টা ডাঙৰ হল
৭। পাকঘৰ: পাকঘৰৰ বাবে এটা কোঠা।
৮। শৌচাগাৰঃ পুৰুষ আৰু মহিলাৰ বাবে পৃথক শৌচাগাৰ।

লিজ /ভাড়াৰ ভিত্তিত চৌহদটো ভূমি মহলাত হোৱা উচিত আৰু যদি প্ৰথম মহলাত থাকে, তেন্তে লিফ্টৰ সুবিধা (উল্লেখিত স্থানত) থাকিব লাগিব। প্ৰস্তাৱিত চৌহদত বিধিগত কৰ্তৃপক্ষৰ পৰা সকলো ক্লিয়াৰেন্স প্ৰমাণপত্ৰ থাকিব লাগিব। আগ্ৰহী মালিক/পঞ্জীয়নভুক্ত পাৱাৰ অৱ এটৰ্নী, উল্লেখিত স্থানীয় অঞ্চলৰ এনে চৌহদধাৰী যিসকলে নিজৰ সহজলভ্য চৌহদসমূহ হ্ৰস্বম্যাদী পট্টা ভিত্তিত লিজত দিবলৈ সাজু, তেওঁলোকে কাৰ্যালয়ৰ সময়ত পঞ্জাৱ নেচনেল বেংক, সোণাৰি শাখাত উপলব্ধ নিৰ্ধাৰিত প্ৰ-পত্ৰত বা ওপৰৰ ঠিকনাত নিজৰ প্ৰস্তাৱ প্ৰেৰণ কৰিব পাৰে। মোহৰ আৰু স্বাক্ষৰযুক্ত সম্পূৰ্ণ প্ৰস্তাৱটো ওপৰৰ ঠিকনাত ০৩/০৫/২০২৫ তাৰিখ বা তাৰ আগতে নিম্ন স্বাক্ষৰকাৰীলৈ প্ৰেৰণ কৰিব লাগিব।

বেংকৰ দ্বাৰা কোনো ধৰণৰ দালালিৰ ধন আদায় কৰা নহয়। বেংকে কোনো কাৰণ নিৰ্ধাৰণ নকৰাকৈ নিজৰ একমাত্ৰ বিবেচনা অনুসৰি যিকোনো বা সকলো প্ৰস্তাৱ গ্ৰহণ বা নাকচ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।

**তাৰিখ ঃ ২৫/০৪/২০২৫** **চক্ৰ মুৰব্বী**

*No.CHD/UDD/2/6th ASFC/1st Inst./Devolution/2025/NIT-CS/5164* *Dated Kokrajhar the 11th April/2025*

**PRESS NOTICE INVITING TENDER**

The Council Head of Department, Urban Development Department, BTC, Kokrajhar invites bid for the following scheme under 6th ASFC (Devolution Fund) 1st Installment for the year 2023-24 during 2024-25.

| Group No. | Name of Schemes | Bid cost (Rs.) | Tender Value (Rs.) |
|---|---|---|---|
| Group-1 | Supply of Vendor Food cart with Solar LED Light (size 6x3x7 feet) for Livelihood of BPL/EWS beneficiary in Urban area of Kokrajhar Town. | 500.00 | 15,98,400.00 |
| Group-2 | Supply of Vendor Food cart with Solar LED Light (size 6x3x7 feet) for Livelihood of BPL/EWS beneficiary in Urban area of Fakiragram Town. | 400.00 | 11,98,800.00 |
| Group-3 | Supply of Vendor Food cart with Solar LED Light (size 6x3x7 feet) for Livelihood of BPL/EWS beneficiary in Urban area of Gossaigaon Town. | 500.00 | 15,98,400.00 |
| Group-4 | Supply of Vendor Food cart with Solar LED Light (size 6x3x7 feet) for Livelihood of BPL/EWS beneficiary in Urban area of Udalguri Town. | 500.00 | 15,98,400.00 |
| Group-5 | Supply of Vendor Food cart with Solar LED Light (size 6x3x7 feet) for Livelihood of BPL/EWS beneficiary in Urban area of Tangla Town. | 500.00 | 15,98,400.00 |
| Group-6 | Supply of Vendor Food cart with Solar LED Light (size 6x3x7 feet) for Livelihood of BPL/EWS beneficiary in Urban area of Goreswar Town. | 600.00 | 19,98,000.00 |
| Group-7 | Supply of Vendor Food cart with Solar LED Light (size 6x3x7 feet) for Livelihood of BPL/EWS beneficiary in Urban area of Bijni Town. | 500.00 | 15,98,400.00 |
| Group-8 | Supply of Vendor Food cart with Solar LED Light (size 6x3x7 feet) for Livelihood of BPL/EWS beneficiary in Urban area of Kajalgaon Town. | 500.00 | 15,98,400.00 |
| Group-9 | Supply of Vendor Food cart with Solar LED Light (size 6x3x7 feet) for Livelihood of BPL/EWS beneficiary in Urban area of Basugaon Town. | 500.00 | 15,98,400.00 |

Last date of submission of completed tender is 03.05.2025 (up to 2:00 PM) and will be open on the same day. The detail tender documents may be obtained from the office of the undersigned during office hours till 30.04.2025.

**N.B.**: The bill of contractor will be paid only after receiving the fund from BTC.

Sd/- CHD,
Urban Development Department,
BTC, Kokrajhar

**IPR(BTC)/C/2025-26/196**

*No.CHD/UDD/3/15th FC/Tied/2nd Inst./2025/NIT-CS/5163* *Dated Kokrajhar the 11th April/2025*

**PRESS NOTICE INVITING TENDER**

The Council Head of Department, Urban Development Department, BTC, Kokrajhar invites bid for the following scheme under 15th FC (Tied Grant) 2nd Installment) for the year 2023-24 during 2024-25.

| Group No. | Name of Schemes | Bid cost (Rs.) | Tender Value (Rs.) |
|---|---|---|---|
| Group-1 | Supply of Dustbin 20+30 Ltrs. Capacity (for Door to Door Garbage Collection) for BPL/EWS beneficiary in Urban area of Basuigaon and Bijni Town. | 600.00 | 18,70,000.00 |
| Group-2 | Supply of Dustbin 20+30 Ltrs. Capacity (for Door to Door Garbage Collection) for BPL/EWS beneficiary in Urban area of Kokrajhar Town. | 500.00 | 14,96,000.00 |
| Group-3 | Supply of Dustbin 20+30 Ltrs. Capacity (for Door to Door Garbage Collection) for BPL/EWS beneficiary in Urban area of Tangla and Udalguri Town. | 400.00 | 10,28,500.00 |
| Group-4 | Supply of Stainless Steel water filter (40 Ltrs. capacity) or BPL/EWS beneficiary in Urban area of Basugaon Town. | 600.00 | 19,34,870.00 |
| Group-5 | Supply of Stainless Steel water filter (40 Ltrs. capacity) or BPL/EWS beneficiary in Urban area of Bijni Town. | 500.00 | 15,50,850.00 |
| Group-6 | Supply of Stainless Steel water filter (40 Ltrs. capacity) or BPL/EWS beneficiary in Urban area of Kajalgaon Town. | 600.00 | 19,20,100.00 |
| Group-7 | Supply of Stainless Steel water filter (40 Ltrs. capacity) or BPL/EWS beneficiary in Urban area of Gossaigaon Town. | 300.00 | 7,38,500.00 |
| Group-8 | Supply of Stainless Steel water filter (40 Ltrs. capacity) or BPL/EWS beneficiary in Urban area of Kokrajhar Town. | 600.00 | 19,57,025.00 |
| Group-9 | Supply of Stainless Steel water filter (40 Ltrs. capacity) or BPL/EWS beneficiary in Urban area of Tangla Town. | 600.00 | 19,20,100.00 |
| Group-10 | Supply of Stainless Steel water filter (40 Ltrs. capacity) or BPL/EWS beneficiary in Urban area of Udalguri Town. | 500.00 | 14,77,000.00 |

Last date of submission of completed tender is 02.05.2025 (up to 2:00 PM) and will be open on the same day. The detail tender documents may be obtained from the office of the undersigned during office hours till 30.04.2025.

**N.B.**: The bill of contractor will be paid only after receiving the fund from BTC.

Sd/- CHD,
Urban Development Department,
BTC, Kokrajhar

**IPR(BTC)/C/2025-26/193**

**AFFIDAVIT**

I, ABDUL MAJID do hereby solemnly affirm and declare that I am a permanent resident of the below mentioned address and citizen of India by birth. That my Daughter namely Miss. MAMTAZ BEGUM. issued by the Addl. Register birth & death kharupetia PHC Darrang ( Assam) vide Regd. No. 5477/11,dtd .18/12/12. That Now I intend to change my said daughter's name as AFSANA BEGUM. That the statements made by me in the above Paras and true to the best of my knowledge and I sign this affidavit the 23rd April 2025 at Mangaldai Notary.

Abdul Majid
S/O Osman Ali
village -Ghansimuli
PO - Ghansimuli,
PS - Kharupetia.
Dist- Darrang

**AFFIDAVIT**

I, HASEN ALI, S/O- Late Ahamed Ali, resident of Vill-Naharbari, P.O- Ulubari, P.S- Thelamara, Dist- Sonitpur, Assam do hereby declare by an Affidavit before Notary Sonitpur that I my actual date of birth is 20/03/1989. But in my passport my date of birth is wrongly recorded as 11/10/1990 instead of 20/03/1989.

**PUBLIC NOTICE**

I have declared through an affidavit before the Magistrate, Nalbari that my name is wrongly mentioned as KHAIBAR RAHMAN instead of MD KHABIBAR RAHMAN in the Bank Pass Book of AGVB, Jagara Branch AûC No- 7084010005116.
The name KHAIBAR RAHMAN and MD KHABIBAR RAHMAN is the same person.

यूनियन बैंक ऑफ इंडिया भारत सरकार का उपक्रम Union Bank of India A Government of India Undertaking

**ঋণ আদায় বিভাগ, আঞ্চলিক কাৰ্যালয় : যোৰহাট,**
**দোহা বৰা চুক, যোৰহাট-৭৮৫০০১, মোবাইল নং ৯৭৩৪৯০২৮৮০,**
**ইমেইল: crld.rojorhat@unionbankofindia.bank**

**পৰিশিষ্ট-১**

**নিলাম জাননী**

ইউনিয়ন বেংক অৱ ইণ্ডিয়া (বেংক)ৰ দ্বাৰা বিত্তীয় সাহায্য প্ৰদান কৰা আৰু সংশ্লিষ্ট ব্যৰ্থ ঋণী / জামিনদাৰসকলৰ পৰা জব্দ কৰা নিম্নউল্লেখিত বাহন(সমূহ) বিক্ৰীৰ বাবে উপলব্ধ কৰা হৈছে। বাহনসমূহ ক্ৰয় কৰিবলৈ ইচ্ছুক ব্যক্তিসকলে বাহনসমূহৰ বাস্তৱিক পৰিদৰ্শন আৰু সবিশেষ জানিবৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ সৈতে যোগাযোগ পাৰে।

ইচ্ছুক ক্ৰেতাসকলে তেওঁলোকৰ প্ৰস্তাৱ পত্ৰৰ সৈতে ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ পক্ষে আৰু **হয়বৰগাঁও, নগাঁও শাখাত (চোল আইডি ১৭৯৩২)** প্ৰদেয় সুদমুক্ত আমানত ধন জমা হিচাপে এটা ৩০,০০০/- **টকা (ত্ৰিশ হাজাৰ টকা মাত্ৰ)**ৰ ঘূৰাই দিব পৰা / মিলাই দিব পৰা বেংকাৰ্ছ চেক বা পে অৰ্ডাৰ জমা দিব লাগিব।

ক্ৰেতা ক্ৰেতাসকলে তেওঁলোকৰ প্ৰস্তাৱ বন্ধ খামত জমা দিব আৰু তাৰ ওপৰত "বাহন নং **AS-02-AK-7099** ক্ৰয়ৰ বাবে উদ্ধৃতি" বুলি লিখিব আৰু সেইখিনি **২৬/০৫/২০২৫** তাৰিখৰ **বিয়লি ৪.০০ বজাৰ** ভিতৰত নিম্নস্বাক্ষৰকাৰীৰ ওচৰত পাব লাগিব। বন্ধ উদ্ধৃতিসমূহ **২৮/০৫/২০২৫** তাৰিখে **পুৱা ১১.০০ বজাত** খোলা হ'ব আৰু যিসকল ক্ৰেতাই তেওঁলোকৰ প্ৰস্তাৱ জমা দিছে তেওঁলোকে ইচ্ছা কৰিলে সেই সময়ত উপস্থিত থাকিব পাৰে।

সফল নিবিদাকাৰীসকলে উদ্ধৃতি খোলাৰ তাৰিখৰ পৰা ১০ (দহ) কৰ্মদিনৰ ভিতৰত বা বেংকৰ দ্বাৰা বৰ্ধিত যিকোনো সময়ৰ ভিতৰত উদ্ধৃত মূল্য সম্পূৰ্ণৰূপে জমা দিব লাগিব, যাৰ ব্যৰ্থ হ'লে ইএমডি বাজেয়াপ্ত কৰা হ'ব আৰু বাহন(সমূহ) আকৌ বিক্ৰী কৰা হ'ব।

বাহনসমূহ "যেনে আছে আৰু য'ত আছে" ভিত্তিত বিক্ৰী কৰা হৈছে আৰু বেংকে নিৰ্ধাৰণ কৰা সংৰক্ষিত মূল্যৰ তলত বিক্ৰী কৰা নহ'ব। নিম্নস্বাক্ষৰকাৰীয়ে কোনো কাৰণ প্ৰদৰ্শন নকৰাকৈ সকলো বা যিকোনো প্ৰস্তাৱ গ্ৰহণ বা নাকচ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।

| ক্ৰ. নং | বাহনৰ বিৱৰণ (মেক, মডেল, চন) | পঞ্জীয়ন নং | সংৰক্ষিত মূল্য |
|---|---|---|---|
| ১ | মেক : নিছান মটৰ ইণ্ডিয়া প্ৰাইভেট লিমিটেড<br>মডেল : নিছান মেগনাইট এমটি এক্সএল, চন : ২০২২ | AS-02-AK-7099 | ৩,০০,০০০/- টকা |

**তাৰিখ: ২৫/০৪/২০২৫**
**স্থানঃ যোৰহাট**

**অনুমোদিত স্বাক্ষৰকাৰী**
**ইউনিয়ন বেংক অৱ ইণ্ডিয়া**

# গোৱালপাৰা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ শিশুৰ খেলা - শিকন সামগ্ৰী বিতৰণ

**গণ বাৰ্তা, গোৱালপাৰা, ২৫ এপ্ৰিলঃ** গোৱালপাৰা জিলাৰ পাঁচটা ৰাজহ চক্ৰৰ পাঁচখন বিদ্যালয়ৰ মাজত আজি শিশুৰ বাবে কেতবোৰ খেলা আৰু শিকন সামগ্ৰী গোৱালপাৰা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তৰফৰ পৰা বিতৰণ কৰা হয়। মূলতঃ বানপানীৰ সময়ত স্থাপন কৰা আশ্ৰয় শিবিৰত থকা শিশুসকলে খেলিব আৰু প্ৰাথমিক পৰ্যায়ৰ পঢ়া-শুনাখিনি যাতে অব্যাহত ৰাখিব পাৰে তাৰ বাবে এই সামগ্ৰীসমূহ বিতৰণ কৰা হয়। জিলাখনৰ পাচ খন বিদ্যালয়ক ৫৩ বিধ খেলা আৰু শিকন সামগ্ৰীৰ একোটা বাকচ প্ৰদান কৰা হয়। গোৱালপাৰাৰ জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সভাপতি খনীন্দ্ৰ চৌধুৰীয়ে আজি নিজ কাৰ্যালয়ৰ পৰা বিদ্যালয় কেইখনৰ মাজত এই সামগ্ৰী সমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। বিতৰণ অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰীতম ৰাজা শৰ্মাই বিদ্যালয় কেইখনৰ প্ৰতিনিধি শিক্ষকসকলক বানপানীৰ সময়ত স্থাপন কৰা শিবিৰত থকা শিশুসকলৰ বাবে এই সামগ্ৰী সমূহ দিয়া হৈছে বুলি উল্লেখ কৰাৰ লগতে শিশুসকলৰ বাবে কি কি ব্যৱস্থা কৰিব লাগিব সেই বিষয়েও বিদ্যালয় কেইখনৰ প্ৰতিনিধিসকলক বুজাই দিয়ে। আজিৰ এই অনুষ্ঠানটোত সহকাৰী আয়ুক্ত নিশামণি কলিতাৰ উপস্থিতিত অতিৰিক্ত জিলা আয়ুক্ত প্ৰীতম ৰাজা শৰ্মাই সদৌ অসম ভিত্তিত গোৱালপাৰা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গণতন্ত্ৰ দিৱসৰ প্ৰতীক পট প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰা বটা আৰু মানপত্ৰখন আনুষ্ঠানিকভাৱে জিলা আয়ুক্তক অৰ্পণ কৰে। জিলাখনৰ ৰংজুলি ৰাজহ চক্ৰৰ টিপলাই উচ্চতৰ মাধ্যমিক বিদ্যালয়, মাটিয়া ৰাজহ চক্ৰৰ দলগোমা গাৰ্লছ এম ই স্কুল, দুধনৈ ৰাজহ চক্ৰৰ লেলা হাই স্কুল, বালিজানা ৰাজহ চক্ৰৰ গোৱালপাৰা জয়তুন নেছা হাই স্কুল আৰু লক্ষীপুৰ ৰাজহ চক্ৰৰ হাতোগাঁও এম ভি স্কুলক আজি এই সামগ্ৰীসমূহ প্ৰদান কৰা হয়। এই অনুষ্ঠানত বিদ্যালয়সমূহৰ পৰিদৰ্শক অনুপ কুমাৰ দাস, জিলা সমাজ কল্যাণ বিষয়া এ এম এ হুছেইন, আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প প্ৰবন্ধক কমল নাৰায়ণ পাঠক আদি উপস্থিত থাকে। উল্লেখ্য যে- বানপানীৰ সময়ত গোৱালপাৰা জিলা প্ৰশাসনে জিলাখনৰ পাচঁটা ৰাজহ চক্ৰৰ আটাইকেইটাতে একোটাকৈ আদৰ্শ আশ্ৰয় শিবিৰ স্থাপন কৰাৰ পৰিকল্পনা কৰিছে। সেই আদৰ্শ আশ্ৰয় শিবিৰত থকা কণ কণ শিশুসকলক মানসিক চাপৰ পৰা মুক্ত কৰি ৰখাৰ বাবে 'শিশুৰ ওমলা আচুতীয়া ঠাই'ৰ ব্যৱস্থা কৰি দিয়া হয়।

দৈনিক
# গণ অধিকাৰ

৩

গুৱাহাটী, শনিবাৰ, ২৬ এপ্ৰিল, ২০২৫, ১২ ব'হাগ, ১৯৪৭ শক

Dainik Gana Adhikar, Guwahati, Saturday, 26 April, 2025

## কলগাছিয়াত ভোটাৰ সজাগতা শোভাযাত্ৰা

**গণ বাৰ্তা, কলগাছিয়া, ২৫ এপ্ৰিল ঃ** নামনি অসমৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় কলগাছিয়াস্থিত ফখৰুদ্দিন আলী আহমেদ একাডেমীৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ জৰিয়তে ২৫ এপ্ৰিলত ভোটাৰসকলৰ মাজত সজাগতা বৃদ্ধিৰ বাবে এক শোভাযাত্ৰা উলিয়ায়। শোভাযাত্ৰাত ফখৰুদ্দিন আলী আহমেদ একাডেমীৰ শতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে আগন্তুক পঞ্চায়ত নিৰ্বাচনত যাতে প্ৰতিজন ভোটাৰে স্বতস্ফূৰ্তভাৱে ওলাই আহে আৰু মজবুত, শক্তিশালী তথা সবল গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে সমাজৰ প্ৰতি দায়িত্বশীল নিকা ভাবমূৰ্তি ব্যক্তিসকলক নিৰ্বাচিত কৰি সমাজৰ হকে কাম কৰিবলৈ উদ্‌গনি যোগায়। উক্ত শোভাযাত্ৰাত নেতৃত্ব দিয়ে ফখৰুদ্দিন আলী আহমেদ একাডেমীৰ পৰিচালন সঞ্চালক তথা প্ৰাক্তন অধ্যক্ষ ড° ইফতিকাৰ আলী আহমেদে। ইয়াৰ উপৰিও শোভাযাত্ৰাত সংগ দিয়ে অধ্যক্ষ ছাহজি পাৱবিনৰ লগতে আন আন শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকি শোভাযাত্ৰাটো সাফল্যমণ্ডিত কৰে।

## মিঞ্জুমা বেগমৰ নিৰ্বাচনী প্ৰচাৰ

**গণ বাৰ্তা, দুমুনিচকী, ২৫ এপ্ৰিল ঃ** সমাগত পঞ্চায়ত নিৰ্বাচনক লৈ ব্যস্ত হৈ পৰিছে প্ৰাৰ্থীসকল। ইয়াৰ মাজতে সমৰ্থকসকলক লৈ নিৰ্বাচনী প্ৰচাৰ চলাই ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত ১৯নং মাৰৈ দুমুনিচকী গাঁও পঞ্চায়তৰ ৭নং দুমুনিচকী ৱাৰ্ড সদস্যা পদৰ প্ৰাৰ্থী মিঞ্জুমা বেগমে। সামাজিক কাম-কাজৰ লগত সততে জড়িত থকা মিঞ্জুমা বেগমে পঞ্চায়তখনৰ অন্তৰ্গত ৭নং ৱাৰ্ডত আজি ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইফালে, ৰাইজৰ সঁহাৰি পোৱা বুলি সংবাদ মাধ্যমত আগত প্ৰকাশ কৰে প্ৰাৰ্থীগৰাকীয়ে। একেদৰে এখন শক্তিশালী, সমৃদ্ধিশীল, দুৰ্নীতিমুক্ত, বিকশিত পঞ্চায়ত গঠনৰ লগতে ৰাইজক সেৱা কৰিব সুবিধা দিব বুলি আশাবাদী মিঞ্জুমা বেগম।

# মৰণ ফান্দত পৰিণত গোৱালপাৰা চহৰ সংলগ্ন কাঠৰ দলং

## কুম্ভকৰ্ণ নিদ্ৰাত বিধায়ক- প্ৰশাসন



**গণ বাৰ্তা, মাটিয়া, ২৫ এপ্ৰিল ঃ** ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়িত্বভাৰ লোৱাৰ পিছত ঘোষণা কৰিছিল যে দুবছৰ পিছত সাংবাদিকে বাইন'কুলাৰেৰেও কাঠৰ দলং বিচাৰি নাপব। কিন্তু মুখ্যমন্ত্ৰীৰ উক্ত ঘোষণাক অসাৰ প্ৰতিপন্ন কৰিছে গোৱালপাৰা চহৰ সংলগ্ন নৱীনগৰ দুই নম্বৰ বলদমাৰী চৰ সংযোগী জৰাজীৰ্ণ কাঠৰ দলং এখনে। প্ৰাপ্ত অভিযোগ অনুসৰি, গোৱালপাৰা পৌৰসভাৰ ১৯নং ৱাৰ্ডৰ নৱীনগৰ (নামাপাৰা)ৰ পৰা বলদমাৰী চৰগাঁও পঞ্চায়তৰ অন্তৰ্গত দুই নম্বৰ বলদমাৰী চৰ সংযোগী কাঠৰ দলংখন বিধ্বস্ত ৰূপৰ বাবেই যাতায়াতৰ নামত কে'বাসহস্ৰাধিক লোকে যমৰ যাতনা ভুগিব লগীয়া হৈছে। উল্লেখ্য যে জিলা পৰিষদৰ পুঁজিৰে প্ৰায় ১৫ বছৰ পূৰ্বে ৰাইজৰ যাতায়াতৰ সুবিধাৰ্থে এখন কাঠৰ দলং নিৰ্মাণ কৰা হৈছিল। কিন্তু নিম্নমানৰ কাঠেৰে কাম কৰাৰ উপৰি পৰৱৰ্তী সময়ত প্ৰয়োজনীয় মেৰামতি নকৰাৰ ফলত বিপদসংকুল অৱস্থাত ৰাইজে যাতায়াত কৰিবলগীয়া হৈছে। স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীকে ধৰি জৰাজীৰ্ণ কাঠৰ দলংখনেৰে দৈনিক এক -ডেৰ হাজাৰ লোকে যাতায়াত কৰিব লগীয়া হয়। দলংখনৰ বিধ্বস্ত ৰূপৰ বাবেই গাড়ী-মটৰ দূৰৰে কথা, চাইকেলেৰেও চলাচল কৰিব নোৱাৰি। ফলত মাত্ৰ ৩০ মিটাৰ দূৰত্বৰ পথৰ পৰিৱৰ্তে একাংশই কালুবজাৰ হৈ প্ৰায় পাঁচ কিলোমিটাৰ অতিৰিক্ত পথ অতিক্ৰম কৰাৰ বিপৰীতে আন একাংশই গোৱালটুলী হৈ প্ৰায় ছয় কিলোমিটাৰ দূৰত্বৰ পথ অতিক্ৰম কৰি যাতায়াত কৰিব লগীয়া হোৱা বুলিও স্থানীয় ৰাইজৰ মন্তব্যত প্ৰকাশ। ইফালে, সময়ৰ অপচয় ৰোধৰ বাবেই একাংশই নৱীনগৰতে বেলেগৰ ঘৰত মটৰচাইকেল অথবা গাড়ী-মটৰ ৰাখি বিধ্বস্ত দলঙেৰে যাতায়াত কৰি আহিছে। একেই ধৰণে কৃষিপ্ৰধান অঞ্চলৰ কৃষকসকলৰ উৎপাদিত শাক-পাচলি বিক্ৰীৰ লগতে স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলেও মৰণক শৰণ দি মৰণফান্দসদৃশ দলংখনেৰে গোৱালপাৰা চহৰলৈ অহা-যোৱা কৰি আহিছে। দলংখনৰ পৰা পৰি ইতিমধ্যে কে'বাগৰাকী লোক আঘাতপ্ৰাপ্ত হৈ পংগুত্ব জীৱন কটাবলগীয়া হোৱাৰ উপৰি কিছুদিন পূৰ্বে আব্দুল জব্বৰ নামৰ এজন লোকে অকাল মৃত্যুক আঁকোৱালি লোৱা বুলিও অভিযোগ উত্থাপন হৈছিল। গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা মাত্ৰ দুই কিলোমিটাৰ আৰু গোৱালপাৰা পূব সমষ্টিৰ বিধায়ক একে ৰছিদ আলমৰ বাসগৃহৰ পৰা মাত্ৰ তিনি কিলোমিটাৰ দূৰত্বত অৱস্থিত জৰাজীৰ্ণ কাঠৰ দলংখন মেৰামতিৰ বাবে ৰাইজে বাৰে বাৰে দাবী জনাই আহিছে যদিও কোনোধৰণৰ সুফল পোৱা নাই। বাৰে বাৰে জিলা আয়ুক্তক আবেদন-নিবেদন কৰি আহিছে যদিও আশ্বাসৰ বাহিৰে আন একো নাপালে বুলি স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। ইফালে প্ৰতিবাৰে নিৰ্বাচনৰ দলংখন আৰ চি চি কৰাৰ প্ৰতিশ্ৰুতিৰে ভোট আদায় কৰে যদিও জয়ী হোৱাৰ পিছত বিধায়ক একে ৰছিদ আলমে পাহৰি যায় বুলি ক্ষোভ উজাৰে ভুক্তভোগী ৰাইজে। মাত্ৰ ৩০ মিটাৰ দূৰত্বৰ পথৰ দুৰৱস্থাৰ বাবেই দুই নম্বৰ বলদমাৰী চৰৰ ৰাইজে প্ৰয়োজনত এম্বুলেন্স সেৱা অথবা ১০৮ সেৱাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। কেৱল এয়াই নহয়, যাতায়ত ব্যৱস্থা সুচল নোহোৱাৰ ফলত অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ বিয়াৰ ক্ষেত্ৰতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। সেয়ে বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সাময়িকভাৱে কাঠৰ দলংখন মেৰামতিৰ সু-ব্যৱস্থা কৰাৰ লগতে স্থায়ীভাৱে আৰচিচিকৈ নিৰ্মাণ কৰাৰ বাবে চৰকাৰ তথা মুখ্যমন্ত্ৰীক দাবী জনাইছে সৰ্বসাধাৰণ ৰাইজে। এইদৰে গোৱালপাৰা চহৰ সংলগ্ন নৱীনগৰ -দুই নম্বৰ বলদমাৰী চৰ সংযোগী কাঠৰ দলংখনে চৰকাৰৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে।

## মাণিকপুৰত বৰদৈচিলাৰ তাণ্ডৱত গুৰুতৰভাৱে আহত দুই শিশু

**গণ বাৰ্তা, মাণিকপুৰ, ২৫ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মাণিকপুৰৰ বিভিন্ন অঞ্চলত বৰদৈচিলাৰ তাণ্ডৱত বিধ্বস্ত হৈ পৰে বিভিন্ন অঞ্চল। প্ৰকাণ্ড প্ৰকাণ্ড গছ উভালি পৰে ঘৰৰ ওপৰত। কোনোমতে প্ৰাণৰক্ষা পৰে বহু পৰিয়ালৰ। ঘৰৰ চাল উঠাই লৈ পেলাই বহু দূৰৈত। কিছুমানৰ একেবাৰে বিধ্বস্ত কৰি পেলায় সকলো ঘৰ-দুৱাৰ। নৈশ যাপন কৰিবলৈ নাই ঘৰ। হয়তো তিৰপাল টানি থাকিবলগীয়াত পৰিছে। পশুধনৰো বাজিছে বিপদঘণ্টা। ৰাখিবলৈ নাই গোহালি ঘৰ, সকলো বৰদৈচিলাৰ কবলত। পশ্চিম বৰবিলা, ১নং ধুপুৰী, ২নং ধুপুৰী, শালমাৰা, লুংঝাৰ আৰু ২নং সুপাৰিগুৰি আদি কৰি বিশখন গাঁৱত তাণ্ডৱ চলায় বৰদৈচিলাই। লুংঝাৰত দুটি শিশু গুৰুতৰভাৱে আহত হয়। আহত দুয়োকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ২নং ধুপুৰীৰ আনাৰ হুছেইনৰ পকী ঘৰৰ ওপৰত গছ পৰাত সম্পূৰ্ণৰূপে ঘৰটো ধ্বংস হয়। আনহাতে, ২নং সুপাৰিগুৰিৰ ১২টা পৰিয়াল আৰু ১/২নং ধুপুৰীত ৩২টাকৈ পৰিয়াল বেয়াধৰণে ক্ষতিগ্ৰস্ত হয়। বৰদৈচিলাৰ প্ৰভাৱত যাতায়াত ব্যৱস্থা তথা বিদ্যুৎ সংযোগ বিচ্ছিন্ন হৈ পৰে। ঠায়ে ঠায়ে ৰাস্তাৰ ওপৰত গছ উভালি পৰে। বিদ্যুৎ সংযোগৰ খুঁটা ভাঙি যোৱাৰ লগতে তাঁৰ ছিগি ছিন্ন-ভিন্ন হৈ পৰে। উল্লিখিত অঞ্চলসমূহত বিদ্যুৎ সংযোগ কৰিবলৈ অতি কমেও তিনি-চাৰি দিনৰ প্ৰয়োজন হ'ব। মুঠৰ ওপৰত এই অঞ্চলসমূহত এক ভয়ংকৰ পৰিৱেশৰ সৃষ্টি হৈছে। এতিয়ালৈকে জিলা প্ৰশাসনৰ কোনো ব্যক্তিয়ে ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰা নাই। ভুক্তভোগী পৰিয়ালে জিলা আয়ুক্তৰ দৃষ্টিগোচৰ কামনা কৰিছে।

## ২২ বছৰে তেজপুৰত মেৰামতি নহ'ল এখন বিধ্বস্ত দলং



**গণ বাৰ্তা, দোলাবাৰী, ২৫ এপ্ৰিল ঃ** তেজপুৰৰ চহৰৰ সমীপৱৰ্তী এক অঞ্চল ভিতৰসুঁতিৰ এখন জৰাজীৰ্ণ দলং বিগত প্ৰায় ২২ বছৰে এক ভগ্নাৱশেষৰ দৰেই পৰি ৰৈছে। উপায়হীন ৰাইজে মাজে মাজে ইয়াৰ বিকল্প হিচাপে ব্যক্তিগত ধন ব্যয় কৰি এইখন জৰাজীৰ্ণ দলঙৰ বিকল্প হিচাপে একোখন বাঁহৰ সাঁকো সাজি লয়। কিন্তু এনে সাঁকো অধিক দিন ঠিকে নাথাকে। তেনে সাঁকো ব্যৱহাৰৰ অনুপযোগী হোৱাৰ পিছত উপায়হীন ৰাইজে পুনৰ জৰাজীৰ্ণ, বিধ্বস্তপ্ৰায় দলংখনেৰেই ব্যৱহাৰ কৰিব লগীয়া হয়। উল্লেখ্য যে এইখন দলং অতিক্ৰম কৰিব লাগে তিনিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ একাংশই। স্থানীয় ৰাইজৰ ভাষ্য অনুসৰি, নিতৌ প্ৰায় অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰী এইখন দলঙেৰে অহা-যোৱা কৰিব লাগে। তদুপৰি দোলাবাৰী, জাহাজডুবা, পৰোৱা, গোটলোং, শ'লমৰা আদিৰ ৰাইজৰ বাবে এটা অপৰিহাৰ্য দলং এইখন। তেজপুৰ চহৰলৈ এইসমূহ গ্ৰামাঞ্চলৰ চমু পথত থকা দলংখন ২০০২ত হোৱা প্ৰবল বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা এই দলংখন আৰু মেৰামতি কৰা নহ'ল। উপায়হীন ৰাইজে চৰকাৰী বিভাগ, প্ৰশাসন তথা পঞ্চায়ত আদি সকলোতে দলংখন নিৰ্মাণ কৰিবলৈ আবেদন জনাই ছিল যদিও আজিলৈকে সেয়া কাৰ্যকৰী নহ'ল। দলংখনৰ এনে ভয়ংকৰ অৱস্থাৰ বাবেই ইয়াৰ পৰা পৰি মাজগাঁৱৰ এজন লোকৰ মৃত্যু ঘটাৰ বিষয়ে প্ৰকাশ কৰি ৰাইজে কয় যে দলংখনৰ পৰা পৰি ইতিমধ্যে বহুকেজন লোক আহত হৈছে। তদুপৰি, স্থানীয় লোকৰ ভালেমান পশুধনৰো মৃত্যু ঘটিছে দলঙৰ পৰা পৰি। মৰাভৰলীৰ সুঁতিৰ ওপৰত থকা এইখন দলঙৰ জৰাজীৰ্ণ অৱস্থাৰ লগতে ভিতৰসুঁতিৰ পথটোৰো অৱস্থা অতি শোচনীয়। পঞ্চায়তে এই পথটো নিৰ্মাণ কৰিব পাৰিলেহেঁতেন যদিও ৰহস্যজনকভাৱে এই পথটো নিৰ্মাণ নকৰিলে। বাৰিষাকালত এই জৰাজীৰ্ণ পথ আৰু দলঙৰ বাবে ৰাইজৰ মাজত এক হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হৈ আহিছে যদিও নিৰ্দিষ্ট সময়ৰ বিৰতিত অঞ্চলটোত ভোট বিচাৰি অহা নেতা, পালিনেতা আৰু জনপ্ৰতিনিধিসকলৰ ছাঁটোকে দেখিবলৈ নোহোৱা হয় পৰৱৰ্তী সময়ত। উল্লেখ্য যে ভিতৰসুঁতিৰ এইখন জৰাজীৰ্ণ দলঙে বিগত প্ৰায় ২২ বছৰে উন্নয়নৰ স্বৰূপ উদঙাইছে বুলি উল্লেখ কৰে ৰাইজে।

## খোলাবান্ধা জিলা পৰিষদত কংগ্ৰেছৰ সপক্ষে বাইক ৰেলীৰে নিৰ্বাচনী চমক

**গণ বাৰ্তা, নগৰবেৰা, ২৫ এপ্ৰিল ঃ** ৰাজ্যত অনুষ্ঠিত হব লগা দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে ককালত টঙালি বান্ধি ব্যাপক হাৰত নিৰ্বাচনী প্ৰচাৰ চলাই ভোটাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ১৭ নং খোলাবান্ধা জিলা পৰিষদ সমষ্টিতো সম্প্ৰতি নিৰ্বাচনী বতাহ গৰম হৈ উঠিছে। কেৱা শতাধিক বাইক ৰেলীৰে কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী অধিৱক্তা আব্দুল মান্নানে এ, আই ইউ ডি এফ, নিৰ্দলীয় আৰু বিজেপি প্ৰাৰ্থীক তীব্ৰ প্ৰত্যাহ্বান জনাই নিৰ্বাচনী প্ৰচাৰ অভিযান ক্ৰমান্বয়ে তুংগত কৰি তুলিছে। কংগ্ৰেছ প্ৰাৰ্থী অধিৱক্তা আব্দুল মান্নানে প্ৰতি দিন দলীয় কৰ্মী সমৰ্থক সকলক লগত লৈ ভোটাৰ ৰাইজৰ ঘৰে ঘৰে গৈ সাক্ষাৎ কৰি জন সমৰ্থন আদায় কৰিবলৈ সক্ষম হৈছে। আলোপতি মাজৰচৰ গাওঁ পঞ্চায়ত, খোলাবান্ধা গাঁও পঞ্চায়ত, কাছুমাৰা গাঁও পঞ্চায়ত আৰু মহচৰা পঞ্চায়ত মিলি এইবাৰ নতুনকৈ গঠন হোৱা ১৭ নং খোলাবান্ধা জিলা পৰিষদ সমষ্টিত প্ৰায় পঞ্চাশ হাজাৰ ভোটাৰ আছে। পূৰ্বে একাধিক বাৰ কংগ্ৰেছৰ দখলত থকা সংশ্লিষ্ট জিলা পৰিষদ সমষ্টিটো এইবাৰো কংগ্ৰেছৰ দখলত আনিবলৈ কংগ্ৰেছী সকলে অভিনৱ পন্থা অৱলম্বন কৰি নিৰ্বাচনী প্ৰচাৰ অভিযান চলাই ভোটাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ইপিনে এ, আই ইউ ডি এফৰ প্ৰাৰ্থী মফিদা আহমেদে নিৰ্বাচনী প্ৰচাৰ চলাই ভোটাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিলেও কোনো কামত দিয়া নাই মফিদা আহমেদৰ প্ৰচাৰ ।পূৰ্বৰ পৰাই কংগ্ৰেছৰ শক্তিশালী স্থিতি থকা খোলাবান্ধা জিলা পৰিষদ সমষ্টিত এইবাৰ এ, আই ইউ ডি এফৰ কোনো টো নাই বুলিয়েই কব পাৰি। ইয়াৰ বিপৰীতে নিৰ্দলীয় প্ৰাৰ্থী আমিৰ হামজাই এতিয়া কংগ্ৰেছৰ মুৰৰ কামুৰণি হৈ পৰিছে ।নিৰ্দলীয় প্ৰাৰ্থী আমিৰ হামজাই ব্যাপক হাৰত নিৰ্বাচনী প্ৰচাৰ চলাই ভোটাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হলেও সময়ত নিৰ্দলীয়ৰ পক্ষে বতাহ নাথাকিব বুলিও একাংশই কব খোজে। সম্প্ৰতি খোলাবান্ধা জিলা পৰিষদ সমষ্টিত নিৰ্বাচনী প্ৰেকাপট ফুটি উঠা যদিও সংশ্লিষ্ট চাৰিও খন গাওঁ পঞ্চায়তত‌ে কংগ্ৰছৰ প্ৰাৰ্থী অধিৱক্তা আব্দুল মান্নানৰ সপক্ষে নিৰ্বাচনী বতাহ বলিছে। এনে পৰিস্থিতিত কোনে শেষ হাঁহি মাৰিব সেয়া হব লক্ষণীয়।

## ডিব্ৰুগড় জিলাৰ মৰাণত ভয়াৱহ অগ্নিকাণ্ড

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ এপ্ৰিল ঃ** ডিব্ৰুগড় জিলা মৰাণ চহৰত আজি পুৱা এক ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডত তিনিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হোৱাৰ লগতে দুজন লোক আহত হৈছে। অগ্নিকাণ্ডত 'মনভৰি' নামৰ হোটেলখন সম্পূৰ্ণ ৰূপে ভস্মীভূত হোৱাৰ লগতে কাষতে থকা 'মা হোটেল' আৰু 'দ্য ডেণ্টেল হাব' নামৰ প্ৰতিষ্ঠানখনলৈও জুই বিয়পি পৰে। 'মনভৰি' নামৰ হোটেলখনৰ পৰাই জুইৰ সূত্ৰপাত হোৱা বুলি জানিব পৰা গৈছে। অগ্নিনিৰ্বাপক বাহিনীৰ ৮খন বাহনৰ সহায়ত জুই নুমুৱাবলৈ সক্ষম হয়। 'মনভৰি' হোটেলখনৰ প্ৰায় ৫০ লাখ টকাৰ সা-সম্প্ৰতি জুইত জাহ যায় বুলি জানিব পৰা গৈছে। মা হোটেলখনৰ প্ৰায় ২ লাখ টকাৰ সা-সামগ্ৰী ক্ষতিগ্ৰস্ত হয়। মা হোটেলখনৰ পৰা গেছ চিলিণ্ডাৰ উলিয়াবলৈ বাস্তৱ কুকুৰাছোৱা নামৰ এজন কৰ্মচাৰী আৰু জুই নুমুৱাই থকা অৱস্থাত আফজল হুছেইন লস্কৰ নামৰ অগ্নিনিৰ্বাপক বাহিনীৰ এজন কৰ্মচাৰী এই অগ্নি কাণ্ডত আঘাতপ্ৰাপ্ত হয়।

## টিপকাই নদীত অবৈধ শিল-বালিৰ ৰমৰমীয়া বেহাৰ অভিযোগ

**গণ বাৰ্তা, পৰ্বতঝোৰা, ২৫ এপ্ৰিল ঃ** শেহতীয়াকৈ বিটিআৰ কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ সীমামূৰীয়া সাপটগ্ৰাম বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ধনীৰামপুৰত গোসাঁইগাঁও গুমা ৰেঞ্জৰ চালানেৰে সাপটগ্ৰাম বন বিভাগক কমিচনেৰে মেনেজ কৰি ধুবুৰী জিলা বন সংমণ্ডলৰ অন্তৰ্গত টিপকাই নৈত অবৈধভাৱে এচাম দুষ্ট চক্ৰৰ দলে দিনে-নিশাই শিল-বালি খনন কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা কাৰ্যক অঞ্চলটোৰ স্থানীয় ৰাইজে সচকিত হৈ পৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি, দীৰ্ঘ দিনৰ পৰা সাপটগ্ৰাম বন সংমণ্ডলৰ অন্তৰ্গত ধনীৰামপুৰ পুৰণি গৰু বজাৰৰ দাঁতিত টিপকাই নৈত মূল শিল ,বালি মাফিয়া ছহিদুল হকৰ নেতৃত্বত এটা দুষ্ট চক্ৰই গোসাঁইগাঁও গুমা ৰেঞ্জৰ চালানৰ জৰিয়তে সাপটগ্ৰামৰ বন বিষয়া আনিছুৰ ৰহমানৰ লগত গোপন মিতিৰালিৰে এনে অবৈধ শিল-বালি খনন কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় সচেতন ৰাইজে। ইপিনে, সাপটগ্ৰাম বন বিষয়া আনিছুৰ ৰহমানক কমিচনৰ অংক দিয়াৰ সুবাদতে টিপকাই নৈত ড্ৰেজাৰ মেচিন লগাই দিনে-নিশাই এনে অবৈধ পন্থাৰে এনেধৰণৰ অবৈধ কাৰ্যকলাপ চলাই আহিছে। আনকি অঞ্চলটো ধুবুৰী জিলা বন বিভাগৰ অন্তৰ্গত ৰেঞ্জৰ হোৱা সত্ত্বেও বিটিআৰৰ কোকৰাঝাৰ জিলাৰ গুমা ৰেঞ্জৰ চালানেৰে ধুবুৰী বন সংমণ্ডলৰ অন্তৰ্গত



সাপটগ্ৰাম বন বিষয়াৰ কাৰ্যালয়ৰ এলেকাধীন অঞ্চলত এনে নদীত অবৈধভাৱে শিল-বালি খনন কৰি ৰমৰমীয়া ব্যৱসায় আৰম্ভ কৰাৰ ঘটনাই অঞ্চলটোৰ সচেতন ৰাইজৰ মাজত চৰ্চাৰ বিষয় হৈ পৰিছে। উক্ত অঞ্চলটো কৃষি প্ৰধান অঞ্চল হোৱা সত্ত্বেও উক্ত গুৰু-গোসাঁই নমনা ছহিদুল হকৰ দুষ্ট চক্ৰটোৱে শিল-বালি খনন কৰি লাখ লাখ টকাৰ বন বিভাগক ৰাজহ ফাঁকি দি আহিছে। বৰ্তমান দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতি অহা অসম চৰকাৰখনে সাপটগ্ৰাম বন বিষয়া কাৰ্যালয়ৰ এলেকাত এনে অবৈধ খনন আৰু অবৈধ শিল-বালি সৰবৰাহৰ ক্ষেত্ৰত অসম চৰকাৰৰ লগতে ধুবুৰী বন সংমণ্ডল বিষয়া-কৰ্মচাৰীয়ে এইবাৰ কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়তহে লক্ষণীয় হ'ব বুলি ভূ ৰখা মহলে মতপোষণ কৰে।


## ৰঙাপৰাত পেহেলগাম কাণ্ডৰ প্ৰতিবাদ

**গণ বাৰ্তা, ৰঙাপৰা, ২৫ এপ্ৰিল ঃ** ৰঙাপৰাত পেহেলগামত সন্ত্ৰাসবাদীৰ নৃশংস হত্যালীলাৰ প্ৰতিবাদত আজি চিপিআই (এম)য়ে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। পাকিস্তানী সন্ত্ৰাসবাদ মুৰ্দাবাদ, সন্ত্ৰাসবাদৰ বিৰুদ্ধে জনগণ এক হওক, ভাৰতৰ মাটিত সন্ত্ৰাসবাদ নিপাত যাওক, ভাৰতৰ মাটিত সন্ত্ৰাসবাদত কবৰ দিয়ক, নিৰীহ লোকক হত্যা কৰা সন্ত্ৰাসবাদ নিপাত যাওক, উগ্ৰপন্থীক কঠোৰ হাতেৰে দমন কৰক আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে চিপিআই(এম)য়ে। জন্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ নৃশংস হত্যালীলাৰ প্ৰতিবাদত আৰু শোকবিহ্বল পৰিয়াবৰ্গলৈ সহমৰ্মিতা জনাই ৰঙাপৰা চহৰৰ মাজ-মজিয়াত চি পি আই (এম)য়ে ৰূপায়ণ কৰে বিক্ষোভ কাৰ্যসূচী। চি পি আই(এম)ৰ সদস্য-সদস্যাসকলে হাতে হাতে ৰঙা পতাকা আৰু ফেষ্টুন-বেনাৰ লৈ সন্ত্ৰাসবাদৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি বিয়লি চহৰখনত এক শোভাযাত্ৰা উলিয়াই। পেহেলগামৰ ঘটনাক ক্ষিপ্ৰ তদন্ত কৰি দোষীক কঠোৰ শাস্তি দিবলৈ চিপিআই (এম)য়ে ভাৰত চৰকাৰক দাবী জনায়। ইপিনে, ৰঙাপৰা জামে মছজিদ সমিতিয়ে আজি জুম্মা নামাজৰ পাছত হাতত ক'লা বেজ পৰিধান কৰি এই হত্যালীলাৰ তীব্ৰ প্ৰতিবাদ জনায়। সমিতিৰ সম্পাদক আব্দুল ৰহিম তথা উপস্থিত ভক্তিপ্ৰাণ ৰাইজে এই নৃশংস হত্যাৰ একমুখে গৰিহণা দি ভাৰত চৰকাৰক উচিত পদক্ষেপ ল'বলৈ আহ্বান জনায়।

## ভৱানীপুৰত সংঘটিত পথ দুৰ্ঘটনাত এজন নিহত, চাৰি আহত


**গণ বাৰ্তা, ভৱানীপুৰ, ২৫ এপ্ৰিল ঃ** ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত বাংলীপাৰাত আজি সংঘটিত এটা ভয়াৱহ পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে আন চাৰিগৰাকী লোক আহত হয়। জানিব পৰা মতে, আজি সন্ধিয়া পাঠশালাৰ দিশৰ পৰা ২৭নং ৰাষ্ট্ৰীয় ঘাইপথেৰে বৰপেটা দেউৰীকুছিৰ মইনুল হক (৪০) আৰু পাঠশালা বৰবাঙৰ মিণ্টু তালুকদাৰে (৩৩) দুখন মটৰচাইকেলেৰে হাউলী অভিমুখে গৈ আছিল। এএছ ১৫ ইউ ৯৮০২ আৰু এএছ ১৫ বি ৭৭ ৩৪ নম্বৰৰ বাইক দুখনেৰে গৈ থকা অৱস্থাত পিছপিনৰ পৰা অহা তীব্ৰবেগী এমএল ০৫ এচি ৫৩৯৫ নম্বৰৰ বলেৰ' পিকআপ ভান এখনে আৰোহী দুজনক কেইবামিটাৰ পথ মহটিয়াই নিয়ে। ফলত মিণ্টু তালুকদাৰ গুৰুতৰভাৱে আহত হোৱাৰ লগতে মইনুল হক ঠাইতে নিহত হয়। ইপিনে শ্বিলঙৰ পৰা বৰপেটাৰোড অভিমুখী বলেৰ' পিকআপ ভানখনৰ চালক খাচিপাহাৰৰ ৰাণুকোৰৰ অমৰ হাজঙৰ লগতে আন দুজন আৰোহী সামান্যভাৱে আহত হয়। আহতসকলক ভৱানীপুৰ সামূহিক স্বাস্থ্য কেন্দ্ৰত প্ৰাথমিক চিকিৎসা কৰা হয় যদিও গুৰুতৰভাৱে আহত মিণ্টু তালুকদাৰক উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

## জিলা পৰ্যায়ৰ ধঁপাত নিয়ন্ত্ৰণ কোষৰ সমন্বয়ৰক্ষী সমিতিৰ বৈঠক



**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ২৫ এপ্ৰিল ঃ** যোৰহাট জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ জিলা পৰ্যায়ৰ সমন্বয়ৰক্ষী সমিতিৰ বৈঠকখন আজি স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। যুটীয়া সঞ্চালক ডাঃ দিলীপ দেৱশৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত আগন্তুক ৩১ মে'ৰ বিশ্ব ধঁপাতবিৰোধী দিৱস পালন আৰু জিলাখনত ধঁপাতমুক্ত পৰিৱেশ গঢ়াৰ কৌশল সম্পৰ্কত বিভিন্ন বিভাগৰ পৰা অহা বিষয়াসকলে পৰামৰ্শ বিচাৰি ডাক্তৰ ভক্তিময় ভট্টাচাৰ্যই উদ্দেশ্য ৰাখ্যা আগবঢ়ায়। উদ্দেশ্য ৰাখ্যা প্ৰসংগত, ভৱিষ্যৎ পৰিকল্পনা প্ৰস্তুত সম্পৰ্কত উপস্থিত জিলা পৰিবহণ বিষয়া ধনঞ্জয় শইকীয়া, ডাক্তৰ অচিত কুমাৰ বৰুৱা, ঔষধ পৰিদৰ্শক দীপাংকৰ হাজৰিকা, জিলা খাদ্য নিৰাপত্তা বিষয়া শ্ৰীয়া দাস, সাংবাদিক ৰমেন শইকীয়া, সমাজকৰ্মী জগন্নাথ অগ্নি বৰা, বিদ্যালয়সমূহৰ পৰিদৰ্শক বিষয়াৰ প্ৰতিনিধিসকলে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। ধঁপাত নিয়ন্ত্ৰণ কোষৰ সমাজকৰ্মী দীপক হাজৰিকাই আঁত ধৰা সভাখনত মনোবিদ দীপ্তি শইকীয়া, তথ্য সংৰক্ষক প্ৰশিল কুমাৰ বৰা উপস্থিত থাকে। উল্লেখ্য যে এইবাৰ বিশ্ব ধঁপাতবিৰোধী দিৱস ২০২৫ উদ্‌যাপনৰ লগত সংগতি ৰাখি বিদ্যালয়সমূহৰ ভিতৰত চৰিত্ৰাভিনয় প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## অভিনেতা-ক্ৰীড়া সংগঠক ৰাজেন শৰ্মাৰ মৃত্যুত দল-সংগঠনৰ শোক প্ৰকাশ



**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২৫ এপ্ৰিল ঃ** অসমৰ এগৰাকী বিশিষ্ট অভিনেতা তথা সুদক্ষ ফুটবল খেলুৱৈ, ক্ৰীড়া সংগঠক আৰু সমাজকৰ্মী, নগাঁও চহৰৰ আমোলাপট্টী নিৱাসী ৰাজেন শৰ্মাৰ (৮৩) আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে শোকস্তব্ধ হৈ পৰে নগাঁও। ছাত্ৰ জীৱনৰ পৰাই অভিনয় আৰু ক্ৰীড়া ক্ষেত্ৰখনৰ লগত জড়িত ৰাজেন শৰ্মা এগৰাকী সুদক্ষ অভিনেতা, ফুটবল খেলুৱৈ, ক্ৰীড়া সংগঠক হিচাপে নিজৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। ৰাজ্যিক খেলুৱৈ ৰাজেন শৰ্মাই ৰাষ্ট্ৰীয় পৰ্যায়ৰ কোচবিহাৰ ট্ৰফী প্ৰতিযোগিতাত অসম দলক প্ৰতিনিধিত্ব কৰাৰ লগতে ফুটবলত অসম স্কুল দলৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। তেওঁ এজন সুদক্ষ গ'লৰক্ষক আছিল। নগাঁৱৰ স্প'ৰ্টিং ক্লাবৰ উপদেষ্টাৰ লগতে নগাঁও ক্ৰীড়া সংস্থাৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল। নগাঁও নাট্য সমিতিৰ সভাপতি, সম্পাদকৰ দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰিছিল। এগৰাকী সুদক্ষ অভিনেতা হিচাপে নগাঁৱৰ নিট্যপ্ৰেমী ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ নগাঁৱত বহুকেইখন সামাজিক নাটকত কৰা মনপৰশা অভিনয় আজিও নগাঁৱৰ নাট্যপ্ৰেমী ৰাইজৰ মাজত সজীৱ হৈ আছে। তেওঁৰ মৰম তৃষ্ণা, মণিৰাম দেৱান আদি বহুকেইখন কথাছবিত অভিনয় কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। ফুটবলৰ ওপৰি তেওঁ ক্ৰিকেট খেল খেলিছিল। বিশিষ্ট অভিনেতা চন্দ্ৰ ফুকন, সাৰদাকান্ত বৰদলৈ, দুলাল ৰয় আদি বহুকেইজন অভিনেতা, নাট্যকাৰৰ সান্নিধ্য লাভ কৰা শৰ্মাৰ মৃত্যুত নগাঁৱত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত মন্ত্ৰী কেশৱ মহন্তই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই ৰাজেন শৰ্মাৰ মৃত্যুত শোক প্ৰকাশ কৰি কয় যে ৰাজেন শৰ্মাৰ মৃত্যু নগাঁৱৰ সমাজ জীৱনৰ লগতে নাট্যক্ষেত্ৰ আৰু ক্ৰীড়া জগতখনৰ বাবে অপূৰণীয় ক্ষতি হ'ল। প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱা, সাংসদ ৰকিবুল হুছেইন, নগাঁও নাট্য সমিতি, সাংস্কৃতিক গোষ্ঠী কল্লোল, নগাঁও কলা মন্দিৰ, নগাঁও অপেছাদাৰী নাট্য শিল্পী কল্যাণ সমিতি, সদৌ নগাঁও জিলা ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নগাঁও জিলা মইনা পাৰিজাত, নগাঁও প্ৰেছ ক্লাব, নগাঁও প্ৰিণ্ট মিডিয়া, নগাঁও জিলা বাৰ্তাজীৱী সংঘ, আজু, নগাঁও ইলেক্ট্ৰ'নিক মিডিয়া এছ'চিয়েচন, নগাঁও জিলা গণনাট্য সংঘ, চন্দ্ৰজ্যোতি সংঘ, মঞ্চ অন্তৰ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন সাধাৰণ সম্পাদক কনক হাজৰিকা, অসম শিল্পী কানন আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, কন্যাসহ বহু আত্মীয় স্বজন ইহ সংসাৰত এৰি গৈছে।

দৈনিক গণ অধিকাৰ
মূক জনতাৰ মুক্ত কণ্ঠ
গুৱাহাটী, শনিবাৰ, ২৬ এপ্ৰিল, ২০২৫

# কি হ'ব ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ?

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ এক নিৰ্দেশনাই বিভাগীয় অনুমতি নথকা ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ অনিশ্চয়তাৰ দিশে ঠেলি দিছে। ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সঞ্চালকে ইতিমধ্যে জাৰি কৰা E-50316612 নম্বৰৰ নিৰ্দেশ অনুসৰি এতিয়াৰে পৰা বিভাগীয় পঞ্জীয়ন বা অনুমতি নথকা অকৰ্তৃত্বশীল ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অধ্যয়নৰত নৱম আৰু একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন কৰা সন্দৰ্ভত চৰকাৰী তথা প্ৰাদেশীকৃত বিদ্যালয় কৰ্তৃপক্ষসমূহক বাধা প্ৰদান কৰা হৈছে। যদিহে সেয়া কাৰ্যকৰী হয়, তেন্তে বিভাগীয় অনুমতি নথকা ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰি থকা নৱম আৰু একাদশ শ্ৰেণীৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে বিভাগীয় পঞ্জীয়ন কৰিবলৈ সক্ষম নহ'ব। উল্লেখ্য যে ৰাজ্যত আছে ব্যক্তিগত খণ্ডৰ হাজাৰ হাজাৰ শিক্ষানুষ্ঠান। লগতে দীৰ্ঘদিন ধৰি বিভাগীয় নথি-পত্ৰ অবিহনেই সংশ্লিষ্ট বিদ্যালয়সমূহ চলি আহিছে। এইদৰে একমাত্ৰ ব্যৱসায়িক স্বাৰ্থত গঢ়ি উঠা বিদ্যালয়সমূহ বিভাগীয় অনুমতি অবিহনেই চলি আহিছে যদিও ইমানদিনে শিক্ষা বিভাগে ৰহস্যজনকভাৱে নীৰৱ ভূমিকা গ্ৰহণ অহাৰ পিছত হঠাতে এইবাৰ ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কঠোৰ ভূমিকা গ্ৰহণ কৰি ৰাজ্যৰ প্ৰতিখন জিলাৰ বিদ্যালয়সমূহৰ জিলা পৰিদৰ্শক, চমুকৈ আই এছলৈ প্ৰেৰণ কৰা এক পত্ৰৰ জৰিয়তে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ ভিত্তিতে ইতিমধ্যে ৰাজ্যৰ প্ৰায়সংখ্যক বিদ্যালয় পৰিদৰ্শকে চৰকাৰী স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়সমূহক এক জাননীৰ জৰিয়তে বিভাগীয় অনুমতি নথকা ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত পঢ়ি থকা নৱম আৰু একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়ন কৰিবলৈ বাৰণ কৰিছে। এতিয়া প্ৰশ্ন হ'ল, হঠাতে এনে সিদ্ধান্ত কিয়? এনে সিদ্ধান্তই শ'লঠেকত নেপেলাবনে অভিভাৱক আৰু হাজাৰ হাজাৰ শিক্ষাৰ্থীক? শিক্ষা-সচেতন মহলে আশা প্ৰকাশ কৰিছে— তাৎক্ষণিক সিদ্ধান্তৰে নহয়, শিক্ষা পৰিষদে কাকো অসুবিধা বা ছাত্ৰ-অভিভাৱকক বিতত-বিমূঢ় নকৰি এক সময়সাপেক্ষ আৰু যুক্তিসন্মত সিদ্ধান্তৰে এই আসোঁৱাহ দূৰ কৰাৰ বাবেহে আগবঢ়া উচিত বুলি মন্তব্য প্ৰকাশ কৰিছে। আমিও আশা কৰোঁ, সংশ্লিষ্ট বিভাগে এক সুস্থিৰ সিদ্ধান্ত গ্ৰহণ কৰক।

# গ্ৰীষ্মত ল'ব লগা সাৱধানতা

শীতৰ ধূলি ধূসৰিত দিনবোৰৰ অন্ত পেলাই এতিয়া বৰষাৰ বতৰা আৰম্ভ হৈছে, অৰ্থাৎ গৰম পৰাৰ লগে লগে প্ৰখৰ ৰ'দৰ প্ৰকোপত আমাৰ শৰীৰৰ পৰা ওলোৱা ঘামত নানা ফাংগাল ইনফেকচন, ভাগৰি পৰা, পেটৰ অসুখ, নানা ধৰণৰ ফোঁহা, ফুড পয়জনিং আদি বিভিন্ন সমস্যাই আমাক বিব্ৰত কৰি তোলে। সেয়ে এই গৰমত সুস্থ হৈ থকাৰ বাবে ঘৰতেই হওক বা বাহিৰতেই, কেতিয়া কি খাদ্য খোৱাৰ প্ৰয়োজন অথবা কি খাদ্য খাই সু-স্বাস্থ্যৰ অধিকাৰী হৈ থাকিব পাৰি তাক অনুধাৱন কৰাটো বাঞ্ছনীয়। বিশেষকৈ গৰম দিনত শৰীৰ দুৰ্বল আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা কমি ছালকে ধৰি বিভিন্ন ৰোগ যেনে— ৰক্তচাপ বৃদ্ধি, বৃক্ক, হাওঁফাওঁ, যকৃৎ, হৃদয়ৰ ক্ৰিয়া অসুবিধা নাইবা দেহৰ অংগ-প্ৰত্যংগ বিকল হৈ অসহনীয় গৰমত অচেতনতাৰ নিচিনা অভাৱনীয় পৰিস্থিতি হ'ব পাৰে, এইক্ষেত্ৰত ল'বলগীয়া সাৱধানতাসমূহ এনেধৰণৰ—

ক) গৰমৰ দিনত বেছি মচলাযুক্ত আহাৰ খোৱাৰ পৰিৱৰ্তে ফ্ৰেছ আৰু কম প্ৰ'টিনযুক্ত আহাৰ খাব লাগে, যাতে সহজে হজম হৈ যায়। এইক্ষেত্ৰত বিলাহী ছালাদ কৰি মাছ বা মাংসৰ সৈতে খালে ভিটামিন এ আৰু ভিটামিন চি ভৰপূৰ মাত্ৰাত পোৱা যায়।

খ) আনহাতে গোটেই দিনটো সতেজ হৈ থাকিবৰ বাবে পুৱাৰ জলপান হিচাপে ৰুটী, তৰকাৰী, চিৰা, দৈ, কল খাব পাৰিলে শৰীৰৰ অতিৰিক্ত মেদ কমোৱাত সহায় কৰে।

গ) এই সময়ছোৱাত শিশুসকলক ছালৰ যতন হিচাপে বিদ্যালয় বা অন্য ক'ৰবালৈ পঠিওৱাৰ পূৰ্বে Sun Protection Factor হিচাপে স্নান্‌ছক্ৰীম ৩০ ব্যৱহাৰ কৰি লাগে।

ঘ) সেইধৰণে এইখিনি সময়ত গা ধোৱাৰ আগেয়ে টেঙা দৈ আৰু কেঁচা হালধি পিহি শৰীৰৰ অনাবৃত অংশত কিছু সময় লগাই শুকান হোৱাৰ পিছত অলপ পানীৰে স্নান কৰিলে ৰ'দে পোৱাৰ পৰা কিছু হ'লেও সকাহ পোৱা যায়।

ঙ) একেদৰে ৰ'দৰ পোৰণিৰ পৰা ৰক্ষা পাবলৈ তিনি-চাৰি চামুচ কফি পাউডাৰ, দুই চামুচ ভিনেগাৰ, দুই চামুচ ছি ছল্ট একেলগে মিহলাই পেষ্টটো তৈয়াৰ কৰি ডিঙি আৰু হাতত লগাই ৫ মিনিট অপেক্ষাৰ অন্তত ধুই পেলালে ছালৰ ক'লা দাগ, প্ৰ'-মেচিঅৰ সমস্যা দূৰ কৰি ছালৰ উপৰিভাগত জমা হৈ থকা কোষবোৰ আঁতৰ কৰি উজ্জ্বলতা আনে।

চ) তাৰ বাহিৰেও প্ৰাচীন কালৰে পৰা ৰূপচৰ্চাৰ অত্যতম উপকৰণ এলভেৰাৰ ৰস গ্ৰীষ্মদিনত মুখমণ্ডলখন পৰিষ্কাৰকৈ ধুই ২০ মিনিটমান লগাব পাৰিলে ছালখন মোলায়েম কৰি সেমেকা কৰিলে ছালৰ পুনৰ মেৰামতি কৰি শীতলতা আনে।

ছ) সেই ধৰণে গৰমৰ দিনকেইটাত আমি সাধাৰণতে ভোক আৰু পিয়াহৰ পাৰ্থক্য ভুল কৰাৰ পৰিপ্ৰেক্ষিতত যেতিয়া খুব পিয়াহত আছে তেতিয়া খোৱাপানীয়ে তাপমাত্ৰা নিয়ন্ত্ৰণত আৰু শৰীৰৰ অলাগতিয়াল দূষিত পদাৰ্থখিনি বাহিৰলৈ উলিয়াই পঠিয়ায়। একেদৰে তীব্ৰ ভোকত কেৱল খাদ্যহে গ্ৰহণ কৰা উচিত।

জ) তাৰ লগতে আপুনি গ্ৰীষ্মকালত দূৰ ভ্ৰমণত ওলালে লগত এযোৰ ছানগ্লাছ, কপাহী ৰুমাল, পানী বটল, মাল্টি ভিটামিন, ছানস্কীন, ফেচ ৱাছ, ফাৰষ্ট এইড বক্স লৈ গ'লে সূৰ্যৰ প্ৰখৰ ৰশ্মিৰ পৰা বচোৱাৰ লগতে শৰীৰৰ উষ্ণতা নিয়ন্ত্ৰণ ৰখাত সহায় কৰে।

ঝ) এই কালছোৱাত ডায়েৰীয়া, টাইফয়দ, জণ্ডিচ, ভাইৰেল জ্বৰৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত শিশুসকলক দীঘল হাতৰ কাপোৰ পিন্ধোৱাৰ সমান্তৰালকৈ বাহিৰৰ খাদ্য বা পানী খুৱাব নালাগে।

ঞ) ইয়াৰ বাহিৰেও গৰমৰ দিনকেইটাত নিতৌ পুৱা আৰু গধূলি ২-৩ কিঃমিঃকৈ খোজ কাঢ়িলে আজিৰ এই ব্যস্ততাপূৰ্ণ দিনত নিজকে সুস্থ আৰু সবল কৰি শৰীৰ আৰু মনৰ মাজত সুদৃঢ় সম্পৰ্ক স্থাপন কৰিলে বিভিন্ন সমস্যাৰে জৰ্জৰিত এই পৃথিৱীখনৰ অহৰ্নিশে হাঁহি হাঁহি হেলাৰঙে যুঁজি থাকিবলৈ সাহস দিয়ে।

দৰাচলতে বৰ্তমান সময়ত পৰিৱৰ্তনৰ লগে লগে শিশুসকলে আধুনিকতাক আদৰি ল'লেও যিকোনো পৰিৱেশৰ লগত খাপ খাবলৈ সাধাৰণ ৰীতি-নীতিসমূহৰ ব্যৱস্থা ল'ব পাৰিলে গৰমৰ দিনকেইটা নিশ্চয় সুকলমে পাৰ কৰিব পৰা যাব।

— ডাঃ দ্বীপজ্যোতি শৰ্মা

# সংঘাত হয় কিয়?

সংঘাত বিশ্ব-সংঘাতেৰে সিক্ত, আচ্ছন্ন। সময় যিমানেই গৈছে, সংঘাত-সংঘৰ্ষ সিমানেই বৃদ্ধি পাব ধৰিছে। প্ৰচীন কালত আজিৰ দৰে জ্ঞান-বিজ্ঞানৰ উন্নতি ঘটা নাছিল, তেতিয়া ফৈদবোৰৰ মাজত সংঘাত চলিছিল, চলাটো স্বাভাৱিক আছিল। সিহঁতৰ শিক্ষা-দীক্ষা নাছিল। ক'বলৈ গ'লে সিহঁতে বন্যপ্ৰাণীৰ দৰেই আচাৰ-আচৰণ কৰিছিল। কিন্তু পিছলৈ জ্ঞান-বিজ্ঞানৰ পোহৰ পৰাত তাৰ প্ৰকোপ ভালেখিনি হ্ৰাস পাইছিল। আমাৰ ল'ৰালি কালত শান্ত-সমাহিত এখন সুস্থ-সবল সমাজ পাইছোঁহি। মানুহবোৰে সমাজত সুখ-শান্তিৰে নিতৌ দিন-বাৰ অতিবাহিত কৰিছিল। সাম্প্ৰদায়িকতা, সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ, উগ্ৰবাদ, নাস্তিকতা আদি শব্দবোৰ পোৱা নগৈছিল। সমাজত আটায়ে সমান, আটায়ে আপোন বুলি জানিছিলো। মানুহবোৰৰ মাজত পৰস্পৰে আহ-যাহ আছিল। বিয়া-সবাহ, পূজা-পাৰ্বণত মিতিৰ, মিতা আৰু বন্ধুসুলভ মনোভাব আছিল। সমাজত সমন্বয়ৰ ভেটি আছিল সুদৃঢ় আৰু গাঢ়। কিন্তু সময়ৰ টিকনিডাল যিমানেই আগফালে অগ্ৰসৰ হ'ল, মানুহ যিমানেই শিক্ষিত হ'ব ধৰিলে, আধুনিকতাৰ উচ্চ শিখৰ চুই থকাৰ সভ্যতাৰ সভ্য বুলি যিমানেই ঢাক-ঢোল বজাব ধৰিলে, সিমানেই মানৱ সমাজত সংঘাত-সংঘৰ্ষৰ প্ৰকোপ বৃদ্ধি পাব ধৰিলে। আজি যেন তাৰেই সৰ্বোচ্চ চূড়ান্ত ৰূপত গৈ অলংঘনীয় সীমা অতিক্ৰম কৰাৰ পথত।

এসময়ত যৌথ পৰিয়াল আছিল, য'ত উন্নতিৰ গতি-বিধি আছিল খুবেই মন্থৰ। হ'লেও সংঘাত আছিল তেনেই সীমিত। আজিৰ একক পৰিয়ালত কিছু পৰিয়ালকেন্দ্ৰিক সংঘাত দেখিবলৈ পোৱা গৈছে। যৌথ পৰিয়ালবোৰত সম্পত্তিৰ ভাগ-বাটোৱাৰা নহৈছিল। তেতিয়া কোনো বাধা-বিঘিনিৰ সৃষ্টি হোৱা নাছিল। গৰু, ম'হ, মাটি-বাৰী নিজ স্থানত সুকীয়াকৈ আছিল। কিন্তু যেই একক পৰিয়ালৰ উদ্ভৱ হ'ল, পৈতৃক সম্পত্তি ভাগ-বাটোৱাৰাত ভাই-ককাই, ছা-চ'লিৰ মাজত অনিচ্ছা সত্বেও সংঘাতৰ উকমুকনিয়ে দেখা দিলে। আজিকালি মাটি-সম্পত্তিক কেন্দ্ৰ কৰি নিজ বংশধৰৰ মাজত যিমান সংঘাতৰ সৃষ্টি হ'ল, আন ক'তো এনে হোৱা নাই। বাপতিসাহোনেই আপোনজনৰ মাজত কাজিয়াৰ মূল কাৰণ।

গাঁওবোৰত নিভাঁজ এটা গোষ্ঠী, গোত্ৰ, বৰ্ণ নাথাকে। থকাটো সম্ভৱো নহয়। এসময়ত বিয়া-বাৰু নিজৰ গোট বা গোত্ৰৰ মাজতেই হৈছিল। অন্য গোটৰ ছোৱালীৰ প্ৰতি চকু-কাণ দিয়াই নাছিল। কিন্তু আজি সেই দিন উকলিল। আজি ভিন্ন গোষ্ঠীৰ মাজত বিয়া-সবাহ হৈ দুই-এঘৰে মিতিৰ-কুটুম্ব হ'ল। বিপৰীতে সৰহসংখ্যকেই সংঘাত-সংঘৰ্ষৰে দা ধৰোৱা হৈ পৰিল। সাম্প্ৰতিক সময়ছোৱাত ভিন্ন ধৰ্মাৱলম্বীৰ মাজত বিয়া-বাৰুৰ সম্পৰ্ক ৰচনা কৰি কম সংঘাত হোৱা নাই। কাজিয়া-পেচাল ভাল পোৱাসকলে সঘনাই সংঘাতপূৰ্ণ কাম কৰাৰ বাবে চেলু বিচাৰি ফুৰে। এইক্ষেত্ৰত এটা চক্ৰই উদগনি যোগাই ইন্ধন হিচাপে কাম কৰি যায়। এটা সময়ত জাত-পাতৰ কথাবোৰ উহ্য আছিল, অদৃশ্য হৈ পৰিছিল। তেতিয়া সকলোকে অঘোষিত সন্মান যচা হৈছিল। সকলোৱে সন্মানৰ পাত্ৰ আছিল। আমিও ল'ৰালিত কস্মিনকালেও জাত-পাতৰ কথাবোৰ শুনা নাছিলো। জাত-পাতনো কি বুজাই নাছিলো। আজিৰ শিক্ষিতৰ ঘৰত কণী ফুটি ওলোৱা পোৱালিটোৱেও জাত-পাতৰ বিষয়ে জানে। আনক ডাবি-ধমকিও দিয়ে। ভিন্ন ধৰ্মাৱলম্বীৰ মাজত বিয়া-বাৰু হৈ সংঘাত তুংগত উঠা কথা শুনা নাছিলো। আজি সেই সুকীয়া সুকীয়াকৈ থকাৰ দিন-ক্ষণ নাই। আজি আছে কেৱল সংঘাতে ভৰা সাম্প্ৰদায়িকতা, ধৰ্মীয় ঘৃণাৰে আচ্ছন্ন হৈ পৰা অসামাজিক, অমানৱীয় কামবোৰ।

## আব্দুল আলিম

আগত ধৰ্মৰ নামত কোনেও কাহানিও সংঘৰ্ষৰ সৃষ্টি কৰা নাছিল। আনৰ কথা বাদেই, আমাৰ অসমখনক শংকৰ-আজানৰ দেশ বুলি খ্যাত আছিল। ধৰ্মীয় গুৰুসকলক সন্মান জনাই তেখেতসকলৰ অনুসৰণকাৰী, অনুগামীসকলক মৰম-শ্ৰদ্ধা নিবেদন কৰা হৈছিল। ভিন্ন ধৰ্মাৱলম্বীৰ মাজত আহ-যাহ চলিছিল। সমাজত মৰম-চেনেহৰ নিজৰা বৈ গৈছিল। শান্তিৰ পৰিৱেশ গাঢ় হৈ উঠিছিল। আজি সেই অতীত আৰু নাই। ঘুণে খোৱা ফোঁপোলা দিনত অনেকেই বিৰূপ মনোভাব সৃষ্টিৰ বাবে ঘোৰতৰ মন্তব্য দি ওভতগোৰে নাচে। ধৰ্মীয় সংখ্যাগৰিষ্ঠৰ কিছুসংখ্যক সংঘাতপ্ৰিয় লোকে সংখ্যালঘুৰ দুৰ্বল শ্ৰেণীৰ ওপৰত আক্ৰমণাত্মক হয়, আক্ৰোশমূলক মন্তব্য দি শান্তিৰ পৰিৱেশ ঘোলা কৰি পেলায়। এনে আখেজা-আখেজিয়ে বিষবাষ্পৰ সৃষ্টি কৰে। আমাৰ দেশখনত ধৰ্মীয় অসহিষ্ণুতাৰ চেপা উত্তেজনাত হাবুডুবু কৰি আছে। কেৱল ধৰ্মীয় বা সামাজিকভাৱে যে পৰিকাঠামো ভাঙি চুৰ্চুমৈ হৈ পৰিছে সেয়াও নহয়। সংবিধানৰ নামত শপত খোৱা জনপ্ৰতিনিধিৰ মুখতো জুই জ্বলাব পৰা নৰকৰ কীটৰ ভাষা নিগৰি আহে। আচলতে কৰ্ণধাৰস্বৰূপ নেতৃত্বত থকাসকলে দেশ তথা সমাজখনক অমৃতময় কৰি গঢ়ি তুলিব লাগিছিল। আজি ধৰ্মীয় অনুষ্ঠানৰ ওপৰত আক্ৰমণ চলাই ভাঙচুৰ কৰা হয়। ধৰ্মীয় গুৰু, ধৰ্মীয় পুথিক অৱমাননা কৰা হয়, তুচ্ছ-তাচ্ছিল্য কৰা হয়। বেশভূষাৰ ওপৰত অবান্তৰ, অকল্পনীয় মন্তব্য দি তিৰ্যক সংঘাতৰ সৃষ্টি কৰে।

যি জাতিৰেই নহওক কিয়, যি ধৰ্ম-বৰ্ণৰেই নহওক কিয়, অন্যায়কাৰীজন অন্যায়কাৰীয়েই হয়। অন্যায়কাৰীৰ জাতি-ধৰ্ম নাই। সিহঁতক অন্যায়কাৰী হিচাপে গণ্য কৰি সেই কাঠগড়াত শাস্তি বিহিব লাগে। আজি এই নীতি ধোঁৱাচাঙত উঠিল। দেখ দেখকৈ আজিৰ সমাজত অন্যায়কাৰীৰ জাতি-ধৰ্মৰ কথা কোৱা হয়। ই ভীষণ পৰিতাপৰ কথা। আজিৰ কিছু সমাজত ধৰ্ষণৰ দৰে ঘোৰতৰ অন্যায় কৰিলেও কিছুমানে জাত-পাত চাইহে মাত মাতে। জঘন্যতম ধৰ্ষণকাৰীজন মন পছন্দৰ জাতৰ হ'লে একোৱেই নকয়। অন্য মনস্কৰ ভাও জুৰি মনে মনে দূৰত্ব বজাই ৰাখে। আকৌ আখেজ থকা জাতৰ কোনোবাই যদি সৰু-সুৰা সাধাৰণ ভুল এটাও কৰে তাৰ বিৰুদ্ধে সিংহৰ দৰে গৰজি উঠে। আমি সৰু থাকোঁতে জাত-পাত নাচাই ভুল কৰোঁতাজনক ডাঙৰে ডাবি-ধমকিও দিয়াৰ কথা মনত আছে। সৰুৱে নুবুজাকৈ কোনো ভুল কৰিলে ডাঙৰে তাক শুধৰাই দি আওবাটৰ পৰা ঘূৰাই আনিছিল। এইক্ষেত্ৰত কোনো জাত-পাতৰ পক্ষপাতিত্ব কৰা হোৱা নাছিল, দৰকাৰো নাছিল। আজি সেই দিনবোৰত কালিকা লাগিল, সেইবোৰ কাহিনীত পৰিণত হোৱাৰ দিশত। বয়সত ডাঙৰ, অথচ দুৰ্বল জাতৰ যদি কোনোবাই অন্যায়কাৰীক ডাবি-ধমকি দিয়ে, দেখা যায় যে সেই নৰাধম অনিষ্টকাৰীজনেই টঙনিয়াই মাত মাতোতাক উভতি বেঢ়ি ধৰে। তাক সহযোগ কৰাৰ বাবেও অনেক সাংগোপাংগ ওলাই আহে। এনে তিক্ততাপূৰ্ণ পৰিৱেশে সংঘাত-সংঘৰ্ষৰ জন্ম দিয়ে। এই বিনাশী সংঘাত মাৰণাস্ত্ৰতকৈয়ো ভয়াবহ।

জাত-পাতৰ সমান্তৰালকৈ সাম্প্ৰদায়িক সংঘৰ্ষ তুংগত উঠিছে। আমাৰ ৰাজ্যখনতো ইয়াৰ ভয়াবহ ৰূপ স্পৰ্শকাতৰ হৈ পৰিছে। জাত-পাতক কেন্দ্ৰ কৰি ইতিমধ্যে হৈ যোৱা কিছু সংঘৰ্ষই আজিও গাৰ নোম শিহৰিত কৰি তোলে। নেলী-'৮৩, বাঁহবাৰী-'৯৪, চাউলখোৱাত নিৰ্মম আৰু জঘন্যতম হত্যাকাণ্ড সংঘটিত হৈছিল। এনে সংঘৰ্ষৰ মূলতে আছিল ধৰ্মীয় সংখ্যালঘুৰ ওপৰত সংখ্যাগৰিষ্ঠৰ কিছুসংখ্যকৰ দমন-পীড়ন।

দেশখনৰ চুকে-কোণে অনেক সাম্প্ৰদায়িক সংঘৰ্ষ হ'ল। এনে সংঘৰ্ষত আটায়ে অংশগ্ৰহণ নকৰে। ভাল-বেয়া সকলোৱে মাজত থাকেই। সংঘাত বিচৰাসকলৰ বিষয়ে আটায়ে অৱগত। নিজৰ নাক কাটি সতিনীয়েকৰ যাত্ৰা ভংগ কৰাৰ দৰেই এইসকলে বিভিন্ন কায়দা-কৌশলেৰে সংঘাত সৃষ্টি কৰে। আজি বহু স্থানত এনে লোকৰ দুষ্কাৰ্যৰ উমান পোৱা গৈছে, হাতে-লোটে ধৰাও পৰিছে। দুষ্কৃতিকাৰীয়ে নিজৰ নাম সলাই অন্য ধৰ্মাৱলম্বীৰ বেশভূষাৰে নিজৰেই ক্ষতি কৰি আনলৈ বদনাম জাপি দিয়ে। ১৯১৫ চনত দিল্লীৰ অশোক নগৰৰ এটা মন্দিৰত গো-মাংস পোৱাক লৈ বিৰাট হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হৈছিল, য'ত ৬০জন মুছলমানে প্ৰাণ হেৰুৱায়। কিন্তু মন্দিৰত গো-মাংস গ'ল কেনেকৈ, সেয়াই আছিল লাখটকীয়া প্ৰশ্ন। আজিও সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিণতি স্বৰূপেই কুকি আৰু মেইটেইৰ মাজত চলা সংঘাতেই মণিপুৰ পুৰি ছাৰখাৰ হ'ল। সাম্প্ৰদায়িক সংঘৰ্ষই বনজুইৰ দৰে দাও দাওকৈ জ্বলে আৰু নিমিষতে যি ক্ষতি কৰে, সেয়া অপূৰণীয়।

ৰাজনৈতিক নেতাৰ উচটনিয়ে সংঘৰ্ষৰ সূত্ৰপাত ঘটায়। আজি অনেক অপৰিপক্ক, অদূৰদৰ্শী নেতাৰ আগমনে ৰাজনৈতিক পৰিৱেশ বিষাক্ত কৰি তুলিছে। তেওঁলোকৰ অশোভনীয় মন্তব্যই সংঘাত-সংঘৰ্ষত ইন্ধন যোগায়। ২০১৯ চনৰ ১১ ডিচেম্বৰত সাংসদ সহস্ৰ বুদ্ধিয়ে মাজুলীক বাংলাদেশীৰ চৰণীয়া পথাৰ বুলি কৰা মন্তব্যত অসমীয়া জাঙুৰ খাই উঠিছিল। 'সকলো চোৰৰ উপাধি মোদী কিয়' মন্তব্য কৰি ৰাহুল গান্ধীয়েও কম বিতৰ্কৰ সৃষ্টি কৰা নাছিল। মহাৰাষ্ট্ৰৰ বিধায়ক ওমপ্ৰকাশ বাবা ৰাও বচ্চু কডুৱে 'অসমৰ মানুহে কুকুৰৰ মাংস খায়' বুলি কৰা মন্তব্যই কম আঘাত দিয়া নাছিল। সংঘাত সৃষ্টি হ'ব পৰা এনে কটু মন্তব্য কৰাৰ মনোবৃত্তি আৰু ইয়াৰ প্ৰতিক্ৰিয়া আজিলৈকে বৰদৈচিলাই তচনচ কৰাৰ দৰে জাৰি থাকিল। অদূৰ ভৱিষ্যতলৈ ইয়াৰ মিছিল নিগৰি-বাগৰি থাকিব; কাৰণ ইয়াৰ মুদা মৰাৰ উপযুক্ত লেকাম সাধাৰণ জনতাৰ হাতত কুক্ষিগত হোৱা নাই। অসমৰ বিধায়ক হৈ অসমৰেই মাটি গোৱালপাৰাক লৈ অশনি মত দি কৈছে— 'গোৱালপাৰাৰ কথা ভাবিলে কেৱল দাড়ি-টুপীৰ কথাহে মনলৈ আহে।' এনে অগভীৰ জ্ঞানৰ টুলুঙা স্বভাৱৰ নেতাই শান্তি প্ৰবাহিত নিজৰাখনত ভেটা দি তাৰ গতিপথ ৰুদ্ধ কৰে। ফলত সমাজত ভাঙোনৰ সৃষ্টি হয়।

আজি সমগ্ৰ বিশ্বই সংঘাতৰ কালিমাৰে আচ্ছন্ন। শক্তিধৰ দেশবোৰে বাহুবল প্ৰদৰ্শন কৰি দুৰ্বল দেশবোৰৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰাৰ প্ৰয়াস কৰে। ফলস্বৰূপে সৰু-সুৰা দুৰ্বল দেশে বিভিন্ন চাপত ভুগি থাকে। বিংশ শতিকাৰ ৯০ দশকত ছোভিয়েট ইউনিয়নৰ পতন ঘটাত মাৰ্কিন সাম্ৰাজ্যবাদে বিশ্বত একচ্ছত্ৰী আধিপত্য বিস্তাৰ কৰাৰ সুবিধা পায়। দেশখনৰ লগত তালমিল কৰি আৰু কেইখনমান দেশে মাৰণাস্ত্ৰ উৎপাদন কৰি আন্তৰ্জাতিক পৰিস্থিতিৰ ভাৰসাম্য বিনষ্ট কৰে। সিহঁতৰ গোটে বিশেষ অঞ্চললৈ আতংক বিয়পাই দিয়ে। ১৯৯১ চনৰ ১৭ জানুৱাৰীত ইৰাকৰ পৰা কুৱেইট মুক্ত কৰাৰ অজুহাত দেখুৱাই বিপুলসংখ্যক আধুনিক মাৰণাস্ত্ৰৰে ঈগলে চিকাৰ ধৰাৰ বাবে দুৰ্বল মুৰ্গীৰ পোৱালিৰ আক্ৰমণ কৰাৰ লেখীয়া ইৰাকৰ ওপৰত জঁপিয়াই পৰে। লাখ লাখ টন বোমা নিক্ষেপ কৰি দেশখনক ধ্বংসস্তূপত পৰিণত কৰে। হাজাৰ হাজাৰ শিশু-মহিলা, বৃদ্ধ মৃত্যুমুখত পৰিল। ইয়াতেই ক্ষান্ত নাথাকি ২০০৩ চনত ইৰাকে জৈৱিক অস্ত্ৰ কাৰখানাসমূহ ভ্ৰাম্যমাণ ৰে'ল, ট্ৰাক, বাছ, গাড়ীত স্থাপন কৰাৰ ছলনা কৰি পুনৰ শক্তিধৰ দেশে আক্ৰমণাত্মক হৈ পৰে। এই আক্ৰমণত ইৰাক ধূলিসাৎ হৈ পৰে। অথচ যি অভিসন্ধি কৰি ইৰাকত অগ্নিকুণ্ড কৰা হ'ল, তাৰ প্ৰমাণ আজিও কাৰো হাতত নাই। সেই আখেজা-আখেজি আজিও সজীৱ, বহলভাৱে পৰিচালিত হৈ আছে। আজি মধ্যপ্ৰাচ্যত শান্তিয়ে যাযাবৰ হৈ ঘূৰি আছে।

শক্তিশালী আমেৰিকাই কিউবাৰ ৰাষ্ট্ৰপতি ফিডেল কাষ্ট্ৰোক হত্যা কৰাৰ মানসেৰে এলানি বোমা আক্ৰমণ কৰিছিল। এসময়ত বিশ্বখ্যাত সন্ত্ৰাসবাদী ওছামা বিন লাডেনৰ সহযোগী হৈ ৰাছিয়াৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল। লিবিয়াৰ ওপৰত আক্ৰমণ চলাই তাৰ শাসকপ্ৰধান কৰ্ণেল গাদ্দাফিক হত্যা কৰে। আজিও ৰাছিয়াৰ বিপক্ষে ইউক্ৰেইনক সাহায্য দিয়াৰ নামত গণহত্যা চলাই আছে। গাজা-ইজৰাইল যুদ্ধতো সাঙোৰ খাই পৰিছে।

চৌদিশে কেৱল সংঘাত। ভায়ে ভায়ে সংঘাত, বাপেক-পুতেকৰ সংঘাত, গুৰু-শিষ্যৰ সংঘাত, ভাষা-ধৰ্মক লৈ সংঘাত, জাতি-গোত্ৰক লৈ সংঘাত, দেশে দেশে সংঘাত। মুঠতে সংঘাতেই সংঘাত। আমি সংঘাতবিহীন হ'ব বিচাৰিলে প্ৰতিজন সচেতন নাগৰিকে সংঘাত হ'ব পৰা বিষয়বস্তুৰ গভীৰৰ পৰা গভীৰতালৈ সোমাই গৈ তাৰ আশু সমাধানৰ পথ উলিয়াব লাগিব। শক্তিশালী দেশবোৰে দুৰ্বল দেশবোৰক নিজৰেই ভাই-ককাই, ছা-চ'লিৰ দেশ বুলি গণ্য কৰিব লাগিব। সিহঁতকো খোজে প্ৰতি খোজ মিলাই উন্নতিৰ সোপানত উঠাব লাগিব। হিংসা-সাম্প্ৰদায়িক মনোভাব পৰিহাৰ কৰি, ধৈৰ্যসহ এৰা-ধৰা-বন্ধা নীতিক সাৰোগত কৰি অগ্ৰসৰ হ'ব লাগিব। সংঘাত-সংঘৰ্ষ হ'ব পৰা বিষয়বোৰ এৰাই চলিব লাগিব।

ফোন ঃ ৮০১১৮-৩৪৫৮০

# ভাৰতৰ সংবাদ আৰু মনোৰঞ্জন খণ্ডৰ ষ্টাৰ্টআপক গতি

বিশ্ব বাণিজ্য শুল্ক আৰু শ্বেয়াৰ বজাৰৰ অস্থিৰতা সত্ত্বেও ভাৰতে এখন সুস্থিৰ অৰ্থনীতি হিচাপে উজলি উঠিছে। দেশখনৰ জনগাঁথনিগত সুবিধা আৰু প্ৰযুক্তিগত সামৰ্থ্যৰ সহায় লৈ ভাৰতে প্ৰত্যাহ্বানসমূহক সুযোগলৈ ৰূপান্তৰিত কৰাৰ লগতে নিজকে বিশ্বৰ 'সৃষ্টিশীল শক্তি' হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। চহকী কাহিনী কোৱা পৰম্পৰাৰ সৈতে ভাৰতৰ সংবাদ মাধ্যম আৰু মনোৰঞ্জন (এম এণ্ড ই) খণ্ডই 'ভাৰতত সৃষ্টি কৰক, বিশ্বৰ বাবে সৃষ্টি কৰক' দৃষ্টিভংগীৰে সমগ্ৰ বিশ্বৰ সৃষ্টিকৰ্তাসকলক সংযোগ কৰাৰ লক্ষ্য লৈছে।

ভাৰতত চলচ্চিত্ৰ, সংগীত, শিল্প, প্ৰযুক্তিৰ দৰে বিভিন্ন ক্ষেত্ৰত যুৱ ক্ৰিয়েটৰৰ বৰ্ধিত জনসংখ্যাৰ ভূমি। বিশেষকৈ নমিত মালহোত্ৰাৰ ডিএনইজি, ভিজুৱেল ইফেক্ট আৰু এনিমেচন ষ্টুডিঅ', যিয়ে ডুন ২ৰ অস্কাৰ বিজয়ী সফলতাত যুগান্তকাৰী ভিএফএক্ট প্ৰদান কৰিছিল। ভাৰতৰ সপ্তম অস্কাৰ বিজয়ে বিশ্ব মনোৰঞ্জন উদ্যোগত ভাৰতৰ ক্ৰমবৰ্ধমান প্ৰভাৱৰ প্ৰতিফলন ঘটাইছে। পৰম্পৰাগত চলচ্চিত্ৰ নিৰ্মাণৰ পৰা ডিজিটেল প্ৰডাকচনলৈ হোৱা বিৱৰ্তনে দেশৰ বিশ্বমানৰ বিষয়বস্তু সৃষ্টিৰ ক্ষমতাক প্ৰতিফলিত কৰে।

ভাৰত চৰকাৰৰ বিশ্ব দৃশ্য-শ্ৰাব্য মনোৰঞ্জন সন্মিলন ২০২৫ৰ অংশ WAVES Xceleratorৰ লক্ষ্য হৈছে যুৱ সৃষ্টিকৰ্তাসকলক উদ্যোগৰ নেতাসকলৰ সৈতে সংযোগ কৰা আৰু ষ্টাৰ্টআপ বৃদ্ধিৰ পোষকতা কৰা। ২০২৫ চনৰ মে' মাহত মুম্বাইত অনুষ্ঠিত হ'বলগীয়া ৱেভ্‌ছে মেণ্টৰশ্বিপ, ফাণ্ডিং আৰু বৈশ্বিক সুযোগ প্ৰদান কৰি ভাৰতৰ সংবাদ আৰু মনোৰঞ্জন খণ্ডৰ ষ্টাৰ্টআপ পৰিস্থিতিতন্ত্ৰৰ প্ৰসাৰ কৰিব বিচাৰে। গেমিং, এআই আৰু মেটাভাৰ্ছৰ দৰে উদ্ভাৱনীমূলক ক্ষেত্ৰৰ দ্বাৰা পৰিচালিত এই খণ্ডটো ২০২৩ চনত ২,৪২২ বিলিয়ন টকাৰ পৰা ২০২৭ চনৰ ভিতৰত ৩,০৬৭ বিলিয়ন টকালৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

স্বীকৃতি লাভৰ প্ৰত্যাহ্বানৰ মাজতো ৱেভছে ব্ৰাহ্মণ গেম ষ্টুডিঅ', কীবাউণ্ড আৰু ভয়ন ক্লাউডৰ দৰে ষ্টাৰ্টআপৰ বাবে বিশ্ব বিনিয়োগকাৰীৰ আগত নিজৰ কাম প্ৰদৰ্শন কৰিবলৈ এক মঞ্চ প্ৰদান কৰে। এই পদক্ষেপত মহিলা নেতৃত্বাধীন ষ্টাৰ্টআপ যেনে লেপউইং ষ্টুডিঅ' আৰু ভাইগ'ৰ মিডিয়াও অন্তৰ্ভুক্ত কৰা হৈছে, যিয়ে সংবাদ আৰু মনোৰঞ্জন খণ্ডৰ পৰিস্থিতিতন্ত্ৰৰ ভিতৰত অন্তৰ্ভুক্তিক প্ৰসাৰিত কৰিছে।

ৱেভছে আন্তঃৰাষ্ট্ৰীয় সফলতাৰ বাবে মঞ্চ হিচাপে কাম কৰিব পৰা গতিশীল আৰু প্ৰতিযোগিতামূলক ষ্টাৰ্টআপ পৰিৱেশ সৃষ্টি কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। ৱেভএক্সে মূলধন, মেণ্টৰশ্বিপ আৰু বৈশ্বিক এক্সপ'জাৰৰ বাধাসমূহ প্ৰত্যক্ষভাৱে সমাধান কৰিব। ই কেৱল আৰ্থিক সহায়েই নহয়, বিকাশৰ বাবে এক গাঁথনিগত পৰিস্থিতিতন্ত্ৰও প্ৰদান কৰিব। মাত্ৰ ১০,০০০ টকা আৰু এক দৃষ্টিভংগীৰে বায়'কন আৰম্ভ কৰি মই এনে অনুঘটকীয় মঞ্চৰ গুৰুত্ব বুজি পাওঁ।

**সৃষ্টিশীল হাব ঃ** মিউজিয়াম অৱ আৰ্ট এণ্ড ফটোগ্ৰাফী আৰু ছায়েন্স গেলেৰী বেংগালুৰুৰ দৰে পদক্ষেপৰ জৰিয়তে কলাৰ সমৰ্থক হিচাপে মই বিশ্বাস কৰোঁ যে এখন দেশৰ সংস্কৃতি ইয়াৰ কলা আৰু বিজ্ঞান দুয়োটাতে শিপাই আছে। কলা আৰু বিজ্ঞান দুয়োটাই সৃষ্টিশীলতাৰ মাজত শিপাই আছে; বিজ্ঞানীসকলে পৰীক্ষাগাৰত পৰীক্ষা-নিৰীক্ষা কৰাৰ দৰে শিল্পীসকলে সেই কাম কেনভাছত কৰে।

জনগাঁথনিগত সুবিধা, প্ৰযুক্তিগত সামৰ্থ্য, চহকী সাংস্কৃতিক ঐতিহ্যৰ সহযোগিতাৰে সমৃদ্ধ ভাৰত সৃষ্টিশীলতাৰ এক সমৃদ্ধিশালী কেন্দ্ৰ। এই ফিউজন ভাৰতত কেৱল দাৰ্শনিক নহয়; ই ব্যৱহাৰিক, উদ্যোগসমূহক গঢ় দিয়া আৰু সংবাদ আৰু মনোৰঞ্জন খণ্ডৰ ভিতৰত উদ্ভাৱনক আগুৱাই নিয়া এক পদক্ষেপ।



কিৰণ মজুমদাৰ

শতিকা পুৰণি সাধু কোৱা পৰম্পৰাৰে ভাৰতবৰ্ষই এক বৈশ্বিক সৃষ্টিশীল শক্তি হিচাপে আত্মপ্ৰকাশ কৰিবলৈ অনন্য অৱস্থাত আছে। ধ্ৰুপদী নৃত্যৰ পৰা চিনেমালৈ আৰু কমিক্‌ছৰ পৰা আৰম্ভ কৰি নিমজ্জিত প্ৰযুক্তিলৈকে আমি এনে এক ৰোমাঞ্চকৰ যুগত প্ৰৱেশ কৰিছো য'ত সৃষ্টিশীলতাই অত্যাধুনিক উদ্ভাৱনৰ সৈতে সংপৃক্ত হৈছে। 'ভাৰতত সৃষ্টি কৰক, বিশ্বৰ বাবে সৃষ্টি কৰক' দৃষ্টিভংগীয়ে এই উচ্চাকাংক্ষাক নিখুঁতভাৱে সামৰি লৈছে।

**সৃষ্টিশীল ষ্টাৰ্টআপৰ বাবে অনুঘটক ঃ** ৱেভ্‌ছে প্ৰযুক্তি আৰু সাধু কোৱাৰ সুন্দৰ অভিসৰণৰ উদাহৰণ দাঙি ধৰিছে। ৱেভ্‌ছে ইয়াৰ মূলধন হিচাপে লৈ এনিমেচন, এআই, এআৰ/ভিআৰ, গেমিং আৰু মেটাভাৰ্ছৰ দৰে উদ্ভাৱনীমূলক ক্ষেত্ৰত ষ্টাৰ্টআপসমূহক সমৰ্থন কৰিবলৈ সাজু হৈছে। ৱেভ্‌ছ মাৰ্কেটপ্লেচৰ বাবে ৪৫০০ৰো অধিক বিক্ৰেতা আৰু ৫৯০০ৰো অধিক ক্ৰেতাই পঞ্জীয়ন কৰিছে। এই পদক্ষেপে ভাৰতীয় ষ্টাৰ্টআপসমূহক বৈশ্বিক প্ৰতিদ্বন্দ্বীৰ সৈতে সংযোগ কৰাৰ প্ৰতিশ্ৰুতি দিছে।

ৱেভ্‌ছে পৰম্পৰাগত সংবাদ মাধ্যমৰ উপৰি উদ্ভাৱনক উদগনি যোগায়। ইৰুকানাভিছ টেকন'লজিছৰ দৰে কোম্পানীয়ে এআই-চালিত প্লেয়েবল এড্‌ছৰ পথ প্ৰদৰ্শক, আনহাতে এমেজ ষ্টুডিঅ' আৰু অফলাইন হিউমেন ষ্টুডিঅ'ই এনিমেচন আৰু ভিআৰৰ জৰিয়তে সাধু কোৱাৰ কলাক পুনৰ সংজ্ঞায়িত কৰিছে। ইনস্কেপএক্সআৰ আৰু ভিজন ইমপেক্টৰ দৰে এড-টেক উদ্যোগে নিমজ্জিত সংবাদ মাধ্যমৰ সৈতে শিক্ষণক ৰূপান্তৰিত কৰিছে। এই ষ্টাৰ্টআপসমূহে একেলগে ভাৰতৰ সৃষ্টিশীল পৰিস্থিতিতন্ত্ৰৰ অপৰিসীম সম্ভাৱনা আৰু বৈশ্বিক প্ৰাসংগিকতাক উজ্জ্বল কৰি তুলিছে।

**ভৱিষ্যতৰ বাবে এক দৃষ্টিভংগী ঃ** ভাৰতে দীৰ্ঘদিন ধৰি চহকী সাংস্কৃতিক ঐতিহ্যক উদ্‌যাপন কৰি অহাৰ লগতে সৃষ্টিশীলতাৰ উত্তৰাধিকাৰক চিৰস্থায়ী কৰি তুলিছে।

এই সৃষ্টিশীল শক্তিয়ে আমাৰ যুৱক-যুৱতী, আজিৰ সৃষ্টিকৰ্তা আৰু ভৱিষ্যতৰ দূৰদৰ্শীসকলৰ মাজত ইয়াৰ আটাইতকৈ সজীৱ অভিব্যক্তিক বিচাৰি পায়। চলচ্চিত্ৰ, সংগীত, এনিমেচন, গেমিং আৰু ডিজিটেল মিডিয়াৰ মাজেৰে ভাৰতীয় যুৱ সৃষ্টিকৰ্তাসকলে সীমাবদ্ধতাক আগুৱাই নিয়াৰ লগতে ধাৰাসমূহক পুনৰ সংজ্ঞায়িত কৰিছে।

এই সম্ভাৱনাক উদগনি যোগোৱাৰ বাবে ভাৰত চৰকাৰৰ দায়বদ্ধতা ৱেভছৰ দৰে পদক্ষেপৰ প্ৰতি সমৰ্থনত স্পষ্ট হৈ পৰে, যিটো সংবাদ মাধ্যম আৰু মনোৰঞ্জন খণ্ডত গতিশীল, উদ্ভাৱনীমূলক আৰু বৈশ্বিক প্ৰতিযোগিতামূলক ষ্টাৰ্টআপ পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিবলৈ ডিজাইন কৰা হৈছে।

আজি ৱেভ্‌ছৰ জৰিয়তে আমি কেৱল ষ্টাৰ্টআপত বিনিয়োগ কৰাই নহয়, সাধু কোৱা, ,স্ব-অভিব্যক্তি আৰু ভৱিষ্যতক সংজ্ঞায়িত কৰিব পৰা সৃষ্টিশীল অৰ্থনীতিতো বিনিয়োগ কৰিছো। বায়'টেক পৰীক্ষাগাৰেই হওক বা ডিজিটেল ষ্টুডিঅ'ই হওক, সৃষ্টিশীলতাই ভৱিষ্যতৰ উদ্যোগ আৰু পৰিচয় গঢ় দিয়াৰ মুদ্ৰা।

ৱেভ্‌ছ ২০২৫ কেৱল ভাৰতৰ সংবাদ মাধ্যম আৰু মনোৰঞ্জন উদ্যোগৰ উদযাপন নহয়; মনোৰঞ্জন, শিক্ষা আৰু সংস্কৃতিৰ ব্যৱহাৰৰ ধৰণ সলনি কৰিবলৈ সাজু হোৱা পৰৱৰ্তী প্ৰজন্মৰ সৃষ্টিকৰ্তা আৰু উদ্যোগীসকলৰ বাবে ই এক উপযুক্ত মঞ্চ।

ৱেভ্‌ছ পৰামৰ্শদাতা ব'ৰ্ডৰ সদস্য হিচাপে মই এই পৰিৱৰ্তনশীল যাত্ৰাৰ অংশ হ'বলৈ পাই গৌৰৱান্বিত হৈছো। এই পদক্ষেপৰ প্ৰভাৱ ষ্টুডিঅ' আৰু ব'ৰ্ডৰুমৰ ঊৰ্দ্ধত যোৱাৰ লগতে প্ৰতিটো কাহিনী, প্ৰতিটো ষ্টাৰ্টআপ আৰু কনভেনচনক প্ৰত্যাহ্বান জনোৱা প্ৰতিটো উদ্ভাৱনত অনুৰণিত হ'ব।

ভাৰতে বিশ্ব সৃষ্টিশীল বিপ্লৱৰ নেতৃত্ব দিয়াৰ সময় আহি পৰিছে। আহক আমি 'ভাৰতত সৃষ্টি কৰো, বিশ্বৰ বাবে সৃষ্টি কৰোঁ' আৰু আমাৰ কল্পনাৰ অসীম শক্তি বিশ্ববাসীক দেখুৱাই দিওঁ।

# ভাৰতবৰ্ষৰ সংগ্ৰামগাথাৰ কিয়দংশ

আকাশ সাহা

ভাৰতৰ ইতিহাস কেৱল এটা ভূখণ্ডৰ ইতিবৃত্ত নহয়, এক সজীৱ চেতনাৰ সংহত বৰ্ণনা, যি যুগে যুগে বহিঃশক্তিৰ হাতত আঘাত পায় যদিও, তাৰ নিজৰ মূল আত্মাৰ পৰা কেতিয়াও বিচ্ছিন্ন হোৱা নাই। ডº আৰ. চি. মজুমদাৰৰ মতে, ভাৰতৰ জাতীয় ইতিহাস এটা 'continuity without a break'ৰ প্ৰতিচ্ছবি, যাৰ মাজত বহুবাৰ বিদেশী আক্ৰমণ, সাংস্কৃতিক সংঘাত আৰু ৰাজনৈতিক অধঃপতন ঘটিছে, কিন্তু দেশৰ সভ্যতাৰ মূল ধাৰা কেতিয়াও স্তব্ধ হোৱা নাই। অশোকৰ শাসনকালত (খ্ৰীঃ পূঃ ৩য় শতিকাত) ভাৰত মৌৰ্য সাম্ৰাজ্যৰ অধীনত এক সুসংহত সাম্ৰাজ্য ৰূপে আত্মপ্ৰকাশ কৰিছিল। কলিঙ্গ যুদ্ধৰ পাছত অশোকৰ হিংসা-ত্যাগৰ সিদ্ধান্ত এনে এক সময়ত আহিছিল, যেতিয়া ভাৰতত ৰাজনৈতিক একতাৰ সম্ভাৱনা আছিল। কিন্তু এই একতাৰ ভিতৰতেই অতিৰিক্ত ধৰ্মীয় সহিষ্ণুতা আৰু অহিংসাত্মক মনোভাৱে ভাৰতীয় ভূখণ্ডক বহিঃশক্তিৰ বাবে সুবিধাজনক লক্ষ্যৰূপে প্ৰস্তুত কৰিছিল।

গ্ৰীক, শক, হুন আৰু কুষাণসকলৰ প্ৰাৰম্ভিক অনুপ্ৰৱেশ আৰু পাছত আৰব, তুৰ্কী, আফগান, আৰু মোগলসকলৰ সংগঠিত আক্ৰমণ — এইবোৰ ঘটনাই প্ৰমাণ কৰে যে ভাৰতৰ সমৃদ্ধ সংস্কৃতি, ধন-সম্পত্তি আৰু মৃদু ৰাজনৈতিক সংহতিত্বক লক্ষ্য কৰি একাংশ শক্তিয়ে পৰ্যায়ক্ৰমে আক্ৰমণ কৰিছিল। মহম্মদ গজনভী আৰু মহম্মদ ঘুৰীৰ দৰে আক্ৰমণকাৰীয়ে সোমনাথৰ দৰে মন্দিৰ ধ্বংস কৰাৰ লগতে দেশৰ ধন-সম্পত্তিৰ ওপৰত লুণ্ঠনচৰিত্ৰ চালাইছিল।

"Their invasions were not only for territorial aggrandizement, but were almost always accompanied by a fanatical zeal to destroy the local culture and religion." — R.C. Majumdar "তেওঁলোকৰ আক্ৰমণ কেৱল ভূখণ্ড বিস্তাৰৰ বাবে নহয়, স্থানীয় সংস্কৃতি আৰু ধৰ্ম ধ্বংস কৰাৰ উন্মাদ উত্সাহৰ সৈতে সংগঠিত হৈছিল।"

ইয়াৰ বিপৰীতে, ভাৰতীয় ৰজাসকলৰ প্ৰতিশোধ বোধ, ৰাজনীতিৰ চতুৰতা আৰু জনসাধাৰণৰ সমৰ্থন থাকিও, কেন্দ্ৰীয় সংগঠনৰ অভাৱত এই বহিঃশক্তিবোৰক একবাৰেই উৎখাত কৰিব পৰা হোৱা নাছিল। ৰাজপুত, আহোম, মাৰাঠা আৰু সিখসকলৰ সংগ্ৰাম এই সময়ত এক অতুলনীয় প্ৰতিৰোধৰ কাহিনী। মহাৰাণা প্ৰতাপ, ছিবাজী, আৰু গৰু গোবিন্দ সিংহৰ নাম ইতিহাসত যুগে যুগে উচ্চাৰিত হ'ব, কাৰণ তেওঁলোকে নিজৰ শক্তিৰ সীমা সত্বেও প্ৰতিবাদৰ দীপ্তিময় ধুনু উৰুৱাইছিল।

"It was not the weapon but the will that decided who would survive." — B.B. Lal "কাৰ অস্ত্ৰ আছিল সেয়া মুখ্য নহয়, কাৰ ইচ্ছাশক্তি আছিল সেয়া স্থিতি নিৰ্ধাৰক।"

মোগল আমলত, বিশেষকৈ ঔৰঙজেবৰ সময়ত, এক বৃহৎ পৰিসৰত মন্দিৰ ধ্বংস, ধৰ্মীয় নিপীড়ন আৰু জাজিয়া কৰৰ পুনৰুজ্জীৱন, হিন্দু সমাজৰ আত্মমৰ্যাদা প্ৰতি এক প্ৰত্যক্ষ প্ৰহাৰ আছিল। তথাপি, এই সময়তে মাৰাঠা শক্তিৰ উত্থান হয়। ছিবাজী, যিজনে মোগল সাম্ৰাজ্যৰ কেন্দ্ৰত সোমাই এক স্বাধীন হিন্দৱী স্বৰাজ প্ৰতিষ্ঠা কৰিছিল, তেওঁ ভাৰতীয় ইতিহাসৰ এক বিৰল চিত্ৰ। তেওঁৰ শৌৰ্য, গুপ্তচৰ পদ্ধতি আৰু সঁহাৰি আদান-প্ৰদানৰ জ্ঞান আজিও আধুনিক সামৰিক নীতিৰ বাবে প্ৰাসংগিক।

ইংৰাজৰ আগমন আৰু পলাশিৰ যুদ্ধ ভাৰতত নতুন ধৰণৰ ৰাজনীতি আৰম্ভ কৰে — উপনিবেশবাদ। ১৮৫৭ চনৰ সিপাহী বিদ্ৰোহত বহুজনৰ মতে এটা সামান্য মিলিটেৰী বিদ্ৰোহ আছিল, কিন্তু ডº মজুমদাৰে তেওঁক 'India's first co-ordinated national movement against foreign rule'বুলি আখ্যা দিয়ে।

'On the whole, it is difficult to believe that there was any power or important personality in those days who had really the good of the country at heart.' — R.C. Majumdar "সামগ্ৰিকভাৱে, সেই সময়ত দেশৰ কল্যাণৰ বিষয়ে চিন্তা কৰা কোনো শক্তি বা গুৰুত্বপূৰ্ণ ব্যক্তিত্ব আছিল বুলি বিশ্বাস কৰা কঠিন।"

এই সময়ৰ পৰা ভাৰতত জাতীয় চেতনা এক নতুন ৰূপ ল'ব ধৰিলে — গাঁধীজীৰ অহিংস আন্দোলন, বল্লভভাই পটেলৰ ৰাজনৈতিক সংগ্ৰাম, ভগৎ সিঙ, চন্দ্ৰশেখৰ আজাদৰ সশস্ত্ৰ অভ্যুত্থান আৰু নেতাজীৰ আজাদ হিন্দ ফৌজ — এই সকলোৱে শক্তিয়ে ভাৰত এক দীঘল আন্দোলনৰ অন্তত ১৯৪৭ চনত স্বাধীনতা লাভ কৰে।

স্বাধীনতাৰ আনন্দ লগে লগে আহিল দেশভাগৰ বিভীষিকা। লক্ষাধিক মানুহে প্ৰাণ হেৰুৱালে, লক্ষাধিকৰ বাসস্থান শেষ হ'ল। পাকিস্তান নামৰ এক নতুন ৰাষ্ট্ৰৰ জন্ম হ'ল যিয়ে ইছলামী ধৰ্মীয় তত্ত্বৰ ওপৰত আধাৰিত আছিল। এই নতুন ৰাষ্ট্ৰই প্ৰথম দিনৰ পৰা কাশ্মীৰক লৈ দ্বন্দ্বৰ বীজ বোৱাইছিল।

১৯৪৭-৪৮ৰ যুদ্ধত ভাৰতীয় সেনাই পাকিস্তান-প্ৰেৰিত কাবাইলীক প্ৰত্যাহাৰ কৰালে যদিও, জাতিসংঘত কাশ্মীৰৰ ইস্যু লৈ যোৱাটো ডº মজুমদাৰ আৰু বিস্তৃত ঐতিহাসিকৰ মতে এক কৌশলগত ভুল আছিল। তাৰ ফল স্বৰূপেই কাশ্মীৰ সমস্যা আজিও জটিল হৈ পৰিল।

১৯৬৫ আৰু ১৯৭১ চনৰ যুদ্ধত ভাৰতে সামৰিক আৰু কূটনৈতিক দুয়ো দিশত পাকিস্তানক হেৰুৱালে। ১৯৭১ৰ বাংলাদেশ মুক্তিযুদ্ধত পাকিস্তানৰ আত্মসমৰ্পণ বিশ্ব ইতিহাসত এক মহান ঘটনা — যি বেছিভাগ পশ্চিমীয়া শক্তিৰ বিস্ময় উৎপন্ন কৰিছিল। কাৰ্গিল যুদ্ধ ১৯৯৯ চনত পাকিস্তানৰ সেনাৰ গুপ্ত অনুপ্ৰবেশ আছিল — ইয়ে চুক্তিৰ ভংগ, আন্তৰ্জাতিক বিধিৰ লংঘন, আৰু কুটিলতাৰ সীমা অতিক্ৰম কৰিছিল। তথাপিও ভাৰতীয় সেনাই অপাৰেচন Vijay ৰে এই এলেকা পুনৰুদ্ধাৰ কৰিলে। এই যুদ্ধত ভাৰতৰ ধৈৰ্য আৰু সাহসিকতাই প্ৰমাণ কৰিলে যে নতুন ভাৰত সহ্য কৰা পৰা, কিন্তু আত্মসমৰ্পণ কেতিয়াও নকৰে।

২০০১ চনৰ সংসদ আক্ৰমণ আৰু ২০০৮ চনৰ মুম্বাই আক্ৰমণ ভাৰতৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক মূৰ্তি হেৰুৱাবলৈ পাকিস্তানী সন্ত্ৰাসবাদীয়ে চলোৱা এটি বৃহৎ ষড়যন্ত্ৰ আছিল। মুম্বাই আক্ৰমণত ১৬৬ জন নিৰীহ নাগৰিক প্ৰাণ হেৰুৱালে। তাৰ পিছত ভাৰতীয় সমাজত সন্ত্ৰাসবাদবিৰোধী এক দৃঢ় মনোভাব গঢ়ি উঠিল। এই মনোভাৱ ২০১৬ চনৰ উৰি আক্ৰমণৰ পাছত পূৰ্ণ ৰূপত প্ৰকাশ পায়। মোদী চৰকাৰৰ অধীনত ভাৰতীয় সেনাই প্ৰথমবাৰৰ বাবে সীমা পাৰি পিওকেত সাৰ্জিকেল ষ্ট্ৰাইক চলায়। ইয়াৰ লগতে ২০১৯ চনৰ পুলৱামাত চিআৰপিএফ জোৱানৰ ওপৰত হোৱা আত্মঘাতী আক্ৰমণৰ প্ৰতিশোধত বালাকোট এয়াৰ ষ্ট্ৰাইক চলোৱা হয় — যি দেখুৱাইছিল যে নতুন ভাৰত কেৱল কথাৰে নহয়, কাৰ্যৰ দ্বাৰা প্ৰতিশোধ ল'ব জানে।

২২ এপ্ৰিল, ২০২৫ তাৰিখে পেহেলগাম আক্ৰমণ — য'ত ইছলামিক সন্ত্ৰাসবাদীয়ে নৰীহ ভাৰতীয়সকলক লক্ষ্য কৰি নিঃসংশয়ে হত্যা কৰে — তাক সৰু ঘটনা হিচাপে নেদেখা উচিত। এই আক্ৰমণত কেৱল জনপ্ৰাণ নহয়, ভাৰতৰ অসম্প্ৰদায়িকতা, শান্তিপ্ৰিয়তা আৰু সহিষ্ণুতাৰ ওপৰত প্ৰতক্ষ্য প্ৰহাৰ হৈছে। এই সুযোগতে যদি ভাৰতে পাকিস্তানৰ ওপৰত পূৰ্ণ প্ৰতিঘাত নকৰে, তেন্তে আগন্তুক প্ৰজন্মেও একে বেদনা বোৱাই ফুৰিব। পাকিস্তানক সমূলে নাশ কৰায়ে সময়ৰ আহ্বান। এতেকে,ভাৰতীয় সভ্যতা বাচি থাকিব আৰু তাৰ বাবে প্ৰয়োজন — সাহস, ঐতিহাসিক বোধ আৰু সময়ত প্ৰতিশোধ।

ফোন ঃ ৯৩৬৫৮ ৩২৩৪৮

# মধ্য অসমৰ গোসাঁই উলিওৱা মেলা আৰু ইয়াৰ তাৎপৰ্য

দ্বীপেন শইকীয়া

অসমৰ সংস্কৃতিৰ পথাৰখনত উৎসৱ-পাৰ্বণসমূহে মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। অতীজৰে পৰা পুৰুষানুক্ৰমে এই উৎসৱ-পাৰ্বণসমূহ চলি থকাৰ মূলতে একোটা জাতি-গোষ্ঠীৰ ধৰ্ম বিশ্বাস, লোক পৰম্পৰা আৰু এক নিবিড় ইতিহাস জড়িত হৈ থাকে। গোসাঁই উলিওৱা মেলা উৎসৱ মধ্য অসমৰ নগাঁও জিলাৰ পশ্চিমাঞ্চল আৰু মৰিগাঁও জিলাৰ বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা দেখা যায়। নগাঁও জিলাৰ বেবেজীয়াৰ পৰা আৰম্ভকৰি ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়ো কাষে আৰু মৰিগাঁও জিলাৰ বিভিন্ন ঠাইত বহাগ-জেঠ মাহত এই গোসাঁই উলিওৱা মেলা উদযাপিত হয়। এই গোসাঁই উলিওৱা মেলা বিভিন্ন নামাকৰণেৰে অনুষ্ঠিত হয়। তাৰ ভিতৰত মেলা অনুষ্ঠিত হোৱা ঠাইসমূহ হ'ল- অবিভক্ত নগাঁও জিলাৰ ফুলগুৰি মেলা, দীঘলদৰী মেলা,ৰহাৰ তপাকুছি মেলা,সাতোৰজাৰ গোভা, নেলী,খলা,চহৰী মেলা, চমুৱা গাঁও মেলা,ধৰমতুল, পলাশগুৰি, বামুণবড়ি, ভালুকমাৰী, দগাঁও, টাঙুনমাৰা,বাৰপূজীয়া,চৰাইবাহী মেলা, জালুকগুটি মেলা,বাঙীয়া মেলা,বৰণীবন্ধা মেলা,ৰজাগাঁও মেলা উল্লেখ্যযোগ্য। এই গোসাঁই উলিওৱা মেলা উৎসৱৰো গুৰুত্বপূৰ্ণ এক ইতিহাস আছে। এই গোসাঁই উলিওৱা প্ৰথা আহোম ৰজাৰ দিনৰ পৰা প্ৰচলন হৈ আহিছে। এই মেলাৰ তাৎপৰ্য হৈছে ৰজাই যিটো গোসাঁই মূৰ্তি ৰাখে সেইটো এবছৰৰ মূৰত ঘৰৰ বাহিৰ কৰি মুকলি পথাৰত দৰ্শন কৰায়। মুকলি পথাৰৰ মেলা উলিওৱা স্থানত ৰজা ঘৰৰ ঢাল-তৰোৱাল লৈ খেল-ধেমালি কৰি দেখুৱাই দৰ্শকক আমোদ-প্ৰমোদ দিয়ে। গোসাঁই উলিওৱা মেলা উৎসৱ কোনে কেতিয়াৰ পৰা আৰম্ভ কৰিছিল তাৰ বিভিন্ন কিম্বদন্তী কাহিনী পোৱা যায়। বিশেষকৈ আমাৰ সমাজত জনশ্ৰুতি মতে, বাৰপূজীয়াৰ মিকিৰ গাঁৱৰ তিহুলীয়া মেলা পোন প্ৰথমে অনুষ্ঠিত হৈছিল। তাৰ পিছতহে উল্লিখিত অন্যান্য ঠাই সমূহলৈ এই সম্প্ৰসাৰিত হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম স্থান বৰদোৱা থানৰ বুৰঞ্জী বিষয়ে প্ৰকাশ কৰা ধৰ্মপ্ৰদীপ আলোচনীখনত উল্লেখ আছে যে, দামোদৰ দেৱে বৰদোৱা গংগাৰ এই কথাতো নিচান কৰি উজাই আহোঁতে তিহুলীয়া বিলৰ পাৰত থকা মিকিৰ গাঁৱত চতুৱা নামে মিকিৰ ৰজাক লগ পায় আৰু ৰজাৰ লগত চিনাকি হয়। পাচত দামোদৰ দেৱৰ উদেশ্য সিদ্ধিৰ কাৰণে লগত সৈন্য-সামন্ত লৈ হাবি কাটি যাওঁতে মণিপুৰ কুঁজি পায়গৈ। তাত থানৰ চিন নোপোৱাত পুনঃ উত্তৰলৈ গৈ থাকোঁতে বৰদোৱা পায়। ৰজাই দামোদৰ দেৱক থান মুকলি কৰি তেখেতৰ শিষ্যত্ব গ্ৰহণ কৰে। এদিন গুৰুৱে ফল্গু উৎসৱ পতাৰ কথা সোধাত ৰজাই নাই বুলি কয়। তথাপিও গুৰুৰ কথা ৰক্ষা হেতু ৰজাই বহাগ বিহুৰ পিচৰ গুৰু (বৃহস্পতি) বাৰে ফল্গু উৎসৱ অপভ্ৰংশ হিচাপে ঢাল, ৰাজ পাত্ৰ-বিষয়াসহ নিজেও থললৈ গৈ গোসাঁই ফুৰোৱা বা মেলা পাতে। এই মেলা প্ৰথমে মিকিৰ ৰজাই পাতিছিল। তিহুতলীয়া পাঁচো সকলৰ গোসাঁই উলিওৱা মেলা উৎসৱ এটা বিশেষ ক্ৰম ৰক্ষা কৰি পতা দেখা যায়। এনেদৰে বিভিন্ন মেলা সমূহ উদযাপিত হয়। গোসাঁই উলিওৱা মেলা উৎসৱৰ আনুষ্ঠানিকভাৱে পালন কৰা কাৰ্যক্ৰমণিকাসমূহ এনেধৰণৰ। গোসাঁই উলিওৱা উৎসৱৰ দিন চমু চাপি অহাৰ লগে লগে ৰজাই পাতৰ,ডেকা ৰজা,ডেকা দলৈ সমন্বিতে বিষয়াসকলৰ লগত পৰামৰ্শ কৰে। উৎসৱত যাৰ যি দায়িত্ব তাক ভগাই লয়। উৎসৱৰ আগদিনা সন্ধিয়া, উৎসৱৰ দিনা পুৱা বৰঢুলীয়াই নামঘৰ আৰু ৰজাঘৰৰ সন্মুখত "ঢোল সাৰ" দিয়ে। বৰঢোল বজাই ৰজা-প্ৰজা সকলোকে উৎসৱৰ জাননী দিয়াকে "ঢোল সাৰ" বুলি কোৱা হয়।

পুৱাৰ ভাগত নামঘৰ চাফ-চিকুণ কৰা হয়। স্নান,ধৌত বস্ত্ৰ পৰিধান কৰা ভকত কেইজনমানে মণিকূটৰ পৰা গোসাঁইক আসনৰ (খাটোলা)-স'তে নামঘৰৰ মজিয়ালৈ উলিয়াই আনে। পানীৰ ভূংগাৰটোত ঘিউ, মৌ, এৰা গাখীৰ, তুলসী, দুৱৰি, দৈ সেই পানীৰে গোঁসাইৰ গা ধুওৱা হয়। গোসাঁই গা ধোৱা পানী মাটিত নপৰিবলৈ তামৰ কাঁহী এখনত ভূংগাৰটো বহুৱাই লোৱা হয়। গোসাঁই গা ধুওৱা হ'লে সেই ভূংগাৰৰ জলক ভকতসকলে পদজল বা ভূংগজল হিচাপে গ্ৰহণ কৰে।

গোসাঁই আৰু খাটোলা (আসন) ক ন বস্ত্ৰৰে সজাই তোলা হয়। অতীতত পিতলৰ বা সোণৰ কৃষ্ণ মূৰ্তি আছিল। বৰ্তমানে মূৰ্তিৰ সলনি ভাগৱতহে আসনত প্ৰতিষ্ঠা কৰা হয়। অৱশ্যে সকলোতে তেনে পৰিবৰ্তন হোৱা নাই। বস্তুত ৰূপৰ ফুল গাঁঠি দিয়া হয়। আমহি ঢাক খোৱাকৈ আসনৰ ওপৰত বাঁহৰ গোটা কাঠি দি সৰু সৰু চন্দ্ৰতাপ আঁৰি দিয়া হয়। ধূপ-ধূনা, শিখা-বন্তি জ্বলাই গোঁসাইক আসনত প্ৰতিষ্ঠা কৰা হয়। বৰমেধিয়ে বনমালাত ফাকুগুড়ি সানি শৰাইত সজাই গোঁসাইৰ আগত থয়। নাম প্ৰসংগ কৰা হয়। ৰজা, ডেকা ৰজা, পাতৰ, ডেকাদলৈ, ঢুলীয়া বাৰব্ৰতী সবেও নামঘৰৰ যথাস্থানত বহি গোসাঁইলৈ সেৱা জনায়। বৰ মেধিয়ে বনমালা দিয়ে। বৰঢুলীয়াক ধূপমালা দিয়া হয়। বনমালা আৰু ধূপমালা গুল্ম জাতীয় গছ। বনমালা গছৰ পাত তৰা গছ আঁহেৰে পকিয়াই বান্ধি মূৰত পিন্ধিব পৰাকৈ মালা বনোৱা হয়। ৰজা, ডেকা ৰজাক চুলি গঠাৰ দৰে সজোৱা বনমালা দিয়া হয়। ধূপমালাৰ পাত কাটি মালা গাঠি বৰ ঢুলীয়াক দিয়ে। বনমালা গছ তুলসীৰ দৰে পবিত্ৰ জ্ঞান কৰা হয়। নামঘৰৰ বাজ লৈ সানিবৰ বাবে গোসাঁই দঙাৰ সময়ত উদাত্ত স্বৰত হৰিধ্বনি কৰা হয়। ডবা, শংখ, কাঁহ বাজি উঠে। বৰ ঢুলীয়াই গোসাঁই দঙাৰ সময়ত বজায়-কিন কিন, কিনজাও, কিন (কেইবাপাকো মাৰে)। গোঁসাইক নামঘৰৰ ভিতৰত সোমোৱাৰ সময়তো উক্ত বাজনা মাৰে। গোসাঁইক কান্ধত ল'বলৈ সাধাৰণতে ডেকা ভকত চাৰিজনক দিয়া হয়। নামঘৰৰ চাৰিওফালে গোসাঁইক লৈ সাত বাৰ প্ৰদক্ষিণ কৰাই বাথললৈ নিয়া হয়। গৃহস্থই পদূলিত তামোল-পাণ, অৰিহণা দি সেৱা কৰে। ৰজাৰ পদূলিমুখতো ৰজাই বিশেষ মান সৎকাৰ কৰি গোসাঁইক থললৈ আগবঢ়াই নিয়ে। ৰজাই নিজেই শোভাযাত্ৰাত যোগ দি থলীলৈ গমন কৰে। কোনো ৰজাই গোসাঁই আদৰা কামটো থলৰপৰা ঘূৰি আহোঁতেহে কৰে।

গোসাঁই উলিয়াই নিয়া সমদলত অংশগ্ৰহণ কৰা দলসমূহে এটা নিৰ্দিষ্টক্ৰম ৰক্ষা কৰি যোৱা দেখা যায়। সমদলৰ একেবাৰে আগত ঢাল বাৰুৱতীৰ দল। তেওঁলোকে শাৰী পাতি বৰঢোলৰ ছেৱে ছেৱে ৰণচালিৰ ভংগীমাত যায়। এই সকলেই ৰজাৰ নিৰাপত্তাৰক্ষী সৈনিক। ইয়াৰ পিচতে খোল-তালৰ স'তে বায়ন-গায়নৰ দল। গোসাঁই আসনৰ ঠিক আগত পুৰুষ নামতিৰ দল আৰু ঠিক আসনৰ পিচতে নামগোৱা আয়তীৰ দল যায়। গোসাঁইক ভকতে ক'লা বা ধৱল চামৰে জুলুৱাই যায়। চামৰ হৈছে শুকুলা বা ক'লা চোৱৰী পহুৰ নেজ নোমেৰে নিৰ্মাণ কৰা গোঁসাইক বতাহ সেৱন কৰা সঁজুলি (বিচনি) বিশেষ। ইয়াৰ পিচতে ৰজাৰ আগে আগে ওজাপালি আৰু কালিয়া। ৰজাক আগতলৈ পাতি ঢুলীয়াৰ দল যায়। ৰজাৰ স'তে ডেকাৰজা, পাতৰ, ডেকাদলৈ, বিষয়াসকল যায়। গোসাঁইক লৈ থলীৰ পৰা ওভতোতেই মানি চলা হয়। ৰজা দোলাত গৈছিল, পাচলৈ দোলাৰ অবিহনে ঘোঁৰা বা হাতী ব্যৱহাৰ কৰিছিল।

গোসাঁই উলিওৱা থলীত কলপাতৰ তিনিখন ৰভাৰ ব্যৱস্থা থাকে। থলীখনৰ পূবত গোসাঁইৰ ৰভা থাকে। তাৰ পশ্চিমলৈ পিচুৱাই উত্তৰ দিশত ৰজা আৰু ডেকা ৰজা, পাতৰ, ডেকাদলৈৰ ৰভা পাতে। মাটিৰে সামান্য ভেটি তুলি ৰজাক আসন কৰি দিয়া হয়।

গোসাঁইৰ আগত আগলি কলাপাত বা শৰাই এখন ৰখা হয়। প্ৰজাসকলে তাত অৰিহনা দি গোসাঁইক সেৱা কৰে, মেধিয়ে নিৰ্মালি দিয়ে। গোসাঁই থলীত থকাৰ সময়ত থিয় নামেৰে হীড়া কীৰ্তন বা বীৰ কীৰ্তন কৰা হয়। ৰাগ বিশেষক আশ্ৰয় কৰি সুৰ দি গোৱা কীৰ্তনক হীড়া বা বীৰ কীৰ্তন বোলা হয়। ডবা, কাঁহ, শংখ, নাগাৰা আদিৰ শব্দই মুকলি আকাশ নিনাদিত কৰি তোলে। বৰঢোলৰ ছেৱে ছেৱে নৃত্যৰ লয়ত দুজনে বাওহাতে ঢোল, সোঁহাতেপ্ৰায় চাৰে তিনি ফুট দীঘল বেত লৈ ঢোলৰ খেল কৰে। ইয়াক ঢাল খেল বোলা হয়। এই খেল দ্বন্দ্ব যুদ্ধৰ মুকলি খেল। চক্ৰাকাৰে ঘূৰি ঘূৰি ইজনে সিজনক আক্ৰমণৰ সুযোগ লয়। কৌশলেৰে আনজনক মাৰিব পৰা আৰু নিজক বচাব পৰা এই যুঁজ বৰ আমোদজনক। থলীৰ পৰা ঘূৰি গোসাঁই নামঘৰ পোৱাৰ লগে লগে গোঁসাই ভেটা দিয়া হয়। গোসাঁইক নামঘৰ প্ৰৱেশত বাধা দিবৰ বাবে বাঁহৰ ডাং বা জপনা দিয়া হয়। ইয়াক গোসাঁই ভেটা বোলা হয়। এই গোঁসাই ভেটা অনুষ্ঠানো বিশেষ আকৰ্ষণীয়। "ঘুনুচা বাৰী"ত সাতদিন সাতৰাতি কটোৱা গোসাঁইক লক্ষ্মী দেবীয়ে গৃহত প্ৰবেশ কৰিব নিদিয়ে। এই লৈ গোসাঁই আৰু লক্ষ্মী আইৰ অনুচৰ বিলাকৰ মাজত লৰ পেৰা কথাৰ কটা কটি চলে। এনেদৰে বহু সময় কথাৰ কটা-কটি হোৱাৰ পিচত গোঁসাই গৃহত প্ৰৱেশ কৰে। এই ঘটনা ঠিক কেইজনমান অভিজ্ঞ ৰসজ্ঞ লোকৰদ্বাৰা অভিনয় ৰূপত প্ৰদৰ্শন কৰা হয়। গোসাঁইক নামঘৰত পুনৰ থাপি উদাত্তস্বৰে হৰিধ্বনি কৰি উৎসৱৰ সামৰণি মৰা হয়। ৰজাই বিষয়া, ডাঙৰীয়া, ঢালবাৰুৱতী সকলক জলপানেৰে আপ্যায়িত কৰি বিদায় দিয়ে।

উল্লেখ্য যে, অতীতৰ ৰাজকীয় আদব কায়দাৰে পালিত আৰু পোষিত গোসাঁই উলিওৱা মেলা উৎসৱ বিভিন্ন জাতি আৰু জনজাতি গোষ্ঠীৰ লোকসকলে তাক পালন কৰি অতীত গৌৰৱৰ ইতিহাস জীয়াই ৰাখিছে। গোসাঁই উলিওৱা মেলা উৎসৱলৈ পৰস্পৰে পৰস্পৰক নিমন্ত্ৰিত কৰি ৰাজ আতিথ্য প্ৰদান কৰে। আৰু এনেদৰেই ঐক্য, শান্তি, সম্প্ৰীতিৰে এনাজৰীডাল কোনো কালে ছিন্ন নোহোৱাকৈ ৰাখিছে। তদুপৰি গোসাঁই উলিওৱা মেলা উৎসৱ জনসমাজত ৰজাসকলৰ মান, পদ মৰ্যাদা বৃদ্ধি হয়।

আনহাতে, আজিকালি গোসাঁই উলিওৱা মেলাক উপলক্ষ কৰি যথেষ্ট জনসমাৱেশ হয়। নানান দোকান-পোহাৰ, বজাৰ আদি বহে। ইয়াৰ উপৰি দুৰ্গোৎসব, হনুমানমেলা আদিৰ আৰ্হিত গোসাঁই উলিওৱা মেলাতো আৰ্থ-সামাজিক দিশত আমাৰ কুটীৰ শিল্পৰো বজাৰ গঢ়িব পৰাৰ প্ৰচুৰ সম্ভাৱনা আছে।



# খুকুমণি মুদৈৰ দাসৰ 'মোনা'ত প্ৰতিফলিত বাস্তৱ চিত্ৰ

যুগললোচন দাস

সাহিত্য সাধনাৰে সকলোৰে মাজত পৰিচিত হৈ পৰা খুকুমণি মুদৈ দাস এগৰাকী ভাল গল্প লেখিকা। তেওঁৰ ইতিমধ্যে ভালেমান গল্প বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পাইছে আৰু পাঠকৰ সমাদৰো লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ লিখা গল্পৰ এখন সংকলন প্ৰকাশ পাইছে। মুঠ ১৬ টা গল্পৰ সংকলনখনৰ নাম হ'ল 'মোনা'। শিৰোনামটোৱেই গল্পবোৰৰ বিষয় বস্তুৰ এটা সম্যক ধাৰণা দিয়ে। সমাজৰ বিভিন্ন দিশ বাস্তৱায়নৰ এক মননশীল চিন্তনৰ খোৰাকেৰে সমৃদ্ধ এই 'মোনা'। মানুহৰ দৈনন্দিন জীৱনৰ সুখ- দুখ, সংগ্ৰামবোৰৰ ছবিও প্ৰতিফলিত কৰাৰ চেষ্টা কৰিছে লেখিকাই ১৬টা ভিন্ন গল্পৰ মাজেৰে। অতি সৰল ভাষাৰে প্ৰতিটো গল্পৰ কাহিনী উপস্থাপন কৰিছে। ভিন্ন বিষয়বস্তুৰ সমাহাৰেৰে পুষ্ট। বাস্তৱমুখী আৰু সময়োপযোগী চেতনাৰে সমৃদ্ধ 'মোনা'। লেখিকাৰ 'মোনা' গল্প সংকলনখনৰ পাণ্ডুলিপিয়ে " গোলাপ নাৰায়ণ বৰুৱা সোঁৱৰণী গল্প পাণ্ডুলিপি প্ৰতিযোগিতা "ত স্থানপ্ৰাপ্ত বুলি জানিও সুখী হৈছোঁ । তেওঁৰ ইতিমধ্যে দুখনকৈ গল্প সংকলন ' উমাল বুকুৰ হাজাৰ কাহিনী' আৰু ' ডাৱৰৰ সিপাৰে ধুনীয়া দেশ' প্ৰকাশ পাইছে। আশা কৰোঁ 'মোনা' পাঠকৰ সমাদৰ লাভ কৰিব।

আনহাতে এগৰাকী কবি হিচাপে পৰিচিত খুকুমণি মুদৈ দাসৰ কবিতাও বিভিন্ন কাকত , আলোচনীত প্ৰকাশ পাই আহিছে । বিভিন্ন কাকত আলোচনীত প্ৰকাশ পোৱা কবিতাবোৰ পাঠকসমাজে আদৰি লৈছে।

আশাকৰো খুকুমণি মুদৈ দাসৰ "মোনা" পাঠকৰ সমাদৰ লাভ কৰিব । লেখিকা খুকুমণি মুদৈ দাসলৈ আমাৰ আন্তৰিক শুভকামনা জনালোঁ ।

ফোন -৮৪৭২৮৮০০৭৬



## আন্ধাৰৰ তামীঘৰা

বলিন বৰদলৈ

আদিম অৰণ্যৰ স্থিতি হেৰুৱাই
আৱেগিক হয় সময়
লক্ষ্য কোটি অলক্ষ্য শিপা
জন অৰণ্যলৈ নামিছে অমানিশা ।
আন্ধাৰ-পোহৰৰ বেহু ফালি
কলমলাই ফুৰিছে পোহৰবোৰ,
আৰ্তদিনবোৰ আন্ধাৰৰ তামীঘৰাত -
এগৰাকী নাৰীয়ে এখন পৃথিৱী,
এটা প্ৰজন্মৰ স্থিতি আৰু
ধ্বংসৰ সম্ভেদ দি যায়।
অন্ধকূপৰ এজাক স্মৃতিবহ বতাহে
যান-জঁট কৰে প্ৰাণত
তথাপিও পোহৰ বিচাৰোঁ আমি
কলাসুলভ আৱেগত।



## টেৰ'ৰিষ্ট তুমি

বিজুলী শৰ্মা

ক'লৈ যোৱা
যোৱা ক'লৈ
জ্বলাই থৈ মোৰ হৃদয় বেবিলন
ওপঙিব শূন্যত শূন্যতাৰ হাহাকাৰ
শ্ৰাৱণী মেঘৰ ঢল
নমাব খুজিছা দুচকুত
পেন্টাগন গাজা কিম্বা মণিপুৰ
সকলো ধ্বংসস্তূপ
ধ্বংসস্তূপ মোৰ হৃদয় বাগিচা
ধোঁৱা উৰে বাৰে বাৰে
পেহেলগামৰ ঘাঁহনিয়ে বুকুত দিলে
আঁচোৰ চিৰকাল
পৰি ৰ'ল সপোনবোৰ অ'ত ত'ত
পাহৰা নাই আজিও আমাৰ জন্মৰ দশকবোৰৰ
আই পিতাইহঁতৰ গোমোঠা মুখবোৰ
আইৰ চাদৰখনৰ চিন্তাত পিতাইৰ টোপনি নাই
কৰবী দুৰৱী যোগদল
গুপ্ত ঘাতকৰ ইমান যে আছিল বল
চোক থকা কলমটোও যে জ্বলি ৰ'ল
কলম আমাৰো থমকি ৰয়
কি কৰিম
ভাত কাপোৰৰ চিন্তা নে দেশ উদ্ধাৰ
ফাটেক দুৱাৰলৈ বন্ধা আছে মসৃণ আলিবাট
ৰজাৰ কুটিল হাঁহি
বোকা ভাওনাৰ আখৰা
আহা আহা খেল খেলোঁ
কোনে কিমান ছটিয়াব পাৰে বোকা
সেই বোকাত অন্ধ জনগণৰ চকু
অন্ধ চকুৰেই মাৰি দিব চাব
আকৌ এবাৰ
তাৰপাছত কানি কাপোৰ ক'লা হ'ব
সাধু শেষ শেষ ভুৱা ইস্তাহাৰ
ইস্তাহাৰৰ কাগজবোৰত চাৰিআলিৰ পৰা চাকনা
বান্ধি আনি বুকু ফুলাই
চিঞৰিবা তোমালোকে ৰাতি
আমি সুৰাত উটি যোৱা এটা জাতি
পুৱালৈ হাতুৰী বটালি লোৱা আৰু বিশ জুনলৈ
বাটচোৰা
এদিনৰ বাবে বাজিব কান্দে দুখীয়া বনুৱা
টিআৰপি, ধনৰ টোপোলা, বাঃ বাঃ
হাত চাপৰি
এতিয়া যা ৰাভাদেউৰ ফটোখন আকৌ আগৰ
ঠাইত ওলমাই থ
আমি যাওঁ অন্তেষপুৰলৈ
ৰামৰাজ্য সোণৰ লংকা
লগাবলৈ আছে কমুদত সোণ
ঠিকাদাৰটো জানো আছিল কোন
কৰিব লাগিছিল এটা ফোন
কমুদ ? কমুদ কোন
কমুদ যোৱাবছৰ বুলড'জাৰেৰে খেতি নষ্ট কৰা
খেতিয়কজনৰ পুতেক
ওলমি আছিল যে তিনিআলিৰ ওখ গছজোপাত
অস পাহৰিলোঁ।
সি এতিয়া স্কুল নেযায়
পাগলী মাকজনীয়ে বহী দুখন দিব পৰা নাই
আনি
ধুই দিব পৰা নাই খাৰ চাবোনেৰে ইউনিফৰ্মযোৰ
ছাৰে বেতাব ঐ চাফা হৈ আহিবি
ফোনত কথা পাতি পাতি চিকেন পিজ্জা নিম নে
পনীৰ পিজ্জা
শদিয়ালৈ নাযাবা শদিয়া নিজেই গ'লগৈ
বিহুমেটেকাবোৰ অকলে গুচাব কিমান
মানৱ দিনৰ কচুকটা কটাৰীবোৰ কি এৰি থৈ
গ'ল
ঘৰে ঘৰে কি ব'হাগ কি আঘোণ
মন গ'লেই মৃত্যু উপহাৰ
ইমান সুলভ উপহাৰ
এটি কলি দুটি পাত বতাহতে উৰি থাক উৰি উৰি
থাক উৰি থাক আমাৰ তেজৰ নিচান
উৰি থাক উৰিয়ে থাক
ৰেচন নাই ব'নাচ নাই গাই থাকিম ফাঁকি দিয়ে
আনিল ...চ'ক বজাৰৰ ৰঙীন কাগজেৰে বন্ধা
উপহাৰৰ বাবেও লাগে দুপইচা
অথচ অলিয়ে গলিয়ে মৃত্যুৰ সুলভ পোহাৰ
তুমি সঁচাই টেৰ'ৰিষ্ট
পাৰ্থক্য মাথোঁ এটাই
সিহঁতৰ হাতত বন্দুক
জ্বলায় দেশ
খুণ কৰে মানৱতা
আৰু তুমি
জ্বলোৱা মোৰ হৃদয় বেবিলনৰ বাগিচা
যোৱা যদি যোৱা
শ্ৰাৱণী মেঘৰ স'তে
মই শুনিম তানসেনৰ মেঘমল্লাৰ
অ'কে বাই হেপী জাৰ্নি
চি ইউ টেক কেয়াৰ

দৈনিক গণ অধিকাৰ



# পশুৰ স্বাস্থ্য সুৰক্ষা এটা দলগত প্ৰচেষ্টা



ডাঃ বিজুজ জাহান চালেহা বেগম

বিশ্ব পশু চিকিৎসা সংস্থাই আৰম্ভ কৰা বিশ্ব পশু চিকিৎসা দিৱস প্ৰথমবাৰৰ বাবে ২০০০ চনৰ ২৯ এপ্ৰিলত উদ্‌যাপন কৰা হৈছিল। এই দিৱসটোৱে পশু চিকিৎসাৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টিৰ লগতে পশু চিকিৎসক সমাজলৈ আগবঢ়োৱা অৱদানক স্বীকৃতি দিয়াৰ কামো আৰম্ভ কৰিছিল। ১৮৬৩ চনত অধ্যাপক জন গামগীয়ে জাৰ্মানীৰ হামবাৰ্গত প্ৰথম আন্তঃৰাষ্ট্ৰীয় পশু চিকিৎসা কংগ্ৰেছ অনুষ্ঠিত কৰিছিল।১৯৫৯ চনত মাদ্ৰিদত অনুষ্ঠিত হোৱা এখন বৈঠকৰ সময়ত বিশ্বজুৰি পশু চিকিৎসকসকলক একত্ৰিত কৰি বৃত্তিটোৰ বাবে মানদণ্ড স্থাপনৰ বাবে বিশ্ব পশু চিকিৎসা সংস্থা গঠন কৰা হয়। ২০০০ চনত ডব্লিউ ভি এয়ে আনুষ্ঠানিকভাৱে বিশ্ব পশু চিকিৎসা দিৱস আৰম্ভ কৰিছিল, প্ৰতি বছৰৰ এপ্ৰিলৰ চতুৰ্থ শনিবাৰটোত, যাৰ ফলত পশু চিকিৎসা বৃত্তিটোক উদ্‌যাপনৰ বাবে বাৰ্ষিক অনুষ্ঠান হিচাপে পৰিগণিত হৈছিল।

এইবাৰৰ বিশ্ব পশু চিকিৎসা দিৱসৰ বিষয়বস্তু হৈছে 'পশুৰ স্বাস্থ্য সুৰক্ষা - এটি দলগত প্ৰচেষ্টা'। জীৱ-জন্তুৰ মংগল নিশ্চিত কৰিবলৈ বিভিন্ন দলগত সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

এইখিনি কথাকে বুজিবলৈ আমি এটা উদাহৰণ হিচাপে ফাৰ্মত ৰোগৰ প্ৰাদুৰ্ভাৱ পৰিচালনা কৰা সম্পৰ্কে আলোচনা কৰি চাব পাৰোঁ। যেতিয়া কোনো ফাৰ্মত কোনো ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটে, তেতিয়া নিয়ন্ত্ৰণ কৰিবলৈ আৰু ইয়াৰ বিস্তাৰ ৰোধ কৰিবলৈ দলীয় প্ৰচেষ্টা অতি গুৰুত্বপূৰ্ণ।

**এই দলটোৰ ভিতৰত থাকিব পাৰে ঃ**

**পশু চিকিৎসক ঃ** ৰোগ নিৰ্ণয় কৰি চিকিৎসাৰ ব্যৱস্থা কৰা, আৰু প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ পৰিকল্পনা প্ৰস্তুত কৰা।

**কৃষক ঃ** পৰিকল্পনা কাৰ্যকৰী কৰা, জীৱ-জন্তুৰ যত্ন আৰু পুষ্টি প্ৰদান কৰা, আৰু জীৱ-জন্তুৰ অৱস্থাৰ যিকোনো পৰিৱৰ্তনৰ বিষয়ে জনোৱা।

**পশু চিকিৎসা কাৰিকৰী ঃ** পশুৰ যত্নত সহায় কৰা, নমুনা সংগ্ৰহ কৰা, আৰু পৰীক্ষা কৰা।

**গৱেষক ঃ** নতুন নিদান সঁজুলি, চিকিৎসা, আৰু ভেকচিন প্ৰস্তুত কৰা।

**চৰকাৰী বিষয়া ঃ** নিয়ন্ত্ৰণমূলক তদাৰকী প্ৰদান কৰা, জৈৱ সুৰক্ষা ব্যৱস্থা বলবৎ কৰা, আৰু সহায় আগবঢ়োৱা।

**দলীয় কামৰ সুবিধা ঃ**

**পশু স্বাস্থ্যৰ উন্নতি ঃ** সহযোগিতামূলক প্ৰচেষ্টাৰ ফলত ৰোগৰ উন্নত ব্যৱস্থাপনা আৰু চিকিৎসাৰ সুবিধা হয়।

**ৰোগ সংক্ৰমণ হ্ৰাস ঃ** ফলপ্ৰসূ যোগাযোগ আৰু সমন্বয়ৰ দ্বাৰা ৰোগৰ বিস্তাৰ ৰোধ কৰা হয়।

**পামৰ উৎপাদনশীলতা বৃদ্ধি ঃ** সুস্থ জীৱ-জন্তুৰ ফলত উৎপাদনশীলতা বৃদ্ধি পায় আৰু পামৰ উন্নত ব্যৱস্থাপনা হয়। দলীয় কামে নিশ্চিত কৰে:

**ব্যাপক যত্ন ঃ** জীৱ-জন্তুৱে চিকিৎসা, পুষ্টি, আৰু যত্ন লাভ কৰে। ২) **ৰোগ ব্যৱস্থাৰ ফলপ্ৰসূ ঃ** দলটোৱে একেলগে কাম কৰি প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণ কৰে। ৩) **উন্নত ফলাফল ঃ** সহযোগিতাৰ ফলত পশুৰ স্বাস্থ্য উন্নত হয়, ৰোগৰ সংক্ৰমণ হ্ৰাস পায় আৰু পামৰ উৎপাদনশীলতা বৃদ্ধি পায়। এই উদাহৰণে পশুৰ স্বাস্থ্য বজাই ৰখাৰ ক্ষেত্ৰত দলীয় কামৰ গুৰুত্ব দেখুৱাইছে আৰু অনুকূল ফলাফল লাভ কৰিবলৈ প্ৰয়োজনীয় বৈচিত্ৰ্যপূৰ্ণ ভূমিকা আৰু বিশেষজ্ঞতাক উজ্জ্বল কৰি তুলিছে।

**পশুৰ স্বাস্থ্যৰ উন্নতিৰ বহুতো সুবিধা আছে, য'ত আছে ঃ**

১। **উৎপাদন ক্ষমতা বৃদ্ধি ঃ** সুস্থ প্ৰাণীবোৰ অধিক উৎপাদনশীল হয়, যাৰ ফলত গাখীৰৰ উৎপাদন বৃদ্ধি পায়, ওজন বৃদ্ধি পায়, আৰু প্ৰজনন ক্ষমতা বৃদ্ধি পায়। ২। **উন্নত খাদ্য সুৰক্ষা ঃ** সুস্থ জীৱ-জন্তুৱে জুনোটিক ৰোগ (জীৱ-জন্তুৰ পৰা মানুহলৈ সংক্ৰমিত হ'ব পৰা ৰোগ)ৰ সম্ভাৱনা হ্ৰাস কৰে আৰু সুৰক্ষিত খাদ্য সামগ্ৰী নিশ্চিত কৰে। ৩) **পশু কল্যাণ বৃদ্ধি ঃ** সুস্বাস্থ্যই জীৱ-জন্তুৰ সামগ্ৰিক মংগল আৰু জীৱনৰ মান উন্নত কৰে। ৪) **অৰ্থনৈতিক লাভ ঃ** সুস্থ জীৱ-জন্তুৰ ফলত কৃষক আৰু পশুপালন উদ্যোগৰ লাভ বৃদ্ধি পায়। ৫) **জনস্বাস্থ্য সুৰক্ষা ঃ** জীৱ-জন্তুৰ জুনোটিক ৰোগ নিয়ন্ত্ৰণ কৰিলে মানুহৰ স্বাস্থ্য সুৰক্ষাত সহায় কৰে। ৬) **পৰিৱেশ বহনক্ষমতা ঃ** সুস্থ প্ৰাণী অধিক কাৰ্যক্ষম, পশুধন উৎপাদনৰ পৰিৱেশ প্ৰভাৱ হ্ৰাস কৰে। ৭) **পশুধন প্ৰজননৰ উন্নতি ঃ** সুস্থ প্ৰাণীয়ে অধিক ফলপ্ৰসূ প্ৰজনন কাৰ্যসূচী সক্ষম কৰে, যাৰ ফলত জিনীয় উন্নতি হয়। ৮) **এন্টিমাইক্ৰ'বিয়াল প্ৰতিৰোধ ক্ষমতা হ্ৰাস ঃ** পশুৰ স্বাস্থ্যৰ সঠিক ব্যৱস্থাপনাই এন্টিবায়টিকৰ প্ৰয়োজনীয়তা হ্ৰাস কৰিব পাৰে, যিয়ে এন্টিমাইক্ৰ'বিয়াল প্ৰতিৰোধ ক্ষমতাৰ বিৰুদ্ধে যুঁজ দিয়াত সহায় কৰে। এই সুবিধাসমূহে পশুৰ কল্যাণ আৰু মানুহৰ মংগল দুয়োটাৰে বাবে পশুৰত স্বাস্থ্যক অগ্ৰাধিকাৰ দিয়াৰ গুৰুত্ব আলোকপাত কৰে।

'পশুৰ স্বাস্থ্য- এটা দলগত প্ৰচেষ্টা' বিষয়বস্তুৰ অংশ হিচাপে পশুৰ স্বাস্থ্য বজাই ৰখাত কৃষকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকৰ দায়িত্বসমূহৰ ভিতৰত আছে—

১) **উচিত পুষ্টি প্ৰদান ঃ** জীৱ-জন্তুৱে নিজৰ স্বাস্থ্য আৰু সুস্থতা বজাই ৰাখিবলৈ সুষম খাদ্য গ্ৰহণ কৰাটো নিশ্চিত কৰা।

২) **পশুৰ স্বাস্থ্যৰ ওপৰত নজৰ ৰখা ঃ** নিয়মিতভাৱে অসুস্থতা বা মানসিক চাপৰ লক্ষণ পৰীক্ষা কৰা আৰু পশু চিকিৎসকক উদ্বেগ প্ৰকাশ কৰা।

৩) টিকাকৰণ আৰু চিকিৎসা প্ৰদান টিকাকৰণ আৰু চিকিৎসাৰ বাবে পশু চিকিৎসকৰ নিৰ্দেশনা অনুসৰণ কৰা।

৪) **ৰেকৰ্ড ৰখা ঃ** পশুৰ স্বাস্থ্য, টিকাকৰণ, আৰু চিকিৎসাৰ সঠিক ৰেকৰ্ড ৰখা।

৫) **পশু চিকিৎসকৰ সৈতে সহযোগিতা ঃ** পশু স্বাস্থ্যৰ পৰিকল্পনা প্ৰস্তুত আৰু ৰূপায়ণৰ বাবে পশু চিকিৎসকৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰা। এই দায়িত্ব পালন কৰি কৃষকসকলে পশুৰ স্বাস্থ্য বজাই ৰখা, ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰা, আৰু তেওঁলোকৰ পশুৰ সামগ্ৰিক মংগল নিশ্চিত কৰাত যথেষ্ট অৰিহণা যোগায়।

এই দলগত পদ্ধতিত পশু চিকিৎসা কাৰিকৰী বিদ্যাবিদসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকৰ দায়িত্বসমূহৰ ভিতৰত আছে ঃ

১) চিকিৎসা পদ্ধতিত সহায় কৰা ঃ পশু চিকিৎসকক অস্ত্ৰোপচাৰ, টিকাকৰণ, আৰু অন্যান্য চিকিৎসা পদ্ধতিত সহায় কৰা। ২) ডায়েগ্ন'ষ্টিক টেষ্ট কৰা ঃ. নমুনা সংগ্ৰহ আৰু বিশ্লেষণ কৰা, লেব টেষ্ট কৰা আৰু গুৰুত্বপূৰ্ণ চিন লোৱা। ৩) পশুৰ স্বাস্থ্যৰ ওপৰত নজৰ ৰখা ঃ জীৱ-জন্তুৰ অসুস্থতা বা মানসিক চাপৰ লক্ষণসমূহ নিৰীক্ষণ কৰা আৰু পশু চিকিৎসকক উদ্বেগ প্ৰকাশ কৰা। ৪) নাৰ্ছিং কেয়াৰ প্ৰদান কৰা ঃ ঔষধ প্ৰদান কৰা, ঘাঁৰ যত্ন লোৱা, আৰু জীৱ-জন্তুৱে সঠিক পুষ্টি আৰু জলসিঞ্চন লাভ কৰাটো নিশ্চিত কৰা। ৫) মালিকক শিক্ষা দিয়া ঃ মালিকক পশুৰ যত্ন, পুষ্টি, আৰু স্বাস্থ্য ৰক্ষণাবেক্ষণৰ ওপৰত নিৰ্দেশনা দিয়া। উদাহৰণ ঃ ফাৰ্ম ভ্ৰমণৰ সময়ত এজন পশু চিকিৎসা কাৰিকৰী বিদ্যাবিদে গৰু-ম'হৰ পৰা তেজৰ নমুনা সংগ্ৰহ কৰি ৰোগ পৰীক্ষা কৰাত সহায় কৰে। জীৱ-জন্তুবোৰৰ জীৱনদায়ক লক্ষণসমূহো নিৰীক্ষণ কৰে আৰু যিকোনো অস্বাভাৱিকতা দেখা দিয়ে। কাৰিকৰী বিদ্যাবিদজনে টিকাকৰণ আৰু চিকিৎসাৰ পৰিকল্পনা প্ৰস্তুত কৰাত সহায় কৰে, যাতে জীৱ-জন্তুবোৰে সঠিক যত্ন লোৱাটো নিশ্চিত কৰে। পশু চিকিৎসক, কৃষক, আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে একেলগে কাম কৰি পশু চিকিৎসা কাৰিকৰী বিদ্যাবিদসকলে পশুৰ স্বাস্থ্য বজাই ৰখা আৰু ৰোগৰ প্ৰাদুৰ্ভাৱ প্ৰতিৰোধ কৰাত যথেষ্ট অৰিহণা যোগায়।

'পশুৰ স্বাস্থ্য সুৰক্ষা - এটা দলগত প্ৰচেষ্টা'ত চৰকাৰী বিষয়াসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে—

১) **নিয়ম প্ৰস্তুত আৰু বলৱৎ কৰা ঃ** পশুৰ স্বাস্থ্য আৰু কল্যাণৰ মানদণ্ড পূৰণ কৰাটো নিশ্চিত কৰা। ২) **পুঁজি আৰু সম্পদ প্ৰদান কৰা ঃ** পশু স্বাস্থ্যৰ পদক্ষেপ আৰু গৱেষণাত সহায় কৰা। ৩) **ৰোগৰ প্ৰাদুৰ্ভাৱ নিৰীক্ষণ ঃ** ৰোগৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি সঁহাৰি জনোৱা আৰু নিয়ন্ত্ৰণ কৰা। ৪) **জনস্বাস্থ্যৰ প্ৰসাৰ ঃ** জুনোটিক ৰোগ নিয়ন্ত্ৰণ কৰি মানৱ স্বাস্থ্যৰ সুৰক্ষা। উদাহৰণ ঃ জুনোটিক ৰোগৰ প্ৰাদুৰ্ভাৱৰ সময়ত চৰকাৰী বিষয়াসকলে জৰুৰীকালীন সঁহাৰি প্ৰট'কল সক্ৰিয় কৰা ঃ পশু চিকিৎসক, কৃষক, আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে সমন্বয় কৰা। - **কোৱাৰেন্টাইন আৰু গতিবিধি নিয়ন্ত্ৰণ কাৰ্যকৰী কৰা ঃ** ৰোগ বিয়পা ৰোধ কৰা। **ৰাজহুৱা শিক্ষা প্ৰদান ঃ** বিপদ আৰু প্ৰতিৰোধ ব্যৱস্থাৰ বিষয়ে জনসাধাৰণক অৱগত কৰা। - **প্ৰভাৱিত কৃষকক সহায় ঃ** ক্ষতিপূৰণ আৰু সম্পদ আগবঢ়োৱা। পশু চিকিৎসক, কৃষক, গৱেষক আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে একেলগে কাম কৰি চৰকাৰী বিষয়াসকলে পশুৰ স্বাস্থ্য বজাই ৰখা, ৰোগৰ প্ৰাদুৰ্ভাৱ প্ৰতিৰোধ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাত সহায় কৰে।

**এই দলগত প্ৰচেষ্টাত গৱেষকসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে—**

১) **নতুন চিকিৎসা আৰু ভেকচিন প্ৰস্তুত কৰা ঃ** গৱেষকসকলে পশুৰ ৰোগৰ ফলপ্ৰসূ সমাধান সৃষ্টিৰ কাম কৰে। ২) **নিদান সঁজুলিৰ উন্নতি ঃ** গৱেষকসকলে ৰোগ সঠিকভাৱে ধৰা পেলাবলৈ নিদান পৰীক্ষা প্ৰস্তুত আৰু পৰিশোধন কৰে। ৩) **ৰোগ সংক্ৰমণ বুজা ঃ** গৱেষকসকলে ৰোগ সংক্ৰমণৰ গতিশীলতা অধ্যয়ন কৰি প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কৌশলৰ বিষয়ে অৱগত কৰে। ৪) **চিকিৎসাৰ কাৰ্যকাৰিতা মূল্যায়ন ঃ** চিকিৎসা আৰু ভেকচিনৰ ফলপ্ৰসূতা নিৰ্ণয় কৰিবলৈ গৱেষকসকলে অধ্যয়ন চলায়। **উদাহৰণ ঃ** গৱেষকসকলে পশুধনৰ এটা নিৰ্দিষ্ট ৰোগৰ বিৰুদ্ধে নতুন ভেকচিন প্ৰস্তুত কৰে। তেওঁলোকৰ কামৰ জৰিয়তে তেওঁলোকে: - **ৰোগ সৃষ্টিকাৰী কাৰক চিনাক্ত কৰা ঃ** গৱেষকসকলে এই ৰোগৰ ওপৰত অধ্যয়ন কৰি দায়ী ৰোগ সৃষ্টিকাৰী জীৱাণু চিনাক্ত কৰে। **ভেকচিন প্ৰস্তুত আৰু পৰীক্ষা ঃ** গৱেষকসকলে নিয়ন্ত্ৰিত অধ্যয়নত ভেকচিন সৃষ্টি আৰু পৰীক্ষা কৰে। - **পশু চিকিৎসক আৰু কৃষকৰ সৈতে সহযোগিতা ঃ** গৱেষকসকলে পশু চিকিৎসক আৰু কৃষকৰ সৈতে কাম কৰি ভেকচিন কাৰ্যকৰী আৰু ইয়াৰ ফলপ্ৰসূতা নিৰীক্ষণ কৰে। নতুন চিকিৎসা, ভেকচিন, আৰু নিদানমূলক সঁজুলিৰ বিকাশত অৰিহণা যোগাই গৱেষকসকলে পশুৰ স্বাস্থ্য উন্নত কৰাত আৰু ৰোগৰ প্ৰাদুৰ্ভাৱ প্ৰতিৰোধ কৰাত সহায় কৰে।

পশু চিকিৎসকে মানৱ আৰু পশু উভয়ৰে স্বাস্থ্যৰ বাবে যথেষ্ট অৱদান আগবঢ়ায়। একে সময়তে বহনক্ষমতা আৰু পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰতো উল্লেখযোগ্য ভূমিকা পালন কৰে। পাম, চিৰিয়াখানা, প্ৰাকৃতিক পৰিৱেশকে ধৰি বিভিন্ন পৰিৱেশত পশুৰ কল্যাণ সুৰক্ষিত ৰখাৰ লক্ষ্য ৰাখে। পশু চিকিৎসকে সংৰক্ষণ সংস্থা আৰু বন্যপ্ৰাণী ব্যৱস্থাপনা গোটৰ সৈতে কাম কৰি জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আৰু বিলুপ্তপ্ৰায় প্ৰজাতিৰ সংৰক্ষণৰ ক্ষেত্ৰতো প্ৰসাৰ ঘটায়। পশু চিকিৎসকে পশু কল্যাণৰ সৈতে জড়িত সমস্যাসমূহ সমাধান কৰি আৰু বহনক্ষম কৃষি পদ্ধতিক উৎসাহিত কৰি আমাৰ সকলোৰে বাবে অধিক বহনক্ষম ভৱিষ্যতৰ বাবে অৰিহণা যোগায় আহিছে।

আহক। আমি সকলোৱে সহযোগী হৈ কাম কৰোঁ।

ফোন ঃ ৯৪৩৫৫৩৯৩৭২

# আজিৰে পৰা দৰঙৰ ঐতিহ্যমণ্ডিত ঘোঁৰাবান্ধা দেউল উৎসৱ আৰম্ভ

**ইন্দাদুল হক, ছিপাঝাৰ, ২৫ এপ্ৰিল ঃ** বসন্ত কালত প্ৰকৃতি দেৱীৰ গছ -গছনি, তৰু-তৃণে কুঁহিপাত মেলা ব'হাগ মাহৰ পৰা জেঠ মাহপৰ্যন্ত 'দেউল' উৎসৱ উদ্‌যাপন কৰা হয়। খ্ৰীষ্টাব্দ একাদশ শতিকা মানৰ পৰাই কৃষি-সংস্কৃতি আৰু যাউতিযুগীয়া বৈশিষ্ট্যৰে দৰঙত 'দেউল ' উৎসৱ পালন কৰি আহিছে। 'দেউল' উৎসৱ বসন্ত উৎসৱ। এই উৎসৱ বিষ্ণুপূজাৰ মাংগলিক অনুষ্ঠান বুলি দৰঙী ৰাইজে মানি আহিছে। কিয়নো জিলাখনৰ বৰাবাৰী নামৰ গাঁও এখনত ধৰ্মদেৱ বিপ্ৰ ভূঞা নামৰ এগৰাকী শাস্ত্ৰজ্ঞ ধৰ্মপ্ৰাণ ব্যক্তিয়ে সত্ৰ পাতি বাস কৰিছিল। মহন্ত সম্বৎসৰ (প্ৰয়াত শিয়ালা বৈষ্ণৱ)ৰ পিতৃ বুলি জনাজাত ধৰ্মদেৱ বিপ্ৰ ভূঞাই দৰঙৰ বৰাবাৰী আৰু আজিৰ বৰদৌলগুৰিত এটি দেউল উৎসৱ পাতি উৎসৱৰ আৰম্ভণি কৰা বুলি জনা যায়। এগৰাকী শাস্ত্ৰজ্ঞই পাতনি মেলা 'দেউল'ৰ পৰাই দৰঙত উৎসাহ-উদ্দীপনাৰে 'দেউল' উৎসৱ উদ্‌যাপন হৈ আহিছে। ঐতিহাসিক বৰদৌলগুৰিত পহিলা ব'হাগত উদ্‌যাপিত 'দেউল' উৎসৱৰ পৰাই জেঠ মাহপৰ্যন্ত দৰঙত বিস্তৃত কাৰ্যসূচীৰে উলহ-মালহেৰে ইয়াক পালন কৰি অহা হৈছে। দৰঙৰ গাঁওসমূহৰ মন্দিৰ প্ৰাংগণ, ৰাজহুৱা পুখুৰীৰ পাৰ, বিদ্যালয়ৰ চৌহদ, হাট-বজাৰৰ কাষ, ডাঙৰ গছৰ তল নতুবা সুবিধাজনক ঠাইত ওখ ভেটি সাজি 'দেউল' উৎসৱ উদ্‌যাপন কৰা হ'ব। সাধাৰণতে 'দেউল' উৎসৱৰ ভেটিটো তলৰ ডাঙৰ পৰা ওপৰলৈ ক্ৰমান্বয়ে সৰু আৰু ঘূৰণীয়া ঠাক ঠাককৈ সাত তৰপীয়াকৈ তৈয়াৰ কৰা হয়। এই খলপটোৰ সু-উচ্চত থকা সৰুটোত বিষ্ণুৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰা হয়। কাৰণ দেউল বিষ্ণু পূজাৰ মাংগলিক অনুষ্ঠান বিশেষ। ভেটিটোত বিগ্ৰহ প্ৰতিষ্ঠা কৰাৰ লগতে ভেটিটোত বাঁহ পুতি বগা চন্দ্ৰতাপ আৰু দুয়োকাষে খোদিত কাঠৰ 'মগৰ' সু-সজ্জিত কৰি ৰখা হয়। অধিবাসৰ দিনাখন বিষ্ণুৰ বিগ্ৰহটো পৱিত্ৰ জলেৰে স্নান কৰাই ভক্তপ্ৰাণ ৰাইজে মূৰত তুলি শংখ ধ্বনি, পূজা অৰ্চনা, হৰিধ্বনিৰে দীঘলীয়া পদগমন কৰি আগতে সুন্দৰকৈ সজাই থোৱা দেউল ভেটিটোত উত্তৰ দিশে মুখকৰি ৰাখি স্থাপন কৰা হয়। অধিবাসৰ নিশা নতুবা মূল পূজাৰ দিনাখন দেউল উৎসৱৰ প্ৰাংগণত দৰঙী কলা সংস্কৃতিৰ সুকনান্নী ওজাপালি, বিয়াহৰ ওজাপালি, বৰঢুলীয়া, ঢেপাঢুলীয়া, খুলীয়া ভাউৰীয়া, কালীয়া, দেওধনী নৃত্য আদি প্ৰদৰ্শন কৰা কৰি দেউলৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই উৎসৱত জাতি-ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৱে প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰে। সুদৃঢ় কৰি তোলে ঐক্য-শান্তি-সম্প্ৰীতিৰ এনাজৰী বান্ধোন। দৰঙীবাসীৰ মানুহৰ ঘৰত ব'হাগৰ দেউলত দূৰ দূৰণিৰ আলহী অতিথি, মিতিৰ-কুটুম্বৰ সমাগম হয়। পহিলা ব'হাগৰ পৰা দৰঙত আৰম্ভ হোৱা 'দেউল' উৎসৱ সমূহৰ ভিতৰত বৰদৌলগুৰি দেউল, চেঙেলীয়াঝাৰৰ দেউল, জলজলিৰ দেউল, বিহু ভাঙাৰ দেউল,ৰঙাচন্দৰ দেউল, ঢোপৰ তলৰ দেউল,নামখলাৰ দেউল,বাবাজীৰ দেউল, কামাখ্যাৰ দেউল,মাৰৈৰ সুঁৰৰিৰ দেউল, ঘোঁৰাবান্ধাৰ দেউল আদি উল্লেখযোগ্য। ছিপাঝাৰৰ ঘোঁৰাবান্ধাৰ দেউল অকল ছিপাঝাৰৰেই নহয়, দৰং জিলাৰ ভিতৰতে এক বৃহৎ দেউল উৎসৱ। ব'হাগৰ ১১, ১২ আৰু ১৩ তাৰিখে উদ্‌যাপিত এই দেউল উৎসৱত হাজাৰ হাজাৰ মানুহৰ সমাগম হয়। উক্ত দেউল উৎসৱৰ ব্যৱসায়-বাণিজ্যৰ বিশাল মেলাত বয়-বস্তুৰ বেচা-কিনা চলে। দৰঙৰ গাঁওসমূহত উৎপাদিত বয়-বস্তু যেনে -তিয়ঁহ , তৰমুজ, তেঁতেলি টেঙা, বেঁত, নাৰিকলৰ পুলি, আদা, হালধি, পাটী-ঢাৰি, কঠ, শিমলু তুলা আদিৰ লগতে হাজো, সৰ্থেবাৰী আদিৰ পৰা কাঁহ -পিতলৰ ব্যৱসায়ীসকলে মেলালৈ আহি এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। ঘোঁৰাবান্ধা দেউললৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা মানুহ আহি বস্তু ক্ৰয় কৰাৰ লগতে সমান্তৰালভাৱে প্ৰত্যক্ষ কৰি সহৃদয়তা অক্ষুণ্ণ ৰাখি ঐক্য-সমন্বয় আৰু ভাতৃত্ববোধৰ এনাজৰী টনকিয়াল কৰি তোলে। এই দেউল উৎসৱত জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলোৱে প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰি ক্ৰয়-বিক্ৰেয়, ইজনে সিজনৰ মনৰ ভাব আদান-প্ৰদান কৰি সমন্বয়ৰ সেতু গঢ়ি তোলে। দৰংবাসীৰ কাৰণে ঐতিহাসিক সমন্বয়ৰ 'বিৰাট থলী ' স্বৰূপ হোৱাটো অসমীয়া জাতি সত্তাৰ কাৰণে মংগলজনক কথা।

বিশ্ব মেলেৰিয়া দিৱস

# স্বাস্থ্যজনিত বিপদাশংকা প্ৰতিবেদন প্ৰকাশ

**গুৱাহাটী, ২৫ এপ্ৰিল ঃ** দেশৰ ৮৭ শতাংশ আবাসীৰ মতে শিশুৰ নিদ্ৰাহীনতা অথবা ভালদৰে টোপনি নোহোৱাৰ ফলত সমগ্ৰ পৰিয়ালটোৰ স্বাস্থ্য আৰু জীৱনধাৰাৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলায়। বিশ্ব মেলেৰিয়া দিৱসৰ পূৰ্বে গড্ৰেজ কনজিউমাৰ প্ৰডাক্টছ লিমিটেড (জিচিপিএল)ৰ ভাৰতৰ আগশাৰীৰ ঘৰুৱা কীটনাশক ব্ৰেণ্ড গুডনাইটে প্ৰকাশ কৰা এক সমীক্ষা প্ৰতিবেদনত এই গুৰুত্বপূৰ্ণ প্ৰকাশ পাইছে । 'মহ এক, ভাবুকি অনেক' শীৰ্ষক এই সমগ্ৰ ভাৰতীয়ৰ মাজত চলোৱা সমীক্ষা গুডনাইটৰ নিৰ্দেশনা আৰু বজাৰ গৱেষণা সংস্থা ইউগভৰ জৰিয়তে কৰা হৈছিল, সাধাৰণ জনসাধাৰণৰ মনোভাৱ পৰীক্ষা কৰা হৈছিল আৰু মহৰ দ্বাৰা সংক্ৰমিত ৰোগৰ বিপদাশংকাৰ মূল্যায়ন কৰা হৈছিল। উত্তৰ, পূব আৰু পশ্চিম ভাৰতৰ ৮৭ শতাংশ আৰু দক্ষিণৰ ৮৬ শতাংশ লোকে একে ধৰণৰ মতামত প্ৰকাশ কৰিছে। এই অধ্যয়ন অনুসৰি, ভাৰতীয় পৰিয়ালবোৰত টোপনিৰ অভাৱ এক গুৰুত্বপূৰ্ণ উদ্বেগৰ বিষয়ে, প্ৰাপ্তবয়স্কসকলে প্ৰতি নিশা ২ ঘণ্টালৈকে টোপনি হেৰুৱায় বা ব্যাঘাত জন্মে আৰু শিশুসকলে প্ৰয়োজনীয় বিশ্ৰাম সময়ৰ প্ৰায় ৪ ঘণ্টা হেৰুৱায়। গড্ৰেজ কনজিউমাৰ প্ৰডাক্টছ লিমিটেডে (জিচিপিএল)ৰ ভাৰতৰ মুখ্য বিপণন বিষয়া অশ্বিন মূৰ্তিয়ে কয় যে, "গুডনাইটৰ 'মহ এক, ভাবুকি অনেক' হৈছে এক দেশব্যাপী জৰীপ প্ৰতিবেদন, যি জনসাধাৰণৰ মনোভাৱৰ ওপৰত গুৰুত্ব দিয়ে আৰু মহৰ সৈতে সম্পৰ্কিত ৰোগৰ মূল্যায়ন কৰে।"

# মধ্যম-জ্যেষ্ঠ পেছাদাৰীসকলৰ ডিপ্ল'মা কাৰ্যসূচী মুকলি

**গুৱাহাটী, ২৫ এপ্ৰিল ঃ** আজিম প্ৰেমজী বিশ্ববিদ্যালয়ে মধ্যম আৰু জ্যেষ্ঠ পেছাদাৰীসকলৰ বাবে চলিত বৰ্ষৰ উন্নয়ন নেতৃত্ব ডিপ্ল'মা কাৰ্যসূচীৰ কথা ঘোষণা কৰিছে। অংশগ্ৰহণকাৰীসকলে ১১ মাহৰ এই অংশকালীন স্নাতকোত্তৰ ডিপ্ল'মা কাৰ্যসূচীত নামভৰ্তিৰ সময়ত তেওঁলোকৰ বৰ্তমানৰ কাম আৰু নিয়োগ অব্যাহত ৰাখিব পাৰিব। ই তিনিটা টাৰ্মৰ ভিতৰত অন-কেম্পাছ আৰু অনলাইন শিক্ষণৰ জৰিয়তে সম্পন্ন হব। এই কাৰ্যসূচী আঠ বছৰ বা তাতকৈ অধিক অভিজ্ঞতা সম্পন্ন মধ্যম পৰ্যায়ৰ পৰা জ্যেষ্ঠ পৰ্যায়ৰ পেছাদাৰীসকলৰ বাবে প্ৰস্তুত কৰা হৈছে, যিসকলে ইতিমধ্যে নিজৰ সংস্থাত নেতৃত্বৰ ভূমিকাত আছে বা অতি সোনকালে এনে ভূমিকা গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। এন জি অ', সামাজিক সংগঠন আৰু তৃণমূল পৰ্যায়ৰ সংগঠনত কাম কৰাসকলৰ বাবে বিশেষভাৱে এই কাৰ্যসূচী মুকলি কৰা হৈছে। এই কাৰ্যসূচীয়ে অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ কামক ভালদৰে অৱগত কৰিবলৈ ভাৰতৰ উন্নয়নৰ বাস্তৱতাক গঢ় দিয়া ঐতিহাসিক প্ৰক্ৰিয়া আৰু জীৱিত অভিজ্ঞতাসমূহৰ ওপৰত তেওঁলোকৰ দৃষ্টিভংগী গভীৰ কৰাত সহায় কৰিব। প্ৰসংগত বিশ্ব বিদ্যালয়খনৰ স্কুল অৱ ডেভেলপমেণ্টৰ সঞ্চালিকা আৰিমা মিশ্ৰই কয় যে, 'এই কাৰ্যসূচীয়ে খণ্ডটোৰ মধ্যম আৰু জ্যেষ্ঠ পেছাদাৰীসকলক তেওঁলোকৰ সাংগঠনিক অভিজ্ঞতাক ভিত্তি কৰি তেওঁলোকৰ কাম আৰু নেতৃত্ব দিয়াৰ ক্ষমতাক ভালদৰে অৱগত কৰিবলৈ তেওঁলোকৰ চিন্তা ধাৰা অধিক সবল কৰাত সহায় কৰে।'

# বুজাবুজিত উপনীত হ'বলৈ ক্ষেত্ৰ এৰি দিলে বিৰোধীয়ে

**বাহাৰ উদ্দিন চৌধুৰী, শিলচৰ, ২৫ এপ্ৰিল ঃ** মাত্ৰ এসপ্তাহ বাকী। অহা ২ মে' শুকুৰবাৰে ৰাজ্যৰ ১৪খন জিলা আৰু বৰাক উপত্যকাৰ তিনিখন জিলাত প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। বিজেপি, অগপ আৰু কংগ্ৰেছে দলীয় প্ৰতীক ব্যৱহাৰ কৰি জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য পদত প্ৰতিদ্বন্দ্বিতা কৰিছে। যদিও ৰাজনৈতিক দলসমূহে গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে প্ৰত্যক্ষভাৱে প্ৰাৰ্থী প্ৰক্ষেপ নকৰে, তথাপি পৰোক্ষভাৱে পছন্দ কৰা প্ৰাৰ্থীজনৰ আঁৰত তেওঁলোকৰ গোপন বুজাবুজি নিহিত হৈ আছে। কিন্তু শাসকীয় বিজেপি মিত্ৰজোঁটৰ প্ৰায়বোৰ গাঁৱতে অনুকূল অৱস্থাত আছে। বিৰোধী দলসমূহ বহু পিছ পৰি ৰৈছে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত ব্যাপক আৰ্থিক অনিয়ম, বহু হিন্দু প্ৰধান সমষ্টিত উপযুক্ত প্ৰাৰ্থীৰ অভাৱ, দলৰ আভ্যন্তৰীণ সংঘাত, যোগ্য প্ৰাৰ্থীৰ পৰা বঞ্চিত হোৱা আদি বিভিন্ন কাৰণত কংগ্ৰেছক এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত সম্পূৰ্ণ অসহায় বুলি ক'ব পাৰি। এই পৰিস্থিতিসমূহ চম্ভালিবলৈ জিলা কংগ্ৰেছ নেতৃত্বৰ ৰহস্যজনক ব্যৰ্থতাই বিজেপিক বহু আগুৱাই লৈ গৈছে। কাজিয়া নোহোৱাকৈ বহু ঠাইত আত্মসমৰ্পণ কৰিছে। আনুষ্ঠানিকভাৱে মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা কাছাৰ জিলাৰ বিভিন্ন পঞ্চায়ত আসনত কংগ্ৰেছৰ লগতে অন্যান্য প্ৰাৰ্থীয়ে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি মনোনয়ন প্ৰত্যাহাৰ কৰিছে। প্ৰত্যাহাৰ কৰিব নোৱাৰা বহু বিৰোধী প্ৰাৰ্থীয়ে এতিয়া গোপনে খেলপথাৰ এৰি বিজেপি প্ৰাৰ্থীৰ জয় নিশ্চিত কৰাৰ চেষ্টা কৰিছে। বৰাকৰ আন জিলাসমূহৰ ভিতৰত কাছাৰত এই প্ৰভাৱ কিছু বেছি। ৰাজ্যৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই দুদিনীয়া নিৰ্বাচনী ভ্ৰমণৰ সময়ত সাংবাদিকৰ আগত কয় যে আগন্তুক ভোটত বিজেপিৰ প্ৰাৰ্থীয়ে অভিলেখ সংখ্যক পঞ্চায়ত আসন লাভ কৰাটো নিশ্চিত। ৰাজনৈতিক পৰ্যবেক্ষকৰ মতে, পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ অগ্ৰগতিৰ আঁৰৰ মূল স্থপতি হৈছে লক্ষীপুৰৰ বিধায়ক তথা ৰাজ্যৰ মন্ত্ৰী কৌশিক ৰায়। কেৱল তেওঁৰ ৰাজনৈতিক প্ৰজ্ঞা আৰু চাণক্যৰ বুদ্ধিৰে কাছাৰত বিৰোধী শিবিৰ পৰাজিত হ'বলৈ গৈ আছে। কেৱল কাছাৰতে নহয়, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাতো ইয়াৰ প্ৰভাৱ বিয়পি পৰিছে। কিন্তু একাংশ কংগ্ৰেছীৰ মতে শাসকীয় বিজেপিয়ে ভয়-ভীতি দেখুৱাই বিৰোধী দলক নিয়ন্ত্ৰণ কৰিছে। কিন্তু বিজেপি নেতাসকলে এনে অভিযোগ সম্পূৰ্ণৰূপে খণ্ডন কৰিছে। তেওঁলোকে দাবী কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ উন্নয়নমূলক কাম-কাজ দেখি সকলো শ্ৰেণীৰ লোকে বিজেপিৰ প্ৰতি সমৰ্থন বৃদ্ধি কৰিছে। বিৰোধীকো বাদ দিয়া হোৱা নাই। অৱশ্যে মন্ত্ৰী কৌশিক ৰয়ৰ দক্ষতা আৰু কৌশলগত কাৰিজমাত বিৰোধী দলক বোকা খুৱাইছে আৰু বিজেপিৰ গতিবেগ দ্ৰুত হৈ পৰিছে বুলি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ইতিমধ্যে কৌশিক ৰায়ৰ গৃহ সমষ্টি লক্ষ্মীপুৰ বিধানসভা সমষ্টিৰ চাৰিখন জিলা পৰিষদৰ আসনৰ ভিতৰত দুখনকৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে বিজেপিৰ প্ৰাৰ্থী। বৰথাল হৰিনগৰ সমষ্টিৰ বিজয়েতা মাহাতো আৰু লক্ষীনগৰ দিলখুছ সমষ্টিৰ সীমা দেৱ।


# পেহেলগামত আৰ্থিক সাহায্য

**গুৱাহাটী, ২৫ এপ্ৰিল ঃ** ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত হোৱা মৰ্মান্তিক সন্ত্ৰাসবাদী আক্ৰমণত নিহতসকলৰ পৰিয়াললৈ ৰাষ্ট্ৰীয় ষ্টক এক্সচেঞ্জে গভীৰ সমবেদনা জ্ঞাপন কৰিছে।এক বিজ্ঞপ্তি জৰিয়তে এন এছ ইয়ে মুঠ ৫০ লাখ টকাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। মৃতকৰ প্ৰতিটো পৰিয়াললৈ ৪ লাখ টকা আবণ্টন দিয়াৰ কথা ঘোষণা কৰিছে। এন এছ ইৰ সঞ্চালক আৰু চি ই অ' আশীষকুমাৰ চৌহানে কয় যে, এয়া আমাৰ দেশৰ বাবে সামূহিক শোকৰ মুহূৰ্ত। আমাৰ চিন্তা আৰু প্ৰাৰ্থনা ক্ষতিগ্ৰস্ত পৰিয়ালৰ সৈতে আছে।

# সত্ৰীয়া শিল্পী, গীতিকাৰ ৰেণু মহন্তৰ পৰলোক

**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২৫ এপ্ৰিল ঃ** নগাঁও চহৰৰ নিউ আমোলাপট্টি নিৱাসী গীতিকাৰ, লেখিকা তথা সত্ৰীয়া শিল্পী ৰেণু মহন্ত (৮৭)ৰ কালি নিশা বাৰ্ধক্যজনিত ৰোগত নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। ৰেণু মহন্তৰ জন্ম হৈছিল যোৰহাট লেটুগ্ৰাম সত্ৰত। তেওঁৰ পিতৃ হৈছে সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্ত। সৰুৰে পৰাই ৰেণু মহন্তই সত্ৰীয়া নৃত্য-গীত আদিৰ চৰ্চা কৰিছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ ৰেণু মহন্তই ভালেসংখ্যক গীত ৰচনা কৰিছিল। এগৰাকী ভাল নামতী হিচাপে পৰিচিত ৰেণু মহন্তই বিয়ানাম আদিৰো চৰ্চা কৰিছিল। নগাঁৱৰ আমতলা গজলা সত্ৰৰ বোৱাৰী ৰেণু মহন্তৰ স্বামী হৈছে প্ৰয়াত হেমেন্দ্ৰ নাথ মহন্ত। ৰেণু মহন্তই 'সুৰৰ আঁজলি'কে ধৰি কেইবাখনো গীতৰ সংকলন ৰচনা কৰি থৈ গৈছে। ৰেণু মহন্তৰ মৃত্যুত নগাঁৱত শোকৰ ছাঁ পৰে। ৰেণু মহন্তৰ মৃত্যুত বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তনমন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাৰ লগতে নগাঁৱৰ ভালেসংখ্যক ব্যক্তি আৰু সংগঠনে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ, এগৰাকী কন্যা, বোৱাৰী, নাতি-নাতিনীসহ ভালেসংখ্যক আত্মীয়ক এৰি যায়।

# বঙাইগাঁও জিলাত বান প্ৰস্তুতি সন্দৰ্ভত বিভাগীয় সমন্বয় সভা অনুষ্ঠিত




**গণ বাৰ্তা, বঙাইগাঁও, ২৫ এপ্ৰিল ঃ** বঙাইগাঁও জিলাত ইতিমধ্যে কেইবাখনো বান প্ৰস্তুতি সম্পৰ্কীয় বিভাগীয় সভা অনুষ্ঠিত হোৱাৰ পাছত বুধবাৰে আটাইকেইটা বিভাগৰ সমন্বয় সভা এখন অনুষ্ঠিত হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত তথা বঙাইগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ নৱদীপ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত হয় উক্ত সমন্বয় সভা। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া নিৰ্মালি বৰুৱা, অভয়াপুৰী সমজিলাৰ সমজিলা আয়ুক্ত জয় বিকাশ, ৰাজহ চক্ৰ বিষয়া, জিলা প্ৰকল্প বিষয়া অনন্ত সামন্ত, ৰাজহ চক্ৰৰ ক্ষেত্ৰ বিষয়াসকলৰ লগতে চি আৰ পি এফ, এছ এছ বি, ভাৰত সংচাৰ নিগম লিমিটেড, কেবাটাও বেচৰকাৰী সংস্থা, আৰক্ষী-প্ৰশাসন, ভাৰতীয় খাদ্য নিগম, যোগান বিভাগ, ৰে'ল পথ বিভাগ, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, অগ্নিনিৰ্বাপক আৰু আপাতকালীন সেৱা, ভূমি সংৰক্ষণ, জলসম্পদ, শিক্ষা বিভাগ, স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, পশুপালন, মীন, কৃষি, মহিলা আৰু শিশু বিকাশ, হস্তত‍াঁত আৰু বস্ত্ৰশিল্প, লোকনিৰ্মাণ পথ আৰু গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড, পৰিবহণ, নগৰ আৰু গাঁও পৰিকল্পনা বিভাগ, বঙাইগাঁও আৰু অভয়াপুৰী পৌৰসভাৰ কাৰ্যবাহী বিষয়াকে আদিকৰি সকলো বিভাগৰ বান প্ৰস্তুতি হিচাপে কৰিবলগীয়া কামসমূহ আগতীয়াকৈ কৰি থ'বলৈ জিলা আয়ুক্ত নৱদীপ পাঠকে বিষয়াসকলক আহ্বান জনায়। বানপানীপ্ৰৱণ এলেকাৰ ওচৰৰ বিদ্যালয়ত আশ্ৰয় শিবিৰ চিনাক্ত কৰা, ৰিলিফ দিবলৈ চাউল, দাইল আদি পৰ্যাপ্ত পৰিমাণে মজুত ৰাখিবলৈ যোগান বিভাগ আৰু ভাৰতীয় খাদ্য নিগমক, পশু খাদ্যৰ বাবে পশুপালন বিভাগক, গৰ্ভৱতী মহিলা, শিশু আৰু মাতৃ দুগ্ধ পান কৰি থকা শিশুৰ মাতৃৰ বাবে পুষ্টিকৰ আহাৰৰ ব্যৱস্থাৰ বাবে মহিলা আৰু শিশু বিকাশ বিভাগক কয় জিলা আয়ুক্তগৰাকীয়ে। আনহাতে স্পৰ্শকাতৰ পথ বান নহওঁতেই ঠিক-ঠাক কৰিবলৈ লোকনিৰ্মাণ পথ বিভাগক, জীৱনদায়িনী ঔষধ মজুত ৰাখিবলৈ স্বাস্থ্য বিভাগক, হেলোজেন টেব্লেট পৰ্যাপ্ত পৰিমাণে মজুত ৰাখিবলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগক আহ্বান জনায় জিলা আয়ুক্তগৰাকীয়ে। সেইদৰে অন্যান্য বিভাগকো সম্ভাব্য বান পৰিস্থিতিৰ মোকাবিলা কৰিব পৰাকৈ প্ৰস্তুত থাকিবলৈ জিলা আয়ুক্ত পাঠকে আহ্বান জনায়। ইপিনে জিলা প্ৰকল্প বিষয়াই সভাত জনোৱা মতে জিলাখনত বানত আশ্ৰয় শিবিৰ হিচাপে ব্যৱহাৰ কৰিব পৰাকৈ ১২৭খন স্কুল চিনাক্ত কৰি থোৱা হৈছে। অৱশ্যে এইটোও নজৰ দিয়া হৈছে যে স্কুলত শিক্ষাদান কাৰ্যসূচী যাতে বাধাগ্ৰস্ত নহয়। যিবিলাক দলং স্পৰ্শকাতৰ সেইবিলাক ঠিক-ঠাক কৰিবলৈও জিলা আয়ুক্তগৰাকীয়ে লোকনিৰ্মাণ পথ বিভাগক নিৰ্দেশ দিয়ে, অথবা ঠিক-ঠাক কৰিব নোৱাৰিলে তাত সাময়িক ব্যৱস্থা হিচাপে নাৱৰ ব্যৱস্থা কৰিবলৈও তেওঁ কয়।

# প্ৰথম পৃষ্ঠাৰ পৰা

## ভাৰতৰ বাবে বন্ধ

পাকিস্তানৰ আকাশমাৰ্গৰ মাজেৰে পাৰ হৈ যোৱা ভাৰতীয় বিমান কোনবোৰ দেশলৈ যায়? এতিয়া এই বিমানবোৰৰ দূৰত্ব বাঢ়িব আৰু ভাৰাও বৃদ্ধি পাব। পাকিস্তানৰ আকাশমাৰ্গ বন্ধ হোৱাৰ বাবে ভাৰতৰ পৰা অন্য দেশলৈ যোৱা বিমানে এতিয়া আন এটা পথ ব্যৱহাৰ কৰিব লাগিব, যিটো অধিক দীঘলীয়া হ'ব। ছৌদি আৰব, ইউ এ ই, ওমান আৰু কাটাৰৰ দৰে উপসাগৰীয় দেশসমূহৰ বাবে পাকিস্তানৰ মাজেৰে যোৱা বিমান পথটো চুটি। পাকিস্তানে নিজৰ আকাশমাৰ্গ বন্ধ কৰাৰ বাবে এয়াৰ ইণ্ডিয়া, ইণ্ডিগ'ৰ দৰে সকলো ভাৰতীয় বিমান সংস্থাই উত্তৰ আমেৰিকা, ব্ৰিটেইন, ইউৰোপ, আৰু মধ্যপ্ৰাচ্যলৈ দীঘলীয়া পথেৰে বিমানসেৱা আগবঢ়াব লাগিব। অৰ্থাৎ বিমানক অধিক ইন্ধনৰ প্ৰয়োজন হ'ব। বিমানৰ ক্ৰুৱে অধিক সময় কাম কৰিব লাগিব। যদি কোনো ভাৰতীয় বিমান ভাৰতৰ পৰা ছৌদি আৰবলৈ উৰা মাৰে, তেন্তে পাকিস্তান হৈ কম সময়তে তাত উপস্থিত হয়। পাকিস্তানৰ আকাশমাৰ্গ বন্ধ হোৱাৰ বাবে ভাৰতীয় বিমান এতিয়া অন্য এটা পথেৰে ছৌদি আৰবলৈ যাব লাগিব। ইয়াৰ বাবে যথেষ্ট ব্যয়বহুল হ'ব পাৰে বিমান যাত্ৰা; কিয়নো বিমানখনে বহু দূৰ যাত্ৰা কৰিব লাগিব। ইয়াৰ বাবে এটা বিকল্প হ'ল ভাৰতীয় বিমান এতিয়া আৰব সাগৰৰ মাজেৰে মুম্বাইৰ পৰা ছৌদি আৰবলৈ উৰা মাৰিব লাগিব। যদি কোনো ভাৰতীয় বিমান আফগানিস্তানৰ কাবুলৰ পৰা দিল্লীলৈ উৰা মাৰে, তেন্তে এতিয়া সেইখনো পাকিস্তান হৈ নাযায়। সেই বিমানখনে কাবুলৰ পৰা ইৰানলৈ আৰু তাৰ পিছত আৰব সাগৰৰ ওপৰেৰে দিল্লীলৈ যাব লাগিব। এইটো স্পষ্ট যে আপুনি যদি অধিক দূৰত্ব যাত্ৰা কৰে তেন্তে বিমান সংস্থাসমূহৰ খৰচ বৃদ্ধিয়েই নহয়, বিমান যাত্ৰাৰ সময়ো বৃদ্ধি পাব। স্পষ্টভাৱে বিমান সংস্থাসমূহে যাত্ৰীসকলৰ ওপৰত এই বোজা জাপি দিব। একেদৰে ভাৰতৰ পৰা ইউৰোপলৈ যোৱা বিমানসমূহেও অধিক দূৰত্ব অতিক্ৰম কৰিব লাগিব আৰু বিমানৰ দূৰত্ব ৯১৩ কিলোমিটাৰ বৃদ্ধি পাব। এনে পৰিস্থিতিত ইউৰোপ পোৱাৰ সময়ো দুঘণ্টা বৃদ্ধি পাব। আনহাতে উত্তৰ ভাৰতৰ পৰা পশ্চিমীয়া দেশলৈ বিমানসেৱাত অধিক প্ৰভাৱ পৰিব। বিশেষজ্ঞসকলে কয় যে পাকিস্তানৰ আকাশমাৰ্গ বন্ধ হোৱাৰ ফলত উত্তৰ ভাৰতৰ পৰা পশ্চিম দিশলৈ বিশেষকৈ পশ্চিমীয়া দেশলৈ বিমানসেৱাৰ ক্ষেত্ৰত সৰ্বাধিক প্ৰভাৱ পৰিব। দিল্লী, জয়পুৰ, লক্ষ্ণৌ, চণ্ডীগড়, অমৃতসৰৰ দৰে বহু চহৰৰ পৰা আমেৰিকা, ইউৰোপ আৰু পশ্চিম এছিয়ালৈ বিমানসেৱাত প্ৰভাৱ পৰিব। ইয়াৰ পৰা যাত্ৰা কৰা বিমানসমূহে এতিয়া প্ৰথমে গুজৰাট বা মহাৰাষ্ট্ৰৰ ফালে ঘূৰি তাৰ পিছত আৰব সাগৰৰ ওপৰেৰে উৰা মাৰিব লাগিব। ইয়াৰ বাবে বিমান যাত্ৰাৰ সময় ৭০ৰ পৰা ৮০ মিনিট বৃদ্ধি পাব। ইয়াৰ ফলত কেৱল ভাৰতেই নহয়, পাকিস্তানো লোকচানৰ সন্মুখীন হ'ব। ২০১৯ চনত যেতিয়া ভাৰতে কাশ্মীৰৰ পৰা ৩৭০ অনুচ্ছেদ আঁতৰাইছিল, তেতিয়াও পাকিস্তানে নিজৰ আকাশমাৰ্গ বন্ধ কৰি দিছিল। এক হিচাপ অনুসৰি সেই সময়ত ইণ্ডিয়ান এয়াৰলাইন্সৰ লোকচান হৈছিল প্ৰায় ৭০০ কোটি টকা। ইয়াৰ বাবে যাত্ৰীসকলে অধিক দামত টিকট কিনিবলগীয়া হৈছিল। ইণ্ডিয়ান এক্সপ্ৰেছত প্ৰকাশিত এক প্ৰতিবেদন অনুসৰি পাকিস্তানে জাৰি কৰা নিষেধাজ্ঞাৰ বাবেই ভাৰতীয় বিমান সংস্থাসমূহৰ ভিতৰত এয়াৰ ইণ্ডিয়া আটাইতকৈ প্ৰভাৱিত হয়। কিন্তু এনে নিষেধাজ্ঞাই ভাৰততকৈ পাকিস্তানৰ নিজৰেই বেছি ক্ষতি কৰে। অনুমান কৰা হৈছে যে যোৱাবাৰ পাকিস্তানৰ আকাশমাৰ্গ বন্ধ হোৱাৰ বাবে পাকিস্তানে প্ৰায় ৪০০ কোটি টকা লোকচানৰ সন্মুখীন হৈছিল। ইতিমধ্যে আৰ্থিক সংকটৰ সন্মুখীন হোৱা পাকিস্তানৰ বাবে এইটো আছিল এক ডাঙৰ আঘাত। এয়াৰ ইণ্ডিয়াৰ বহু আন্তঃৰাষ্ট্ৰীয় দীৰ্ঘ দূৰত্বৰ বিমান পাকিস্তানৰ আকাশমাৰ্গৰ মাজেৰে উৰে। এই সিদ্ধান্তৰ ফলত আটাইতকৈ বেছি প্ৰভাৱিত হ'ব এয়াৰ ইণ্ডিয়া। অৱশ্যে কোম্পানীটোৱে কিছুমান বিমানৰ বিকল্প পথ ঘোষণা কৰিছে। মধ্যপ্ৰাচ্য আৰু অন্যান্য পশ্চিমীয়া দেশলৈ যোৱা ইণ্ডিগ' আৰু স্পাইচ জেটৰ লগতে অন্যান্য ব্যক্তিগত বিমান সংস্থাসমূহৰ বিমান প্ৰভাৱিত হ'ব। পৰিচালনা ব্যয় বৃদ্ধিৰ বাবে মানুহে ভ্ৰমণৰ বাবে অধিক খৰচ কৰিব লাগিব।

## ৩০০খনতকৈও অধিক

সভাপতিত্ব কৰে অসমৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। তদুপৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মাই আদৰণী ভাষণ আগবঢ়োৱাৰ পিছতে উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্তই উপস্থিত ৰাইজক সম্বোধন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৰ্ণিল ইতিহাস সামৰি তত্ত্বগধুৰ বক্তৃতা আগবঢ়ায়। ইয়াৰ পিছতেই টেৰিৰ মুখ্য সঞ্চালক ড° বিভা ধাৱানে ভাষণ প্ৰদান কৰি বহনক্ষম উন্নয়ন, জৈৱিক শক্তি আৰু প্ৰাকৃতিক সমলৰ সংৰক্ষণ তথা যথোপযুক্ত ব্যৱহাৰৰ বিষয়ে মন্তব্য আগবঢ়ায়। উপস্থিত শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে নিজৰ ভাষণত এখন বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা, আৱেগিক বুদ্ধিমত্তা, সময়ানুৱৰ্তিতা আৰু দক্ষতাকেন্দ্ৰিক তথা কৌশলগত শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে দোহাৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ পিছতেই বিলুপ্তপ্ৰায় ভাষা তথা থলুৱা সাংস্কৃতিক উপাদান সংৰক্ষণ আৰু ঐতিহাসিক গুৰুত্ব বহন কৰা পাণ্ডুলিপি অধ্যয়নৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে শেহতীয়াকৈ আৰম্ভ কৰা প্ৰকল্পসমূহ আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰে। উপস্থিত ছাত্ৰ-ছাত্ৰী, শিক্ষক তথা অতিথিসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰীদেৱে পোনতেই শেহতীয়াকৈ কাশ্মীৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি প্ৰদান কৰে। নিজৰ ভাষণত তেওঁ ভাৰতৰ প্ৰাচুৰ্যময় ইতিহাস আৰু অসমৰ সোণোৱালী সভ্যতাক উপস্থাপন কৰি ৰাজ্য চৰকাৰে কিদৰে অসমৰ পূৰ্বৰ গৌৰৱ-গৰিমা ঘূৰাই আনিবৰ বাবে অহৰ্নিশে কাম কৰিছে, সেয়া সুন্দৰভাৱে উল্লেখ কৰে। অসমৰ শিক্ষাখণ্ডৰ প্ৰগতিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কিদৰে অহোপুৰুষাৰ্থ কৰিছে সেয়াও তেখেতে উল্লেখ কৰে। এখন শান্তিময়, সমৃদ্ধিশালী, প্ৰগতিৰ অসমৰ বাবে তেওঁৰ সপোনৰ বিষয়ে কৈ তেওঁ এইবুলি মতপোষণ কৰে যে এখন বিকশিত ভাৰতৰ এখন বিকশিত অসমক গঢ় দিবলৈ আৰু অৰ্থনৈতিক-সাংস্কৃতিক-শৈক্ষিক-বৌদ্ধিক আদি সকলো স্তৰৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰ দৃঢ়প্ৰতিজ্ঞ। আৰু বৌদ্ধিক-নৈতিক-সামাজিক ক্ষেত্ৰসমূহত আগভাগ লবলৈ বিশ্ববিদ্যালয়ৰ ছাত্ৰসমাজক আহ্বান জনায়। ভাষণৰ শেষত মুখ্যমন্ত্ৰী শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়লৈ আগন্তুক পাঁচ বছৰৰ বাবে ২৫০ কোটি টকাৰ অনুদান আগবঢ়ায়। ৰাইজক সম্বোধন কৰি অসমৰ মহামান্য ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে জ্ঞানী আৰু বিদ্বানসকলৰ বিষয়ে কোৱা শ্লোকৰ উদ্ধৃতি দি কয় যে শিক্ষাৰ জৰিয়তে মানুহে জীৱনৰ দুই মূল উদ্দেশ্য জ্ঞান বিস্তাৰ আৰু চৰিত্ৰ নিৰ্মাণ সাৰ্থক কৰিব পাৰে। ৰাজ্যৰ বৌদ্ধিক উন্নয়নৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশংসা কৰি তেওঁ এই কথা উল্লেখ কৰে যে গুৱাহাটী বিশ্ববিদ্যালয়ে হৈছে নতুন শিক্ষানীতি-২০২০ প্ৰযোজ্য কৰা উত্তৰ-পূবৰ প্ৰথমখন বিশ্ববিদ্যালয়। তদুপৰি ই সমৰ্থৰ দৰে ডিজিটেল মাধ্যমক আঁকোৱালি বিশ্ববিদ্যালয়ে নিজৰ প্ৰযুক্তিগত সক্ষমতাকেই প্ৰমাণ কৰিছে। দীক্ষান্ত সমাৰোহৰ কাৰ্যসূচীত বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক ড° অমল চন্দ্ৰ কাকতিলৈ বিজ্ঞানৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী আগবঢ়ায়। ইয়াৰ লগতে টাই-খাটি ভাষা-সংস্কৃতিৰ বিশেষজ্ঞ তথা অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চাওনা মেইনলৈ সন্মানীয় পি এইচ ডি ডিগ্ৰী আগবঢ়োৱা হয়। তদুপৰি জেচলক চিকিৎসালয় আৰু গৱেষণা কেন্দ্ৰৰ সঞ্চালক ড° তপন কমাৰ শইকীয়ালৈ সন্মানীয় পি এইচ ডি ডিগ্ৰী আগবঢ়োৱা হয়।

## নিৰ্দেশ পালেই যুদ্ধলৈ

২৫টা চিলায়ে সেনা বিষয়াগৰাকীয়ে আজিও সজীৱ কৰি ৰাখিছে কাৰ্গিল যুদ্ধৰ ভয়াৱহ স্মৃতি। সম্প্ৰতি তেজপুৰ ডেকাৰগাঁৱত নিগাজিকৈ থাকিবলৈ লোৱা কাৰৈমাৰী বৰাটিৰ এইগৰাকী ভাৰতীয় সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত কেপ্টেইন ঘনকান্ত কেওটে ভৰি দিছে ৭২ বছৰ বয়সত। ১৯৯৯ চনৰ ২২ মে'ত কাৰ্গিলত পাকিস্তানী সেনাৰ ভয়াৱহ আক্ৰমণৰ সন্মুখীন হোৱা ঘনকান্ত কেওটে ২০০৫ চনত ভাৰতীয় সেনাবাহিনীৰ পৰা কেপ্টেইনৰূপে অৱসৰ গ্ৰহণ কৰে। পাকিস্তানৰ নাম শুনিলেই ঘৃণাৰ ভাব ওপচা ঘনকান্ত কেওটে শেহতীয়াকৈ পেহেলগামৰ ঘটনাত উদ্বিগ্নতা প্ৰকাশ কৰি স্থলসেনা, বায়ুসেনা আৰু নৌসেনা বাহিনীক তৎপৰতাৰে যুঁজি পাকিস্তানৰ নাম-নিচান মচি দিবলৈ আহ্বান জনায়। প্ৰয়োজনত নিজেও এটা নিৰ্দেশত পাকিস্তানৰ বিৰুদ্ধে হাতত মাৰণাস্ত্ৰ তুলি ল'বলৈ কুণ্ঠাবোধ নকৰে বুলি উল্লেখ কৰে।

## মছজিদত সন্ত্ৰাসৰ বিৰুদ্ধে

বিধায়ক নুৰুল হুদাৰ দুৰ্গস্বৰূপ হাতীপাৰাত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি আজি মন্ত্ৰী হাজৰিকাই কংগ্ৰেছ দলক ক্ষুৰধাৰ সমালোচনা কৰে। মন্ত্ৰীয়ে হাজৰিকাই কয় যে এই অঞ্চলৰ মানুহে লোকসভা নিৰ্বাচনত কংগ্ৰেছ দলক যথেষ্ট ভোট দিছে, কিন্তু নিৰ্বাচনৰ পিছত আজিলৈকে ইয়াৰ সাংসদগৰাকী এবাৰো ৰাইজৰ কাষলৈ অহা নাই। বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীসহ জিলা আৰু সমষ্টিখনৰ নেতা-কৰ্মীয়ে সংগ দিয়া সভাত মন্ত্ৰী হাজৰিকাই লগতে কয়, ইয়াত সকলো ধৰণৰ আঁচনি দিয়া হৈছে, কোনো আঁচনিয়ে বাদ পৰা নাই আৰু লোকসভাতকৈ পৰিৱেশ ভাল হৈছে। উপ-নিৰ্বাচনত সংখ্যালঘু লোকে যথেষ্ট ভোট দি বিজেপি দলৰ প্ৰাৰ্থীজনক জয়যুক্ত কৰিছে। তাৰ পৰাই জয়যাত্ৰা আৰম্ভ হৈছে বিজেপিৰ। বিজেপিয়ে সকলোৰে কাম কৰি আছে সেয়ে ভোট বিচাৰি আহিছোঁ বুলি মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। লগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ৰাজ্যবাসীৰ বাবে গ্ৰহণ কৰা বিভিন্ন জনকল্যাণমূলক আঁচনি, সুবিধাসমূহৰ বিষয়ে উল্লেখ কৰে। ৰাজ্যখনৰ তৃণমূল পৰ্যায়ত উন্নয়ন, বিকাশৰ গতি আৰু আগুৱাই যাবলৈ বিজেপি মিত্ৰজোঁট সমৰ্থিত প্ৰাৰ্থীসকলক ভোট দিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। উক্ত সভাত ৰূপহী, চামগুৰি, জুৰীয়া আদি অঞ্চলৰ কেইবাগৰাকী বিজেপি সমৰ্থিত প্ৰাৰ্থীক মন্ত্ৰীগৰাকীয়ে মঞ্চত বহুৱাই লৈ ৰাইজৰ পৰা উন্নয়নৰ স্বাৰ্থত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক সমৰ্থন কৰিবলৈ আহ্বান জনায়। সভাত কেইবাহাজাৰ লোকৰ লগতে বিজেপি আৰু অগপৰ নেতা-কৰ্মী উপস্থিত থকা দেখা যায়।

**ধিঙৰ ডুমডুমীয়াৰ নিৰ্বাচনী সভাত মন্ত্ৰী পীযূজ হাজৰিকা**

**গণ বাৰ্তা, ধিং ঃ** ধিং সমষ্টিৰ ধৰ্মীয় সংখ্যালঘু অঞ্চল ডুমডুমীয়াত নিৰ্বাচনী সভাত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায় মন্ত্ৰী পীযূষ হাজৰিকাই। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয়, আমাৰ প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰিলে ধিঙত আমাৰ উন্নয়নৰ গাড়ী চাৰি নম্বৰ গিয়াৰত চলিব। আমাক যদি ভোট নিদিয়ে, তেন্তে আমাৰ মনৰ উৎসাহ কমি যায় আৰু আপোনালোকৰ অঞ্চলৰ উন্নয়নত বেক গিয়াৰ লগাবলৈ বাধ্য হওঁ। ভাষণ প্ৰসঙ্গতে তেওঁ আৰু কয়, আমি আপোনালোকক অৰুণোদয় দিছো, ঘৰ দিছো, কৃষক সন্মান নিধি দিছো। গতিকে আমাক ভোট দিয়ক। আমি আপোনালোকক সন্মান দিম আৰু দুগুণ উৎসাহেৰে উন্নয়ন কৰিম বুলি কথা দিছো। কংগ্ৰেছক সমালোচনা কৰি তেওঁ কয়, কংগ্ৰেছে ধৰ্মীয় সংখ্যালঘু ৰাইজক ভোটাৰ মেচিন বুলিহে গণ্য কৰে। ধিং সমষ্টিৰ বিতৰ্কিত বিধায়ক আমিনুল ইছলামৰ সাম্প্ৰদায়িক মন্তব্যত সোচ্চাৰ হৈ তেওঁ কয় যে দেশৰ এনে দুখজনক সময়ত আমিনুল ইছলামৰ দৰে অমানুহে বিৰূপ মন্তব্য কৰিব পাৰিব। ধিং সমষ্টিত বিজেপি-অগপৰ মিত্ৰজোঁটৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলালে পীযূষ হাজৰিকাৰ লগতে বিধায়ক জিতু গোস্বামী, প্ৰাক্তন বিধায়ক গৌতম বৰা আৰু বিজেপি নেতা সুৰেশ বৰাই। উল্লেখ্য যে ধিং সমষ্টিৰ চাৰিটা জিলা পৰিষদৰ লগতে আঞ্চলিক পঞ্চায়তৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোট দি জয়যুক্ত কৰিবলৈ অনুৰোধ জনালে মন্ত্ৰী পীযূষ হাজৰিকাৰ লগতে বিধায়ক জিতু গোস্বামী আৰু গৌতম বৰাই। আজি ধিং সমষ্টিৰ ধৰ্মীয় সংখ্যালঘু অঞ্চল ডুমডুমীয়াত বিজেপিৰ প্ৰচাৰ সভাত পীযূষ হাজৰিকাই বিশেষকৈ ধৰ্মীয় সংখ্যালঘুসকলক বিজেপি-অগপৰ প্ৰাৰ্থীসকলক বিপুল ভোটত জয়যুক্ত কৰিবৰ বাবে আহবান জনায়। আপোনালোকে বিজেপিক ভোট দিলেহে অঞ্চলটোৰ উন্নয়ন হ'ব।

## যোৰহাটত মৃতদেহ লৈ

বলি হোৱা যুৱকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰাৰ পিছত স্থানীয় ৰাইজে হত্যাকাৰীৰ বাসগৃহৰ সন্মুখত দাহ কৰিবলৈ প্ৰচেষ্টা চলোৱাত আৰক্ষীয়ে বেষ্টনী দি বাধা প্ৰদান কৰাত মৃতদেহ ৰাজপথতে থৈ পথ অৱৰোধ কৰে ৰাইজে। ঘটনাৰ বিৱৰণী মতে, বৰহুজ গাঁৱৰ দুই ককাই-ভাই কৃষ্ণজ্যোতি শইকীয়া আৰু পঞ্চজ্যোতি শইকীয়া বায়েকৰ ঘৰত টোলনি বিয়া খাবলৈ গাড়ীত গৈ থকা অৱস্থাত ডেৰকুৰীয়া গাঁৱৰ পুষ্পেন্দ্ৰ হাজৰিকা আৰু তেওঁৰ পুত্ৰ ভৃগু হাজৰিকাই আগভেটি ধৰি আক্ৰমণ কৰাত কৃষ্ণজ্যোতি শইকীয়াৰ মৃত্যু হয় আৰু পঞ্চজ্যোতি শইকীয়া আহত হয়। দুয়ো সম্বন্ধত ককাই-ভাই। সন্ধিয়া সংঘটিত ঘটনাত পিছতে নিহত-আহত দুয়োকেই স্থানীয় লোকে যোৰহাটৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। এই ঘটনা সংঘটিত হোৱাত স্থানীয় লোকে ৰাজপথ অৱৰোধ কৰে। যোৰহাট পুলিবৰ থানাৰ আৰক্ষীৰ লগতে বৃহৎ আৰক্ষীৰ দল লৈ যোৰহাটৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ উপস্থিত হৈ উত্তেজিত ৰাইজৰ সৈতে আলোচনা কৰাত পথ এৰি ৰাইজ ঘৰাঘৰি যায়। হত্যাকাৰী ডেৰকুৰীয়া গাঁৱৰ পুষ্পেন্দ্ৰ হাজৰিকা আৰু ভৃগু হাজৰিকাক আৰক্ষীয়ে আটক কৰি যোৰহাটৰ টীয়ক থানাত আবদ্ধ কৰে। পুষ্পেন্দ্ৰ হাজৰিকা আৰু ভৃগু হাজৰিকাক কৰায়ত্ত কৰিবলৈ যাওঁতে আৰক্ষীলৈ শিল, ইটা আদি হত্যাকাৰীয়ে নিক্ষেপ কৰাৰ লগতে গুলিচালনা কৰাৰো ভাবুকি দিছিল। আজি কৃষ্ণজ্যোতি শইকীয়াৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ পিছত পৰিয়ালৰ লোকক চমজাই দিয়াত পুনৰ অঞ্চলটোৰ ৰাইজ উত্তেজিত হৈ পৰে আৰু মৃতদেহ লৈ ৰাজপথেৰে আগবাঢ়ি আহি হত্যাকাৰী পুষ্পেন্দ্ৰ হাজৰিকা আৰু ভৃগু হাজৰিকাৰ ঘৰৰ সন্মুখত দাহ কৰিবলৈ প্ৰচেষ্টা কৰাৰ লগতে ৰাজপথ অৱৰোধ কৰে। ইয়াৰ ফলত দুয়োদিশে উজনি-নামনিমুৱা গাড়ী চলাচল বন্ধ হৈ পৰে। এই অৱৰোধত আনকি ১০৮ও বহু সময় ধৰি আবদ্ধ হৈ থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। উত্তেজিত ৰাইজে পুলিবৰ থানাৰ আৰক্ষীৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰে। উল্লেখ্য যে দুয়োটা পৰিয়ালৰ দীৰ্ঘদিনৰে পৰা স্কুটী দুৰ্ঘটনা, মটৰচাইকেল ভঙা আদি কাজিয়া হৈ আছিল। এই সন্দৰ্ভত দুয়োটা পৰিয়ালে পুলিবৰ থানাক গোচৰ দিছিল, কিন্তু আৰক্ষীয়ে বুজাবুজি কৰি ঘটনাটোৰ গাপ দিয়াৰ চেষ্টা কৰাৰ লগতে হত্যাকাৰী পৰিয়ালৰ ভৃগু হাজৰিকাক জে'ললৈ প্ৰেৰণ কৰিয়েই দায়িত্ব সামৰিছিল। বিহুৰ কেইদিনমানৰ পূৰ্বে ভৃগু হাজৰিকা জে'লৰ পৰা ওলাই আহি কালি সন্ধিয়া দেউতাক পুষ্পেন্দ্ৰ হাজৰিকাৰ সৈতে মিলি কৃষ্ণজ্যোতি শইকীয়া আৰু তেওঁৰ ভাতৃ পঞ্চজ্যোতি শইকীয়াক নিজা গাড়ীৰে বায়েকৰ ঘৰত তোলনি বিয়া খাবলৈ গৈ থকা অৱস্থাত পানীচকুৱাৰ দৈনিক বজাৰত সন্ধিয়া আগভেটি ধৰি গাড়ীখনৰ ক্ষতিসাধন কৰাৰ লগতে পাঁচা, চিপৰাং জাতীয় মাৰণাস্ত্ৰৰে গাড়ীখনৰ ক্ষতিসাধন কৰাৰ লগতে দুয়োকে আক্ৰমণ কৰাত কৃষ্ণজ্যোতি শইকীয়াৰ মৃত্যু হয় আৰু পঞ্চজ্যোতি শইকীয়া আহত হয়। বৰহুজৰ লগতে পশ্চিম যোৰহাট অঞ্চলত এই ঘটনাই কালিৰে পৰা আলোড়নৰ সৃষ্টি কৰিছে।

## এলঅ'চিত পাকিস্তানৰ

পাকিস্তানৰ কেইবাটাও সেনা ছাউনী ধ্বংস হয়। সেনাৰ এগৰাকী বিশিষ্ট বিষয়াই কয় যে ভাৰতীয় সেনাই কালি নিশা জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত পাকিস্তানে কৰা গুলীচালনাৰ প্ৰত্যুত্তৰ দিয়ে। নিয়ন্ত্ৰণ ৰেখাৰ কেইবাটাও স্থানত সৰু-বৰ ঘটনা সংঘটিত হয়। অৱশ্যে এতিয়ালৈকে কোনো হতাহত হোৱা নাই। ইয়াৰ বিপৰীতে জম্মু-কাশ্মীৰৰ বান্দীপুৰা জিলাত আজি সন্ত্ৰাসবাদী আৰু নিৰাপত্তাৰক্ষীৰ মাজত তীব্ৰ সংঘৰ্ষ হয়। সূত্ৰ অনুসৰি জানিব পৰা মতে, অঞ্চলটোত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ কথা জানিব পাৰি বান্দীপুৰ জিলাৰ বাজীপুৰা এলেকা ঘেৰি লৈ অভিযান চলোৱা হয়। ইয়াৰ পিছতে গোপন কৰি থকা সন্ত্ৰাসবাদীসকলৰ ওপৰত নিৰাপত্তাৰক্ষীয়ে গুলী চলায়। বৰ্তমানো এই অঞ্চলত অভিযান চলি আছে আৰু এতিয়ালৈকে কোনো হতাহত হোৱা নাই। প্ৰতিৰক্ষা বিষয়াসকলে জনোৱা মতে, সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে অতি সোনকালে শ্ৰীনগৰ আৰু উধামপুৰলৈ ৰাওনা হ'ব। তেওঁ অঞ্চলটোৰ বৰ্তমানৰ নিৰাপত্তা পৰিস্থিতি আৰু এল অ' চিত যুদ্ধবিৰতি উলংঘা কৰিবলৈ পাকিস্তানী সেনাই কৰা চেষ্টাৰ কথা পৰ্যালোচনা কৰিব। জানিব পৰা মতে, এই সময়ছোৱাত দ্বিবেদীয়ে কাশ্মীৰত নিয়োজিত জ্যেষ্ঠ সামৰিক সেনাধ্যক্ষৰ লগতে অন্যান্য বিষয়াসকলকো সাক্ষাৎ কৰিব। পেহেলগামৰ ঘটনাৰ পিছতে জম্মু-কাশ্মীৰৰ বিভিন্ন অঞ্চলত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। বৃহস্পতিবাৰে নিশা চলোৱা এক অভিযানত নিৰাপত্তাৰক্ষীয়ে ২-৩জনকৈ সন্ত্ৰাসবাদীৰ ঘৰ ভাঙি ধ্বংস কৰে। পেহেলগাম কাণ্ডৰ সৈতে আদিল আৰু আছিফ নামৰ দুজন স্থানীয় যুৱক জড়িত আছিল। কালি নিৰাপত্তাৰক্ষীয়ে চলোৱা অভিযানত দুয়োৰে ঘৰৰ পৰা বহু বিস্ফোৰক আৰু আপত্তিজনত সামগ্ৰী উদ্ধাৰ হয়। যাৰ পিছত নিৰাপত্তাৰক্ষীয়ে তেওঁলোকৰ ঘৰ বোমাৰে উৰুৱাই দিয়ে।

## ডিব্ৰুগড়ত ৮ বছৰীয়া

৫০ বছৰীয়া সতিন্দৰ শ্বাহক ইতিমধ্যে আটক কৰিছে। মহানগৰখনৰ মাজমজিয়াৰ গাৰ্ডপাৰাৰ ৰে'ল ক্ৰছিংঙৰ ওচৰৰ এটা ভাৰাঘৰত এই ঘটনা সংঘটিত হৈছে। চুবুৰিটোত ভাৰাঘৰত থকা ঠেলাচালক সতিন্দৰ শ্বাহে শিশুটিক চকলেটৰ প্ৰলোভন দি ফুচুলাই মাতি অপকৰ্ম কৰে। ইতিমধ্যে লম্পট সতিন্দৰ শ্বাহক ডিব্ৰুগড়ৰ আমোলাপট্টি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

## আজি বিজেপিয়ে প্ৰকাশ

বাবে ১৩জন বিশেষ ব্যক্তিক সম্বৰ্ধনা জনাব বিজেপিয়ে। অসমত পঞ্চায়ত নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান দিন বাকী। ইতিমধ্যে ভাৰতীয় জনতা পাৰ্টিয়ে ৰাজ্যজুৰি প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। ২ মে' আৰু ৭ মে'ত দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচন। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাৰ লগতে দলৰ মন্ত্ৰী, বিধায়ক আৰু গুৰুত্বপূৰ্ণ কাৰ্যকৰ্তাসকলে সমগ্ৰ অসমতে প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ প্ৰচাৰ আৰু পৰিকল্পনা প্ৰচেষ্টাৰ অংশ হিচাপে কাইলৈ ২৬ এপ্ৰিলত পুৱা ৯ বজাত অটল বিহাৰী বাজপেয়ী ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনৰ ইস্তাহাৰ প্ৰকাশ কৰিব। ইস্তাহাৰত গ্ৰাম্য উন্নয়নৰ বাবে বিজেপিৰ দৃষ্টিভংগীৰ ৰূপৰেখা দাঙি ধৰা হ'ব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। ইস্তাহাৰ উন্মোচনৰ উপলক্ষে কৃষিৰ পৰা আৰম্ভ কৰি উদ্যোগীকৰণলৈকে ব্যতিক্ৰমী কামৰ বাবে ১৩জন বিশেষ ব্যক্তিক সন্মানিত কৰা হ'ব। উল্লেখ্য যে ৰাজহুৱা আলোচনা আৰু ৰাজ্যজুৰি নাগৰিকসকলৰ পৰা পোৱা মতামতৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে বিজেপিৰ ইস্তাহাৰ। কিছুদিন পূৰ্বে বিজেপিয়ে ইস্তাহাৰত প্ৰস্তুত কৰাৰ বাবে ৰাজ্যৰ প্ৰতিজন নাগৰিকৰ মতামত বিচাৰিছিল। একে সময়তে এই মতামতৰ গ্ৰহণৰ দ্বাৰা জনসাধাৰণৰ ইচ্ছা-আকাংক্ষা ইস্তাহাৰত প্ৰতিফলিত কৰাৰ চেষ্টা কৰিছে ৰাজ্যিক বিজেপিয়ে।

## বোমাৰে উৰুৱাই দিলে

জানিব পৰা মতে, আদিলৰ ঘৰত বিপুল পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ হৈছে। তদুপৰি তালাচীৰ সময়ত বহু সন্দেহজনক সামগ্ৰী উদ্ধাৰ কৰে। তথ্য অনুসৰি আদিলৰ ঘৰত বিপুল পৰিমাণৰ আই ই ডি ৰখা হৈছিল, যাৰ বাবে বিস্ফোৰণ ঘটোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে নিৰাপত্তাৰক্ষীয়ে। এই বিস্ফোৰণ ইমানেই ভয়ংকৰ আছিল যে আদিলৰ ঘৰ সম্পূৰ্ণৰূপে ভাঙি যায়। উল্লেখ্য যে অনন্তনাগ আৰক্ষীয়ে লস্কৰ-ই-তৈবা (এএলটি)ৰ তিনিজন সন্ত্ৰাসবাদী আদিল হুছেইন থোকৰ, আলী ভাই আৰু হাছিম মুছাৰ ওপৰত মুছাৰ ওপৰত ২০ লাখ টকাৰ পুৰস্কাৰ ৰাখিছিল। ২২ এপ্ৰিলত পেহেলগামৰ বৈচাৰনত সংঘটিত ঘটনাত এই ৩জন জড়িত থকা বুলি সন্দেহ কৰা হৈছে। জানিব পৰা মতে, সন্ত্ৰাসবাদী থোকৰ ২০১৮ চনত আটাৰীবাঘা সীমান্তৰে পাকিস্তানলৈ গৈছিল। সন্দেহ কৰা হৈছে সেই সময়তে তেওঁ প্ৰশিক্ষণ লৈছিল। সূত্ৰ অনুসৰি, শেহতীয়াকৈ সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাত আদিলে সহায় কৰিছিল আৰু প্ৰয়োজনীয় তথ্য যোগান ধৰিছিল। তদুপৰি পেহেলগাম ঘটনাত জড়িত আছিফ শ্বেইখৰ ঘৰো নিৰাপত্তাৰক্ষীয়ে ধ্বংস কৰি পেলায়। তথ্য অনুসৰি ত্ৰালৰ বাসিন্দা আছিফ শ্বেইখে পেহেলগাম কাণ্ডত সন্ত্ৰাসবাদীক সহায় কৰি প্ৰয়োজনীয় তথ্য প্ৰদান কৰিছিল। বৃহস্পতিবাৰে নিশা অভিযান চলাই নিৰাপত্তাৰক্ষীয়ে সন্ত্ৰাসবাদীকেইজনৰ ঘৰ ধ্বংস কৰে। আছিফ ২৬ বছৰীয়া এজন যুৱক আৰু তেওঁৰ ওপৰত ইতিমধ্যেই ৰাজ্য চৰকাৰে ৩ লাখ টকাৰ পুৰস্কাৰ ৰাখিছিল। আৰক্ষীয়ে জনোৱা মতে, আছিফৰ ঘৰতো বহু বিস্ফোৰক সামগ্ৰী আছিল। পেহেলগাম ঘটনাৰ পিছতে সেনা এলাৰ্ট আৰু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। সন্ত্ৰাসবাদীয়ে আত্মগোপন কৰিব পৰা প্ৰতিটো ঘৰত তালাচী চলাইছে আৰক্ষীয়ে। আনহাতে এল অ' চিত পাকিস্তানৰ পৰা কৰা গুলীচালনাৰ প্ৰত্যুত্তৰ দিয়ে ভাৰতীয় সেনাই। এতিয়াও দুয়োফালৰ পৰা সীমান্তত গুলীচালনা চলি আছে যদিও এতিয়ালৈকে অন্য কোনো তথ্য পোহৰলৈ অহা নাই। জানিব পৰা মতে, ভাৰতীয় সেনাই পাকিস্তানৰ বহু চকী ধ্বংস কৰিছে। পেহেলগাম ঘটনা সংঘটিত হোৱাৰ পিছতে দুয়োখন দেশৰ মাজত উত্তেজনা বৃদ্ধি পাইছে।

## তেজপুৰত হাতীদাঁতসহ

আটক কৰা পিছত সংগোপনে নিশা একাধিক স্থানত অভিযান চলাই ঘটনা সম্পৰ্কত মুঠ পাঁচজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ঘটনাৰ বিৱৰণী অনুসৰি তেজপুৰৰ ৰাজ্যিক পৰিবহণ নিগমৰ বাছ আস্থানৰ সমীপৰ পৰা কালি বিয়লি ৩ মান বজাত তেজপুৰ আৰক্ষীয়ে প্ৰথমে দুটা হাতীদাঁতসহ দুজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃতকেইটা হ'ল ক্ৰমে অৰুণাচলৰ চাংলাং জিলাৰ বিজয় নগৰ থানাৰ ৰামনগৰৰ প্ৰয়াত কৃষ্ণ থাপাৰ পুত্ৰ গম্ভীৰ থাপা (৩৬), অৰুণাচলৰ চাংলাঙৰ মিয়াও থানাৰ দেবেন গাঁৱৰ পেমা ৰিনচিন দ্ৰুকপাৰ ৪৬ বছৰীয়া পুত্ৰ য়িছি দ্ৰুকপা। উল্লেখ্য যে আৰক্ষীয়ে উদ্ধাৰ কৰা হাতীদাঁত দুটা ক্ৰমে ১.৯৪৩ কিলোগ্ৰাম আৰু ১.৯০৪ কিলোগ্ৰাম ওজনৰ। ধৃত দুয়োকে আৰক্ষীয়ে মাৰাথন জেৰা চলোৱাত উক্ত হাতীদাঁত দুটা ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ পৰা লুকাছ নাৰ্জাৰী ওৰফে মংগলৰ (৩৬) পৰা সংগ্ৰহ কৰা বুলি জানিবলৈ দিয়ে। ইয়াৰ পিছতে আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্তৰ খাতিৰত সংগোপনে অভিযান চলাই শোণিতপুৰৰ ঢেকীয়াজুলি থানাৰ অন্তৰ্গত জৰ্ডনপুৰৰ প্ৰয়াত খওলাছ নাৰ্জাৰীৰ পুত্ৰ লুকাছক ঠাকুৰবাৰী গাঁৱৰ নকুল সিং মুছাহাৰীৰ পুত্ৰ অজলা মুছাহাৰী (৪১) আৰু থৰাইবাৰীৰ প্ৰয়াত নৰেন মুছাহাৰীৰ ৩১ বছৰীয়া পুত্ৰ জৰ্ছেল মুছাহাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে আজি ধৃত পাঁচটাকেই তেজপুৰস্থিত ন্যায়িক আদালতত হাজিৰ কৰোৱাত আদালতে ন্যায়িক জিম্মা কাৰাগাৰলৈ প্ৰেৰণ কৰে।

## পাকিস্তানক দিয়া নহ'ব

সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি সিন্ধু নৈত ভাৰত চৰকাৰে শীঘ্ৰে চলাব খননকাৰ্য। পাকিস্তানলৈ যাতে এটুপি পানীও যাব নোৱাৰে তাৰ বাবে সিন্ধু নৈত খননকাৰ্য চলাই গতিপথ সলনি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব ভাৰত চৰকাৰে। কেন্দ্ৰীয় জলসম্পদমন্ত্ৰী চি আৰ পাটিলে বৈঠকৰ অন্তত কয় যে পাকিস্তানক এটুপিও পানী দিয়া নহ'ব। গৃহমন্ত্ৰী অমিত শ্বাহৰ বাসগৃহত অনুষ্ঠিত বৈঠকত জলসম্পদমন্ত্ৰীৰ উপৰি বিদেশমন্ত্ৰী এছ জয়শংকৰো উপস্থিত থাকে। এই বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি পাকিস্তানলৈ সিন্ধুৰ জলস্ৰোত বন্ধৰ বাবে তিনিটা নীতি প্ৰস্তুত কৰিছে। এই মুখ্য ৰণনীতি হ'ব সিন্ধু নৈত খনন চলাই ইয়াৰ গতিপথ সলনি কৰা, যাতে পাকিস্তানে সিন্ধু নৈৰ পানী ভোগ কৰিব নোৱাৰে। ভাৰতৰ এনে সিদ্ধান্তক লৈ ইতিমধ্যে জাঙুৰ খাই উঠিছে পাকিস্তান। যিহেতু পাকিস্তানৰ বৃহৎ অঞ্চল সিন্ধু নৈৰ ওপৰতে নিৰ্ভৰশীল। যদি সিন্ধু নৈৰ পানী প্ৰবাহত বাধা আৰোপ কৰে, তেন্তে পাকিস্তানে বৃহৎ জল সংকটৰ সন্মুখীন হোৱাৰ আশংকা আছে। পাকিস্তানৰ কৃষিব্যৱস্থাও ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হ'ব। সেইবাবে পাকিস্তানে বিষয়টো আন্তঃৰাষ্ট্ৰীয় মজিয়ালৈ লৈ যোৱাৰ কথা ঘোষণা কৰিছে। কিন্তু ভাৰত চৰকাৰে যিকোনো প্ৰকাৰে সিন্ধু জল চুক্তি স্থগিত কৰি পাকিস্তানলৈ পানী প্ৰবাহত বাধা আৰোপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

## সকলো পাকিস্তানীক

পেহেলগাম আক্ৰমণৰ দোষীক শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰিছে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে। একে সময়তে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিছে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে। লগতে এই আক্ৰমণত নিৰীহ লোকৰ মৃত্যু আৰু আহত হোৱাক লৈ উদ্বেগ প্ৰকাশ কৰিছে আয়োগে। আয়োগে উল্লেখ কৰিছে যে এই আক্ৰমণে মানৱ অধিকাৰ উলংঘা আৰু ই সমাজত ভয় আৰু সন্ত্ৰাস বিয়পাই দিছে। এন এইচ আৰ চিয়ে এই আক্ৰমণৰ তদন্ত কৰি দোষীক শাস্তি প্ৰদানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। আহতসকলৰ চিকিৎসাৰ লগতে তেওঁলোকৰ পৰিয়ালক সাহায্য প্ৰদানৰ বাবেও আয়োগে আহ্বান জনাইছে। যোৱা ২২ এপ্ৰিলত দক্ষিণ কাশ্মীৰৰ পেহেলগামৰ পৰ্যটনস্থলীত সাধাৰণ নাগৰিকৰ ওপৰত ভয়াৱহ আক্ৰমণ সংঘটিত কৰে সন্ত্ৰাসবাদীয়ে। এই আক্ৰমণত ২৬জন লোক নিহত হয় আৰু বহু লোক আহত হয়। ইতিমধ্যে পাকিস্তানস্থিত নিষিদ্ধ লস্কৰ-ই-তৈবা (LeT)ৰ সমৰ্থিত ৰেজিষ্টেন্স ফ্ৰণ্টে (টি আৰ এফ) এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। ইফালে এই আক্ৰমণৰ প্ৰতিশোধ হিচাপে পাকিস্তানৰ বিৰুদ্ধে কূটনৈতিক আক্ৰমণ ঘোষণা কৰিছে ভাৰত চৰকাৰে। তাৰ অংশ হিচাপে পাকিস্তানী নাগৰিকৰ ভিছা বাতিলকে ধৰি, পাকিস্তানী নাগৰিকক বিতাড়ন, সিন্ধু জল চুক্তি অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখাৰ দৰে সিদ্ধান্ত গ্ৰহণ কৰিছে ভাৰতে।

## হাস্পতালত আহতসকলৰ

প্ৰক্ৰিয়া তাৎক্ষণিকভাৱে প্ৰযোজ্য হৈছে। এই সন্দৰ্ভত আজি জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই কয় যে জম্মু-কাশ্মীৰৰ জনতাই কেতিয়াও সিন্ধু জল চুক্তিৰ পক্ষত নাছিল। এই চুক্তিখন জম্মু-কাশ্মীৰৰ বাবে মাৰাত্মক দস্তাবেজ। লগতে তেওঁ কয় যে এই সময়ছোৱাত আমি সকলো কেন্দ্ৰীয় চৰকাৰৰ সৈতে আছো। তেওঁলোকে যি সিদ্ধান্ত লৈছে বা ল'ব সেই সিদ্ধান্তত আমি সমৰ্থন জনাম। আনহাতে আজি পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত আহত লোকসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ উদ্দেশ্যে জম্মু-কাশ্মীৰত উপস্থিত হয় ৰাহুল গান্ধী। কালি সৰ্বদলীয় বৈঠকত ৰাহুল গান্ধীয়ে আহতসকলক হাস্পতালত সাক্ষাৎ কৰাৰ বাবে জম্মু-কাশ্মীৰ ভ্ৰমণ কৰাৰ ঐক্যমতত উপনীত হৈছিল। সেই অনুসৰি আজি পুৱাই ৰাহুল গান্ধী শ্ৰীনগৰত উপস্থিত হয়। তাৰ পিছত তেওঁ আহত লোক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক সাক্ষাৎ কৰে। তেওঁ কয় যে সন্ত্ৰাসবাদীয়ে যিমানেই চেষ্টা নকৰক কিয়, আমাৰ ঐক্য আৰু ভাতৃত্ববোধত আঘাত হানিব নোৱাৰে। আমি সন্ত্ৰাসবাদীক পৰাভূত কৰিম। ইয়াৰ উপৰি জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ সৈতেও আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হোৱাৰ পিছত তেওঁ সংবাদ মাধ্যমক কয় যে পেহেলগামত যি ঘটনা সংঘটিত হ'ল, সেয়া অতিকে ঘৃণনীয় আৰু ভয়াৱহ। এই ঘটনাৰ বুজ লোৱা আৰু সহায়ৰ বাবে মই জম্মু-কাশ্মীৰত উপস্থিত হৈছো বুলি উল্লেখ কৰি বিৰোধী দলৰ দলপতি ৰাহুল গান্ধীয়ে কয় যে জম্মু-কাশ্মীৰৰ সকলো লোকে এই ভয়াৱহ ঘটনাক গৰিহণা দিছে আৰু সকলো ৰাষ্ট্ৰৰ পক্ষত আছে।

## ধৰ্মীয় অধিকাৰত নহয়

লৈ সমীক্ষা কৰিব পাৰে আৰু কোনো পৰামৰ্শ দিব পাৰে। সংসদে প্ৰণয়ন কৰা আইনত সাংবিধানিক ধাৰণাসমূহ প্ৰযোজ্য হয়। সেয়েহে সংসদে গৃহীত কৰা আইন সলনি কৰাটো গ্ৰহণযোগ্য নহয়। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ে যোৱা ১৭ এপ্ৰিলত ৱাক্‌ফ সংশোধনী আইন সন্দৰ্ভত এসপ্তাহৰ ভিতৰত শপতনামা দাখিল কৰাৰ নিৰ্দেশ জাৰি কৰিছিল। সেই অনুসৰিয়ে আজি চৰকাৰে শপতনামা দাখিল কৰিছে, য'ত তেওঁলোকে ৱাক্‌ফ সংশোধনী আইনক সাংবিধানিক আইন বুলি আখ্যা দিছে; য'ত সংবিধানৰ সকলো নীতি-নিয়ম পালন কৰা হৈছে। সেয়েহে এই আইনৰ বিৰুদ্ধে দাখিল কৰা সকলো আবেদন খাৰিজ কৰাৰ বাবে দাবী উত্থাপন কৰা হৈছে। এই সন্দৰ্ভত অহা পাঁচ মে'ত শুনানি অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় চৰকাৰে দাখিল কৰা শপতনামাত উল্লেখ কৰিছে যে ৱাক্‌ফ সংশোধনী আইন প্ৰণয়নৰ পিছত এটা অপপ্ৰচাৰ চলাই থকা হৈছে যে এই আইনখনে ধৰ্মীয় স্বতন্ত্ৰতা হৰণ কৰিব। এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে সমীক্ষা কৰিব পাৰে। যদি মৌলিক অধিকাৰ উলংঘন হয় তেন্তে হস্তক্ষেপ কৰিব পাৰে। লগতে এই কথাও উল্লেখ কৰিছে যে এই সংশোধনী আইনত কোনো ব্যক্তিৰ ৱাক্‌ফক লৈ ধৰ্মীয় অধিকাৰত কোনো হস্তক্ষেপ নকৰে। কেৱল ৱাকফৰ পাৰদৰ্শিতা সুনিশ্চিত কৰাৰ বাবে আইনত কিছু সালসলনি কৰা হৈছে। লগতে শপতনামাত এই কথাও উল্লেখ কৰিছে যে সংসদৰ দ্বাৰা গৃহীত আইনক বৈধ বুলি ধৰা হয়, বিশেষভাৱে যেতিয়া যুটীয়া সংসদীয় সমিতিৰ পৰামৰ্শ আৰু সংসদত ব্যাপক আলোচনা-বিলোচনাৰ অন্তত আইন গৃহীত হয়। উল্লেখ্য যে ৱাক্‌ফ সংশোধনী আইন প্ৰযোজ্য হোৱাৰ পিছতে দেশজুৰি প্ৰতিবাদ চলি থকাৰ সমান্তৰালভাৱে ইয়াৰ বিৰুদ্ধে ন্যায়িক যুঁজো চলি আছে।

## বিধায়ক আমিনুলক

এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলামক আৰক্ষীয়ে চাৰি দিনৰ জিম্মাত লৈছে। আজি ধৃত বিধায়কজনক আৰক্ষীয়ে নগাঁও জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতত হাজিৰ কৰে। আৰক্ষীয়ে বিধায়কজনক অধিক জেৰাৰ বাবে সাত দিনৰ জিম্মাত বিচাৰি আদালতত আবেদন কৰিছিল। কিন্তু আদালতে চাৰি দিনৰ জিম্মা মঞ্জুৰ কৰে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে যোৱা ২৩ এপ্ৰিলত নগাঁও জিলাৰ আলিটাঙনিত অনুষ্ঠিত এখন পঞ্চায়ত নিৰ্বাচনৰ সভাত অংশগ্ৰহণ কৰি বিধায়ক আমিনুল ইছলামে পেহেলগামত সন্ত্ৰাসবাদীয়ে পৰ্যটকক গুলীয়াই হত্যা কৰা ঘটনাৰ প্ৰসংগত বিতৰ্কিত মন্তব্য কৰিছিল। বিধায়কজনে এই ঘটনাটোকলৈ মোদী চৰকাৰে ভাৰতত হিন্দু মুছলমানৰ মাজত বৈষম্য আৰু বিভাজনৰ ৰাজনীতি কৰা বুলি অভিযোগ কৰি এইটো অমিত শ্বাহ আৰু নৰেন্দ্ৰ মোদীৰ ষড়যন্ত্ৰত হৈছে বুলি ভবাৰ কথা ভাষণত উল্লেখ কৰিছিল। তদুপৰি বিধায়কজনে হিন্দু-মুছলমান চিনাক্ত কৰি সন্ত্ৰাসবাদীয়ে হত্যা কৰাৰ কথা মিছা বুলি মন্তব্য কৰি এয়া বিজেপিৰহে অপপ্ৰচাৰ বুলি সমালোচনা কৰিছিল। তাৎপৰ্যপূৰ্ণ যে স্পৰ্শকাতৰ সময়ত সন্ত্ৰাসবাদক ধিক্কাৰ দিয়াৰ বিপৰীতে বিধায়ক ইছলামে কৰা এনেধৰণৰ বিতৰ্কিত মন্তব্যই ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। ইয়াৰ পিছতেই কালি নগাঁও আৰক্ষীয়ে বিধায়ক আমিনুল ইছলামৰ বিৰুদ্ধে নগাঁও সদৰ আৰক্ষী থানাত ৩৪৭/২৫ নম্বৰত এক গোচৰ ৰুজু কৰি তেওঁক ধিঙৰ পৰমাইভেটিস্থিত বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰে। কালি নিশা আৰক্ষীয়ে বিধায়কজনক নগাঁও সদৰ আৰক্ষী থানাতেই সোধা-পোছা কৰাৰ পিছত আজি নগাঁও জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত হাজিৰ কৰে। আদালতত হাজিৰ কৰাৰ পূৰ্বে বিধায়কগৰাকীক নগাঁও অসামৰিক চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰা হয়। পিছত আৰক্ষীয়ে আদালতৰ অনুমতিক্ৰমে বিধায়কজনক চাৰি দিনৰ জিম্মাত লয়। আদালতত হাজিৰ কৰাৰ সময়তো বিধায়কজনক অনুশোচনাত ভোগা দেখা নগ'ল। ইপিনে পেহেলগামত পাকিস্তানী সন্ত্ৰাসবাদীয়ে সংঘটিত কৰা নৃশংস, বৰ্বৰ আৰু অমানৱীয় আক্ৰমণৰ বিৰুদ্ধে আজিও নগাঁৱত প্ৰতিবাদ অব্যাহত আছে। গ্ৰেপ্তাৰ হোৱা বিতৰ্কিত বিধায়ক আমিনুল ইছলামৰ গৃহ সমষ্টি ধিঙতো সচেতন ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে বিধায়কজনৰ বিৰুদ্ধে সৰৱ হৈ পৰে। উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ সামাজিক, অৰাজনৈতিক, ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘই সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক তীব্ৰ নিন্দা কৰি এই ঘটনাটোক পাকিস্তানৰ সন্ত্ৰাসবাদৰ গৰিহণাযোগ্য প্ৰতিফলন বুলি অভিহিত কৰিছে। সংঘৰ পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকা আৰু প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই এক প্ৰেছ বিবৃতিযোগে কয়, পাকিস্তানে কোনোদিনেই শান্তি আলোচনাৰ পক্ষপাতী নহয়। এনে অশান্তিজৰ্জৰ পৰিৱেশক জীয়াই ৰাখিব খোজা পাকিস্তানৰ এই কাৰ্যক কোনোদিনেই ক্ষমা কৰিব নোৱাৰি বুলি অনুষ্ঠানটোৱে মত পোষণ কৰিছে। লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘই ভাৰত চৰকাৰে এই ঘটনাক কঠোৰ ভাষাৰে যোগ্য প্ৰত্যুত্তৰ দিয়াৰ লগতে পেহেলগামত নিৰাপত্তা ব্যৱস্থা অধিক কঠোৰ কৰাৰ দাবী তুলিছে সংঘই। তেওঁলোকৰ মতে, জনসাধাৰণৰ মাজত গভীৰ শোক আৰু ক্ষোভৰ সৃষ্টি হোৱা এই কাণ্ডই পুনৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় ঐক্যৰ প্ৰয়োজনীয়তা অনুভৱ কৰাইছে। তদুপৰি এই অমানৱীয় ঘটনাই সমগ্ৰ দেশতে সাম্প্ৰদায়িক বিষবাষ্প বিয়পাব বুলিও শ্ৰীমন্ত শংকৰদেৱ সংঘই মত প্ৰকাশ কৰিছে। উল্লেখ্য যে শ্ৰীমন্ত শংকৰদেৱ সংঘই উক্ত ঘটনাত নিহতসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে আহতসকলৰ দ্ৰুত আৰোগ্য কামনা কৰি এই বীভৎস, পৈশাচিক কাণ্ডক তীব্ৰ ভাষাৰে গৰিহণা আৰু ভৰ্ৎসনা দিছে। নগাঁও মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ শিক্ষক পৰিষদৰ উদ্যোগতো আজি প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়। নগাঁও মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰৰ সন্মুখত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীত শিক্ষক পৰিষদৰ সাধাৰণ সম্পাদক ড° প্ৰশান্ত খনিকৰে আঁত ধৰে। এই কাৰ্যসূচীত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° পুলিন চন্দ্ৰ বৰাই অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীতে হত্যাকাণ্ডৰ বলি হোৱা লোকৰ আত্মাৰ সদ্‌গতিৰ বাবে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সকলোৱে সমবেদনা জ্ঞাপন কৰে। এই কাৰ্যসূচীত অধ্যাপক-অধ্যাপিকা, অনাশিক্ষক-কৰ্মচাৰী আৰু তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সন্ত্ৰাসবাদী নিপাত যাওক, দেশৰ পৰা সন্ত্ৰাসবাদ নিৰ্মূল হওক আদি ধ্বনিৰে প্ৰতিবাদত অংশগ্ৰহণকাৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। অন্যহাতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ উদ্যোগত নগাঁও পৌৰসভা কাৰ্যালয়ৰ সমীপত পেহেলগামত সন্ত্ৰাসবাদীৰ নিষ্ঠুৰ আক্ৰমণত প্ৰাণ হেৰুওৱা নিৰীহ লোকসকলৰ প্ৰতি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়।

## কাৰ্যালয় মুকুলি কৰিব

পূব সমিষ্টিত এতিয়া চৰম পৰ্যায় পাইছেগৈ। আনকি প্ৰতিবাদকাৰীসকলে বিধায়কৰ সন্মুখতে এ কে ৰছিদ আলম গ' বেক ধ্বনি দিয়াৰ লগতে পুত্তলিকা দাহ কৰিও তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। পৰিস্থিতি এনে পৰ্যায় পায়গৈ যে আৰক্ষী মোতায়েন কৰি অৱশেষত পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলগীয়া হয়। বিধায়ক এ কে ৰছিদে প্ৰতিবাদকাৰীৰ ওপৰত ক্ষোভিত হোৱাত ৰাইজে আৰু অধিক ৰুদ্ৰমূৰ্তি ধাৰণ কৰাত বিধায়কগৰাকীয়ে কোনোমতে কাৰ্যালয় মুকুলি কৰি আধাতে কাৰ্যসূচী সমাপ্ত কৰি আঁতৰি যাবলৈ বাধ্য হয়।

# ৰৌতা চাৰিআলিৰ শ্ৰীশ্ৰী শনি মন্দিৰৰ ৩৮ সংখ্যক ৩২ প্ৰহৰ অখণ্ড তাৰক হৰিনাম যজ্ঞ কীৰ্তন



**গণ বাৰ্তা , ৰৌতা চাৰিআলি,২৫ এপ্ৰিলঃ** বিটিআৰৰ ওদালগুৰি জিলাৰ ৰৌতা চাৰিআলিৰ মাজমজিয়াতে ১৯৮৭ চনতে স্থাপিত শ্ৰীশ্ৰী শনি মন্দিৰৰ প্ৰতিষ্ঠা তিথি উপলক্ষে ৩৮ সংখ্যক বাৰ্ষিক ৩২ প্ৰহৰ অখণ্ড তাৰক ব্ৰহ্ম হৰিনাম যজ্ঞ কীৰ্তন ২৪ এপ্ৰিলৰ পৰা ৰৌতা চাৰিআলি শনি মন্দিৰ ৰংগমঞ্চৰ প্ৰাংগণত উদুলি-মুদুলি পৰিৱেশৰ মাজত চলি আছে। অহা ২৮ এপ্ৰিললৈকে নীতি-নিয়মৰ মাজেৰে চলিবলগীয়া এই বিশেষ আকৰ্ষণীয় নাম-কীৰ্তনৰ দল হিচাপে কলকাতাৰ মহামায়া সম্প্ৰদায় কীৰ্তন দল, আগৰতলাৰ বাবা লোকনাথ সম্প্ৰদায়ৰ কীৰ্তন দল, আগৰতলাৰ সুৰধ্বনিত সম্প্ৰদায়ৰ কীৰ্তন দল, হোজাই ডবকাৰ পতিত পাৱন সম্প্ৰদায়ৰ কীৰ্তন দল, দিনাজপুৰৰ শিলাদিত্য সম্প্ৰদায়ৰ কীৰ্তন দল, শিলচৰৰ পৰিবাৰ সম্প্ৰদায়ৰ কীৰ্তন দল, মোলায়বাৰীৰ ৰাধাৰাণী সম্প্ৰদায়ৰ কীৰ্তন দল, নগৰবেৰাৰ বালক সম্প্ৰদায়ৰ কীৰ্তন দল আৰু কৰাইবাৰীৰ গৌৰনিতাই সম্প্ৰদায়ৰ কীৰ্তন দলে দিনে-নিশাই হৰেকৃষ্ণ , হৰেকৃষ্ণ , কৃষ্ণ কৃষ্ণ , হৰে হৰে নাম-কীৰ্তন কৰি ৰৌতা চাৰিআলি চহৰখনৰ মাজমজিয়া ধৰ্মীয় পৰিৱেশত উত্তাল হৈ পৰিছে। কাৰ্যসূচী অনুসৰি ২৩ এপ্ৰিলৰ দিনা আবেলি ৩ বজাত গংগাজল আনিবৰ বাবে শোভাযাত্ৰা উলিওৱা হয়। সেই দিনাই সন্ধিয়া ৭ বজাত অৱসৰপ্ৰাপ্ত শিক্ষক বাদল চন্দ্ৰ দে'ই কুঞ্জ উদ্বোধন কৰে । সেয়েহে ২৪ এপ্ৰিলৰ দিনা সূৰ্য উদয়ৰ পৰা নাম-কীৰ্তনৰ শুভাৰম্ভ কৰি অখণ্ডভাৱে ২৫ এপ্ৰিলত নাম কীৰ্তন চলি থকাৰ মাজতে ২৬ এপ্ৰিলৰ দিনা শনি দেৱতাৰ বছৰীয়া পূজা অনুষ্ঠিত হ'ব। সেইদৰে ২৭ এপ্ৰিলৰ দিনা অখণ্ডভাৱে নাম-কীৰ্তন চলি ২৮ এপ্ৰিলৰ দিনা পুৱা ৫ বজাত তেওঁৰ নাম-কীৰ্তনৰ সামৰণি পৰিব। ইয়াৰ পাছত এই সামৰণিৰ দিনা পুৱা ৬ বজাত নগৰ কীৰ্তন অনুষ্ঠিত হৈ যোৱাৰ পাছত দুপৰীয়া ১২ বজাত মহাপ্ৰভুৰ ভোগ আৰতি কীৰ্তন অনুষ্ঠিত কৰি দিনৰ দুই বজাত মহাপ্ৰভুৰ প্ৰসাদ বিতৰণৰ শেষত অখণ্ড নাম-কীৰ্তনৰ সামৰণি পৰিব। গতিকে মাজবাট বিধানসভা সমষ্টিৰ বিধায়ক চৰণ বড়ো আৰু বিটিএডিৰ ৰৌতা পৰিষদীয় সমষ্টিৰ পাৰিষদ নীলোৎ স্বৰ্গীয়াৰীক পৃষ্ঠপোষক হিচাপে আৰু মঙ্গল সিং বৰ্মনক সভাপতি, প্ৰত্যুষ চক্ৰৱৰ্তীক সম্পাদক আৰু বৈদ্য পাল, সুশান্ত মোদকক কোষাধ্যক্ষ আৰু বলোৰাম পাঠক, তেজবাহাদুৰ চেত্ৰীক প্ৰচাৰ সম্পাদক হিচাপে ৰখাৰ লগতে কেইবাগৰাকী বিষয়ববীয়া আৰু সদস্য-সদস্যাৰে পৰিপূৰ্ণ আদৰণি সমিতিখনে অঞ্চলটোৰ জাতি-বৰ্ণ নিৰ্বিশেষে সকলো ভক্তিপ্ৰাণ ৰাইজৰে উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

# ঘগ্ৰাপাৰৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত যুৱ ছাত্ৰ পৰিষদৰ আয়ুক্তলৈ স্মাৰক-পত্ৰ

**গণবাৰ্তা, ঘগ্ৰাপাৰ, ২৫ এপ্ৰিলঃ** নলবাৰী জিলাৰ গ্ৰাম্য চহৰ ঘগ্ৰাপাৰক বিভিন্ন সমস্যাই জুৰুলা কৰি আহিছে । ইয়াৰ ভিতৰত কিছুমান জ্বলন্ত সমস্যা সমাধানৰ দাবীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে কালি ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে নলবাৰী জিলা আয়ুক্তলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। স্মাৰক-পত্ৰত উল্লেখ কৰা দাবীসমূহ ক্ৰমে- ১) ঘগ্ৰা জান খনন কৰাৰ লগতে পূব দিশৰ মথাউৰি নিৰ্মাণ কৰি পূৰ্ণাংগ ঘগ্ৰা জান হিচাপে সংৰক্ষণ কৰা। জাবজাবকুছিত নতুনকৈ স্থাপিত উদ্যোগৰ পেলনীয়া ৰাসায়নিক দ্ৰব্য মিহলি পূতিগন্ধময় লেতেৰা পানী ঘগ্ৰাজানত পেলোৱা বন্ধ কৰি মানুহ আৰু পশুধনক বেমাৰৰ পৰা পৰিত্ৰাণ দিয়াৰ ব্যৱস্থা কৰক। ২) বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলত মাদকদ্ৰব্যৰ কবলত পৰা ধ্বংসমুখী যুৱ প্ৰজন্মক সঠিক পথলৈ ঘূৰাই অনাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰক। ৩) ঘগ্ৰাপাৰ হাইৱে চ'কৰ সমীপত জধে-মধে গাড়ী চলোৱাৰ লগতে য'ত-ত'তে গাড়ী ৰখাই সৃষ্টি কৰা যান-জঁটে ছাত্ৰ-ছাত্ৰী তথা পথচাৰী যিকোনো মুহূৰ্তত বিপদত পৰাৰ আশংকা দূৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক। ৪) ঘগ্ৰাপাৰ-তামুলপুৰ পথটি শীঘ্ৰে মেৰামতি কৰাৰ লগতে ঘগ্ৰাপাৰ হাইৱে চ'কৰ দুয়োটা কাষত ছাৰ্ভিচ লেন নিৰ্মাণ কৰাৰ উপৰি ঘগ্ৰাপাৰৰ দুয়োটা পাৰ সংযোগী পথটো নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰক। ৫) ঘগ্ৰাপাৰ-তামুলপুৰ পথৰ হাইৱে চ'কৰ পৰা পথৰ দুয়োকাষে নিৰ্মাণ কৰা নলা বিজ্ঞানসন্মতভাৱে পুনৰ নিৰ্মাণৰ ব্যৱস্থা কৰক। ৬) দূৰণিবটীয়া যাত্ৰীসকলৰ সুবিধাৰ্থে ঘগ্ৰাপাৰ হাইৱে চ'কৰ ওচৰত ৰাজহুৱা শৌচালয় নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰক। উক্ত দাবীসম্বলিত তথা সভাপতি আতিকুৰ ৰহমান, উপ- সভাপতি নৱজ্যোতি কলিতা আৰু সম্পাদক চাহিল আহমেদৰ স্বাক্ষৰিত স্মাৰক-পত্ৰখন ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে নলবাৰী জিলাৰ আয়ুক্তলৈ প্ৰেৰণ কৰে।



# কাইলৈ খামাৰপাৰাৰ ঐতিহ্যমণ্ডিত কালী মন্দিৰত বাৰ্ষিক পূজা মহোৎসৱ

**গণ বাৰ্তা,অভয়াপুৰী, ২৫ এপ্ৰিলঃ** বঙাইগাঁও জিলাৰ ঐতিহ্যমণ্ডিত খামাৰপাৰাৰ কালী মন্দিৰ প্ৰাংগনত বিগত বৰ্ষসমূহৰ দৰে এইবেলিও শ্ৰীশ্ৰী কালীদেৱীৰ পূজা-অৰ্চনাৰ আয়োজন কৰিছে । প্ৰতিবছৰৰ ব'হাগৰ অমাৱস্যা তিথিত আয়োজন কৰা পূজা মহোৎসৱখনি এইবেলি অহা ১৩ ব'হাগ (২৭ এপ্ৰিল)ৰ দিনা অনুষ্ঠিত কৰিব । পৰম্পৰা অনুসৰি আয়োজক সমিতিয়ে পূজাস্থলীত বলি-বিধানৰ ব্যৱস্থা কৰিছে । পূজা মহোৎসৱ উদ্‌যাপনৰ বাবে দ্বিপেন ৰায়ক সভাপতি আৰু হিমু ৰায়ক সম্পাদক হিচাবে লৈ সমিতি এখনো গঠন কৰিছে । উল্লেখ্য যে, ১৮৯৭ চনৰ বৰভূঁপৰ সময়ত পূজাস্থলীৰ সমীপতে থকা অতি পুৰণি বটগছ জোপা উভালি পৰে । তাৰ পাচৰ পৰাই অঞ্চলটোত অপায়-অমঙ্গলে দেখা দিয়ে । কথিত আছে যে, তেনে পৰিৱেশৰ মাজতে এদিনাখন সলোকা ৰায়ৰ পিতৃ পুৰুষে সপোনত কালীদেৱীক সাক্ষাৎ কৰে আৰু সেইমতে দেৱীৰ পৰামৰ্শমতে উভালি পৰা বটগছজোপাৰ কাষতে মন্দিৰ সাজি ৰাইজে পূজা-পাৰ্বণ কৰিবলৈ লয় । সেই সময়ৰ পৰা ব'হাগৰ নিৰ্দিষ্ট তিথিত আয়োজন কৰা কালীদেৱীৰ পূজা-অৰ্চনা প্ৰতিবছৰে উদ্‌যাপন কৰি আহিছে । এই পূজা মহোৎসৱলৈ অঞ্চলটোৰ উপৰিও সমীপবৰ্তী এলেকাৰ বহু ভক্তৰ আগমন হোৱা পৰিলক্ষিত হয় ।

# তিতাবৰৰ বৰহোলাত পঞ্চায়তৰ নিৰ্বাচনী প্ৰচাৰ সভা

**গণ বাৰ্তা, বৰহোলা, ২৫ এপ্ৰিল ঃ** তিতাবৰ সমষ্টিৰ বৰহোলা বাগান খেলপথাৰত অনুষ্ঠিত এখন বিশাল পঞ্চায়ত নিৰ্বাচনী সভাত উপস্থিত থাকে কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ বিভাগৰ কেবিনেট মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। সভাত অংশগ্ৰহণ কৰি সৰ্বানন্দ সোণোৱালে কয় যে পঞ্চায়তীৰাজৰ উদ্দেশ্য হৈছে জনসাধাৰণক শক্তিশালী কৰা। পঞ্চায়তীৰাজ ব্যৱস্থাৰ বাবেই শ্ৰমিক-কৃষকসকলকে ধৰি সমাজৰ সকলো ৰাইজে সমমৰ্যাদা আৰু সমাধিকাৰ ৰাজনৈতিক, সামাজিক শৈক্ষিক আৰু অৰ্থনৈতিকভাৱে ন্যায় পাবলৈ সক্ষম হৈছে। যোৱা দহ বছৰত বিজেপি নেতৃত্বতাধীন চৰকাৰে সততা আৰু নিষ্ঠাৰে দেশবাসীক সেৱা আগবঢ়োৱাৰ বাবে দেশ বিশ্ববাসীৰ সন্মুখত শক্তিশালী হৈছে। সমান্তৰালভাৱে ২০১৬ চনৰ পৰাই কেন্দ্ৰত এনডিএ আৰু অসমত বিজেপি মিত্ৰজোঁট চৰকাৰে অসমৰ ২৬ হাজাৰ গাঁও আৰু ১২খন চাহ বাগিচা অঞ্চল শক্তিশালী ৰূপ দিছে। যাৰ বাবে অসমৰ সকলো জাতি-জনগোষ্ঠীৰ সমবিকাশ আৰু সম উন্নয়ন সম্ভৱ হৈছে। অসমত ত্ৰয়োদশ শতিকাত স্বৰ্গদেউ চাওলুং চ্যুকাফাই সাতৰাজ মাৰি একৰাজ কৰি সকলো জনগোষ্ঠীক সমাধিকাৰ আৰু সমমৰ্যাদাৰে আগবঢ়াইছে নিছিলি সেই নীতিক অনুসৰণ কৰি একবিংশ শতিকাত বিজেপিয়ে সবকা সাথ সবকা বিকাশ আৰু সবকা বিশ্বাসৰ মন্ত্ৰৰে সাৰ্বজনীন গণতান্ত্ৰিক নীতিৰে আগবাঢ়িছে । কিন্তু ইয়াৰ বিপৰীতে কংগ্ৰেছে বিগত ৫৫ বছৰে শাসন চলায়ো ৰাইজৰ প্ৰতি থকা দলটোৰ আন্তৰিকতা প্ৰমাণ কৰিব নোৱাৰিলে। ৫৫ বছৰ কংগ্ৰেছে কেৱল ৰাইজলৈ আবণ্টন হোৱা ৰাজহুৱা ধন আত্মসাৎ কৰি নিজৰ নিজৰ পৰিয়াল শক্তিশালী কৰিলে। যাৰ বাবে দৰিদ্ৰ দৰিদ্ৰ হৈয়ে থাকিল। কংগ্ৰেছৰ দিনত হিতাধিকাৰীৰ ধন কৰাৰ বাবে আটাইতকৈ ডাঙৰ ক্ষতিগ্ৰস্ত হ'ল দৰিদ্ৰ জনতা। কিন্তু ২০১৬ চনত যেতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰত বিজেপি দলৰ চৰকাৰ গঠন হ'ল তেতিয়াৰ পৰাই দৰিদ্ৰৰ বাবে প্ৰধানমন্ত্ৰী আৱাসৰ পৰা ৰন্ধন গেছ, অৰুণোদয়, বৃদ্ধ পেন্সন, বিধৱা পেন্সন, মহিলা সবলীকৰণ তথা আয়ুষ্মান ভাৰতকে ধৰি গাঁৱে গাঁৱে পকী বাট-পথ উন্নয়ন সাধন কৰি দেশক শক্তিশালী কৰি তুলিছে। কংগ্ৰেছে ৫৫ বছৰত কৰিব নোৱাৰা কাম বিজেপিয়ে দহ বছৰ কৰিবলৈ সক্ষম হৈছে। ৰাইজলৈ অহা ধন যাতে এক পইচাও আত্মসাৎ কৰিব নোৱাৰে তাৰ বাবে ভাৰতীয় জনতা পাৰ্টী, এজিপি আৰু অন্যান্য মিত্ৰজোঁটে সংকল্প লৈছিল। যদি কোনোবাই ৰাইজলৈ অহা ৰাজহুৱা ধন আত্মসাৎ বা বিধি পথালি দিয়ে তেতিয়াহ'লে দলৰপৰা কঠোৰব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে মন্ত্ৰীগৰাকীয়ে। গতিকে উন্নয়নৰ স্বাৰ্থত ৰাইজে সমাগত পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক জয়ী কৰাবলৈ বৰহোলাবাসী ৰাইজক আহবান জনায়। যোৰহাট জিলাৰ বিজেপিৰ সম্পাদক দেৱজিৎ সোণোৱালে আঁত ধৰা অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, প্ৰাক্তন শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণ, যোৰহাট লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, অসম চৰকাৰৰ পৰ্যটন উন্নয়ন বিভাগৰ অধ্যক্ষ ৰিতুপৰ্ণ বৰুৱা, যোৰহাট জিলাৰ বিজেপিৰ সভাপতি শান্তনু পূজাৰী, হেমন্ত কলিতা, কুমুদ কছাৰীয়ে অংশগ্ৰহণ কৰে।

# শিলচৰত পেন্সনাৰ সন্থাৰ শোক প্ৰকাশ

**গণ বাৰ্তা ,শিলচৰ , ২৫ এপ্ৰিল ঃ** বৃহস্পতিবাৰে শিলচৰত চৰকাৰী পেন্সনাৰ সন্থাৰ শিলচৰ শাখাৰ কাৰ্যনিৰ্বাহক সমিতিৰ এখন বৈঠক পেন্সনাৰ ভৱনত সংগঠনটোৰ সভাপতি ৰসৰাজ দাসৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। শিলচৰ বিধানসভাৰ বিধায়ক দিপায়ন চক্ৰৱৰ্তীয়ে পেন্সনাৰ ভৱনৰ দ্বিতীয় মহলাৰ কামৰ বাবে বিধায়ক এলেকা উন্নয়ন পুঁজিৰ পৰা ৫ লাখ টকা অনুদান আগবঢ়োৱাত এই বৈঠকত বিধায়কগৰাকীক এই অনুদানৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হয়। সভাত আৰু ৫ লাখ টকা আগবঢ়াবলৈ তেখেতৰ প্ৰতি অনুৰোধ জনোৱা হয়। সভাই সমবায় বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰা ৰসিকলাল ৰুদ্ৰপাল আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰা সুৰবেন্দু পুৰকায়স্থৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। ইয়াত সংগঠনটোৰ উপদেষ্টা সাংবাদিক হাৰাণ দে' আৰু অভিজিৎ বিশ্বাসে সংগঠনটোৰ প্ৰয়াত সদস্য দুগৰাকীৰ জীৱনৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰে। সভাত উপস্থিত থকা সকলোৱে মৃতকৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা কৰি এক মিনিট মৌনতা অৱলম্বন কৰে।

# পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ইতিহাস বিভাগৰ বিষয় শিক্ষক শশী নাথক বিদায় সম্বৰ্ধনা

**গণ বাৰ্তা, ফুলনি, ২৫ এপ্ৰিলঃ** মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত অগ্ৰণী মাধ্যমিক শিক্ষাৰ অনুষ্ঠান পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় (পূৰ্বৰ কনিষ্ঠ মহাবিদ্যালয়)ৰ ইতিহাস বিভাগৰ প্ৰবক্তা শশী নাথক কালি বিদ্যালয় কৰ্তৃপক্ষই অৱসৰকালীন বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে আজি দুপৰীয়া এঘাৰ বজাত বিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্যালয়ত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে আঁত ধৰা সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নিৰণ শইকীয়াই। সভাত ১৯৯২ চনৰ পৰা পীতাম্বৰ দেৱগোস্বামী কনিষ্ঠ মহাবিদ্যালয়ত ইতিহাস বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰি ২০২৫ চনৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰা শশী নাথক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ তৰফৰ পৰা উষ্ম বিদায় সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা-পত্ৰ, চেলেং, গামোচা আৰু কিতাপৰ টোপোলা আৰু অংগবস্ত্ৰৰে ইতিহাস বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপকজনক সম্বৰ্ধনা জনোৱা হয়। প্ৰবক্তা যদু কলিতাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত অৱসৰী অধ্যাপকজনৰ পত্নী দীপালী নাথকো কৰ্তৃপক্ষই সম্বৰ্ধনা জনায়। সভাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ তৰফৰ পৰা উপাধ্যক্ষ গজেন বৰা, শিক্ষক-কৰ্মচাৰী সন্থাৰ সম্পাদক মণ্টু শৰ্মা আৰু শিক্ষয়িত্ৰী বিজু দেৱীয়ে শশী নাথৰ জীৱন আৰু কৰ্মৰাজিৰ মূল্যায়ন কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত প্ৰবক্তা জয়ন্ত বৰুৱায়ো শশী নাথক সম্বৰ্ধনা জনায়। সভাত সভাপতিত্ব কৰা নিৰণ শইকীয়াই শশী নাথৰ ভৱিষ্যৎ জীৱনলৈ শুভেচ্ছা জনায় আৰু বিদ্যালয়খনত অৱসৰৰ পাছতো পুনৰ পাঠদান কৰিবলৈ আহ্বান জনায়। উক্ত, সভাত সম্বৰ্ধনা গ্ৰহণ কৰি অৱসৰী শিক্ষক শশী নাথে তেওঁৰ কৰ্মজীৱনৰ নিৰ্মোহ বিশ্লেষণ দাঙি ধৰে আৰু অনুষ্ঠানত তেওঁক সম্বৰ্ধনা জনোৱা বাবে বিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে বিদ্যালয়ৰ উপাধ্যক্ষ গজেন বৰাই। উক্ত সম্বৰ্ধনা অনুষ্ঠানত বিদ্যালয়ৰ সকলো শিক্ষক - কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

# আজি দৰঙ্গীপাৰা উদীয়মান যুৱক গোষ্ঠীৰ সৌজন্যত চতুৰ্দশ কৰ্ষিক ৰঙালী বিহু

**গণ বাৰ্তা, মুকালমুৱা, ২৫ এপ্ৰিল ঃ** নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত দৰঙ্গীপাৰা উদীয়মান যুৱক গোষ্ঠীৰ সৌজন্যত কাইলৈ দৰংগীপাৰা প্ৰাথমিক বিদ্যালয় খেল পথাৰত চতুৰ্দশ বাৰ্ষিক ৰঙালী বিহু উদ্‌যাপনৰ ব্যাপক আয়োজন কৰিছে। ৰঙালী বিহু সন্মিলনখন সাফল্য মণ্ডিত কৰিবলৈ বিশিষ্ট সমাজ কৰ্মী ৰমেন ডেকাক সভাপতি বিদ্যুৎ কলিতা, জিতুমণি ডেকা আৰু নয়নমণি ডেকাক উপ- সভাপতি, দুৰ্গেশ্বৰ ডেকাক কাৰ্যকৰী সভাপতি, ৰুবুল কৈৱৰ্তক মুখ্য সম্পাদক, নিতুমণি ডেকা আৰু ত্ৰিদেৱ ডেকাক সহঃ সম্পাদক, প্ৰভাত ডেকা আৰু কমল ডেকাক সাংস্কৃতিক সম্পাদক, প্ৰাঞ্জল ডেকা, কৃতাৰ্থ ডেকা আৰু ৰিতুমণি ডেকাক কোষাধ্যক্ষ হিচাপে লৈ এখন বৃহৎ ৰঙালী বিহু উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যক্ৰমণিকা অনুসৰি ২৬ এপ্ৰিল শনিবাৰে পুৱা পতাকা উত্তোলন কৰিব সভাপতি ৰমেন ডেকাই। ৮ বজাত গছপুলি ৰোপণ কৰিব ক্ৰমে— ৰমেন তালুকদাৰ, শৰৎ ডেকা, গন্ধোৰাম ডেকা, ভৱেশ কলিতা, জীয় বড়ো, কষ্ণ দাস, কবিজন কৈৱৰ্ত, হৰি কলিতা, ৰঞ্জিত ডেকা, মকছেদ আলীয়ে। ৮.৩০ বজাত শ্বহীদ তৰ্পণ, তৰ্পক বিশিষ্ট সাংবাদিক কনক কলিতা, ৯ বজাত বিহুৰ পতাকা উত্তোলন কৰিব কাৰ্যকৰী সভাপতি দুৰ্গেশ্বৰ ডেকাই। ১০ বজাত ভেশছন প্ৰতিযোগিতা, ১১ বজাত চিত্ৰাংকন প্ৰতিযোগিতা ১২ বজাত কুইজ প্ৰতিযোগিতা। ৭ বজাত বিহুৰ বাকৰি মুকলি।

# জম্মু-কাশ্মীৰৰ পেহলগামত সংঘটিত নাৰকীয় ঘটনাক লৈ হাজোত পথ অৱৰোধ হিন্দু জাগৰণ মঞ্চৰ

**গণ বাৰ্তা বিশেষ হাজো, ২৫ এপ্ৰিল ঃ** জম্মু কাশ্মীৰৰ পেহেলগামত সংঘটিত নাৰকীয় ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ দেশতে প্ৰতিবাদৰ জোৱাৰ অব্যাহত থকাৰ সময়তে কালি হাজোতো হিন্দু জাগৰণ মঞ্চ, উত্তৰ কামৰূপে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। কালি সন্ধিয়া হিন্দু জাগৰণ মঞ্চৰ উত্তৰ কামৰূপৰ সংযোজক ৰঞ্জিত দাস আৰু সহঃ সংযোজক টংকেশ্বৰ ডেকাৰ নেতৃত্বত শতাধিক কৰ্মীয়ে হাতে হাতে বেনাৰ ফেষ্টুন লৈ হাজোৰ পাখামেলা চ'কত সমবেত হৈ পাকিস্তান মুৰ্দাবাদ, হিন্দু হত্যা বন্ধ কৰা, সন্ত্ৰাসবাদ নিপাত যাওক আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলাৰ লগতে পথৰ ওপৰত পাকিস্তানৰ পতাকা আৰু সন্ত্ৰাসবাদীৰ প্ৰতিমূৰ্তি জ্বলাই হাজো-গুৱাহাটী পথটো কিছু সময়ৰ বাবে অৱৰোধ কৰি ৰাখে। প্ৰতিবাদ স্থলীত উপস্থিত হোৱা হাজো আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ লোকসকলে পথত জ্বলি থকা জুই নিৰ্বাপিত কৰাৰ লগতে প্ৰতিবাদস্থলীত উপস্থিত হোৱা হাজো ৰাজহ চক্ৰৰ সংলগ্ন চক্ৰ বিষয়া কৃষ্ণকমল চহৰীয়া আৰু হাজোৰ আৰক্ষী পৰিদৰ্শক ৰূপম হাজৰিকাই প্ৰতিবাদকাৰীসকলক সান্ত্বনা দিয়াতহে পথ অৱৰোধ কাৰ্যসূচী প্ৰত্যাহাৰ কৰে।

# ধুবুৰী গাছপাৰাত এআইইউডিএফ দলৰ নিৰ্বাচনী কাৰ্যালয়ৰ শুভ উদ্বোধন


**গণ বাৰ্তা, ধুবুৰী, ২৫ এপ্ৰিলঃ** ধুবুৰী সদৰ সমষ্টিৰ গাছপাৰা জিলা পৰিষদ সমষ্টি এলেকাৰ গাছপাৰা বজাৰত এআইইউডিএফ দলৰ নিৰ্বাচনী কাৰ্যালয়ৰ শুভাৰম্ভ কৰে দলটোৰ সমষ্টি কমিটীৰ কাৰ্যকৰী সভাপতি গুলজাৰ আলী, আঞ্চলিক কমিটীৰ সভাপতি ছহিদুৰ সৰকাৰ, গাছপাৰা আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ এআইইউডিএফ দলৰ মনোনীত প্ৰাৰ্থী ছপিয়ৰ ৰহমানৰ উপস্থিতিত স্থানীয় মুৰব্বী সকলৰ জৰিয়তে নিৰ্বাচনী কাৰ্যালয়টোৰ ৰঙাফিতা কাটি শুভাৰম্ভ কৰে। এআইইউডিএফ দলৰ গাছপাৰা জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থী নাজিম উদ্দিন সেখ আৰু আঞ্চলিকপঞ্চায়তৰ সদস্যপদৰপ্ৰাৰ্থী ছুপিয়ৰ ৰহমানৰ হৈ নিৰ্বাচনী প্ৰচাৰত নিজৰ ভাষণ প্ৰসংগত কংগ্ৰেছপ্ৰাৰ্থীক সমালোচনা কৰে এআইইউডিএফ দলৰ নেতা-কৰ্মীসকলে। উল্লেখ যোগ্য যে প্ৰতিটো ৰাজনৈতিক দলৰ লগতে এআইইউডিএফ দলৰ নিৰ্বাচনী প্ৰচাৰ তুংগত কৰি তুলিছে।

# অভয়াপুৰীৰ চাৰিপুনীয়াত ৰঙালী বিহু

**গণ বাৰ্তা, অভয়াপুৰী, ২৫ এপ্ৰিলঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাৰ অন্তৰ্গত চাৰিপুনীয়া আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানখন ২৯ এপ্ৰিলৰ সন্ধিয়া অনুষ্ঠিত হ'ব। পানীন্দ্ৰ সূত্ৰধৰক সভাপতি আৰু সঞ্জয় সূত্ৰধৰক সম্পাদক হিচাপে লৈ গঠন কৰা উদ্‌যাপন সমিতিয়ে জানিবলৈ দিয়া মতে, তিনিদিনীয়াকৈ আয়োজন কৰা ৰঙালী বিহুৰ সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী মূৰ্চনা দাস, ভাৰ্গৱসহ কে'বাগৰাকী আমন্ত্ৰিত শিল্পীয়ে গীত-মাত পৰিৱেশন কৰিব। সিদিনাই আবেলি অনুষ্ঠিত হ'ব মুকলি বিহুপ্ৰদৰ্শনী। অনুষ্ঠানত স্থানীয় বিহুৱা দলে অংশ ল'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে।

# ক্ৰ'নিক ছাবডিউৰেল হেমাট'মা,নিউৰ ইণ্টাৰভেনচন বিষয়ত জিএনাৰচি হাস্পতালত আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা

**গুৱাহাটী, ২৫ এপ্ৰিলঃ** উত্তৰ-পূৰ্বাঞ্চলৰ আগশাৰীৰ চিকিৎসা প্ৰতিষ্ঠান আৰু ব্যয়সাধ্য উচ্চ মানসম্পন্ন স্বাস্থ্য সেৱাৰ বাটকটীয়া জিএনআৰচি হাস্পতালৰ দিছপুৰ চৌহদত আজি ক্ৰ'নিক ছাবডিউবেল হেমাট'মা আৰু নিউব'ইণ্টাৰভেনচন বিষয়ত দিনজোৰা কাৰ্যসূচীৰে এখন আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা আৰু আলোচনা-চক্ৰৰ আয়োজন কৰা হয়। বল্ট গ্ৰুপৰ সহযোগত এই অনুষ্ঠানৱ আয়োজন কৰা হৈছিল। জিএনআৰচি হাস্পতালৰ দিছপুৰ চৌহদত অনুষ্ঠিত নিউৰ ভাজকুলাৰ কেথলেবত কৰ্মশালাগন অনুষ্ঠিত হয়। বৰ্তমান সময়ত ক্ৰ'নিক চাবডিউৰেল হেমাট'মা (cSDH) ৱ চিকিৎসাৱ ক্ষেত্ৰত মিডিল মেনিনজিয়েল আৰ্টেনী (MMA) ৱ এম্ব'লাইজেশন সমন্বিতে অন্যান্য অত্যাধুনিক কৌশলসমূহৰ বিষয়েও ইয়াত আলোচনা কৰা হয়। আনহাতে, সন্ধিয়া অনুষ্ঠিত হোৱা কৰ্মশালাখনত অসমৰ কেইবাগৰাকীও বিশিষ্ট চিকিৎসক সমন্বিতে উত্তৰ-পূৰ্বাঞ্চলৰ শতাধিক চিকিৎসকে অংশগ্ৰহণ কৰে। স্পেইনৰ মাদ্ৰিদৰ ক্লিনিক' চান কালোছৰ সহযোগী অধ্যাপক ডাঃ মেনুবেল মৰিইউ গামাজ' আজিৰ এই অনুষ্ঠানত মুখ্য সমল ব্যক্তিৰূপে উপস্থিত থাকে। জিএনআবচি হাস্পতালৰ ইণ্টাৰভেনশনেল বেডিঅ'লজী বিভাগৰ মুখ্য পৰামৰ্শদাতা ডাঃ ফিৰদৌছ আহমেদ, স্নায়ুশলা বিভাগৰ জ্যেষ্ঠ পৰামৰ্শদাতা ডাঃ নৱজ্যোতি বৰা আৰু নিউৰ' এনাস্থেছিয়া বিভাগৰ ডাঃ আবু শাহিদ বিয়াজে আলোচনাচক্ৰখনত ক্ৰনিক চাবডিউবেল হেমাট'মা (cSDH) ৱ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। উল্লেখযোগ্য যে ২০১১ চনত জিএনআবচি হাস্পতালৰ দিছপুৰ চৌহদত ইণ্টাৰভেনশ্বনেল ৰেডিঅ'লজী বিভাগ ৰাইজৰ বাবে মুকলি কৰা হয়। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত ইণ্টাৰভেনশনেল বেডিআলজী চিকিৎসাৰ ক্ষেত্ৰত জিএনআৰচি হাস্পতাল বাটকটীয়া আৰু পথ প্ৰদৰ্শক। যোৱা ১৪ বছৰে ৯৯ শতাংশ সফলতাৰে এই বিভাগত বিভিন্ন এণ্ড ভাছকুলাৰ চিকিৎসা প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে। ডাঃ ফিবদৌছ আহমেদন তত্ত্বাবধানত বিশেষজ্ঞ আৰু দক্ষ এক চিকিৎসক আৰু সহযোগীৰ সহায়ত প্ৰতিবছৰে ১০০০তকৈ অধিক ৰোগীক বহিৰ্বিভাগত আৰু প্ৰায় ৭০০ ৰোগীক কেখলেবত চিকিৎসা সেৱা আগবঢ়োৱা হয়। দিনৰ ভাগত অনুষ্ঠিত হোৱা এক সংবাদ মেলত উপস্থিত সংবাদ মাধ্যমৰ প্ৰতিনিধিবৃন্দক সম্বোধি ডাঃ ফিৰদৌছ আহমেদে কয়- "উন্নত চিকিৎসা সেৱাৰ বিকাশৰ ক্ষেত্ৰত এনেধৰণৰ অনুষ্ঠানৱ যথেষ্ট গুৰুত্ব আছে। শেহতীয়া চিকিৎসা বিধি, কাৰিকৰী কৌশল আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰেৰে ৰোগীক উন্নত চিকিৎসা প্ৰদানৰ উদ্দেশ্যে তথা চিকিৎসকসকলৰ মাজত জ্ঞানৰ বিনিময়ৰ হেতু অনাগত ভৱিষ্যতে আৰু অধিক এনেধৰণৰ অনুষ্ঠানৱ আয়োজন কৰা হ'ব। এই কাৰ্যসূচীসমূহে চিকিৎসকসকলক অত্যাধুনিক প্ৰযুক্তিৰ বিষয়ে অৱগত হৈ থকাত সহায় কৰাই নহয়, জিএনআৰচি চিকিৎসালয়সমূহত তেওঁলোকৰ পেছাদাৰী সহকৰ্মীসকলৰ পৰাও শিকাৰ সুযোগ দিয়ে। এই কৰ্মশালা আৰু আলোচনা-চক্ৰখনৰ জৰিয়তে উন্নতমানৰ চিকিৎসা সেৱাৰ লগতে চিকিৎসা সেৱাৰ শৈক্ষিক ক্ষেত্ৰতো নিজৰ অবিৰত অৰিহণা জিএনআৰচি হাস্পতালে পুনৰবাৰ প্ৰতিপন্ন কৰিলে।




# বৰদৌলগুৰি-দুমুনিচকী জিলা পৰিষদ সমষ্টিৰ অগপ প্ৰাৰ্থী চণ্ডীচৰণ চৌধুৰীৰ ব্যাপক প্ৰচাৰাভিযান

**গণ বাৰ্তা, ছিপাঝাৰ, ২৫ এপ্ৰিল ঃ** দৰঙৰ ছিপাঝাৰত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰাভিযান ক্ৰমাৎ তুংগত উঠিছে। কালিৰ দিনটোলৈ সমষ্টিটোত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ প্ৰচাৰাভিযানে খদমদম লগাই তোলা পৰিলক্ষিত হৈছে। সমষ্টিটোৰ চাৰি জিলা পৰিষদ সমষ্টিৰ বৰদৌলগুৰি-দুমুনিচকী জিলা পৰিষদ সমষ্টিত অগপ তথা বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী, যুৱ সমাজকৰ্মী চণ্ডীচৰণ চৌধুৰী জিলা পৰিষদ সমষ্টিটোত নিজৰ প্ৰচাৰ জোৰদাৰ কৰি তুলিছে। কালি পুৱা দুৱৰীপাৰাত কেইবাশতাধিক পুৰুষ-মহিলাৰ উপস্থিতিত নিৰ্বাচনী প্ৰচাৰ সভা এখনত উপস্থিত থাকি প্ৰাৰ্থীগৰাকীয়ে ৰাইজৰ বাবে বিজেপি চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ ওপৰত বিশ্বাসযোগ্য বক্তব্য ৰাখি বিশ্বাস আৰু আস্থাৰে ৰাইজ মিত্ৰজোঁটৰ সমৰ্থনত মুকলিভাৱে ওলাই আহিছে বুলি উল্লেখ কৰে। পঞ্চায়ত নিৰ্বাচনত বৰদৌলগুৰি-দুমুনিচকী জিলা পৰিষদ সমষ্টিত তেওঁ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বুলি উল্লেখ কৰি কংগ্ৰেছ প্ৰাৰ্থীৰ লগত প্ৰতিদ্বন্দ্বিতা হ'ব যদিও এই নিৰ্বাচনত তেওঁ অপ্ৰতিৰোধ্য বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। ধৰ্মেশ্বৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত প্ৰচাৰ সভাত বিজেপি নেতা কুলদীপ বৰুৱা, ধীৰেন্দ্ৰ ডেকা, অমূল্য দাস, ছিপাঝাৰৰ পৌৰপতি পিনাক্ষী শৰ্মায়ো চমু বক্তব্য আগবঢ়ায়। ইয়াৰ পিছত জিলা পৰিষদ সমষ্টিটোৰ ব্যাসপাৰা গাঁও পঞ্চায়ত এলেকাত আন দুখন নিৰ্বাচনী প্ৰচাৰ সভাতো অংশগ্ৰহণ কৰে। প্ৰাৰ্থীগৰাকীয়ে এই দুখন প্ৰচাৰ সভাতো ৰাইজৰ উপস্থিতি যথেষ্ট হোৱাত উৎসাহিত হৈ পৰা বুলি প্ৰকাশ।

# ভাৰতৰ প্ৰথম আই আৰ পৰিকল্পনা উন্মোচন

**গুৱাহাটী,২৫ এপ্ৰিলঃ** ভাৰতী এয়াৰটেলে আন্তঃৰাষ্ট্ৰীয় ৰ'মিং পৰ্টফ'লিঅ'ত নতুন পৰিকল্পনা ঘোষণা কৰিছে, যিয়ে গ্ৰাহকসকলৰ বাবে সেৱাসমূহ অধিক সহজ, সুলভ আৰু সম্পূৰ্ণৰূপে সুবিধাজনক কৰি তুলিব। কোম্পানীটোৱে ১৮৯ খন দেশত আনলিমিটেড ডাটাৰ সুবিধা দিয়া ভাৰতৰ প্ৰথম আনলিমিটেড আন্তঃৰাষ্ট্ৰীয় ৰ'মিং পৰিকল্পনা উন্মোচন কৰিছে। ইয়াৰ উপৰি প্ৰবাসী ভাৰতীয়ৰ বাবে এয়াৰটেলে এবছৰৰ বৈধতাৰে ৪০০০ টকাৰ এক ৰিচাৰ্জ প্লেনো আৰম্ভ কৰে। এই পৰিকল্পনাই 5GB ডাটা আৰু ১০০ ভয়চ মিনিট প্ৰদান কৰে যি বিদেশত ব্যৱহাৰ কৰিব পৰা যায় আৰু ভাৰতত গ্ৰাহকে একে পৰিকল্পনা ব্যৱহাৰ কৰি প্ৰতিদিন 1.5GB ডাটা আৰু আনলিমিটেড কল সুবিধা লাভ কৰিব। এই পৰিকল্পনাই গ্ৰাহকক ১৮৯ খন দেশৰ যিকোনো ঠাইতে সুবিধাজনক কানেঁ'ভিটি অভিজ্ঞতা প্ৰদান কৰে আৰু ভাৰতত থকাৰ সময়ত পৃথক ৰিচাৰ্জ নকৰাকৈ একে নম্বৰ ব্যৱহাৰ পাৰে। সিদ্ধাৰ্থ শৰ্মা, ভাৰতী এয়াৰটেলৰ বিপণন সঞ্চালক তথা চিইঅ' — কানেক্টেড হোমছে কয় যে 'এয়াৰটেলত আমি আমাৰ গ্ৰাহকসকলৰ জীৱন সহজ কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ আৰু তেওঁলোকৰ বাবে অধিক মূল্য আৰু সুবিধা আগবঢ়াবলৈ সংকল্পিত। আমি আমাৰ আন্তঃৰাষ্ট্ৰীয় ৰ'মিং পৰিকল্পনাবোৰ উল্লেখযোগ্যভাৱে সহজ কৰা হৈছে, যি প্ৰকৃততে আমাৰ গ্ৰাহকসকলৰ বাবে মূল্য প্ৰস্তাৱ পুনৰ সংজ্ঞায়িত কৰিব আৰু বিশ্বৰ বিভিন্ন ঠাইত ৰ'মিং কৰি ডাটা আৰু ভয়চ স্ফূৰ্তিতভাৱে ব্যৱহাৰ কৰিবলৈ গ্ৰাহকক স্বাধীনতা দিব। 'গ্ৰাহকসকলে এনে পৰিকল্পনাৰ সৈতে অন্যান্য আন্তঃৰাষ্ট্ৰীয় ৰ'মিং সুবিধাসমূহ উপভোগ কৰি থাকিব যিবোৰৰ ভিতৰত আছে, বিমানৰ ভিতৰত সংযোগ, বহিঃৰাজ্যত অৱতৰণ কৰাৰ সময়ত সেৱাসমূহৰ অটো সক্ৰিয়কৰণ ।২৪x৭ কণ্টা চেণ্টাৰ সমৰ্থন, ১৮৯ খন দেশ ভ্ৰমণৰ বাবে এটা পৰিকল্পনা। কোনটো পেক নিৰ্বাচন কৰিব সেই লৈ কোনো বিভ্ৰান্তি নাই, বহু দেশ বা স্থানান্তৰ বিমানবন্দৰত একাধিক পেক লোৱাৰ প্ৰয়োজন নাই। নিয়মীয়া ভ্ৰমণকাৰীসকলৰ বাবে অটো ৰিনিউৱেল সুবিধা উপলব্ধ।

# পেহেলমগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহতৰ বিদেহ আত্মাৰ সদগতি কামনাৰে মৰিগাঁও আমছুৰ বন্তি প্ৰজ্বলন

**গণ বাৰ্তা, ভুৰাগাঁও, ২৫ এপ্ৰিল ঃ** ভূ-স্বৰ্গখ্যাত কাশ্মীৰৰ পেহেলমগামৰ ঘটনাই সমগ্ৰ বিশ্ব জোকাৰি গৈছে। অতি নৃশংসতাৰে সন্ত্ৰাসবাদীয়ে প্ৰাণ লৈছিল ২৭ জনকৈ নিৰীহ পৰ্যটকৰ। সমগ্ৰ দেশ আজি শোকত ম্ৰিয়মাণ। পেহেলমগামৰ এই নৃশংস হত্যাকাণ্ডত প্ৰাণ হেৰুওৱাসকলৰ বিদেহ আত্মাৰ সদগতি আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰি সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন, চমুকৈ আমছুৰ মৰিগাঁও জিলা সমিতিয়ে বুধবাৰে সন্ধিয়া ৭ বজাত লাহৰীঘাট বজাৰৰ মাজ মজিয়াত বন্তি প্ৰজ্বলন আৰু ন্যায় বিচাৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য, ২২ এপ্ৰিলত ভূ-স্বৰ্গ হিচাপে খ্যাত কাশ্মীৰৰ পেহেলমগামত পাকিস্তানী সন্ত্ৰাসবাদীয়ে নৃশংস, বৰ্বৰভাৱে ২৭ গৰাকীকৈ নিৰীহ ভাৰতীয়ৰ প্ৰাণ কাঢ়ি লৈছিল। এই নৃশংস, বৰ্বৰ ঘটনাক সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি অধিবক্তা হাৰুন অল ৰশ্বিদে তীব্ৰ ভাষাৰে নিন্দা জনোৱাৰ লগতে সন্ত্ৰাসবাদীক পুলিয়ে-পখাই নিঃশেষ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে।




# বাঘমাৰাচৰ জিলা পৰিষদ সমষ্টিত কংগ্ৰেছৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ

**গণ বাৰ্তা, নগৰবেৰা, ২৫ এপ্ৰিল ঃ** আগন্তুক ৭ মে'ত অনুষ্ঠিত হ'বলগা ৰাজ্যৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে নিজৰ নিজৰ দলৰ প্ৰাৰ্থীসকলক জিকাই অনাৰ উদ্দেশ্য ব্যাপকভাৱে নিৰ্বাচনী প্ৰচাৰ অভিযান চলাই নিৰ্বাচনী বতাহ গৰম কৰি তোলা পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ১৬নং বাঘমাৰা জিলা পৰিষদ সমষ্টিতো প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বাঘমাৰা জিলা পৰিষদ সমষ্টিত কংগ্ৰেছ, এ, আই ইউ ডি এফৰ লগতে মিত্ৰজোঁটৰ প্ৰাৰ্থী গৰাকীয়েও নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। জানিব পৰা মতে, বাঘমাৰাচৰ গাঁও পঞ্চায়ত, ধৰ্মপুৰ ভাতনাপাইতি গাঁও পঞ্চায়ত, কদমতোলা গাঁও পঞ্চায়ত, উজিৰৰচৰ গাঁও পঞ্চায়ত আৰু ৰামাপৰা গাঁও পঞ্চায়ত মিলি নতুনকৈ গঠন হোৱা বাঘমাৰা জিলা পৰিষদ সমষ্টিত মুঠ ৪৬,৬৮২টা ভোট আছে। সংশ্লিষ্ট প্ৰতিটো গাঁও পঞ্চায়তত ভোটাৰ ৰাইজৰ ঘৰে ঘৰে গৈ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী আকলিমা খাতুনে দলীয় কৰ্মী সমৰ্থকসকলক লগত লৈ ব্যাপকভাৱে নিৰ্বাচনী প্ৰচাৰ অভিযান চলাই ৰাইজৰ পৰা বিপুল সঁহাৰি লাভ কৰা পৰিলক্ষিত হৈছে। যুৱ চামৰ পৰাও ব্যাপকভাৱে সঁহাৰি লাভ কৰা কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী আকলিমা খাতুনে দিন-ৰাতি একাকাৰ কৰি ভোটাৰ ৰাইজৰ কাষ চাপি সমৰ্থন লাভ কৰি এআই ইউ ডি এফৰ প্ৰাৰ্থী কহিনুৰ বেগমক তীব্ৰ প্ৰত্যাহ্বান জনাবলৈ সক্ষম হৈছে। ইপিনে সংশ্লিষ্ট জিলা পৰিষদ সমষ্টিত এআই ইউ ডি এফৰ মনোনীত প্ৰাৰ্থী কহিনুৰ বেগমেও উল্লিখিত পাঁচখন গাঁও পঞ্চায়তে ঘূৰা-ফুৰা কৰি নিৰ্বাচনী প্ৰচাৰ চলাই ভোটাৰক আকৰ্ষিত কৰিবলৈ চেষ্টা কৰিলেও ভোটাৰ ৰাইজৰ পৰা আশা কৰা মতে সঁহাৰি লাভ কৰিবলৈ সক্ষম হোৱা নাই। জানিব পৰা মতে, সংশ্লিষ্ট জিলা পৰিষদ সমষ্টিত পাঁচখন গাঁও পঞ্চায়তৰ ভিতৰত ৰামাপৰা আৰু কদমতোলাত গাঁও পঞ্চায়তত এআই ইউ ডি এফৰ প্ৰভাৱ আছে আৰু বাকী তিনিখন গাঁও পঞ্চায়তত কংগ্ৰেছৰ শক্তিশালী স্থিতি আছে। কংগ্ৰেছৰ তীব্ৰ প্ৰচাৰ অভিযানে এআই ইউ ডি এফৰ দুৰ্গ খহাবলৈ কংগ্ৰেছ প্ৰাৰ্থী আকলিমা খাতুনে সক্ষম হৈছে। আনহাতে মিত্ৰজোঁটৰ জিলা পৰিষদৰ প্ৰাৰ্থী ছিমিনা আকতাৰে সংশ্লিষ্ট জিলা পৰিষদ সমষ্টিত প্ৰচাৰ চলালেও ভোটাৰ ৰাইজে তাইক সহজভাৱে গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। কাৰণ ৯৯ শতাংশ সংখ্যালঘু সম্প্ৰদায়ৰ ভোটাৰ ৰাইজৰ মাজত মিত্ৰজোঁটৰ প্ৰাৰ্থী ছিমিনা আকতাৰে আজিৰ তাৰিখপৰ্যন্ত কোনো প্ৰভাৱ পেলাবলৈ সক্ষম হোৱা নাই। সম্প্ৰতি নিৰ্বাচনী দৃশ্যপট ফুটি উঠা নাই যদিও প্ৰচাৰৰ ক্ষেত্ৰত কংগ্ৰেছ এখোজ আগুৱাই আছে। এনে পৰিস্থিতিত সংশ্লিষ্ট জিলা পৰিষদ সমষ্টিটোত কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ প্ৰাৰ্থীৰ মাজতে মূল নিৰ্বাচনী যুঁজ হ'ব বুলি সচেতন মহলে ধাৰণা কৰিছে।

# সংখ্যালঘু অঞ্চলত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

**গণ বাৰ্তা, সোণতলী, ২৫ এপ্ৰিল ঃ** পঞ্চায়ত নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে, সিমানেই শাসক-বিৰোধী প্ৰতিটো ৰাজনৈতিক দলেই দিনে-নিশাই নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তোলা পৰিলক্ষিত হৈছে। সংখ্যালঘু অঞ্চলত বিজেপি দলে নিৰ্বাচনী প্ৰচাৰ উতপ্ত কৰি তুলিছে। কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ বিভিন্ন এলেকাত, সংখ্যালঘু ভোটাৰ মাজত বিজেপিৰ কাৰ্যকৰ্তাসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তোলা পৰিলক্ষিত হৈছে। দক্ষিণ কামৰূপ জিলা বিজেপি সভাপতি অঞ্জন গোস্বামী আৰু ছমৰীয়া-সোণতলী মণ্ডল বিজেপিৰ সভাপতি আমিন মইদুল ইছলামে কালি এক বৃহৎ বাইক ৰেলীৰে সমষ্টিটোৰ বিভিন্ন এলেকাত প্ৰচাৰকাৰ্য চলাই থকা দেখা যায়। ছমৰীয়া সমষ্টিৰ অন্তৰ্গত ১নং মাহতলী জিলা পৰিষদৰ মিত্ৰদল অগপৰ মনোনীত প্ৰাৰ্থী মহিবুল হক আৰু ২নং সোণতলী-টুপামাৰী জিলা পৰিষদৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী হামিদা আহমেদৰ লগতে আঞ্চলিক সদস্য.-সদস্যা প্ৰাৰ্থীসকলক লৈ দিনজোৰা নিৰ্বাচনী প্ৰচাৰ চলাই। ইপিনে বিয়লি ৰাংগাপানী বজাৰস্থিত কাৰ্যালয় প্ৰাংগণত আমিন মইদুল ইছলামৰ সঞ্চালনত অনুষ্টুপীয়াকৈ সভা অনুষ্ঠিত কৰে। সভাত দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি অঞ্জন গোস্বামী সংখ্যালঘু ভোটাৰ ৰাইজক সোতৰ বিপৰীতে নগৈ বিজেপি প্ৰাৰ্থীক ভোট প্ৰদানৰ আহ্বান জনায়। সংখ্যালঘু অঞ্চলত বিজেপি প্ৰাৰ্থীক জয়ী কৰালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে পঞ্চায়ত মন্ত্ৰী ৰঞ্জিত দাসৰ হতুৱাই এই অঞ্চলত বহুতো উন্নয়নমূলক কাম কৰি দিয়াৰ আশ্বাস প্ৰদান কৰে জিলা সভাপতিগৰাকীয়ে। তদুপৰি আগন্তুক নিৰ্বাচনত সংখ্যালঘু অধ্যুষিত ছমৰীয়া সমষ্টি এন ডি এৰ দখলত যাব বুলি মন্তব্য কৰাৰ লগতে ডাবল ইঞ্জিনৰ চৰকাৰক সকলোৱে ৰাইজে আদৰি লৈছে বুলিও অঞ্জন গোস্বামীয়ে মন্তব্য কৰে। উক্ত নিৰ্বাচনী প্ৰচাৰকাৰ্যত ছমৰীয়া সমষ্টিৰ প্ৰভাৰী জোছনা কলিতা, সহকাৰী প্ৰভাৰী মতিউৰ ৰহমান, দক্ষিণ কামৰূপ জিলা সম্পাদক কৌশল দাস, ৰাজ্যিক কাউন্সিলাৰ সদস্য আব্দুল মান্নাফ চৌধুৰী, ছমৰীয়া-সোণতলী যুৱ মৰ্চাৰ সভাপতি মনিৰুল ইছলাম, সাধাৰণ সম্পাদক দ্বয়-আব্দুছ ছালাম মণ্ডল, ছব্বুৰ উদ্দিন, গৰৈমাৰী মণ্ডল সভানেত্ৰী নীলিমা কলিতা, বিজেপি দলৰ সোণতলী-টুপামাৰী জিলা পৰিষদৰ মনোনীত সদস্যা হামিদ আহমেদ, ১নং মাহতলী জিলা পৰিষদৰ সদস্য মহিবুল হকৰ লগতে কেইবাগৰাকী আঞ্চলিকৰ প্ৰাৰ্থী উপস্থিত থাকে।



# গোৱালপাৰাৰ তাৰাইবাৰীত ৰেড লেডী অমিতা পুলি ৰোপণৰ শুভাৰম্ভ

**গণ বাৰ্তা, মাটিয়া, ২৫ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ বৰদামাল কৃষি উন্নয়ন চক্ৰৰ অন্তৰ্গত তাৰাইবাৰীত ৰেড লেডী অমিতা পুলি ৰোপণৰ আজি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে গোৱালপাৰা জিলা কৃষি বিষয়া দীপক কুমাৰ পাঠক আৰু ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ দাৰিদুৰী সমষ্টিৰ সদস্যা জোনালী ৰাভাই। উল্লেখ্য, দাৰিদুৰী কৃষি সম্প্ৰসাৰণ সহায়ক এলেকাৰ তাৰাইবাৰী ৰাজহ গাঁৱৰ প্ৰায় ৮ বিঘা মাটিত এইবেলি ৰেড লেডী অমিতা পুলি ৰোপণৰ পৰিকল্পনা কৰা হৈছে। সহকাৰী কৃষি পৰিদৰ্শক আতোৱাৰ ৰহমানে পৰিচালনা কৰা উক্ত ৰোপণ কাৰ্যসূচীত কৃষি পৰিদৰ্শক বিষ্ণু কলিতাৰ লগতে অমিতা খেতি কৰিবলৈ লোৱা গোটৰ সদস্য ক্ৰমে দেৱাশিস ৰাভা, নয়ন ৰাভা, ৰুদ্ৰ ৰাভা আন আন সদস্য কল উপস্থিত থাকে। অনুষ্ঠানত ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ সদস্যা জোনালী ৰাভাই ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ ফালৰ পৰা তাৰা পাম্প আৰু অমিতা খেতি কৰাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰাৰ আশ্বাস প্ৰদান কৰে । সভাত সহকাৰী কৃষি পৰিদৰ্শক আতোৱাৰ ৰহমানে জৈৱিক কৃষিৰ প্ৰচাৰ ও প্ৰসাৰৰ বাবে কৃষকসকলক আহ্বান জনায়।

## গৰৈমাৰীত কংগ্ৰেছ দলৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**গণ বাৰ্তা, গৰৈমাৰী,২৫ এপ্ৰিল ঃ** ৰাজ্যত এতিয়া তীব্ৰতৰ হৈছে পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলৰ হৈ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি জোৰদাৰ নিৰ্বাচনী যুঁজত নামি পৰিছে প্ৰতিটো ৰাজনৈতিক দলৰ নেতা-কৰ্মীসকলে। দক্ষিণ কামৰূপ জিলাৰ ২৭ নম্বৰ ছমৰীয়া বিধানসভা সমষ্টিতো বলিছে পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ। আজি আবেলি গৰৈমাৰী উন্নয়ন খণ্ডৰ অধীনস্থ জোৰশিমুলী বজাৰত জোৰশিমুলী গাঁও পঞ্চায়তৰ কংগ্ৰেছ দলৰ আঞ্চলিক সদস্যা পদৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা জোৰশিমুলী অঞ্চলৰ বয়োজ্যেষ্ঠ সচেতন নাগৰিক ভাসান আলী আহমেদে। নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি কংগ্ৰেছৰ প্ৰাৰ্থী হাচিনা ভূঞাৰ হৈ কৰ্মীসকলে ফটকা আতজবাজীৰে এক উৎসৱমুখৰ পৰিৱেশ কৰি তোলে। কাৰ্যালয় মুকলিৰ পাছতে জোৰশিমুলী বজাৰত প্ৰাৰ্থীগৰাকীক লৈ এটা সমদল উলিয়ায় কংগ্ৰেছ কৰ্মীসকলে। ৰাজ্যত শাসক-বিৰোধী প্ৰতিটো দলে ভিন ভিন আঁচনি আৰু প্ৰতিশ্ৰুতিৰ বন্যা লৈ নিজৰ নিজৰ সমৰ্থিত প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত জঁপিয়াই পৰিছে যদিও এই ক্ষেত্ৰত পিছপৰি থকা নাই ১০ নম্বৰ জোৰশিমুলী গাঁও পঞ্চায়তৰ কংগ্ৰেছ দলৰ আঞ্চলিক সদস্যা পদৰ প্ৰাৰ্থী হাছিনা ভূঞা। ৰাইজৰ এই ব্যাপক উৎসাহ দেখি পঞ্চায়ত নিৰ্বাচনত জয় নিশ্চিত বুলি আশা প্ৰকাশ কৰিছে প্ৰাৰ্থীগৰাকীয়ে। উক্ত নিৰ্বাচনী কাৰ্যালয়ৰ মুকলি অনুষ্ঠানত কামৰূপ জিলা কংগ্ৰেছৰ উপ-সভাপতি স্বাহাব উদ্দিন চৌধুৰী, কামৰূপ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক জাকিৰ হুছেইনৰ লগতে প্ৰাৰ্থীগৰাকীৰ স্বামী তথা কংগ্ৰেছ নেতা বাহাৰুল ইছলামকে প্ৰমুখ্য কৰি ভালেসংখ্যক কংগ্ৰেছৰ নেতা-কৰ্মী উপস্থিত থাকে।

# নামনি মাজুলীত মিত্ৰজোঁটৰ তিনিটা নিৰ্বাচনী কাৰ্যালয় মুকলি

**গণ বাৰ্তা, ফুলনি, ২৫ এপ্ৰিল ঃ** 'শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে কাম নকৰে, হাল্লা কৰে। শিৱসাগৰত একো উন্নয়ন হোৱা নাই। শিৱসাগৰৰ সকলো ঐতিহাসিক সম্পদ ৰংঘৰ, তলাতল ঘৰ, কাৰেংঘৰ ৰজাই বনাইছিল। অখিল গগৈয়ে একো কৰা নাই। শিৱসাগৰত চিকিৎসা মহাবিদ্যালয় এখন নাই, বেমাৰ হ'লে যোৰহাটলৈ আহিব লাগে। কাৰণ অখিল গগৈয়ে কেৱল ভাষণ দিয়ে।'— এই মন্তব্য অসম যুৱ পৰিষদৰ ৰাজ্যিক সভাপতি জিতু বৰগোহাঁইৰ। আজি নামনি মাজুলীৰ বালিচাপৰি তিনিআলিত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰচাৰ সভাত নিৰ্বাচনী ভাষণ দি যুৱ পৰিষদৰ ৰাজ্যিক সভাপতি বৰগোহাঁয়ে এইদৰে কয়। আজি ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আজি নামনি মাজুলীত তিনিখন নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। নামনি মাজুলীৰ কৰতিপাৰ, শ্ৰীলোহিত আৰু চিলাকলা গাঁও পঞ্চায়তৰ তিনিটা নিৰ্বাচনী কাৰ্যালয়ো আজি মুকলি কৰা হয়। আজি দুপৰীয়া ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ প্ৰথমটো নিৰ্বাচনী কাৰ্যালয় নামনি মাজুলীৰ কৰতিপাৰত উদ্বোধন কৰে মাজুলীৰ বিধায়ক ভুবন গামে। তাৰপিছত শ্ৰীলোহিত গাঁও পঞ্চায়তৰ গোৱালগাঁও তিনিআলিতো দ্বিতীয়টো নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে সন্মিলিত গণশক্তি-অসমৰ মাজুলী জিলাৰ সভাপতি ৰঞ্জিত দলেয়ে। দুপৰীয়া বাৰ বজাত তৃতীয়টো নিৰ্বাচনী কাৰ্যালয় চিলাকলা গাঁও পঞ্চায়তৰ বালিচাপৰি তিনিআলিত মুকলি কৰে বিধায়ক ভুবন গামে। উক্ত তিনিওটা নিৰ্বাচনী কাৰ্যালয় মুকলি অনুষ্ঠানত মাজুলীৰ বিধায়ক ভুবন গাম, অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি জিতু বৰগোহাঁই, ভাৰতীয় জনতা পাৰ্টীৰ যুৱ মৰ্চাৰ ৰাজ্যিক সমিতিৰ প্ৰাক্তন সভাপতি তথা পঞ্চায়ত নিৰ্বাচনৰ মাজুলী সমষ্টিৰ প্ৰভাৰী সিদ্ধাংকু অংকুৰ বৰুৱা, ৰাজ্যিক কৃষক মৰ্চাৰ সম্পাদক বিতোপন দলে, অসম গণ পৰিষদৰ মাজুলী জিলা সমিতিৰ সভাপতি ব্ৰজেন গাম, সন্মিলিত গণশক্তি-অসম'ৰ মাজুলী জিলা সমিতিৰ সভাপতি ৰঞ্জিত দলে, বিশিষ্ট সমাজকৰ্মী ভূপেন ভূঞা, নামনি মণ্ডল ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি প্ৰেমকান্ত মেধি, সম্পাদক বুদ্ধিন শইকীয়া আৰু নৱজ্যোতি মিলি, চিলাকলা গাঁও পঞ্চায়তৰ অসম গণ পৰিষদৰ সভাপতি ভোলা বায়ন, সন্মিলিত গণশক্তি-অসম'ৰ চিলাকলা আঞ্চলিক সমিতিৰ সভাপতি অনিল টাইদে নিৰ্বাচনী প্ৰচাৰ চলাই ভাষণ প্ৰদান কৰে। অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ প্ৰশাসনিক সম্পাদক অনিৰুদ্ধ দত্তই আঁত ধৰা চাৰিওখন নিৰ্বাচনী সভাত ভাৰতীয় জনতা পাৰ্টী, অসম গণ পৰিষদ আৰু সন্মিলিত গণশক্তি-অসম'ৰ সহস্ৰাধিক সমৰ্থকে অংশগ্ৰহণ কৰে। উক্ত তিনিওখন নিৰ্বাচনী প্ৰচাৰ সভাত বিধায়ক ভুবন গামে মাজুলীৰ উন্নয়ন, বিকাশ আৰু সুৰক্ষাৰ সমাগত পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোট দিবলৈ ৰাইজক আহ্বান জনায়। উক্ত, তিনিওখন নিৰ্বাচনী প্ৰচাৰ সভাত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলে ৰাজহুৱাকৈ সেৱা লয়।

# গোৱালপাৰাত ছাত্ৰ সমাজৰ প্ৰতিবাদ

**গণ বাৰ্তা, মাটিয়া/গোৱালপাৰা, ২৫ এপ্ৰিল ঃ** সন্ত্ৰাসবাদীয়ে জম্মুৰ পেহেলগামত হিন্দু পৰ্যটকৰ ওপৰত কৰা বৰ্বৰ আক্ৰমণৰ বিৰুদ্ধে গোৱালপাৰাত আজি সন্ধিয়া ছাত্ৰ সমাজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। গোৱালপৰা চহৰৰ ছাত্ৰ সমাজৰ কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে গোৱালপাৰা মহাবিদ্যালয়ৰ গেটৰ সন্মুখত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জম্মুৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত হোৱা লোকসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। ইয়াৰ পাছত গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা এক বিশাল প্ৰতিবাদী সমদল উলিওৱা হয়। প্ৰতিবাদকাৰীসকলে চহৰৰ মাজমজিয়াৰে সমদল কৰি 'সন্ত্ৰাসবাদ নিপাত যাওক, সন্ত্ৰাসবাদী মুৰ্দাবাদ, জম্মুৰ পেহেলগামত নিৰীহ লোকৰ প্ৰাণহানি কৰা সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰক, সন্ত্ৰাসবাদীক গুলীয়াই হত্যা কৰক' আদি শ্লোগানেৰে উত্তাল কৰি তোলে। ছাত্ৰ সমাজৰ কেইবা শতাধিক প্ৰতিবাদকাৰীয়ে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি জম্মুৰ পেহেলগামত নৰসংহাৰ চলোৱা সন্ত্ৰাসবাদীক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদানৰো দাবী জনায়।

## ২৮ এপ্ৰিলত ৰাৱনাপাৰত ৰঙালী বিহুৰ আয়োজন

**গণ বাৰ্তা, ফুলনি, ২৫ এপ্ৰিল ঃ** মাজুলী জিলাৰ ৰাৱনাপাৰ উন্নয়ন সমিতিৰ উদ্যোগত , আঞ্চলিক ৰাইজৰ সহযোগত চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ২৮ এপ্ৰিলত অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু উদ্‌যাপনৰ আয়োজন কৰিছে। অনুষ্ঠানটি সুচাৰুৰূপে পৰিচালনাৰ বাবে লক্ষী ৰাজখোৱাক সভাপতি, গজেন বৰাক কাৰ্যকৰী সভাপতি, গিৰীশ ওজাক মুখ্য সম্পাদক, পংকজ শইকীয়া আৰু সিদ্ধেশ্বৰ শইকীয়াক যুটীয়া সম্পাদক হিচাপে লৈ ১০১ জনীয়া সদস্যৰে এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। এদিনীয়াকৈ আয়োজন কৰা অনুষ্ঠানটোৰ কাৰ্যসূচী অনুসৰি পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপণ, ৮ বজাত পাতাকা উত্তোলন, ৯ বজাত স্মৃতি তৰ্পণ, ১০ বজাৰ পৰা প্ৰাইজমানী জেংবিহু, বৰবিহুৱতী আৰু সৰু বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ৭ বজাৰ পৰা অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বন্দিতা বৰুৱা আৰু প্ৰাপ্তি এইচ বৰুৱাৰ সংগীতানুষ্ঠানেৰে অনুষ্ঠান সামৰণি পৰিব ।অনুষ্ঠানৰ সমূহ কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে মাজুলীবাসীক উদ্‌যাপন সমিতিয়ে আহ্বান জনাইছে আৰু অংশগ্ৰহণকাৰী প্ৰতিযোগীক ৯১০১৯২৯৮৫৩ আৰু ৬০০০৫৮১৮৬৬ ফোন নম্বৰত যোগাযোগ কৰিবলৈ জনাইছে ।

# ডিমৌমুখত মৰ্মান্তিক ঘটনা ঃ নিশা ধুমুহাত একাধিক বাঁহ পৰি কুৰিটা গৰুৰ মৃত্যু

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২৫ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ দিচাংমুখ আৰক্ষী চকীৰ অন্তৰ্গত ডিমৌমুখ গাঁৱত বাঁহৰ জোপোহা উভালি প্ৰাণ গ'ল কুৰিটাতকৈ অধিক গৰুৰ। চিকিৎসাধীন অৱস্থাত আছে একাধিক পশুধন। এই ঘটনাই সমগ্ৰ শিৱসাগৰতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। শোকত ভাগি পৰিছে দৰিদ্ৰ কৃষক। এই মৰ্মান্তিক ঘটনাটো কালি নিশা সংঘটিত হয়। ডিমৌমুখৰ গাতে লাগি থকা দিচাং নৈৰ সিপাৰে গৰুৰ এখন চৰণীয়া পথাৰ আছে। এই পথাৰখনতে আন দিনাৰ দৰে অঞ্চলটোৰ কৃষকসকলৰ গৰুসমূহ চৰি আছিল। কিন্তু যোৱা দুদিনমান ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ বাবেই গৰুবিলাকে ভালদৰে ঘাঁহ খাবলৈ পোৱা নাছিল। কালি সন্ধিয়াৰ ভাগলৈকে ঘাঁহ খাই পথাৰত চৰি আছিল। কিন্তু নেৰানেপেৰা বতাহ বৰষুণ হোৱাৰ ফলত গৰুসমূহে নিৰাপদ ঠাই বিচাৰি চৰণীয়া পথাৰখনৰ কাষতে থকা এজোপা বাঁহনীৰ তলতে আশ্ৰয় লৈছিল। অতিকৈ কিন্তু দুৰ্ভাগ্যজনকভাৱে ধাৰাবাহিকভাৱে হোৱা মুষলধাৰ বৰষুণৰ ফলত এটা সময়ত সম্পূৰ্ণৰূপে বাঁহনীজোপা উভালি আশ্ৰয় লৈ থকা গৰুবিলাকৰ ওপৰত পৰে। সন্ধিয়াৰ সময়ত নে মাজনিশা বাঁহনীজোপা উভালি পৰিলে এই বিষয়ে স্থানীয় ৰাইজ অৱগত নহয়। পুৱালৈকে নিজৰ গৰুবিলাক গোহালিলৈ উভতি নহাত গৰুৰ গিৰিহঁতে গৰু বিলাক বিচৰা আৰম্ভ কৰাত এটা সময়ত দিচাং নৈৰ সিপাৰে বাঁহনিজোপাৰ তলত এটা-দুটা গৰু চেপাত সোমাই থকা প্ৰত্যক্ষ কৰে। এই খবৰ অঞ্চলটোত বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ ৰাইজে ঘটনাস্থলীলৈ ওলাই আহি প্ৰথমে গৰুসমূহ উদ্ধাৰত ব্যস্ত হৈ পৰে। যোনে যেনেকৈ পাৰে বাঁহসমূহ কাটিবলৈ আৰম্ভ কৰে। তথাপি বাঁহৰ চেপাত তলত গৰুসমূহ সোমাই থকাৰ বাবে এখন জেচিবি মেচিন আনি বাঁহখিনি অলপ অলপকৈ দাঙি দিয়া হয়। বাঁহখিনি এফালৰ পৰা দাঙিবলৈ আৰম্ভ কৰাত ক্ৰমাৎ বাঁহৰ তলত চেপাত মৃত্যু হোৱা গৰুবিলাক স্থানীয় ৰাইজে উদ্ধাৰ কৰে। আমাৰ সাংবাদিকৰ দলে ঘটনাস্থলীত উপস্থিত হৈ সমস্ত ঘটনাৰ বুজ লয়। এই বাতৰি যুগুত কৰা সময়লৈকে পোৱা তথ্য মতে ডিমৌমুখ গাঁওখনৰ কৃষক জীৱন কপ্তাকৰ ৬ টা গৰুৰ বাঁহৰ চেপাত মৃত্যু হয়। ইয়াৰ লগতে আৰু তিনিটা গৰুৰ অৱস্থা অতিকৈ সংকটজনক। কৃষক তাজিৰদ্দিন আহমেদৰ চাৰিটা গৰুৰ মৃত্যু হোৱাৰ লগতে সংকটজনক অৱস্থাত আছে আৰু দুটা গৰু। কৃষক দেববাম মিলিৰ তিনিটা গৰুৰ মৃত্যু হোৱাৰ লগতে আৰু চাৰিটা গৰু সংকটজনক অৱস্থাত আছে। একেদৰে কৃষক মুজিবৎদ্দিন আলীৰ ৪ টা গৰুৰ মৃত্যু হোৱাৰ লগতে আৰু তিনিটা গৰু সংকটজনক অৱস্থাত পশু চিকিৎসকে চিকিৎসা কৰি আছে। স্মৰ্তব্য যে গৰু হ'ল চহা কৃষকৰ খেতিৰ প্ৰথম সম্বল। খেতিৰ এনে ভৰপক সময়ত হালোৱা গৰুৰ মৃত্যুৱে সমগ্ৰ অঞ্চলৰ ৰাইজে দুখ প্ৰকাশ কৰিছে। স্থানীয় ৰাইজে প্ৰাকৃতিক দুৰ্যোগৰ ফলত কৃষকৰ যি পশুধনৰ ক্ষতি হ'ল ইয়াৰ বাবে চৰকাৰ-প্ৰশাসনক কৃষকসকলক ক্ষতিপূৰণ আদায় দিবলৈ আহ্বান জনাইছে। ইফালে এই খবৰ লাভ কৰি বৰ্তমান পঞ্চায়ত নিৰ্বাচনত পাঁচ নং দিচাংমুখ জিলা পৰিষদৰ পৰা ৰাইজৰ দলৰ সমৰ্থনত পৰিষদীয় সমষ্টিটোৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা যুৱ নেতা অৰুণ ভৰালীয়ে ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ খবৰ লয়। কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত দুখ প্ৰকাশ কৰি প্ৰাৰ্থীগৰাকীয়ে উল্লেখ কৰিছে যে প্ৰাকৃতিক দুৰ্যোগৰ ফলত এনেদৰে পশুধনৰ ক্ষতি হোৱাটো এগৰাকী কৃষকৰ বাবে অতিকৈ দুখৰ বিষয়। গৰু পালন কৰিয়েই বহুতেই জীৱন নিৰ্বাহ কৰি আহিছে। এনেকুৱা খেতিৰ সময়ত গৰুৰ মৃত্যুৱে এগৰাকী কৃষকৰ জীৱনলৈ কিমান দুৰ্যোগ আনিব পাৰে, সেয়া কেৱল কৃষক গৰাকীয়েহে অনুমান কৰিব পাৰে। কৃষকৰ এই পশুধনৰ ক্ষতি হোৱাৰ সন্দৰ্ভত দলৰ সভাপতি তথা শিৱসাগৰ বিধানসভা সমষ্টিটোৰ বিধায়ক অখিল গগৈৰ সৈতে এক আলোচনা কৰা হ'ব বুলি অৰুণ ভৰালীয়ে বিজ্ঞপ্তিটোত উল্লেখ কৰে। ইয়াৰ লগতে যি সকল কৃষকৰ পশুধনৰ মৃত্যু হৈছিল তেওঁলোকক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিবলৈ তেওঁ বিধায়কগৰাকীৰ যোগেদি চৰকাৰলৈ প্ৰস্তাৱ আগবঢ়াব বুলি বিজ্ঞপ্তিটোত উল্লেখ কৰে। উল্লেখ্য যে কালিৰ এই মৰ্মান্তিক ঘটনাত যিসকল কৃষকৰ গৰুৰ মৃত্যু হ'ল এই গৰুসমূহ চৰণীয়া পথাৰখনৰ কাষতে গাঁত খান্দি পুতি পেলোৱা হৈছে বুলি জানিব পৰা হৈছে।

# দখলা ক'লীয়া ঠাকুৰ মন্দিৰত সুঁৱৰি উৎসৱ উদ্‌যাপন

**গণবাৰ্তা, দক্ষিণ কামৰূপ, ২৫ এপ্ৰিল ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ দখলা ক'লীয়া ঠাকুৰ মন্দিৰৰ মহিলাসকলৰ বাৰ্ষিক অনুষ্ঠানৰ ১২ সংখ্যাক সুঁৱৰি উৎসৱ ১০ ব'হাগ ইংৰাজী ২৪ এপ্ৰিল, বৃহস্পতিবাৰে দখলা শোলমাৰী গাঁৱত অতি উলহ-মালহৰে উদ্‌যাপন কৰা হয়। বীণা দাস আৰু ভাৰতী দাসৰ নেতৃত্বত সুদীৰ্ঘ ১২ বছৰ ধৰি দখলাৰ শোলমাৰি গাঁৱত এই সুঁৱৰি উৎসৱ পালন কৰি আহিছে গাঁওখনৰ স্থানীয় ৰাইজে। আগন্তুক বৰ্ষবিলাকত উদ্যোক্তাসকলে দধিমৰ্থন অনুষ্ঠান আয়োজন কৰাৰ বাবে যো-জা চলাইছে, এই অনুষ্ঠানৰ লগত সংগতি ৰাখি দখলা পাহাৰস্থিত গোপাল গোসাঁই নামঘৰৰ পৰা প্ৰতিবছৰে সুঁৱৰি উৎসৱৰ দিনা গোপাল গোসাঁইক ক'লীয়া ঠাকুৰ মন্দিৰলৈ পৰিভ্ৰমণ কৰা হয় । উক্ত সুঁৱৰী উৎসৱত বীণাপাণি জোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী অপূৰ্ব দেৱ শৰ্মাই বিভিন্নধৰণে সহায়-সহযোগিতা কৰি আহিছে এইবেলিও তেখেতে এটি নামৰীয়া দল আৰু শব্দদাতা হিচাপে বৰঙণি আগবঢ়ায়। উল্লেখযোগ্য এই অনুষ্ঠানত যথেষ্টসংখ্যক ভক্তপ্ৰাণ ৰাইজৰ সমাগমে সুঁৱৰি উৎসৱখনক সাফল্যমণ্ডিত কৰি তুলিবলৈ সক্ষম হোৱাত উৎফুল্ল দেখা যায় উদ্যোক্তাসকলক।

# পেহেলগামৰ সন্ত্ৰাসবাদ

**চন্দন কুমাৰ নাথ**

২০২৫ চনৰ ২২ এপ্ৰিলৰ দিনটো ভাৰতৰ ইতিহাসত এটা ক'লা দিন হিচাপে চিহ্নিত হৈ ৰ'ল। জম্মু-কাশ্মীৰৰ পেহেলগামৰ বাইছাৰন উপত্যকাত সংঘটিত সন্ত্ৰাসবাদীৰ গুলীবৰ্ষণত ২৬ জন নিৰীহ লোকৰ প্ৰাণহানি ঘটে, যাৰ ভিতৰত অধিকাংশই আছিল পৰ্যটক। এই গুলীবৰ্ষণত এগৰাকী নেপালী নাগৰিকৰো মৃত্যু হয় আৰু বহুতো লোক গুৰুতৰভাৱে আহত হয়। এই ঘটনাই কেৱল জম্মু-কাশ্মীৰৰ নিৰাপত্তা ব্যৱস্থাৰ দুৰ্বলতাকেই প্ৰকাশ কৰা নাই, বৰঞ্চ ভাৰত চৰকাৰৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ পদক্ষেপৰ প্ৰয়োজনীয়তাকো জোৰদাৰভাৱে উত্থাপন কৰিছে। পেহেলগামৰ বাইছাৰন উপত্যকা, যাক 'মিনি-ছুইজাৰলেণ্ড' বুলি জনা যায়, পৰ্যটকৰ বাবে এটা জনপ্ৰিয় গন্তব্যস্থল ।২২ এপ্ৰিলৰ দুপৰীয়া এই স্থানত সন্ত্ৰাসবাদীয়ে অতৰ্কিতভাৱে আক্ৰমণ চলায়। প্ৰত্যক্ষদৰ্শীৰ মতে, সন্ত্ৰাসবাদীসকলে পৰ্যটকৰ ওপৰত নিৰ্বিচাৰে গুলীচালনা কৰে, য'ত পুৰুষ পৰ্যটকৰ ধৰ্মীয় পৰিচয় জানিবলৈ চেষ্টা কৰাৰ লগতে মহিলা আৰু শিশুকো নিশ্চিত কৰা হয়। এই আক্ৰমণত নৌসেনাৰ এজন বিষয়া, গোয়ালৰ এজন কৰ্মচাৰী আৰু কানপুৰৰ এজন নৱবিবাহিত যুৱক শুভম দ্বিবেদীৰ দৰে ব্যক্তিৰ জীৱন নাশপাতি হৈ পৰে। এগৰাকী মহিলা পৰ্যটকক সন্ত্ৰাসবাদীয়ে জীৱিত এৰি দি কয়— 'যাও, মোদীক গৈ কোৱা'— যিটো একপ্ৰকাৰে চাবলৈ গ'লে ভাৰতৰ কাৰণে প্ৰত্যাহ্বান বুলি ক'ব লাগিব। NIA য়ে ইতিমধ্যে তদন্তৰ দায়িত্ব গ্ৰহণ কৰিছে আৰু পাঁচজন সন্ত্ৰাসবাদীৰ পৰিচয় নিশ্চিত কৰিছে, য'ত তিনিজন পাকিস্তানী নাগৰিক আৰু দুজন কাশ্মীৰী স্থানীয় লোক। এই আক্ৰমণৰ পাছত পাকিস্তানৰ সৈতে সংযোগৰ অভিযোগ উত্থাপিত হৈছে, যিয়ে ভাৰতৰ কূটনৈতিক আৰু নিৰাপত্তা নীতিৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। পেহেলগামৰ আক্ৰমণৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছৌদি আৰবৰ পৰা নিজৰ সফৰ সংক্ষিপ্ত কৰি দিল্লীলৈ উভতি আহে। তেওঁ বিমানবন্দৰত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, বিদেশ মন্ত্ৰী এছ জয়শংকৰ আৰু বিদেশ সচিব বিক্ৰম মিশ্ৰীৰ সৈতে এক জৰুৰী বৈঠকত মিলিত হয়। ইয়াৰ পাছত মোদীৰ নেতৃত্বত কেবিনেট কমিটী অন ছেকুৰিটি (CCS)ৰ বৈঠকত পাকিস্তানৰ বিৰুদ্ধে কেইবাটাও কঠোৰ পদক্ষেপৰ সিদ্ধান্ত লোৱা হয়। লগতে এই আক্ৰমণৰ পিছত দেশজুৰি তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। সামাজিক মাধ্যমত PahalgamTerroristAttack আৰু All Eyes On Pahalgamৰ দৰে হেচটেগৰ জৰিয়তে জনতাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ পদক্ষেপৰ দাবী জনাইছে। কংগ্ৰেছৰ নেতা ৰাহুল গান্ধী আৰু মল্লিকাৰ্জুন খাৰ্গেৰ দৰে বিৰোধী নেতাসকলে এই হামলাৰ নিন্দা কৰি চৰকাৰৰ প্ৰতি সংহতি প্ৰকাশ কৰিছে। তথাপি AIMIMৰ নেতা আছাদুদ্দিন ওৱেছীয়ে এই আক্ৰমণক Intelligence failureৰ ফল বুলি অভিহিত কৰি চৰকাৰৰ নিৰাপত্তা নীতিৰ সমালোচনা কৰিছে। আন্তৰ্জাতিক সম্প্ৰদায়ৰ পৰাও এই আক্ৰমণৰ তীব্ৰ নিন্দা কৰা হৈছে। আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্স, নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলি, অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানিজ আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে ভাৰতৰ প্ৰতি সংহতি প্ৰকাশ কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত সমৰ্থনৰ আশ্বাস দিছে। কিন্তু এতিয়া প্ৰশ্ন হয় যে পেহেলগামৰ এই সন্ত্ৰাসবাদী আক্ৰমণে ভাৰতৰ নিৰাপত্তা ব্যৱস্থাৰ কেইবাটাও দুৰ্বলতা পোহৰলৈ আনিছে। সীমান্তৰ নিৰাপত্তা শক্তিশালী কৰাৰ প্ৰয়োজন। বাৰামুল্লাত শেহতীয়াকৈ সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশৰ প্ৰচেষ্টা ব্যৰ্থ কৰা হৈছিল যদিও, এনে ঘটনাই সীমান্তৰ নিৰীক্ষণত অধিক কঠোৰতাৰ প্ৰয়োজনীয়তা দেখুৱায়। সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতাৰ অভিযোগত পাকিস্তানৰ বিৰুদ্ধে আন্তৰ্জাতিক মঞ্চত কূটনৈতিক চাপ সৃষ্টি কৰাৰ প্ৰয়োজন। ভাৰতে FATF (Financial Action Task Force)ৰ দৰে সংস্থাৰ জৰিয়তে পাকিস্তানৰ ওপৰত অৰ্থনৈতিক আৰু কূটনৈতিক নিষেধাজ্ঞাৰ বাবে চাপ সৃষ্টি কৰিব পাৰে আৰু লগতে, জম্মু-কাশ্মীৰত স্থানীয় জনগণৰ মাজত আস্থা গঢ়ি তোলাৰ বাবে অৰ্থনৈতিক উন্নয়ন আৰু শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি কৰা উচিত। সন্ত্ৰাসবাদৰ মূল কাৰণসমূহ, যেনে দাৰিদ্ৰ্য আৰু নিবনুৱা সমস্যা সমাধানৰ বাবে দীৰ্ঘম্যাদী পদক্ষেপৰ প্ৰয়োজন। পেহেলগামৰ আক্ৰমণ ভাৰতৰ বাবে এক সতৰ্কবাণী। এই ঘটনাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিৰ প্ৰয়োজনীয়তাক পুনৰ সোঁৱৰাই দিছে। মোদী চৰকাৰৰ পৰা দেশবাসীয়ে এতিয়া কেৱল কূটনৈতিক পদক্ষেপৰ বাহিৰেও সামৰিক, গোয়েন্দা আৰু অৰ্থনৈতিক ক্ষেত্ৰত কঠোৰ আৰু তৎকালীন পদক্ষেপ আশা কৰিছে। এইবাৰ বিলম্ব সহ্য কৰা নহ'ব; সন্ত্ৰাসবাদীসকলক কঠোৰ শিক্ষা দিয়াৰ সময় আহি পৰিছে। দেশৰ নিৰাপত্তা আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে একতা আৰু দৃঢ়তাৰে আগবাঢ়ি যোৱাৰ এয়ে সঠিক মুহূৰ্ত।

ফোন ঃ ৯১৩২৮৪৯৭২৬

# কোৱাণ্টাম বিজ্ঞানৰ দৃষ্টিত মৃত্যু

**সত্যব্ৰত বৰা**

মৃত্যুক শতিকাজুৰি জীৱনৰ অন্তিম সত্য হিচাপে গণ্য কৰা হৈছে। ই এটা জৈৱিক নিশ্চয়তা, য'ত শৰীৰৰ কাৰ্য বন্ধ হৈ যায় আৰু জীৱনৰ সকলো চিহ্ন ম্লান হৈ পৰে। কিন্তু কোৱাণ্টাম পদাৰ্থবিজ্ঞানৰ নতুন তত্ত্বসমূহে এই ধাৰণাক প্ৰত্যাহ্বান জনাইছে। এই তত্ত্বসমূহৰ মতে, মৃত্যু হয়তো আমাৰ ধাৰণাৰ দ্বাৰা গঢ় লোৱা এটা ভ্ৰম মাত্ৰ। কোৱাণ্টাম পদাৰ্থবিজ্ঞানৰ কিছুমান মৌলিক নীতিয়ে ইংগিত দিয়ে যে বাস্তৱতা আমাৰ পৰ্যবেক্ষণৰ ওপৰত নিৰ্ভৰশীল। অৰ্থাৎ, আমি যি দেখোঁ বা অনুভৱ কৰোঁ, সেয়া আমাৰ মনৰ সৃষ্টি হ'ব পাৰে। এই ধাৰণাই মৃত্যুৰ ধ্ৰুপদী সংজ্ঞাক পুনৰ বিবেচনা কৰিবলৈ বাধ্য কৰিছে আৰু এই প্ৰশ্ন উত্থাপন কৰিছে যে মৃত্যু সচাঁকৈয়ে জীৱনৰ শেষ নে ই আমাৰ সীমিত উপলব্ধিৰ ফলহে?

এই বিষয়ৰ কেন্দ্ৰবিন্দুত আছে কোৱাণ্টাম পদাৰ্থবিজ্ঞানৰ এটা মূল নীতি: পৰ্যবেক্ষকৰ প্ৰভাৱ। এই নীতিৰ মতে, কোনো ঘটনা বা বাস্তৱতাৰ স্বৰূপ পৰ্যবেক্ষকৰ উপস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপ, কোৱাণ্টাম স্তৰত এটা কণাৰ অৱস্থা নিৰ্ধাৰণ কৰা হয় তাক পৰ্যবেক্ষণ কৰাৰ মুহূৰ্তত। এই ধাৰণাই বাস্তৱতাৰ বস্তুনিষ্ঠ স্বৰূপৰ ধাৰণাক প্ৰত্যাহ্বান জনায়। যদি বাস্তৱতা আমাৰ পৰ্যবেক্ষণৰ ওপৰত নিৰ্ভৰশীল, তেন্তে মৃত্যুৰ দৰে পৰিঘটনাও হয়তো আমাৰ মনৰ দ্বাৰা গঢ় দিয়া এটা উপলব্ধি মাত্ৰ। এই চিন্তাধাৰাৰ পৰা উদ্ভৱ হৈছে জীৱন আৰু মৃত্যুৰ বিষয়ে গভীৰ দাৰ্শনিক আৰু বৈজ্ঞানিক প্ৰশ্ন।

এই প্ৰেক্ষাপটত ডাঃ ৰবাৰ্ট লেঞ্জাৰ জৈৱকেন্দ্ৰিকতা (Biocentrism) তত্ত্ব অতি গুৰুত্বপূৰ্ণ। এই তত্ত্বৰ মতে, জীৱন আৰু চেতনা বিশ্বব্ৰহ্মাণ্ডৰ মৌলিক উপাদান। স্থান আৰু সময় বাহ্যিক বা স্থিৰ সত্তা নহয়, বৰঞ্চ আমাৰ মনৰ সৃষ্ট এটা ব্যৱস্থা যাৰ জৰিয়তে আমি বিশ্বব্ৰহ্মাণ্ডক বুজি পাওঁ। যদি সময় কেৱল আমাৰ চেতনাৰ এটা সঁজুলিহে তেন্তে মৃত্যু হয়তো সঁচাকৈয়ে অস্তিত্বশীল নহয়। জৈৱকেন্দ্ৰিকতাৰ দৃষ্টিকোণৰ পৰা মৃত্যু মানে শেষ নহয়, বৰঞ্চ চেতনাৰ এটা পৰিৱৰ্তন বা ধাৰাবাহিকতা হ'ব পাৰে। এই তত্ত্বই দাবী কৰে যে চেতনা অবিহনে বিশ্বব্ৰহ্মাণ্ডৰ অস্তিত্বৰ কোনো অৰ্থ নাই। অৰ্থাৎ, আমাৰ মনৰ জৰিয়তেই বিশ্বব্ৰহ্মাণ্ডৰ বাস্তৱতা গঢ় লৈ উঠে। এই ধাৰণা অত্যন্ত বিপ্লৱী, কাৰণ ই জীৱন আৰু মৃত্যুৰ ধাৰণাক সলনি কৰি পেলায়। কোৱাণ্টাম পদাৰ্থবিজ্ঞানৰ আন এটা তত্ত্ব, "বহু-বিশ্ব" (Many-Worlds) ব্যাখ্যাই এই ধাৰণাক আৰু গভীৰ কৰে। এই তত্ত্বৰ মতে, সকলো সম্ভাব্য বাস্তৱতা একেলগে অস্তিত্বশীল। অৰ্থাৎ, প্ৰতিটো কোৱাণ্টাম ঘটনাৰ ফলত বিশ্বব্ৰহ্মাণ্ড বিভক্ত হৈ একাধিক সমান্তৰাল বাস্তৱতা সৃষ্টি কৰে। যদি এই তত্ত্ব সত্য হয়, তেন্তে এখন বিশ্বব্ৰহ্মাণ্ডত মৃত্যু হোৱাৰ অৰ্থ হ'ব পাৰে আন এখ বিশ্বব্ৰহ্মাণ্ডত জীৱনৰ ধাৰাবাহিকতা। উদাহৰণস্বৰূপ, এখন বিশ্বব্ৰহ্মাণ্ডত কোনো ব্যক্তিৰ মৃত্যু হ'ব পাৰে, কিন্তু আন এখন সমান্তৰাল বিশ্বব্ৰহ্মাণ্ডত তেওঁৰ চেতনা বা জীৱন অব্যাহত থাকিব পাৰে। এই ধাৰণা অত্যন্ত কাল্পনিক যদিও ই আমাৰ অস্তিত্বৰ স্বৰূপৰ বিষয়ে নতুন দৃষ্টিকোণ প্ৰদান কৰে। ইয়াৰ জৰিয়তে আমি মৃত্যুক এটা নিৰ্দিষ্ট জীৱনৰ শেষ বুলি বুজাৰ পৰিৱৰ্তে এটা পৰিৱৰ্তন বা স্থানান্তৰ হিচাপে বিবেচনা কৰিবলৈ শিকিব পাৰোঁ।

এই তত্ত্বসমূহে জীৱন আৰু মৃত্যুৰ বিষয়ে আমাৰ পৰম্পৰাগত ধাৰণাক প্ৰত্যাহ্বান জনাইছে। ধৰ্ম, দৰ্শন আৰু বিজ্ঞানে বহু শতিকা ধৰি মৃত্যুৰ প্ৰকৃতিৰ বিষয়ে ভিন্ন ভিন্ন ব্যাখ্যা আগবঢ়াই আহিছে। কিন্তু কোৱাণ্টাম পদাৰ্থবিজ্ঞানে এই প্ৰশ্নক এটা নতুন মাত্ৰা প্ৰদান কৰিছে। জৈৱকেন্দ্ৰিকতাৰ দৰে তত্ত্বই দাবী কৰে যে আমাৰ চেতনাই বিশ্বব্ৰহ্মাণ্ডৰ অস্তিত্বৰ কেন্দ্ৰীয় উপাদান। এই দৃষ্টিকোণৰ পৰা মৃত্যু হয়তো শৰীৰৰ কাৰ্য্য বন্ধ হোৱাৰ ঘটনা নহয়, বৰঞ্চ চেতনাৰ এটা ভিন্ন অৱস্থা বা ধাৰাবাহিকতা হ'ব পাৰে। একেদৰে, বহু-বিশ্ব তত্ত্বই প্ৰস্তাৱ কৰে যে আমাৰ অস্তিত্ব একাধিক বাস্তৱতাত বিস্তৃত হ'ব পাৰে। এই তত্ত্বসমূহ এতিয়াও কল্পনাৰ পৰ্যায়ত আছে আৰু ইয়াক প্ৰমাণ কৰিবলৈ পৰীক্ষামূলক তথ্যৰ অভাৱ। তথাপিও, এই তত্ত্বই আমাক জীৱন আৰু মৃত্যুৰ বিষয়ে নতুনভাৱে চিন্তা কৰিবলৈ প্ৰেৰণা যোগায়।

এই ধাৰণাসমূহৰ ব্যৱহাৰিক প্ৰভাৱো আকৰ্ষণীয়। যদি মৃত্যু আমাৰ উপলব্ধিৰ ফল মাত্ৰ হয়, তেন্তে ই আমাক জীৱনৰ অৰ্থ আৰু উদ্দেশ্যৰ বিষয়ে পুনৰ চিন্তা কৰিবলৈ বাধ্য কৰিব। বহু সংস্কৃতি আৰু ধৰ্মই মৃত্যুৰ পিছত জীৱনৰ ধাৰণাক গ্ৰহণ কৰে, যেনে পুনৰ্জন্ম বা আধ্যাত্মিক ধাৰাবাহিকতা। কোৱাণ্টাম পদাৰ্থবিজ্ঞানৰ এই তত্ত্বসমূহে এই বিশ্বাসসমূহৰ সৈতে একপ্ৰকাৰৰ সাদৃশ্য দেখুৱায়, যদিও ইহঁতৰ ভিত্তি বৈজ্ঞানিক। ইয়াৰ অৰ্থ এইটো নহয় যে মৃত্যুৰ ভয় বা শোক সম্পূৰ্ণৰূপে নাইকিয়া হৈ যাব, কিন্তু ই মৃত্যুক এটা ভিন্ন দৃষ্টিকোণৰ পৰা চাবলৈ সহায় কৰিব। উদাহৰণস্বৰূপ, যদি চেতনা ধাৰাবাহিকভাৱে অস্তিত্বশীল হয় তেন্তে আমি জীৱনৰ প্ৰতিটো মুহূৰ্তক অধিক মূল্য দিবলৈ শিকিব পাৰিম।

কিন্তু এই তত্ত্বসমূহৰ সমালোচনাও আছে। বহু বিজ্ঞানীৰ মতে, জৈৱকেন্দ্ৰিকতা আৰু বহু-বিশ্ব তত্ত্বৰ দৰে ধাৰণাৰ এতিয়াও পৰীক্ষা কৰা সম্ভৱ হোৱা নাই। এই তত্ত্বসমূহে বৈজ্ঞানিক সম্প্ৰদায়ৰ পৰা যথেষ্ট সমালোচনাৰ সন্মুখীন হৈছে, কাৰণ এই তত্ত্বসমূহ প্ৰায়ে দাৰ্শনিক জল্পনা-কল্পনাৰ ওপৰত নিৰ্ভৰ কৰে। তথাপিও, এই ধাৰণাসমূহে আমাক বিশ্বব্ৰহ্মাণ্ডৰ প্ৰকৃতি আৰু আমাৰ অস্তিত্বৰ বিষয়ে নতুন প্ৰশ্ন উত্থাপন কৰিবলৈ সহায় কৰিছে। কোৱাণ্টাম পদাৰ্থবিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে আমি হয়তো এদিন এই প্ৰশ্নৰ সঠিক উত্তৰ পাম।

# শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয়তা

**হিমাংশু ৰঞ্জন ভূঞা**

বিশ্বায়নৰ যুগত প্ৰযুক্তিৰ ক্ৰমবৰ্ধমান প্ৰভাৱে শিক্ষাক্ষেত্ৰত আমূল পৰিৱৰ্তন আনিছে। শিক্ষকৰ ভূমিকা, শিক্ষণ পদ্ধতি, শিক্ষাৰ্থীৰ শিক্ষণ প্ৰক্ৰিয়া, আৰু শিক্ষাৰ গুণগত মানৰ ধাৰণা পুনৰ নিৰ্ধাৰিত হৈছে। ডিজিটেল প্ৰযুক্তিৰ সংযোজনৰ জৰিয়তে শিক্ষাৰ্থীসকলক একবিংশ শতিকাৰ প্ৰতিযোগিতামূলক বিশ্বৰ বাবে প্ৰস্তুত কৰাৰ দায়িত্ব শিক্ষকৰ ওপৰত অৰ্পিত হৈছে। এই পৰিৱৰ্তনৰ সৈতে খাপ খুৱাবলৈ শিক্ষকৰ ডিজিটেল দক্ষতা অতি অপৰিহাৰ্য হৈ পৰিছে। পৰম্পৰাগতভাৱে শিক্ষকৰ কাম আছিল পাঠ্যপুথিৰ জ্ঞান প্ৰদান কৰা, কিন্তু এতিয়া তেওঁলোকৰ পৰা প্ৰযুক্তিৰ সহায়ত শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশৰ দিশত পথ প্ৰদৰ্শক হিচাপে কাম কৰাৰ আশা কৰা হয়। ডিজিটেল প্লেটফৰ্ম যেনে অনলাইন শিক্ষণ ব্যৱস্থাপনা প্ৰণালী, ভিডিঅ' কনফাৰেন্সিং সঁজুলি, আৰু শিক্ষামূলক এপ্লিকেচনৰ ব্যৱহাৰে শিক্ষকসকলক পাঠদানৰ ক্ষেত্ৰত অধিক নমনীয়তা প্ৰদান কৰিছে। এই সঁজুলিসমূহৰ সঠিক ব্যৱহাৰৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ শিক্ষণ অভিজ্ঞতাক সমৃদ্ধ কৰিব পাৰে। উদাহৰণস্বৰূপে, শিক্ষক এজনে ভিডিঅ' উপস্থাপন, ইণ্টাৰেক্টিভ কুইজ, আৰু ভাৰ্চুৱেল পৰীক্ষাগাৰৰ সহায়ত পাঠক অধিক আকৰ্ষণীয় কৰি তুলিব পাৰে। কিন্তু এই সকলোবোৰ কাৰ্যকৰীভাৱে সম্পন্ন কৰিবলৈ শিক্ষকৰ ডিজিটেল দক্ষতাৰ প্ৰয়োজন। যদি শিক্ষকৰ প্ৰযুক্তিগত জ্ঞানৰ অভাৱ থাকে বা তেওঁলোকে ডিজিটেল সঁজুলিৰ সঠিক ব্যৱহাৰ নাজানে, তেন্তে শিক্ষণ প্ৰক্ৰিয়া ব্যাহত হ'ব পাৰে। উদাহৰণস্বৰূপে, অনলাইন ক্লাছৰ সময়ত প্ৰযুক্তিগত সমস্যাৰ সন্মুখীন হ'লে শিক্ষকে যদি তাক নিজে সমাধান কৰিব নোৱাৰে, তেন্তে শিক্ষাৰ্থীৰ শিক্ষণ অভিজ্ঞতাৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰিব পাৰে। সেয়েহে শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয়তা অতি জৰুৰী।

একবিংশ শতিকাৰ শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তা পৰম্পৰাগত শিক্ষাৰ সীমাৰ বাহিৰলৈ গৈছে। আজিৰ শিক্ষাৰ্থীসকল প্ৰযুক্তিৰ সৈতে অধিক পৰিচিত আৰু তেওঁলোকে ডিজিটেল মাধ্যমত শিক্ষা গ্ৰহণ কৰাত অধিক আৰামদায়ক। তেওঁলোকে শিক্ষকৰ পৰা কেৱল পাঠ্যপুথিৰ জ্ঞান নহয়, বৰং প্ৰযুক্তিৰ সহায়ত জ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগৰ পথ প্ৰদৰ্শন আশা কৰে। উদাহৰণস্বৰূপে, বিজ্ঞানৰ পাঠৰ ক্ষেত্ৰত শিক্ষকে যদি ভাৰ্চুৱেল লেবৰ সহায়ত পৰীক্ষা-নিৰীক্ষাৰ প্ৰদৰ্শন কৰিব পাৰে, তেন্তে শিক্ষাৰ্থীৰ শিক্ষণ অভিজ্ঞতা অধিক সমৃদ্ধ হয়। ইতিহাসৰ পাঠৰ ক্ষেত্ৰত ভাৰ্চুৱেল বাস্তৱতাৰ সহায়ত শিক্ষাৰ্থীসকলক পুৰণি সভ্যতাৰ ত্ৰিমাত্ৰিক পৰিদৰ্শনৰ অভিজ্ঞতা প্ৰদান কৰিব পাৰি। ভূগোলৰ পাঠৰ ক্ষেত্ৰত ডিজিটেল মানচিত্ৰ আৰু তথ্যচিত্ৰৰ সহায়ত শিক্ষাৰ্থীসকলক বিশ্বৰ বিভিন্ন অঞ্চলৰ বিষয়ে গভীৰ ধাৰণা দিব পাৰি। এই সকলোবোৰৰ বাবে শিক্ষকৰ ডিজিটেল সঁজুলিৰ জ্ঞান আৰু দক্ষতা অপৰিহাৰ্য। ডিজিটেল দক্ষতাৰ অভাৱত শিক্ষকসকলে শিক্ষাৰ্থীৰ প্ৰত্যাশা পূৰণ কৰিব নোৱাৰে, যাৰ ফলত শিক্ষাৰ্থীৰ আগ্ৰহ হ্ৰাস পায় আৰু শিক্ষাৰ গুণগত মানৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰে।

ডিজিটেল দক্ষতা বৃদ্ধিয়ে শিক্ষাৰ ব্যক্তিগতকৰণৰ সুবিধা প্ৰদান কৰে, যিটো আধুনিক শিক্ষাব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ দিশ। ডিজিটেল প্ৰযুক্তিৰ সহায়ত শিক্ষকসকলে শিক্ষাৰ্থীৰ ব্যক্তিগত শিক্ষণ ক্ষমতা আৰু প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি পাঠদানৰ পদ্ধতি নিৰ্ধাৰণ কৰিব পাৰে। উদাহৰণস্বৰূপে, শিক্ষণ প্লেটফৰ্মত উপলব্ধ তথ্য বিশ্লেষণৰ সঁজুলিৰ সহায়ত শিক্ষকসকলে শিক্ষাৰ্থীৰ দুৰ্বলতা আৰু শক্তি চিনাক্ত কৰি তেওঁলোকৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা শিক্ষণ সামগ্ৰী প্ৰদান কৰিব পাৰে। এই প্ৰক্ৰিয়াই শিক্ষাৰ্থীৰ শিক্ষণ ফলাফল উন্নত কৰাত সহায় কৰে। কিন্তু এই কামৰ বাবে শিক্ষকৰ তথ্য বিশ্লেষণ, ডিজিটেল সঁজুলিৰ ব্যৱহাৰ আৰু শিক্ষণ পদ্ধতিৰ সংযোজনৰ দক্ষতা থাকিব লাগিব। ডিজিটেল দক্ষতাৰ অভাৱত শিক্ষকসকলে এই সুবিধাসমূহৰ সদ্ব্যৱহাৰ কৰিব নোৱাৰে, যাৰ ফলত শিক্ষাৰ্থীৰ শিক্ষণ প্ৰক্ৰিয়া সীমিত হৈ পৰে। উদাহৰণস্বৰূপে, যদি শিক্ষকে শিক্ষাৰ্থীৰ প্ৰগতি বিশ্লেষণ কৰিবলৈ তথ্য বিশ্লেষণৰ সঁজুলি ব্যৱহাৰ কৰিব নোৱাৰে, তেন্তে তেওঁ শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি পাঠদানৰ পদ্ধতি সালসলনি কৰিব নোৱাৰে। ইয়াৰ ফলত শিক্ষাৰ্থীৰ সম্ভাৱনা পূৰণ নহ'ব পাৰে, আৰু শিক্ষাৰ গুণগত মানৰ ওপৰত প্ৰভাৱ পৰিব পাৰে।

আজিৰ প্ৰতিযোগিতামূলক বিশ্বত শিক্ষকৰ কেৱল শিক্ষাদানৰ দক্ষতাই নহয়, বৰং প্ৰযুক্তিগত জ্ঞান আৰু সৃজনশীলতাৰো প্ৰয়োজন। ডিজিটেল দক্ষতাৰ জৰিয়তে শিক্ষকসকলে নিজৰ শিক্ষণ পদ্ধতিক অধিক আকৰ্ষণীয় আৰু ফলপ্ৰসূ কৰি তুলিব পাৰে। উদাহৰণস্বৰূপে, শিক্ষক এজনে মাল্টিমিডিয়া উপস্থাপনৰ সহায়ত জটিল বিষয়বস্তু সৰলভাৱে বুজাব পাৰে। ইণ্টাৰেক্টিভ কুইজৰ সহায়ত শিক্ষাৰ্থীৰ জ্ঞান পৰীক্ষা কৰি তেওঁলোকৰ শিক্ষণ প্ৰক্ৰিয়াত গতি আনিব পাৰে। ইয়াৰ উপৰি, ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষকসকলে বিশ্বৰ বিভিন্ন প্ৰান্তৰ শিক্ষাবিদসকলৰ সৈতে সংযোগ স্থাপন কৰি নতুন শিক্ষণ কৌশল আৰু ধাৰণা শিকিব পাৰে। এই সকলোবোৰৰ বাবে ডিজিটেল দক্ষতা অতি প্ৰয়োজনীয়। শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিয়ে তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি কৰে আৰু পেছাগত জীৱনত সন্তুষ্টি লাভ কৰাত সহায় কৰে। উদাহৰণস্বৰূপে, যেতিয়া শিক্ষক এজনে নিজৰ পাঠদানৰ জৰিয়তে শিক্ষাৰ্থীৰ মনোযোগ আকৰ্ষণ কৰিব পাৰে আৰু তেওঁলোকৰ শিক্ষণ ফলাফল উন্নত কৰিব পাৰে, তেতিয়া তেওঁৰ পেছাগত সন্তুষ্টি বৃদ্ধি পায়। শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে শিক্ষাৰ্থীৰ নৈতিক আৰু সুৰক্ষিত ডিজিটেল ব্যৱহাৰৰ প্ৰতি সজাগতা সৃষ্টি। ডিজিটেল পৃথিৱীত তথ্যৰ অপব্যৱহাৰ, গোপনীয়তাৰ লঙ্ঘন, আৰু সাইবাৰ অপৰাধৰ দৰে সমস্যা সাধাৰণ। শিক্ষকসকলে যদি ডিজিটেল দক্ষতাৰে সুসজ্জিত হয়, তেন্তে তেওঁলোকে শিক্ষাৰ্থীসকলক এই বিষয়ে শিক্ষা দিব পাৰে আৰু তেওঁলোকক দায়িত্বশীল ডিজিটেল নাগৰিক হিচাপে গঢ়ি তুলিব পাৰে। উদাহৰণস্বৰূপে, শিক্ষকসকলে শিক্ষাৰ্থীসকলক নিৰ্ভৰযোগ্য উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা, ডিজিটেল প্লেটফৰ্মত নৈতিক আচৰণ, আৰু ব্যক্তিগত তথ্যৰ সুৰক্ষাৰ বিষয়ে শিকাব পাৰে। ইয়াৰ উপৰিও, শিক্ষকসকলে শিক্ষাৰ্থীসকলক সামাজিক মাধ্যমৰ সঠিক ব্যৱহাৰ, সাইবাৰ হাৰাশাস্তিৰ পৰা সুৰক্ষা, আৰু ডিজিটেল পদচিহ্নৰ পৰিচালনাৰ বিষয়ে শিক্ষা দিব পাৰে। এই দিশত শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ, কাৰণ তেওঁলোকৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰি শিক্ষাৰ্থীৰ ডিজিটেল জগতৰ প্ৰতি দৃষ্টিভংগী গঢ় লৈ উঠে। উদাহৰণস্বৰূপে, শিক্ষক এজনে যদি শিক্ষাৰ্থীসকলক সাইবাৰ সুৰক্ষাৰ বিষয়ে শিকাব পাৰে, তেন্তে তেওঁলোকে ডিজিটেল প্লেটফৰ্মত নিজৰ তথ্যৰ সুৰক্ষাৰ বিষয়ে সচেতন হ'ব।

শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ পথত বহুতো প্ৰত্যাহ্বানো আছে। প্ৰথমতে, বহু শিক্ষকৰ মাজত প্ৰযুক্তিৰ প্ৰতি ভয় বা অনীহা দেখা যায়। বিশেষকৈ পুৰণি প্ৰজন্মৰ শিক্ষকসকলৰ ক্ষেত্ৰত এই সমস্যা অধিক। তেওঁলোকে প্ৰযুক্তিৰ ব্যৱহাৰক জটিল বুলি ভাবে আৰু ইয়াক শিকিবলৈ সময় বা প্ৰেৰণাৰ অভাৱ অনুভৱ কৰে। উদাহৰণস্বৰূপে, নতুন ছফ্টৱেৰ শিকা বা অনলাইন প্লেটফৰ্মৰ ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁলোকে আৰামদায়ক অনুভৱ নকৰিব পাৰে। দ্বিতীয়তে, গ্ৰাম্য অঞ্চলৰ শিক্ষকসকলৰ ক্ষেত্ৰত প্ৰযুক্তিগত সুবিধাৰ অভাৱ এটা ডাঙৰ সমস্যা। ইণ্টাৰনেট সংযোগৰ অভাৱ, কম্পিউটাৰ বা স্মাৰ্টফোনৰ সীমিত উপলব্ধতা, আৰু বিদ্যুৎ সুবিধাৰ অভাৱৰ বাবে তেওঁলোকে ডিজিটেল দক্ষতা বিকাশৰ সুযোগৰ পৰা বঞ্চিত হৈ থাকে। তৃতীয়তে, শিক্ষকৰ বাবে ডিজিটেল দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণৰ ব্যৱস্থা অপৰ্যাপ্ত। বহু শিক্ষা প্ৰতিষ্ঠানত শিক্ষকৰ বাবে নিয়মীয়া প্ৰশিক্ষণৰ ব্যৱস্থা নাথাকে, যাৰ ফলত তেওঁলোকৰ দক্ষতা উন্নত কৰাৰ সুযোগ সীমিত হৈ পৰে। চতুৰ্থতে, শিক্ষকৰ কামৰ বোজা আৰু সময়ৰ অভাৱৰ বাবে তেওঁলোকে নতুন দক্ষতা শিকিবলৈ প্ৰয়োজনীয় সময় বা শক্তি বিচাৰি নাপায়। উদাহৰণস্বৰূপে, শিক্ষকসকলে পাঠদান, পৰীক্ষাৰ কাগজ মূল্যায়ন, আৰু প্ৰশাসনিক কামৰ বোজাৰ মাজত ডিজিটেল দক্ষতা শিকিবলৈ সময় উলিয়াবলৈ অসুবিধা পায়। পঞ্চমতে, শিক্ষকৰ মাজত ডিজিটেল দক্ষতাৰ প্ৰতি সঠিক সজাগতাৰ অভাৱ। বহু শিক্ষকে ডিজিটেল দক্ষতাৰ গুৰুত্বৰ বিষয়ে সম্পূৰ্ণৰূপে সচেতন নহয়, যাৰ ফলত তেওঁলোকে এই দক্ষতা শিকিবলৈ উৎসাহিত নহয়।

এই প্ৰত্যাহ্বানসমূহৰ সমাধানৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন। প্ৰথমতে, শিক্ষকৰ মাজত প্ৰযুক্তিৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি তুলিবলৈ সজাগতা সৃষ্টি কৰা উচিত। প্ৰযুক্তিৰ সহজ আৰু ব্যৱহাৰিক দিশসমূহৰ ওপৰত গুৰুত্ব দি তেওঁলোকৰ মাজৰ ভয় দূৰ কৰিব পাৰি। উদাহৰণস্বৰূপে, শিক্ষকসকলক সহজ ছফ্টৱেৰৰ পৰিচয় দি তেওঁলোকক প্ৰযুক্তিৰ সৈতে পৰিচিত কৰিব পাৰি। দ্বিতীয়তে, গ্ৰাম্য আৰু দুৰ্গম অঞ্চলত ডিজিটেল আৰকাঠামোৰ উন্নতিৰ বাবে চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ সহযোগিতাৰ প্ৰয়োজন। ইণ্টাৰনেট সুবিধা, কম্পিউটাৰ লেবৰ প্ৰতিষ্ঠা, আৰু সুলভ মূল্যৰ ডিজিটেল ডিভাইচৰ ব্যৱস্থাৰ জৰিয়তে শিক্ষকসকলক প্ৰযুক্তিৰ সুবিধা প্ৰদান কৰিব পাৰি। তৃতীয়তে, শিক্ষকৰ বাবে নিয়মীয়া আৰু গুণগত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা উচিত। এই প্ৰশিক্ষণত ডিজিটেল সঁজুলিৰ ব্যৱহাৰ, শিক্ষণ পদ্ধতিৰ সংযোজন, তথ্য বিশ্লেষণ, আৰু সাইবাৰ সুৰক্ষাৰ দৰে বিষয়সমূহ অন্তৰ্ভুক্ত কৰা উচিত। চতুৰ্থতে, শিক্ষকৰ কামৰ বোজা হ্ৰাস কৰি তেওঁলোকক নতুন দক্ষতা শিকিবলৈ প্ৰয়োজনীয় সময় আৰু সুযোগ প্ৰদান কৰা উচিত। উদাহৰণস্বৰূপে, শিক্ষকৰ বাবে নিয়মীয়া কৰ্মশালা আৰু প্ৰশিক্ষণৰ সময় নিৰ্ধাৰণ কৰি তেওঁলোকৰ দক্ষতা বিকাশৰ সুযোগ সৃষ্টি কৰিব পাৰি। পঞ্চমতে, শিক্ষকৰ মাজত ডিজিটেল দক্ষতাৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে বিভিন্ন প্ৰচাৰ আৰু কৰ্মশালাৰ আয়োজন কৰা উচিত। এই প্ৰচাৰৰ জৰিয়তে শিক্ষকসকলক ডিজিটেল দক্ষতাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ সুবিধাসমূহৰ বিষয়ে সচেতন কৰিব পাৰি।

শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ প্ৰভাৱ সমাজৰ বিভিন্ন স্তৰত পৰিলক্ষিত হয়। প্ৰথমতে, ই শিক্ষাৰ গুণগত মান উন্নত কৰে। ডিজিটেল দক্ষতাৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ শিক্ষণ প্ৰক্ৰিয়াক অধিক ফলপ্ৰসূ আৰু আকৰ্ষণীয় কৰি তুলিব পাৰে। দ্বিতীয়তে, ই শিক্ষাৰ্থীসকলক প্ৰযুক্তিৰ সৈতে পৰিচিত কৰি তেওঁলোকক ভৱিষ্যতৰ কৰ্মক্ষেত্ৰৰ বাবে প্ৰস্তুত কৰে। উদাহৰণস্বৰূপে, ডিজিটেল দক্ষতাৰ জৰিয়তে শিক্ষাৰ্থীসকলে কোডিং, তথ্য বিশ্লেষণ আৰু ডিজিটেল যোগাযোগৰ দৰে দক্ষতা শিকিব পাৰে। তৃতীয়তে, ই সমাজৰ ডিজিটেল বৈষম্য হ্ৰাস কৰাত সহায় কৰে। গ্ৰাম্য আৰু নগৰীয়া অঞ্চলৰ শিক্ষকসকলে যদি ডিজিটেল দক্ষতাৰে সুসজ্জিত হয়, তেন্তে তেওঁলোকে শিক্ষাৰ্থীসকলক সমান সুযোগ প্ৰদান কৰিব পাৰে। চতুৰ্থতে, ই শিক্ষকৰ আত্মবিশ্বাস আৰু পেছাগত সন্তুষ্টি বৃদ্ধি কৰে। ডিজিটেল দক্ষতাৰ জৰিয়তে শিক্ষকসকলে নিজৰ কামক অধিক সৃজনশীল আৰু ফলপ্ৰসূ কৰি তুলিব পাৰে, যাৰ ফলত তেওঁলোকৰ পেছাগত জীৱনত সন্তুষ্টি লাভ হয়। পঞ্চমতে, ই শিক্ষাৰ সামাজিক ন্যায় নিশ্চিত কৰাত সহায় কৰে। ডিজিটেল প্ৰযুক্তিৰ সহায়ত শিক্ষকসকলে সমাজৰ পিছপৰা আৰু বঞ্চিত শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে শিক্ষাৰ সুযোগ সম্প্ৰসাৰণ কৰিব পাৰে। উদাহৰণস্বৰূপে, অনলাইন শিক্ষণ প্লেটফৰ্মৰ জৰিয়তে দুৰ্গম অঞ্চলৰ শিক্ষাৰ্থীসকলেও গুণগত শিক্ষা লাভ কৰিব পাৰে।

প্ৰযুক্তিৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা, ভাৰ্চুৱেল বাস্তৱতা, আৰু ব্লকচেইনৰ দৰে নতুন উদ্ভাৱনৰ আগমনৰ সৈতে শিক্ষাক্ষেত্ৰতো নতুন সম্ভাৱনাৰ সৃষ্টি হৈছে। কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত শিক্ষকসকলে শিক্ষাৰ্থীৰ শিক্ষণ প্ৰক্ৰিয়াৰ অগ্ৰগতি বিশ্লেষণ কৰি তেওঁলোকৰ বাবে ব্যক্তিগতকৃত শিক্ষণ পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে। ভাৰ্চুৱেল বাস্তৱতাৰ সহায়ত শিক্ষকসকলে শিক্ষাৰ্থীসকলক ইতিহাস, বিজ্ঞান, বা ভূগোলৰ বিষয়ত ত্ৰিমাত্ৰিক অভিজ্ঞতা প্ৰদান কৰিব পাৰে। ব্লকচেইন প্ৰযুক্তিৰ সহায়ত শিক্ষাৰ্থীৰ শৈক্ষিক তথ্য সুৰক্ষিতভাৱে সংৰক্ষণ আৰু পৰিচালনা কৰিব পাৰি। এই সকলোবোৰৰ বাবে শিক্ষকৰ ডিজিটেল দক্ষতা অতি প্ৰয়োজনীয়। উদাহৰণস্বৰূপে, কৃত্ৰিম বুদ্ধিমত্তাৰ সঁজুলি ব্যৱহাৰ কৰিবলৈ শিক্ষকৰ তথ্য বিশ্লেষণ আৰু ছফটৱেৰ পৰিচালনাৰ দক্ষতা থাকিব লাগিব। ভাৰ্চুৱেল বাস্তৱতাৰ সঁজুলি ব্যৱহাৰ কৰিবলৈ শিক্ষকৰ প্ৰযুক্তিগত জ্ঞান আৰু সৃজনশীলতাৰ প্ৰয়োজন। ব্লকচেইনৰ ক্ষেত্ৰত শিক্ষকৰ তথ্য সুৰক্ষা আৰু ডিজিটেল পৰিচালনাৰ জ্ঞান থাকিব লাগিব।

অসমৰ প্ৰেক্ষাপটত শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয়তা বিশেষভাৱে গুৰুত্বপূৰ্ণ। অসমৰ শিক্ষাব্যৱস্থাৰ গ্ৰাম্য আৰু নগৰীয়া অঞ্চলৰ মাজত এতিয়াও বৈষম্য বিদ্যমান। গ্ৰাম্য অঞ্চলৰ শিক্ষকসকলে প্ৰায়ে প্ৰযুক্তিগত সুবিধাৰ অভাৱৰ সন্মুখীন হয়, যাৰ ফলত তেওঁলোকৰ ডিজিটেল দক্ষতা বিকাশৰ সুযোগ সীমিত হৈ পৰে। ইয়াৰ উপৰিও, অসমৰ শিক্ষকৰ বাবে ডিজিটেল দক্ষতাৰ প্ৰশিক্ষণৰ ব্যৱস্থা এতিয়াও পৰ্যাপ্ত নহয়। এই সমস্যাসমূহৰ সমাধানৰ বাবে চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ সহযোগিতাৰ প্ৰয়োজন। উদাহৰণস্বৰূপে, অসম চৰকাৰে গ্ৰাম্য অঞ্চলত ইণ্টাৰনেট সুবিধা আৰু কম্পিউটাৰ লেবৰ প্ৰতিষ্ঠাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি, শিক্ষকৰ বাবে নিয়মীয়া প্ৰশিক্ষণ আৰু কৰ্মশালাৰ আয়োজন কৰি তেওঁলোকৰ ডিজিটেল দক্ষতা বৃদ্ধি কৰিব পাৰি। অসমৰ শিক্ষা বিভাগে শিক্ষকৰ বাবে বিশেষ ডিজিটেল প্ৰশিক্ষণ কাৰ্যসূচী প্ৰৱৰ্তন কৰিব পাৰে, য'ত তেওঁলোকক অনলাইন শিক্ষণ প্লেটফৰ্ম, তথ্য বিশ্লেষণ, আৰু সাইবাৰ সুৰক্ষাৰ বিষয়ে শিকোৱা হ'ব। ইয়াৰ উপৰিও, অসমৰ শিক্ষা প্ৰতিষ্ঠানসমূহে শিক্ষকৰ বাবে ডিজিটেল সঁজুলিৰ সুবিধা প্ৰদান কৰিবলৈ অধিক বিনিয়োগ কৰিব পাৰে।

শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ গুৰুত্ব বিশ্বৰ বিভিন্ন গৱেষণাতো প্ৰতিফলিত হৈছে। গৱেষণাৰ পৰা দেখা গৈছে যে ডিজিটেল দক্ষতাৰে সুসজ্জিত শিক্ষকসকলে শিক্ষাৰ্থীৰ শিক্ষণ ফলাফল উন্নত কৰাত সফল হয়। ইয়াৰ উপৰি ডিজিটেল দক্ষতাৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ সৃজনশীলতা, সমস্যা সমাধানৰ ক্ষমতা আৰু সমালোচনাত্মক চিন্তাশক্তি বিকাশত সহায় কৰে। এই দক্ষতাসমূহ একবিংশ শতিকাৰ কৰ্মক্ষেত্ৰৰ বাবে অতি প্ৰয়োজনীয়। উদাহৰণস্বৰূপে, আজিৰ কৰ্মক্ষেত্ৰত তথ্য প্ৰযুক্তি, তথ্য বিশ্লেষণ, আৰু ডিজিটেল যোগাযোগৰ দক্ষতা অতি মূল্যৱান। শিক্ষকৰ ডিজিটেল দক্ষতাৰ জৰিয়তে শিক্ষাৰ্থীসকলে এই দক্ষতাসমূহ শিকিব পাৰে, যাৰ ফলত তেওঁলোকৰ কৰ্মজীৱনৰ সম্ভাৱনা বৃদ্ধি পায়। ইয়াৰ উপৰি ডিজিটেল দক্ষতাৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ সামাজিক আৰু আৱেগিক বিকাশতো সহায় কৰিব পাৰে। উদাহৰণস্বৰূপে, ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ সৈতে নিয়মীয়া যোগাযোগৰ মাধ্যমে শিক্ষকসকলে তেওঁলোকৰ মানসিক স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিব পাৰে। উন্নত দেশসমূহে শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ বাবে বিভিন্ন প্ৰকল্প আৰু প্ৰশিক্ষণ কাৰ্যসূচী প্ৰৱৰ্তন কৰিছে। উদাহৰণস্বৰূপে, ইউৰোপীয় সংঘৰ "ডিজিটেল শিক্ষা কাৰ্যপঞ্জী"ত শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। এই কাৰ্যপঞ্জীৰ জৰিয়তে শিক্ষকসকলক ডিজিটেল সঁজুলিৰ ব্যৱহাৰ, শিক্ষণ পদ্ধতিৰ সংযোজন, আৰু তথ্য বিশ্লেষণৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰা হয়। ভাৰতৰ দৰে উন্নয়নশীল দেশতো "ডিজিটেল ইণ্ডিয়া"ৰ দৰে পদক্ষেপৰ জৰিয়তে শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই প্ৰকল্পৰ মূল উদ্দেশ্য হৈছে শিক্ষকসকলক প্ৰযুক্তিৰ সৈতে সংযোজিত কৰি শিক্ষাৰ গুণগত মান উন্নত কৰা। অসমৰ প্ৰেক্ষাপটতো শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ বাবে বিভিন্ন প্ৰশিক্ষণ আৰু কৰ্মশালাৰ আয়োজন কৰা হৈছে, যদিও এই ক্ষেত্ৰত আৰু অধিক প্ৰচেষ্টাৰ প্ৰয়োজন। উদাহৰণস্বৰূপে, অসমৰ শিক্ষা বিভাগে শিক্ষকৰ বাবে ডিজিটেল প্ৰশিক্ষণ কাৰ্যসূচী প্ৰৱৰ্তন কৰিছে, কিন্তু এই কাৰ্যসূচীৰ পৰিধি আৰু গুণগত মানৰ উন্নতিৰ প্ৰয়োজন।

ডিজিটেল প্ৰযুক্তিৰ সহায়ত শিক্ষকসকলে সমাজৰ পিছপৰা আৰু বঞ্চিত শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে শিক্ষাৰ সুযোগ সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে, অনলাইন শিক্ষণ প্লেটফৰ্মৰ জৰিয়তে দুৰ্গম অঞ্চলৰ শিক্ষাৰ্থীসকলেও গুণগত শিক্ষা লাভ কৰিব পাৰে। কিন্তু এই সুবিধা প্ৰদান কৰিবলৈ শিক্ষকৰ ডিজিটেল দক্ষতা অতি প্ৰয়োজনীয়। ডিজিটেল দক্ষতাৰ অভাৱত শিক্ষকসকলে এই শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তা পূৰণ কৰিব নোৱাৰে, যাৰ ফলত শিক্ষাৰ বৈষম্য বৃদ্ধি পায়। উদাহৰণস্বৰূপে, গ্ৰাম্য অঞ্চলৰ শিক্ষাৰ্থীসকলে যদি ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষা লাভ কৰিব নোৱাৰে, তেন্তে তেওঁলোকৰ শিক্ষাৰ সুযোগ সীমিত হৈ পৰে। ইয়াৰ ফলত সমাজৰ সামাজিক আৰু অৰ্থনৈতিক বৈষম্য বৃদ্ধি পায়।

ইয়াৰোপৰি ডিজিটেল দক্ষতাৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ শিক্ষণ প্ৰক্ৰিয়াক অধিক ইণ্টাৰেক্টিভ আৰু সৃজনশীল কৰি তুলিব পাৰে। উদাহৰণস্বৰূপে, শিক্ষক এজনে ডিজিটেল গেমিফিকেচনৰ সহায়ত শিক্ষাৰ্থীৰ শিক্ষণ প্ৰক্ৰিয়াক অধিক আকৰ্ষণীয় কৰি তুলিব পাৰে। ইণ্টাৰেক্টিভ হোৱাইটবৰ্ডৰ সহায়ত শিক্ষকসকলে শিক্ষাৰ্থীৰ সৈতে সক্ৰিয়ভাৱে যোগাযোগ কৰি তেওঁলোকৰ শিক্ষণ প্ৰক্ৰিয়াত গতি আনিব পাৰে। ইয়াৰ উপৰিও, ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ প্ৰগতি নিৰীক্ষণ কৰি তেওঁলোকৰ শিক্ষণ পৰিকল্পনা সংশোধন কৰিব পাৰে। এই সকলোবোৰৰ ফলত শিক্ষাৰ্থীৰ শিক্ষণ ফলাফল উন্নত হয় আৰু তেওঁলোকৰ শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি পায়। ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ সৈতে নিয়মীয়া যোগাযোগৰ মাধ্যমে তেওঁলোকৰ মানসিক স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিব পাৰে। উদাহৰণস্বৰূপে, অনলাইন প্লেটফৰ্মৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ সৈতে ব্যক্তিগতভাৱে যোগাযোগ কৰি তেওঁলোকৰ সমস্যাৰ বিষয়ে জানিব পাৰে। ইয়াৰ ফলত শিক্ষাৰ্থীৰ মানসিক স্বাস্থ্যৰ উন্নতি হয় আৰু তেওঁলোকৰ শিক্ষণ প্ৰক্ৰিয়াত ইতিবাচক প্ৰভাৱ পৰে। ইয়াৰ উপৰিও, ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ সৈতে গোটভিত্তিক কামৰ সুযোগ সৃষ্টি কৰিব পাৰে, যাৰ ফলত তেওঁলোকৰ সামাজিক দক্ষতা বিকাশ হয়। ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ সৃজনশীলতা বিকাশৰ বাবে বিভিন্ন সুযোগ সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে, শিক্ষক এজনে শিক্ষাৰ্থীসকলক ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে ভিডিঅ' নিৰ্মাণ, গ্ৰাফিক ডিজাইন, বা ডিজিটেল কাহিনী লিখাৰ সুযোগ প্ৰদান কৰিব পাৰে। ইয়াৰ ফলত শিক্ষাৰ্থীৰ সৃজনশীলতা বিকাশ হয় আৰু তেওঁলোকৰ শিক্ষণ প্ৰক্ৰিয়া অধিক আকৰ্ষণীয় হৈ পৰে। ইয়াৰ উপৰি ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ সৈতে সহযোগিতামূলক প্ৰকল্পৰ সুযোগ সৃষ্টি কৰিব পাৰে, যাৰ ফলত তেওঁলোকৰ দলগত কামৰ দক্ষতা বিকাশ হয়।

ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ সমালোচনাত্মক চিন্তাশক্তি বিকাশৰ বাবে বিভিন্ন সুযোগ সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে, শিক্ষক এজনে শিক্ষাৰ্থীসকলক ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে তথ্য বিশ্লেষণৰ সুযোগ প্ৰদান কৰিব পাৰে, যাৰ ফলত তেওঁলোকৰ সমালোচনাত্মক চিন্তাশক্তি বিকাশ হয়। ইয়াৰ উপৰিও, ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ সৈতে বিভিন্ন সমস্যা সমাধানৰ প্ৰকল্পৰ সুযোগ সৃষ্টি কৰিব পাৰে, যাৰ ফলত তেওঁলোকৰ সমস্যা সমাধানৰ ক্ষমতা বিকাশ হয়।তদুপৰি শিক্ষক এজনে শিক্ষাৰ্থীসকলক ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে নৈতিক আচৰণৰ বিষয়ে শিকাব পাৰে, যাৰ ফলত তেওঁলোকৰ ডিজিটেল নাগৰিকত্ব বিকাশ হয়। ইয়াৰ উপৰি ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ সৈতে বিভিন্ন সামাজিক বিষয়ৰ ওপৰত আলোচনাৰ সুযোগ সৃষ্টি কৰিব পাৰে, যাৰ ফলত তেওঁলোকৰ সামাজিক সচেতনতা বৃদ্ধি পায়।

উপসংহাৰত ক'ব পাৰি যে শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয়তা বৰ্তমানৰ শিক্ষাব্যৱস্থাৰ এক অপৰিহাৰ্য দিশ। ডিজিটেল প্ৰযুক্তিৰ সঠিক ব্যৱহাৰৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ শিক্ষণ অভিজ্ঞতাক সমৃদ্ধ কৰিব পাৰে, শিক্ষাৰ ব্যক্তিগতকৰণৰ সুবিধা প্ৰদান কৰিব পাৰে আৰু নিজৰ পেছাগত দক্ষতা বৃদ্ধি কৰিব পাৰে। কিন্তু এই লক্ষ্যত উপনীত হ'বলৈ প্ৰযুক্তিগত আৰকাঠামোৰ উন্নতি, শিক্ষকৰ প্ৰশিক্ষণ, আৰু সজাগতা সৃষ্টিৰ প্ৰয়োজন। শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিয়ে কেৱল শিক্ষাৰ গুণগত মান উন্নত কৰাই নহয়, শিক্ষাৰ্থীসকলক একবিংশ শতিকাৰ প্ৰতিযোগিতামূলক বিশ্বৰ বাবে প্ৰস্তুত কৰাতো সহায় কৰে। সেয়েহে, শিক্ষকৰ ডিজিটেল দক্ষতা বৃদ্ধিৰ বাবে সামগ্ৰিক আৰু সুসংহত পদক্ষেপ গ্ৰহণ কৰাটো অতি জৰুৰী।

ফোন ঃ ৯৮৬৪৫৩৯৯৬৬

## গুৱাহাটীত সাঁতোৰৰ প্ৰতিভাৰ সন্ধান কৰিব জৈন গ্ৰুপৰ স্প'ৰ্টছ স্কুলে

**গুৱাহাটী, ২৫ এপ্ৰিল ঃ** জৈন গ্ৰুপৰ স্প'ৰ্টছ স্কুলে গুৱাহাটীত আয়োজন কৰিছে সন্মানীয় ছুইমিং টেলেণ্ট হাণ্ট। এই প্ৰতিভাসন্ধানী শিবিৰ অনুষ্ঠিত হ'ব ২৭ এপ্ৰিলত নেহৰু ষ্টেডিয়ামৰ বিমলাপ্ৰসাদ চলিহা ছুইমিং পুলত। এই প্ৰতিভাসন্ধানী শিবিৰে পঞ্চম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকললৈ এক সোণালী সুযোগ কঢ়িয়াই আনিছে। লণ্ডন অলিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰা সাঁতোৰবিদ আদৰীশ্বাইয়াহ পি গগন উল্লামথে তেওঁ ব্যক্তিগত অভিজ্ঞতাৰে প্ৰতিভাৰ সন্ধানত সহায় কৰিব। শিবিৰটোত তেওঁ ব্যক্তিগতভাৱে প্ৰতিভাৰ সন্ধান কৰিব। এই বয়সত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতামূলক চাপৰ কিদৰে সন্মুখীন হয় সেই বিষয়ে তেওঁ লক্ষ্য ৰাখিব। লগতে ষ্ট্ৰোকছ, ষ্টেমিনা, ধৈৰ্য আদি দিশৰ ওপৰত মনোনিৱেশ কৰিব। এই শিবিৰৰ যোগেদি উন্নত প্ৰদৰ্শনকাৰীসকলে স্ক'লাৰশ্বিপ লাভৰ সুযোগ পোৱাৰ লগতে স্প'ৰ্টছ স্কুলত আগশাৰীৰ প্ৰশিক্ষকৰ অধীনত প্ৰশিক্ষণ গ্ৰহণৰ সুযোগ পাব। স্প'ৰ্টছ স্কুলৰ এজন মুখপাত্ৰই কয়—'প্ৰতিযোগিতাতকৈও অধিক গুৰুত্ব আছে এই শিবিৰৰ। তৰুণ সাঁতোৰবিদসকলে এই শিবিৰৰ যোগেদি অলিম্পিক স্বপ্ন সন্ধানৰ সুযোগ পাব।' শিবিৰৰ বিষয়ে অধিক জানিবলৈ ৮৮৪০৬৫৪০৬১ নম্বৰত যোগাযোগ কৰিব পাৰে।

## আই পি এলত সৰ্বাধিক ৰান সংগ্ৰহৰ দ্বিতীয়ত কোহলী

**নতুন দিল্লী, ২৫ এপ্ৰিল ঃ** ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল)ত, এম. এম চিন্নাস্বামী ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু ৰাজস্থান ৰয়েলছৰ মাজৰ খেলখনৰ পিছত, সৰ্বাধিক ৰান সংগ্ৰহ কৰা আৰু উইকেট লোৱা খেলুৱৈৰ তালিকাত যথেষ্ট পৰিৱৰ্তন হৈছে। সাই সুধাৰচান শীৰ্ষত, কোহলীয়ে দ্বিতীয় স্থানত উপনীত হৈছে। সাই সুধাৰসন এতিয়াও ৪১৭ ৰানৰ সৈতে এক নম্বৰত আছে। তেওঁ আঠখন খেলত ৫২.১২ গড় আৰু ১৫২.১৮ ষ্ট্ৰাইক ৰেটত ৰান সংগ্ৰহ কৰিছে। আনহাতে, বিৰাট কোহলীয়ে একেৰাহে দ্বিতীয়টো অৰ্ধশতক খেলি অৰেঞ্জ কেপৰ দৌৰত আছে। ৰাজস্থানৰ বিৰুদ্ধে, তেওঁ ৪২ টা বলত ৭০ ৰান সংগ্ৰহ কৰিছিল আৰু এতিয়া তেওঁৰ নামত ৯ টা ইনিংছত ৩৯২ ৰান আছে। মুম্বাই ইণ্ডিয়ানছৰ সূৰ্যকুমাৰ যাদৱে এই ছিজনত নিয়মীয়াকৈ ভাল প্ৰদৰ্শন কৰি আহিছে। তেওঁ প্ৰতিখন খেলতে এক কাৰ্যকৰী অৱদান আগবঢ়াইছে আৰু এতিয়া ৩৭৩ ৰানৰ সৈতে চতুৰ্থ স্থানত আছে।


# আৰ্শাদ নাদিমৰে যোগাযোগক লৈ নীৰজ চোপ্ৰাক সমালোচনা



## নীৰজ চোপ্ৰা ক্লাছিকত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনোৱাক লৈ ভাৰতীয় জেভলিন থ্ৰ'ৱাৰক অপমানজনক মন্তব্য

**নতুন দিল্লী, ২৫ এপ্ৰিল ঃ** দুটা অলিম্পিক পদক বিজয়ী জেভলিন থ্ৰ'য়াৰ নীৰজ চোপ্ৰাই শুকুৰবাৰে পাকিস্তানী জেভলিন থ্ৰ'য়াৰ আৰ্শাদ নাদিমক নীৰজ চোপ্ৰা ক্লাছিকত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ বাবে সমালোচকসকলে তেওঁক তীব্ৰ সমালোচনা কৰে। এই সন্দৰ্ভত নীৰজ চোপ্ৰাই কয় যে এইটো এজন খেলুৱৈৰ পৰা আন এজনলৈ প্ৰেৰণ কৰা আমন্ত্ৰণ, যিটো পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পূৰ্বে কৰা হৈছিল। টকিঅ' অলিম্পিকত স্বৰ্ণ আৰু পেৰিছ অলিম্পিকত ৰূপৰ পদক অৰ্জন কৰা চোপ্ৰাই কয় যে তেওঁৰ সততাক প্ৰশ্ন কৰা হৈছে আৰু তেওঁৰ পৰিয়ালৰ বিষয়ে কিছু আপত্তিজনক মন্তব্য কৰা হৈছে বুলি তেওঁ দুঃখিত। চোপ্ৰাই ২৪ মে'ত বেংগালুৰুত অনুষ্ঠিত হ'বলগীয়া প্ৰথম নীৰজ চোপ্ৰা ক্লাছিকত অংশগ্ৰহণ কৰিবলৈ নাদিমক ফোন কৰিছিল। নাদিমে চোপ্ৰাক পৰাস্ত কৰি পেৰিছ অলিম্পিকত সোণৰ পদক জিকিছিল। ব্যস্ততাৰ কথা উল্লেখ কৰি নাদিমে আমন্ত্ৰণ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। নীৰজ চোপ্ৰাই কয় যে ক্লাছিকত অংশগ্ৰহণ কৰিবলৈ আৰ্শদ নাদিমক মোৰ আমন্ত্ৰণৰ বিষয়ে বহুতে আলোচনা কৰিছে আৰু বেছিভাগেই ঘৃণনীয় আৰু অপমানজনক মন্তব্য কৰিছে। তেওঁলোকে মোৰ পৰিয়ালৰ বিষয়েও অশ্লীল মন্তব্য কৰিছে। মই সাধাৰণতে বেছি কথা নকওঁ, কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে মই অন্যায়ৰ বিৰুদ্ধে মাত মাতিব নোৱাৰিম।

## নৰ্থ-ইষ্ট ৰ'লাৰ স্কেটিঙত নগাঁৱৰ আহান আহমেদৰ পদক লাভ



**গণ বাৰ্তা, ডবকা, ২৫ এপ্ৰিল ঃ** গুৱাহাটীৰ হেঙেৰাবাৰীস্থিত অমৃত উদ্যানত সদৌ অসম ৰ'লাৰ স্কেটিং চেম্পিয়নশ্বীপ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত আয়োজিত নৰ্থ ইষ্ট ৰ'লাৰ স্কেটিঙত নগাঁৱৰ আহান আহমেদে কেবাটাও শাখাত পদক লাভ কৰিবলৈ সক্ষম হৈছে। আহান আহমেদে অসম ভিত্তিত আয়োজিত ৰ'লাৰ স্কেটিঙত দুটাকৈ স্বৰ্ণ পদক লাভ কৰাৰ লগতে এটা ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। তেওঁ নৰ্থ ইষ্ট ৰ'লাৰ স্কেটিঙত তিনিটাকৈ চিলভাৰ পদক লাভ কৰিবলৈ সক্ষম হয়। আহান আহমেদ নগাঁৱৰ ফৌজদাৰীপট্টীৰ অধিবক্তা চাবৰিশ্ব আহমেদৰ পুত্ৰ। তেওঁ গুৱাহাটী পাব্লিক স্কুলৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ। তেওঁৰ সফলতাত শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে নগাঁও জিলা উকিল সন্থাৰ সভাপতি ইনামুল হুদা, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ পত্ৰিকা সম্পাদক জমিৰ উদ্দিন তালুকদাৰে।

## ভাৰতীয় খেল প্ৰাধিকৰণলৈ তিতাবৰৰ তিনি খেলুৱৈ



**গণ বাৰ্তা বিশেষ, তিতাবৰ, ২৫ এপ্ৰিল ঃ** ছাই অৰ্থাৎ স্প'ৰ্টছ অথৰটী অৱ ইণ্ডিয়া, ভাৰতীয় খেল প্ৰাধিকৰণ, এই সংস্থাৰ কাম হ'ল দেশৰ বছা বছা বিভিন্ন খেলৰ পৰা বিশেষ কিছুমান খেলুৱৈ নিৰ্বাচিত কৰি সেই খেলুৱৈসকলক উন্নত প্ৰশিক্ষণ প্ৰদান কৰি সফল খেলুৱৈৰূপে পৰিগণিত কৰোৱা। এই সংস্থাত নিৰ্বাচিত হ'বলৈ খেলুৱৈসকলে যথেষ্ট কষ্ট কৰিব লগা হয়। অলপতে, অসমৰ কোকৰাঝাৰত থকা ছাই কেন্দ্ৰলৈ সদৌ তিতাবৰ ক্ৰীড়া জিলা টাইকোৱানড' সন্থাৰ অন্তৰ্গত দাংধৰা চেম্পিয়নছ একাডেমীৰ দুগৰাকী খেলুৱৈ আফ্ৰিনা বেগম, অভিজিত ভূমিজ আৰু বৰহোলা বচা টাইকোৱানড' ক্লাবৰ ৰিদীপ বৰা নিৰ্বাচিত হৈছে। সীমিত আসন থকা এই কেন্দ্ৰলৈ সদৌ তিতাবৰ টাইকোৱানড' সন্থাৰ তিনিগৰাকী খেলুৱৈ নিৰ্বাচিত হোৱাত স্বাভাৱিকতে অভিভাৱকসকল উৎফুল্ল হৈ পৰিছে। সন্থাৰ সভাপতি আনোৱাৰ হুছেইন সম্পাদক মনোজ শইকীয়াই প্ৰেৰণ কৰা এক প্ৰেছ বাৰ্তাত তিনিও গৰাকী খেলুৱৈক সম্বৰ্ধনা অনুষ্ঠানৰ জৰিয়তে আদৰণি জনোৱা হৈছে বুলি জনাইছে। ইয়াৰ পূৰ্বেও সন্থাৰ অন্তৰ্গত বহুকেইটা একাডেমী আৰু ক্লাবৰ পৰা কেইবাগৰাকী খেলুৱৈৰে প্ৰশিক্ষণ লাভ কৰি আহি অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ অধীনত খেলুৱৈ হিচাপে নিযুক্তি লাভ কৰিছে। সদৌ তিতাবৰ টাইকোৱানড' সন্থাৰ এই জয়যাত্ৰাত তিতাবৰবাসীয়ে শলাগ জনাইছে।

## নীৰজ চোপ্ৰা ক্লাছিকত অংশগ্ৰহণ জাপানৰ জেনকি ডিন- শ্ৰীলংকাৰ উমেশ পাথিৰেজ

**নতুন দিল্লী, ২৫ এপ্ৰিল ঃ** ২৪ মে'ত বাংগালুৰুত অনুষ্ঠিত হ'বলগীয়া নীৰজ চোপ্ৰা ক্লাছিক জেভেলিন থ্ৰো প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত অংশগ্ৰহণ কৰা বিদেশী তাৰকাসকলৰ ভিতৰত এছিয়ান গেমছৰ ব্ৰঞ্জ পদক বিজয়ী জাপানৰ জেনকি ডিন আৰু শ্ৰীলংকাৰ উমেশ পাথিৰেজ থাকিব। ৩৩ বছৰীয়া খেলুৱৈগৰাকীয়ে নিৰজ চোপ্ৰা আৰু কিশোৰ জেনাৰ পিছত শেষ কৰি ২০২৩ চনৰ হাংঝৌ এছিয়ান গেমছত ৮২.৬৮ মিটাৰ থ্ৰোৰে ৰূপৰ পদক অৰ্জন কৰিছিল। তেওঁৰ ব্যক্তিগত শ্ৰেষ্ঠতা হৈছে ৮৪.২৮ মিটাৰ, যিটো তেওঁ ২০১২ চনত অৰ্জন কৰিছিল। প্ৰতিযোগিতাৰ আয়োজক জেএছডব্লিউয়ে এক বিজ্ঞপ্তিত কয় যে ডিন এছিয়ান বৰ্তনীত শীৰ্ষ-১০ বিশ্ব ৰেংকিঙত থকা অন্যতম শক্তিশালী খেলুৱৈ আৰু তেওঁৰ ব্যক্তিগত শ্ৰেষ্ঠতা হৈছে ৮৪.২৮ মিটাৰ। শ্ৰীলংকাৰ এক নম্বৰ জেভলিন থ্ৰ'য়াৰ পেথিৰেজে ২০২৪ চনত কোৰিয়াৰ মোকপোত অনুষ্ঠিত এছিয়ান থ্ৰোয়িং চেম্পিয়নশ্বিপত ৮৫.৪৫ মিটাৰ প্ৰচেষ্টাৰে ৮৫ মিটাৰ ক্লাবত প্ৰৱেশ কৰিছিল, যিটো তেওঁৰ ব্যক্তিগত সৰ্বোচ্চ। ২২ বছৰীয়া তাৰকাজনে যোৱা মাহত অষ্ট্ৰেলিয়াৰ পাৰ্থ ট্ৰেক ক্লাছিকত পুনৰ ৮৫ মিটাৰ থ্ৰো কৰিছিল। চোপ্ৰাই সোমবাৰে কৈছিল যে পেৰিছ অলিম্পিকৰ ফাইনেলত অংশগ্ৰহণ কৰা এজন ব্ৰাজিলীয়েও এনচিএ ক্লাছিকত অংশগ্ৰহণ কৰিব। আয়োজকসকলে বৃহস্পতিবাৰে ব্ৰাজিলৰ লুইচ মাউৰিচিঅ দা চিলভাক অন্তৰ্ভুক্ত কৰিছিল।

## কলিঙ্গ ছুপাৰ কাপৰ কোৱাৰ্টাৰ ফাইনেলত নৰ্থ-ইষ্ট ইউনাইটেড

**ভুবনেশ্বৰ, ২৫ এপ্ৰিল ঃ** মৰক্কোৰ ষ্ট্ৰাইকাৰ আলাদিন আজৰাৰ সুন্দৰ হেট্ৰিকৰ ফলত নৰ্থইষ্ট ইউনাইটেড এফ চিয়ে মহম্মদান স্পোৰ্টিংক ৬-০ গ'লত পৰাস্ত কৰি বৃহস্পতিবাৰে কলিঙ্গ ছুপাৰ কাপৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ভাৰতৰ ছুপাৰ লীগত সৰ্বাধিক স্ক'ৰ কৰা আজাৰাই ১৮, ৫৭ তম আৰু ৯০২ মিনিটত গ'ল কৰে। জিথিন এমএছ (তৃতীয়), নেষ্টাৰ এলবিয়াচ ৰোজাৰ (৪২তম) আৰু গুইলাৰ্মো হিয়েৰো (৬৬ তম) নৰ্থইষ্ট ইউনাইটেডৰ হৈ গ'ল কৰে। দিনটোৰ আনখন খেলত জামছেদপুৰ এফ চিয়ে হায়দৰাবাদ এফ চিক ২-০ গ'লত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। জেভিয়াৰ চেভেৰোৱে ৩৯ মিনিটত তেওঁৰ হৈ আৰু ষ্টিফেন এঞ্জে ৬৪ মিনিটত গ'ল কৰে।

# আজিৰে পৰা ভাৰত-অষ্ট্ৰেলিয়া মহিলা হকী প্ৰতিযোগিতা

**পাৰ্থ, ২৫ এপ্ৰিল ঃ** ভাৰতৰ মহিলা হকী দলৰ মুখ্য প্ৰশিক্ষক হৰেন্দ্ৰ সিঙে শুকুৰবাৰে কয় যে শনিবাৰৰ পৰা আৰম্ভ হ'বলগীয়া অষ্ট্ৰেলিয়া ভ্ৰমণে দলটোক নিজকে মূল্যায়ন কৰাত সহায় কৰিব আৰু ভ্ৰমণটোৱে ভৱিষ্যতৰ ওপৰত দৃষ্টি ৰাখি বিভিন্ন সংমিশ্ৰণ পৰীক্ষা কৰিব। চেলিমা টেটৰ নেতৃত্বত ভাৰতীয় দলে ২৬ আৰু ২৭ এপ্ৰিলত ইয়াত অষ্ট্ৰেলিয়া 'এ' দলৰ বিৰুদ্ধে আৰু ১, ৩ আৰু ৪ মে'ত অষ্ট্ৰেলিয়াৰ জ্যেষ্ঠ দলৰ বিৰুদ্ধে খেলিব। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত এতিয়ালৈকে খেলা ১৬ খন খেলৰ ভিতৰত অষ্ট্ৰেলিয়াই ১০ খনত জয় লাভ কৰিছে, আনহাতে ৩ খন ড্ৰ হৈছে।



পেৰিছ অলিম্পিকৰ বাবে ভাৰতীয় মহিলা দলৰ বাবে যোগ্যতা অৰ্জন কৰাত ব্যৰ্থ হোৱাৰ পিছত জেনেক শ্বাফমেনৰ স্থান লোৱা হৰেন্দ্ৰই কয় যে দলটোৱে বেংগালোৰত কঠোৰ প্ৰশিক্ষণ লৈছে আৰু এই ভ্ৰমণত আমাৰ স্থিতি জনা যাব। আমাৰ লক্ষ্য হৈছে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খেলুৱৈসকলক এ'পোজাৰ দিয়া, দলটোৰ গভীৰতা বৃদ্ধি কৰা আৰু নতুন সংমিশ্ৰণ পৰীক্ষা কৰা। অষ্ট্ৰেলিয়া 'এ' আৰু জ্যেষ্ঠ অষ্ট্ৰেলিয়া দলৰ বিৰুদ্ধে তেওঁলোকৰ খেলপথাৰত খেলিলে আমাক বহুত শিকিবলৈ আৰু ভৱিষ্যতৰ প্ৰতিযোগিতাৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ সক্ষম হোৱাত সহায় কৰিব। ভাৰতে শেহতীয়াকৈ প্ৰ'লীগত দুটা জয় লাভ কৰিছে আৰু শ্বুটআউটত নেডাৰলেণ্ডক পৰাস্ত কৰিছে।

## মাদ্ৰিদ অ'পেনত পোলেণ্ডৰ ইগা চুয়াটেকৰ জয়



**মাদ্ৰিদ, ২৫ এপ্ৰিল ঃ** মাদ্ৰিদ অ'পেনৰ দ্বিতীয় ৰাউণ্ডত পোলেণ্ডৰ টেনিছ তাৰকা ইগা চুয়াটেকে ফিলিপাইনছৰ ১৯ বছৰীয়া উদীয়মান তাৰকা এলে' ইলাক ৪-৬, ৬-৪, ৬-২ ব্যৱধানত পৰাস্ত কৰে। যোৱা মাহত মিয়ামি অ'পেনত ইলাৰ পৰা পৰাজয়ৰ পিছত এই জয়টো চুয়াটেকৰ বাবে প্ৰতিশোধ আছিল। খেলখনৰ আৰম্ভণিতে এলাই সুন্দৰ প্ৰদৰ্শন কৰি চুয়াটেকৰ চাৰ্ভ ভাঙি প্ৰথম ছেটটো ৬-৪ কৰে। কিন্তু তাৰ পিছত চুয়াটেকে অভিজ্ঞতাৰ সুযোগ লৈ খেলৰ শক্তি তৈয়াৰ কৰে আৰু পৰৱৰ্তী দুটা ছেট ৬-৪, ৬-২ ত জয়লাভ কৰি মেচখন নিজৰ দখললৈ নিয়ে। মিয়ামি অ'পেনত চুয়াটেকক পোনপটীয়া ছেটত পৰাস্ত কৰি এলে' ইলাই শিৰোনাম দখল কৰিছিল। তেওঁ সেই প্ৰতিযোগিতাখনত জেলেনা অষ্টাপেস্কো আৰু মেডিচন কীজৰ দৰে গ্ৰেণ্ড শ্লেম বিজয়ীসকলকো পৰাস্ত কৰিছিল। অৱশ্যে, ছেমিফাইনেলত জেছিকা পেগুলাৰ হাতত পৰাজয়ৰ সৈতে তেওঁৰ যাত্ৰা সমাপ্ত হয়। এই প্ৰদৰ্শনৰ বাবে, তেওঁ শীৰ্ষ ১০০ ত স্থান লাভ কৰা প্ৰথম ফিলিপিনা খেলুৱৈ হয় আৰু বৰ্তমান ৰেংকিঙত ৭২ তম স্থানত আছে। বিশ্বৰ দ্বিতীয় নম্বৰ আৰু যোৱা বছৰৰ বিজয়ী চুয়াটেকে এই বছৰ অষ্ট্ৰেলিয়ান অ'পেন আৰু ইণ্ডিয়ান ৱেলছত ছেমিফাইনেলত উপনীত হৈছে।



*মাদ্ৰিদ অ'পেনত কেটি ব'লটেৰে ৰিটাৰ্ন কৰি থকাৰ মুহূৰ্ত*

## ছেফ চেম্পিয়নশ্বিপ ২০২৫ স্থগিত

**নতুন দিল্লী, ২৫ এপ্ৰিল ঃ** দক্ষিণ এছিয়ান ফুটবল সংস্থাই বৃহস্পতিবাৰে ঘোষণা কৰে যে আগন্তুক ছেফ চেম্পিয়নশ্বিপ ২০২৫ পিছুৱাই দিয়া হৈছে আৰু এতিয়া এই প্ৰতিযোগিতা ২০২৬ত অনুষ্ঠিত কৰা হ'ব। সংস্থাটোৱে প্ৰকাশ কৰা অনুসৰি প্ৰতিযোগিতাখন ভালদৰে আৰু অধিক আশ্চৰ্যজনকভাৱে আয়োজন কৰিবলৈ অধিক প্ৰস্তুতিৰ প্ৰয়োজন। অৱশ্যে, তাৰিখটো এতিয়াও ঘোষণা কৰা হোৱা নাই। তেওঁলোকে কয় যে আমাৰ সদস্য আৰু অংশীদাৰ স্পোৰ্ট৫-ৰ সৈতে পৰামৰ্শৰ পিছত, সিদ্ধান্ত লোৱা হৈছে যে প্ৰতিযোগিতাখনৰ সফলতা নিশ্চিত কৰাৰ বাবে, সকলো অংশীদাৰক আয়োজন কৰিবলৈ পৰ্যাপ্ত সময় দিয়াৰ বাবে ইয়াক ২০২৬ চনলৈ পিছুৱাই দিয়া হৈছে। ২০২৫ চনৰ সংস্কৰণটো প্ৰথমতে এটা ঘৰুৱা আৰু দূৰৱৰ্তী বিন্যাসত অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰা হৈছিল, যাক পিছত শ্ৰীলংকাত এক কেন্দ্ৰীভূত অনুষ্ঠান আয়োজনকৰাৰ সিদ্ধান্তলৈ সলনি কৰা হৈছিল। অৱশ্যে, সেই পৰিকল্পনা এতিয়া বাতিল কৰা হৈছে আৰু অনুষ্ঠানটোৰ বাবে এক নতুন তাৰিখ আৰু স্থান এতিয়াও ঘোষণা কৰা হোৱা নাই। সংস্থাটোৱে লগতে কয় যে ফিফা বিশ্বকাপও ২০২৬ চনত অনুষ্ঠিত হ'ব, সেয়েহে দুয়োখন প্ৰতিযোগিতাৰ মাজত সমন্বয় বজাই ৰখাটো নিশ্চিত কৰিবলৈ সময় আৰু স্থানত অতিৰিক্ত বাছনি কৰা হ'ব। উল্লেখ্য যে, প্ৰতিযোগিতাখন ২০২৩ চনত ভাৰতত সফলতাৰে অনুষ্ঠিত হৈছিল, য'ত ভাৰতে অভিলেখ নৱমবাৰৰ বাবে খিতাপ জয় কৰিছিল। ভাৰতৰ এজন বিশিষ্ট খেলুৱৈ সুনীল ছেত্ৰীক তেতিয়াৰ সংস্কৰণত গোল্ডেন বল (শ্ৰেষ্ঠ খেলুৱৈ) আৰু গোল্ডেন বুট (সৰ্বাধিক গ'ল) প্ৰদান কৰা হৈছিল।


## মাদ্ৰিদ অ'পেনৰ পৰা নাম প্ৰত্যাহাৰ কাৰ্লোছ আলকাৰাজৰ

**মাদ্ৰিদ, ২৫ এপ্ৰিল ঃ** স্পেনিছ টেনিছ তাৰকা কাৰ্লোছ আলকাৰাজে মাদ্ৰিদ অ'পেনৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে। ভৰিৰ আঘাতৰ বাবে তেওঁ প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিব নোৱাৰিব। মাদ্ৰিদত তেওঁলোকৰ খেলখন শনিবাৰে অনুসূচীত কৰা হৈছিল। আলকাৰাজে কয় যে তেওঁৰ ইতিমধ্যে ভৰিৰ ওপৰভাগত আঘাত পাইছিল, যাৰ ফলত যোৱা দেওবাৰে বাৰ্চিলোনা অ'পেনৰ ফাইনেলত তেওঁ ভাল প্ৰদৰ্শন কৰিব নোৱাৰিলে। তেওঁ কয় যে চিকিৎসা প্ৰতিবেদন অহাৰ পিছতহে তেওঁ খেলিব নোৱাৰাৰ কথা ভাবিছে। আলকাৰাজে ২০২২ আৰু ২০২৩ চনত মাদ্ৰিদ অ'পেন খিতাপ জিকিছিল। এইবাৰ তেওঁ প্ৰতিযোগিতাখনৰ দ্বিতীয় আগশাৰীৰ খেলুৱৈ আছিল আৰু তেওঁৰ ড্ৰ ন'ভাক জক'ভিচৰ সৈতে একে তালিকাত আছিল। আলকাৰাজে কয় যে তেওঁৰ আঘাতে তেওঁক ফ্ৰেন্স অ'পেনত খেলিবলৈ বাধা নিদিব। তেওঁ যোৱা বছৰ আলেকজেণ্ডাৰ জেভেৰেভক পৰাস্ত কৰি ৰোলাণ্ড গাৰোছ( ফ্ৰেন্স অ'পেন) জিকিছিল। এইবাৰ তেওঁ খিতাপ ৰক্ষা কৰিবলৈ নামিব। জেভেৰেভে শেহতীয়াকৈ মিউনিখ অ'পেন জিকিছিল আৰু আলকাৰাজৰ পিছত দ্বিতীয় স্থানলৈ গৈছিল। আলকাৰাজে এই বছৰ এতিয়ালৈকে ২৪ খন খেল জিকিছে আৰু মাত্ৰ পাঁচখন খেল হেৰুৱাইছে। তেওঁ ফেব্ৰুৱাৰীত ৰটাৰডাম (হাৰ্ড ক'ৰ্ট) আৰু এপ্ৰিলত মণ্টি কাৰ্লো (ক্লে ক'ৰ্ট)ত খেলিছিল।



# আজি কলকাতাৰে মুখামুখি পঞ্জাব কিংছৰ

**কলকাতা, ২৫ এপ্ৰিল ঃ** এটা ছিজনৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছক খিতাপ অৰ্জন কৰোৱা শ্ৰেয়াছ আয়াৰে এতিয়া প্লে অফৰ অৰ্হতাৰ অৰ্জনত আটাইতকৈ ডাঙৰ বাধা হ'বলৈ গৈ আছে যেতিয়া তেওঁৰ অধিনায়কত্বত শনিবাৰে আই পি এলৰ এখন গুৰুত্বপূৰ্ণ খেলত তেওঁৰ নেতৃত্বত পঞ্জাব কিংছে ইডেন গাৰ্ডেনত আয়োজক দলৰ মুখামুখি হ'ব। বাৰ মাহ পূৰ্বে, আৰ্যৰ নেতৃত্বত, কেকেআৰে এক দশকত তেওঁলোকৰ প্ৰথম আই পি এল খিতাপ জিকিছিল। শনিবাৰে, তেওঁ বিৰোধী দলৰ জাৰ্চি পিন্ধিব আৰু আত্মবিশ্বাসেৰে পঞ্জাৱক প্লে অফত উপনীত কৰাৰ উদ্দেশ্যেৰে অৱতীৰ্ণ হ'ব। কেকেআৰে তেওঁক মুকলি কৰি সকলোকে আচৰিত কৰিছিল কিন্তু পিছত তেওঁ পঞ্জাৱ কিংছৰ অধিনায়ক হয়। দিল্লী কেপিটেলছত তেওঁৰ পৰামৰ্শদাতা ৰিকি পণ্টিংৰ সৈতে, যুৱৰাজে আঠখন খেলৰ ভিতৰত পাঁচটা জয়লাভ কৰি পঞ্জাৱক পইণ্ট তালিকাৰ পঞ্চম স্থানলৈ লৈ যায়। এই অংশীদাৰীত্বে অয়াৰক আত্মবিশ্বাসেৰে আগবাঢ়ি যোৱাৰ সুযোগ প্ৰদান কৰে আৰু এতিয়ালৈকে তিনিটা অৰ্ধশতকসহ ২৬৩ ৰান সংগ্ৰহ কৰে। এতিয়া তেওঁৰ লক্ষ্য হৈছে শতক অৰ্জন কৰা। এতিয়া তেওঁৰ বেটেৰে উত্তৰ দিয়াৰ এটা সোণালী সুযোগ আছে কিয়নো কে এল ৰাহুলে কেইদিনমান আগতে অপৰাজিত অৰ্ধশতক অৰ্জন কৰি দিল্লী কেপিটেলছক তেওঁৰ পূৰ্বৰ দল লক্ষ্ণৌ ছুপাৰ জায়াণ্টছৰ বিৰুদ্ধে জয়ৰ দিশে লৈ গৈছিল। কেকেআৰে আঠখন খেলৰ ভিতৰত পাঁচখনত পৰাজিত হৈছে আৰু আৰু এটা পৰাজয়ে তেওঁলোকৰ বাবে প্লে অফত প্ৰৱেশ কৰাটো অসম্ভৱ কৰি তুলিব।তেওঁলোকৰ টপ অৰ্ডাৰৰ বেটিং ভাল নহয় আৰু মিডল অৰ্ডাৰে দায়িত্বশীলতাৰে খেলি থকা নাই। স্পিন আক্ৰমণটো তেওঁলোকৰ আধাৰ ইডেন গাৰ্ডেনত অপ্ৰয়োজনীয় প্ৰমাণিত হৈছিল। তেওঁলোকে তেওঁলোকৰ পৰৱৰ্তী ছয়খন খেলৰ ভিতৰত পাঁচখন যিকোনো প্ৰকাৰে জিকিব লাগিব। কেকেআৰৰ মিড অৰ্ডাৰ বেটছমেন আন্দ্ৰে ৰাছেল, ৰিংকু সিং আৰু ৰমনদীপে শেষ মুহূৰ্তত ভাল প্ৰদৰ্শন কৰিব নোৱাৰিলে আৰু দলটো সলনি কৰিব লগা হ'ব পাৰে। কেকেআৰে এতিয়া কেৰিবিয়ান অলৰাউণ্ডাৰ ৰোভমেন পাৱেলৰ সৈতে খেলিব পাৰে। অংকৃষ ৰঘুবংশীয়ে অৰ্শদীপ সিং আৰু যুজবেন্দ্ৰ চাহালৰ দৰে বলাৰৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। দ্ৰুত গতিত খেলি দলটোক বিজয়ৰ ফালে লৈ যাব নোৱাৰা অধিনায়ক আজিংক্য ৰাহানেও ভাল প্ৰদৰ্শন কৰিব লাগিব। তেওঁ চাহালৰ পৰা সাৱধান হ'ব লাগিব যিয়ে যোৱা সপ্তাহত এটা বিপদজনক স্পেলত ৰাহানে, ৰঘুবংশী, ৰিংকু আৰু ৰামদীপৰ উইকেট লৈছিল। কেকেআৰৰ বলাৰ হৰ্ষিত ৰাণা আৰু পঞ্জাৱৰ অপেনাৰ প্ৰিয়নশ আৰ্যৰ মাজৰ যুঁজখনো চাবলগীয়া হ'ব। কেকেআৰে এই ছিজনত ঘৰুৱা খেলত তেওঁলোকৰ চাৰিখন খেলৰ মাত্ৰ এটাত জয় লাভ কৰিছে। এই দুয়োটা দলৰ মাজত খেলখন সন্ধিয়া ৭.৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব।



# দৰং মহাবিদ্যালয়ত ‘বহনক্ষম উন্নয়নৰ দিশ ঃ যুৱ প্ৰজন্মৰ ভূমিকা’ শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ২৫ এপ্ৰিল ঃ** জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত সুৰক্ষিত পৰিৱেশ তন্ত্ৰই বিশেষ প্ৰভাৱ বিস্তাৰ কৰি অহাৰ সময়তে সমগ্ৰ বিশ্বজুৰি বহনক্ষম উন্নয়নৰ দিশটোৰ ক্ষেত্ৰত পৰিৱেশ বিজ্ঞানী তথা গৱেষকসকলে অধিক গুৰুত্ব প্ৰদান কৰি অহাৰ সময়তে আজি তেজপুৰৰ ঐতিহ্যমণ্ডিত দৰং মহাবিদ্যালয়ত ‘বহনক্ষম উন্নয়নৰ দিশ ঃ যুৱ প্ৰজন্মৰ ভূমিকা’ শীৰ্ষক এক গুৰুত্বপূৰ্ণ বিষয়েৰে কেৱল শিক্ষাৰ্থীৰ বাবে এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ সম্পন্ন হয়। বিশ্বত বায়ু প্ৰদূষণৰ কাৰণেই বছৰি ৭ নিযুত লোকে অকাল মৃত্যুক সাবটি ল'বলগা হোৱাৰ তথ্যসহ বায়ু প্ৰদূষণৰ প্ৰতি সজাগতা, এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক সামগ্ৰী বৰ্জন কৰাৰ লক্ষ্যৰে প্লাষ্টিক আৱৰ্জনা পৰিৱেশ আৰু জীৱকুলৰ বাবে যে অতিকৈ ক্ষতিকাৰক সেই দিশ, ই-আৱৰ্জনাৰ সমস্যা আৰু ব্যৱস্থাপনা আদি দিশসমূহৰ ওপৰত সজাগতা সৃষ্টিৰে দেশৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ৪৪গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা নিৰ্দিষ্ট বিষয়ৰ ওপৰত ৩৪খন গৱেষণা পত্ৰ পাঠ হোৱা এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰখনৰ উদ্বোধনী অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভাৰ লগতে কেইবাগৰাকীও পৰিৱেশ সম্পৰ্কীয় বিজ্ঞানী আৰু পৰিৱেশ সচেতন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। দৰং মহাবিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ড° খগেশ্বৰ বৰকাকতিয়ে আন অতিথিসকলৰ সৈতে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে এই গুৰুত্বপূৰ্ণ আলোচনা-চক্ৰখন। পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ড° খগেশ্বৰ বৰকাকতি, মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক তথা ইতিহাস বিভাগৰ অধ্যাপক ড° শ্বেতা মহন্ত, স্বেচ্ছাসেৱী সংগঠন আৰণ্যকৰ সাংগঠনিক বিষয়া প্ৰণৱ গোস্বামীয়ে ভাষণ প্ৰদান কৰা উদ্বোধনী অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ জ্যেষ্ঠ পৰিৱেশ অভিযন্তা জয়ন্ত কুমাৰ চহৰীয়াই নিৰ্দিষ্ট বিষয়ৰ ওপৰত ভাষণ প্ৰদান কৰি দৰং মহাবিদ্যালয়ৰ সৈতে অচিৰেই প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ এখন বুজাবুজি চুক্তি সম্পন্ন কৰাৰ কথা সদৰী কৰি বহনক্ষম উন্নয়নৰ দিশটোত তিনি প্ৰকাৰৰ দায়বদ্ধতা ক্ৰমে— সামাজিক দায়বদ্ধতা, আৰ্থিক দায়বদ্ধতা আৰু পৰিৱেশৰ প্ৰতি দায়বদ্ধতাৰ দিশটো জড়িত হৈ আছে বুলি মন্তব্য কৰে। আনহাতে, আলোচনা-চক্ৰখনৰ মূল ভাষণ প্ৰদান কৰি তেজপুৰ নেৰিয়ালমৰ সহকাৰী অধ্যাপক ড° চন্দাম ভিক্টৰিয়াই বহনক্ষম উন্নয়নৰ সকলো দিশৰ ওপৰত তথ্যসহ দৃশ্য- শ্ৰাব্য মাধ্যমেৰে বিশ্লেষণ কৰি এই দিশটোৰ প্ৰতি নতুন প্ৰজন্মক কেনেকৈ আগবঢ়াই আনিব পাৰি, তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। উদ্বোধনী অনুষ্ঠানৰ পিছতেই ৪৪ গৰাকী শিক্ষাৰ্থীৰ অংশ গ্ৰহণেৰে ৩৪খন গৱেষণা পত্ৰ পাঠ হোৱা আলোচনা-চক্ৰখনৰ তিনিটা শিতানত ক্ৰমে তেজপুৰ বিশ্ববিদ্যালয়ৰ কেমিকেল ছায়েন্স বিভাগৰ অধ্যাপক অসীম জ্যোতি ঠাকুৰ, তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° চুমি সন্দিকৈ আৰু নেৰিয়ালমৰ অধ্যাপক ড° চন্দাম ভিক্টৰিয়াৰ অধ্যক্ষতাত আলোচনা-চক্ৰৰ কাৰিকৰী অধ্যায় আৰম্ভ হয়।




## সোণতলীত বিধায়িকা নন্দিতা দাসৰ নিৰ্বাচনী প্ৰচাৰ

**গণ বাৰ্তা, সোণতলী, ২৫ এপ্ৰিল ঃ** ৰাজ্যত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ পৰিছে। কংগ্ৰেছ, বিজেপি মিত্ৰজোঁট অগপ, এ আই ইউ ডি এফ, নিৰ্দলীয় প্ৰাৰ্থীসকলে ঘৰে ঘৰে, হাট-বজাৰৰ চ'ক আদিত নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। আনকি প্ৰতিজন প্ৰাৰ্থীয়ে বেনাৰ -প'ষ্টাৰত নিজৰ ফটো আৰু প্ৰতীক চিহ্ন ব্যৱহাৰ কৰি নিৰ্বাচনী প্ৰচাৰ কাৰ্য তীব্ৰ কৰি তুলিছে। কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত সোণতলী বজাৰত কালি বিধায়িকা নন্দিতা দাসে কংগ্ৰেছ দলৰ মুখ্য কাৰ্যালয় এখন আনুষ্ঠানিকভাৱে মুকলি কৰে। ছমৰীয়া ব্লক কংগ্ৰেছৰ সভাপতি গুলজাৰ হুছেইনৰ সঞ্চালনাত অনুষ্ঠিত সভাত বিধায়িকা নন্দিতা দাসে '২৬ৰ বিধানসভা নিৰ্বাচনত অসমৰ জনতাক বঞ্চিত কৰি অহা বিজেপিক প্ৰতিহত কৰি চৰকাৰ গঠন কৰিব পৰা একমাত্ৰ বিকল্প কেৱল কংগ্ৰেছ দল বুলি উল্লেখ কৰি জনতাক কংগ্ৰেছ দলক ভোট দিয়াৰ বাবে আহ্বান জনায়। ছমৰীয়া সমষ্টিত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলৰ পৰা টিকট নাপাই কংগ্ৰেছৰ বিৰোধিতা কৰাসকলৰ বিৰুদ্ধে বিধায়িকা নন্দিতা দাসে সৰৱ হয়। কংগ্ৰেছৰ টিকট নাপাই কংগ্ৰেছৰ বিৰোধিতা কৰাসকলে প্ৰকৃততে কংগ্ৰেছক ভাল নাপায় বুলি মন্তব্য কৰে বিধায়িকাগৰাকী। কংগ্ৰেছৰ টিকট নাপাই কংগ্ৰেছৰ বিৰোধিতা কৰাসকলে ৰাইজৰ কথা চিন্তা কৰা নাই বুলিও কয়। তেওঁলোকে কেৱল নিজৰ স্বাৰ্থৰ কথা চিন্তা কৰিছে। তদুপৰি বিধায়কাগৰাকীয়ে এ আই ইউ ডি এফ আৰু নিৰ্দলীয় প্ৰাৰ্থীক পঞ্চায়ত নিৰ্বাচনত ভোট দি কোনো লাভ নহ'ব বুলিও উল্লেখ কৰে। বিধায়িকাগৰাকীয়ে মাহতলী আৰু সোণতলী-টুপামাৰী জিলা পৰিষদৰ প্ৰাৰ্থী চুলেমান আলী আৰু ৰুবিয়া খাতুনৰ সৈতে আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীসকলক বিপুল ভোটত জয়যুক্ত কৰিবলৈ ভোটাৰ ৰাইজক আহ্বান জনায়।

## শিক্ষা সম্বাদৰ গুৱাহাটী সংস্কৰণে চিন্তাৰ দুৱাৰ মুকলি কৰিব

### ‘সংকটত শিশুকাল, প্ৰত্যাহ্বান আৰু সমাধান’



**গুৱাহাটী, ২৫ এপ্ৰিল ঃ** শিক্ষা সমতাৰ বাবে উৎকৰ্ষিত ৰাইজৰ আন্দোলন শিক্ষাগ্ৰহণৰ পদক্ষেপমূলক আঁচনি শিক্ষা সম্বাদে প্ৰথমবাৰৰ বাবে উত্তৰ-পূবত ভুমুকি মাৰিছে, যিয়ে ৰাজহুৱা শিক্ষা খণ্ডৰ আলোচনা, সহযোগিতা আৰু সামুদায়িক উন্নয়নৰ স্বাৰ্থত এক শক্তিশালী স্থানৰ মুকলি কৰে। অসমৰ গুৱাহাটীত অনুষ্ঠিত এই সংস্কৰণে পূৰ্বে বেংগালুৰু, মুম্বাই আৰু পাটনাত অনুষ্ঠিত সমাৱেশৰ গতি অব্যাহত ৰাখে আৰু ভাৰতবৰ্ষৰ শিক্ষা সমতাৰ যাত্ৰাত উত্তৰ-পূবৰ কণ্ঠ আৰু বাস্তৱিকতাই যে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, সেয়া দেখিবলৈ পোৱা গ'ল। শিক্ষা সম্বাদৰ গুৱাহাটী সংস্কৰণে চিন্তাৰ দুৱাৰ মুকলি কৰিব পৰা আলোচনা আৰু অঞ্চলটিৰ শক্তিশালী দৃষ্টিভংগী উপস্থাপন কৰে। অনুষ্ঠানটি মুকলি কৰে টাটা ইনষ্টিটিউট অৱ ছ'চিয়েল ছায়েন্সৰ অধ্যাপক ড° প্ৰদীপ ৰামৰথ জয়নাইক, উত্তৰ-পূব আৰু মধ্য ভাৰত এইচডিএফচি বেংকৰ চিএছআৰৰ আঞ্চলিকপ্ৰধান বিকাশ কুমাৰ আৰু নাগাএডৰ সহ-প্ৰতিষ্ঠাতা কেৰি সাটোৰ মাজৰ এক অনানুষ্ঠানিক আলোচনাৰে, য'ত উত্তৰ-পূবৰ শিক্ষা সম্বন্ধে ভৱিষ্যতৰ আঁচনি সম্বন্ধে আলোকপাত কৰা হয়। ‘সংকটত শিশুকাল প্ৰত্যাহ্বান আৰু সমাধান এক আলোচনাত কেইবাগৰাকীও আগৰণুৱা ব্যক্তি অময়াৰ সহ-প্ৰতিষ্ঠাপক আৰ কে পল চৌনী, মাজুলীৰ হামিংবাৰ্ড স্কুলৰ অধ্যক্ষ শ্ৰেয়া ৰক্ষিত, মৰিগাঁও ডায়েটৰ অধ্যক্ষ কিশোৰ কুমাৰ দাস, আৰু বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদৰ শিক্ষা বিশেষজ্ঞ ড° নিৰঞ্জন ইছলাৰীয়ে সমল আলোচনা আগবঢ়ায়, য'ত অঞ্চলটিৰ শিশুসকলে মুখামুখি হ'বলগা বিভিন্ন সমস্যা আৰু সহযোগিতাৰে আগবাঢ়িবলৈ সমাধান সম্পৰ্কে আলোচনা কৰা হয়। এই আলোচনাত এইচডিএফচি বেংকৰ বিকাশ কুমাৰে শিক্ষাগ্ৰহণৰ আন্দোলনটিৰ কেইবাটাও মূল্যৱান দিশ মুকলি কৰে জিলা পৰিচালনা নিৰ্দেশাৱলী আৰু সামূহিক ক্ৰিয়া-কলাপৰ তালিকা উন্মোচন কৰে, য'ত তৃণমূল পৰ্যায়ত ইয়াৰ প্ৰভাৱ বৃদ্ধি সম্পৰ্কত গুৰুত্ব দিয়া হৈছে।

## ভৱানীপুৰত বোক-পানী গচকি নিৰ্বাচনী প্ৰচাৰত নামিল কংগ্ৰেছৰ পঞ্চায়ত প্ৰাৰ্থী

**সঞ্জীৱ দাস, ভৱানীপুৰ, ২৫ এপ্ৰিল ঃ** এহাতত চেণ্ডেল আৰু আনখন হাতেৰে দুভৰিৰ কিছু ওপৰলৈ লংপেণ্ট কোঁচাই আজি নিৰ্বাচনী প্ৰচাৰ চলালে ১নং ভৱানীপুৰ-সৰুপেটা জিলা পৰিষদৰ প্ৰাৰ্থী প্ৰশান্ত কুমাৰ শৰ্মা আৰু ৫নং নিজ ভৱানীপুৰৰ আঞ্চলিক পঞ্চায়তৰ আনগৰাকী কংগ্ৰেছ দলৰ প্ৰাৰ্থী পিংকুমণি ৰয়ে। অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক নাৰায়ণ কাকতি, বজালী জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদকদ্বয় ধনজিৎ তালুকদাৰ আৰু মানৱ ঠাকুৰীয়া, উত্তৰ পূৰ্বাঞ্চল ৰাজীৱ গান্ধী পঞ্চায়তীৰাজ সংগঠনৰ সমন্বয়ক অমলেশ তালুকদাৰ, ভৱানীপুৰ ব্লক মহিলা কংগ্ৰেছ সমিতিৰ সভানেত্ৰী চন্দ্ৰিকা বৈশ্য, ভৱানীপুৰ ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰণৱ মেধি আৰু কংগ্ৰেছ নেতা দীনেশ তালুকদাৰকে ধৰি কেইবাগৰাকীও কংগ্ৰেছ নেতা-পালিনেতাই প্ৰচাৰ অভিযানত দুয়োগৰাকী কংগ্ৰেছ প্ৰাৰ্থীকে সংগ দিয়ে। অঞ্চলটোৰ বাংলীপাৰা, কুছিয়াঝাৰ এই দুখন গাঁৱৰ ৰাইজৰ ঘৰে ঘৰে গৈ চলোৱা প্ৰচাৰ অভিযানত নিৰ্বাচনত বিজয়ী হ'লে তেওঁলোকে ভৱানীপুৰ অঞ্চলৰ পথ-ঘাটৰ দুৰৱস্থা দূৰ কৰাৰ লগতে অঞ্চলটোত পথ উন্নয়নত অগ্ৰাধিকাৰ দিব বুলি ৰাইজক প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি ৰাজ্যত নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ ভয়ংকৰ মূল্যবৃদ্ধি, কোটি কোটি টকা ঋণ লৈ ৰাজ্যৰ অৰ্থনীতি নিম্নগামী কৰা ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনকো দুয়োগৰাকীয়ে কটু সমালোচনা কৰে। উল্লেখ্য, বন্যাক্ৰান্ত ভৱানীপুৰ অঞ্চলত পল্লা, পহুমাৰা, ৰূপহী নৈয়ে বাৰিষাৰ সময়ত চলোৱা তাণ্ডৱৰ ফলত পথ যোগাযোগ ব্যৱস্থাটোৰ উপৰি কৃষিভূমিৰ লগতে ধন-জনৰ ব্যাপক ক্ষতি হোৱাটো এক নিয়মীয়া ঘটনাত পৰিণত হৈ আহিছে। তদুপৰি অঞ্চলটোত পথ উন্নয়নৰ ক্ষেত্ৰতো নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলৰ বিৰুদ্ধে দুৰ্নীতিৰ গুৰুতৰ অভিযোগ আছে।



## ডাঃ অমল চন্দ্ৰ কটকীলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মানীয় D.SC ডিগ্ৰী

**গুৱাহাটী, ২৫ এপ্ৰিল ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৩২ সংখ্যক সমাৱৰ্তন উপলক্ষে ৬০ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক ডাঃ অমল চন্দ্ৰ কটকীক বিশ্ববিদ্যালয়খনৰ সৰ্বোচ্চ সন্মানীয় ডিগ্ৰী D.Sc (Doctor of Science) প্ৰদান কৰা হয়। ২৫ এপ্ৰিল, শুকুৰবাৰে অনুষ্ঠিত সমাৱৰ্তন অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত ড° কটকীক এই সন্মান প্ৰদান কৰে। মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ লগতে সমাৱৰ্তন অনুষ্ঠানত উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননী গোপাল মহন্ত, কাৰ্যবাহী পৰিষদৰ সদস্যসকল আৰু অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকল। স্বাস্থ্য খণ্ডলৈ আগবঢ়োৱা অৱদান বিশেষকৈ কৰ্কট ৰোগৰ ক্ষেত্ৰত চিকিৎসা সেৱা, শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত আগবঢ়োৱা অনৱদ্য অৱদানৰ বাবে ডাঃ কটকীক এই সন্মানীয় ডিগ্ৰী প্ৰদান কৰা হয়। ডাঃ কটকীয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন আলোচনীত ২১৮ খন গৱেষণা পত্ৰ প্ৰকাশ কৰাৰ লগতে অংক'লজীৰ ৩ খন পাঠ্যপুথিও সম্পাদনা কৰিছে, যিসমূহ সমগ্ৰ বিশ্বতে ব্যাপকভাৱে প্ৰশংসিত হৈছে। ডাঃ কটকীয়ে ২০২২ চনৰ ১৪ অক্টোবৰত তেখেতৰ আত্মজীৱনী “নীৰৱ চিন্তা... ভাৰতৰ সন্মানীয় ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক উপহাৰ হিচাপে প্ৰদান কৰিছিল। ‘এনাল্‌ছ অৱ অংকল'জী ৰিচাৰ্চ এণ্ড থেৰাপী’ শীৰ্ষক জাৰ্নেলৰো প্ৰতিষ্ঠাপক মুখ্য সম্পাদক আছিল ডাঃ কটকী। ‘National Cancer Registry Programme of ICMR’ৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে ১৭ বছৰ কাল কাৰ্যনিৰ্বাহ কৰা ডাঃ কটকীয়ে বৰ্তমান ৰাষ্ট্ৰীয় কৰ্কট জেনম এটলাছৰ বৈজ্ঞানিক পৰামৰ্শদাতা সমিতি আৰু গুৱাহাটী এইমছৰ গৱেষণা পৰামৰ্শদাতা সমিতিৰ সদস্যৰ দায়িত্ব পালন কৰি আহিছে।

## বৰ্ণিত চোৰাং গাইগৰু উদ্ধাৰ

**গণ বাৰ্তা বিশেষ, হাজো, ২৫ এপ্ৰিল ঃ** হাজোৰ বৰ্ণিৰ পশ্চিম খলিফাচুপাৰ জানৰ পাৰত আজি তিনিটাকৈ চোৰাং গাইগৰু উদ্ধাৰ হোৱা এক ঘটনাই হাজোত আৰক্ষী- প্ৰশাসনৰ চৰম দুৰ্বলতা পুনৰবাৰ প্ৰতিপন্ন হোৱা বুলি চৰ্চিত হৈ পৰিছে সচেতন মহলত। কিয়নো আৰক্ষীৰে গিজ গিজাই থকা হাজো আৰক্ষী থানাৰ সমুখেৰে কোনো দুস্কৃতি কাৰীয়ে চোৰাং গৰু সৰবৰাহ কৰাতো এক নিত্য-নৈমিত্তিক কাৰ্য বুলি দাবী কৰে হাজোৰ একাংশ স্থানীয় লোকে জানিব পৰা মতে আজি পুৱা এজন খেতিয়কে পথাৰত খেতি চাবলৈ যোৱাত তিনিটা গৰুৱে খেতি পথাৰত ধানখাই থকা প্ৰত্যক্ষ কৰে।লগে লগে খেতিয়ক জনে গুঞ্জৰৰ মানুহক খবৰ দিয়াত পথাৰত উপস্থিত হোৱা স্থানীয় লোক সকলে তেওঁলোকৰ গৰু নহয় বুলি জানিব পাৰে। পিছত স্থানীয় ৰাইজে কোনো গৰু চুৰি চক্ৰই চোৰ কৰি অনা গৰু ৰাইজৰ হাতত ধৰা পৰাৰ ভয়ত পুৱতি নিশা এনেদৰে এৰি থৈ যোৱা বুলি নিশ্চিত হয়।

## নগাঁৱত নৰৱেৰ ৰাষ্ট্ৰদূত এলিন ষ্টৈনাৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২৫ এপ্ৰিল ঃ** নৰৱেৰ ৰাষ্ট্ৰদূত এইচ ই মে এলিন ষ্টৈনাৰ আৰু ৱৰ্ল্ড ফুড প্ৰ'গ্ৰেম ক্ৰান্তিৰ ডাইৰেক্টৰ এলিজাবেথ ফাউৰেৰ সৈতে দেশখনৰ এটি প্ৰতিনিধি দল আজি নগাঁৱত উপস্থিত হৈ নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ লগত এখন বৈঠকত মিলিত হয়। উক্ত বৈঠকত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে তেখেতসকলক উষ্ম আদৰণি আৰু সম্বৰ্ধনা আগবঢ়াই আদৰণী ভাষণ প্ৰদান কৰে। ৰাষ্ট্ৰদূতগৰাকীয়ে নগাঁও জিলালৈ অহাৰ উদ্দেশ্যৰ বিষয়ে সভাক অৱগত কৰে আৰু জিলা প্ৰশাসনক তেওঁলোকে আগবঢ়োৱা সম্বৰ্ধনা আৰু আতিথ্যৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পাছতেই ৰাষ্ট্ৰদূতগৰাকীয়ে তেওঁৰ প্ৰতিনিধি দল আৰু জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ লগত নগাঁও জিলাত ইউনাইটেড নেচন্‌ছ ৱৰ্ল্ড ফুড প্ৰগ্ৰেম (W F P) ভাৰত, আৰু অসম কৃষি আৰু উদ্যান শস্য বিভাগৰ সহযোগত তথা কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰণালয় (MoAF&W ) আৰু ৰয়েল নৰৱে এম্বেচিৰ সমৰ্থনত কঠীয়াতলী উন্নয়ন খণ্ডৰ ১৩০ নং নিজ কঠীয়াতলী গাঁও পঞ্চায়তৰ জুমুৰমুৰ গাঁৱত ৰূপায়ণ হৈ থকা ১৮ মাহৰ এটা পাইলট প্ৰকল্পৰ অন্তৰ্গত ‘জলবায়ুৰ সৈতে খাপ খুৱাই লোৱা আৰু কৃষি ক্ষেত্ৰত মহিলাৰ সবলীকৰণ বৃদ্ধি কৰা’ পৰিদৰ্শন কৰে। লগতে সংহত কৃষি পদ্ধতি আৰু বাওঁ ধানৰ শুভাৰম্ভণিৰ এক অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰোপৰি ৰাষ্ট্ৰদূতগৰাকীয়ে প্ৰকল্পস্থলীত কৃষিকাৰ্যত জড়িত মহিলা কৃষকসকলৰ লগত মত বিনিময় কৰে । উক্ত দলটিয়ে এই প্ৰকল্পৰ অধীনত ৰূপায়ণ হৈ থকা জিলাখনৰ পাখিমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত দক্ষিণ নৰ্নৈ গাঁও পঞ্চায়তৰ অন্তৰ্গত পানীগাঁও পুতনিমুখ গাঁৱৰ শস্য ক্ষেত্ৰ আৰু ৰহা উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰনথলী গাঁও পঞ্চায়তৰ কটহগুৰি গাঁৱৰ কাঠফুলা খেতি পৰিদৰ্শন কৰি কৃষক সকলৰ লগত মত বিনিময় কৰে। আজিৰ এই ক্ষেত্ৰ পৰিদৰ্শন কালত জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ লগতে কৃষি বিভাগ আৰু উদ্যান শস্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

## জাগীৰোডত নিৰ্বাচনী কাৰ্যালয় মুকলি

**জাগীৰোড, ২৫ এপ্ৰিল ঃ** জাগীৰোড বিধানসভা সমষ্টিত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচন। আজিৰে পৰা সমষ্টিটোত তুংগত উঠিছে ২৯ খন পঞ্চায়তৰ নিৰ্বাচনী প্ৰচাৰ । জাগীৰোডত মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি এই কথা অৱগত কৰে জাগীৰোড সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী পীযূষ হাজৰিকাই । আনহাতে নিজ সমষ্টিৰ পঞ্চায়ত প্ৰাৰ্থীসকলক লৈ যথেষ্ট আশাবাদী মন্ত্ৰীগৰাকী । সমষ্টিটোৰ ৪ টা জিলা পৰিষদ আৰু ২৯টা আঞ্চলিক পঞ্চায়তৰ আটাই কেইটা আসনত বিজেপি তথা মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থীৰ জয়লাভ নিশ্চিত যদিও কিমান ভোটৰ ব্যৱধানত জয়লাভ কৰিব তাকলৈহে আলোচনা কৰি আছে বুলি জনায় মন্ত্ৰী পীযূষ হাজৰিকাই।

## তিতাবৰত সাংসদ গৌৰৱ গগৈ, ভূপেন বৰা, দেৱব্ৰত শইকীয়াৰ নিৰ্বাচনী প্ৰচাৰ

**গণ বাৰ্তা বিশেষ, তিতাবৰ, ২৫ এপ্ৰিল ঃ** সমাগম পঞ্চায়ত নিৰ্বাচন। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ দিন চমু চাপি অহা লগে লগে তৎপৰতা বৃদ্ধি পাইছে সকলো ৰাজনৈতিক দলৰ। প্ৰাৰ্থীসকলৰ হৈ নিৰ্বাচনৰ প্ৰচাৰত নামিছে শাসনাধিষ্ঠিত বিজেপি আৰু কংগ্ৰেছৰ ৰথী-মহাৰথীসকল। কংগ্ৰেছৰ দলৰ প্ৰাৰ্থীসকলৰ হৈ তিতাবৰত নিৰ্বাচনী প্ৰচাৰৰ কাৰণে উপস্থিত হয় প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, যোৰহাটৰ সাংসদ গৌৰৱ গগৈ আৰু নাজিৰা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়া। তিতাবৰৰ মাধপুৰ চেণ্ট্ৰেল ক্লাবত অনুষ্ঠিত হোৱা দলীয় প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি শাসনাধিষ্ঠিত চৰকাৰখনক তীব্ৰ সমালোচনা কৰে আটাইকেইজন নেতাই। কংগ্ৰেছ দলৰ মনোনীত বৰহোলা জিলা পৰিষদ আৰু তিতাবৰ জিলা পৰিষদ, আটাইকেইখন আঞ্চলিক পঞ্চায়তৰ সদস্যৰ হৈ প্ৰচাৰ চলাই আটাইকে ইজন প্ৰাৰ্থীকে জয়যুক্ত কৰিবলৈ ৰাইজক আহ্বান জনাই। নিৰ্বাচনী প্ৰচাৰ সভাত যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে অসম আৰক্ষীৰ ভূমিকাক লৈ সৰৱ



উল্লেখ কৰে অসম আৰক্ষীক এতিয়া ৰাজনৈতিক হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰিছে মুখ্যমন্ত্ৰীয়ে। পেহেলগামৰ সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণৰ ঘটনাক লৈও প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে সাংসদ গৰাকীয়ে। তিতাবৰত কংগ্ৰেছ দলৰ স্থিতি আজিও মজবুত বুলি উল্লেখ কৰি সাংসদ গৰাকীয়ে কয়— অহা পঞ্চায়ত নিৰ্বাচনত আমাৰ দলৰ সকলো প্ৰতিদ্বন্দ্বীয়ে যে জয়লাভ কৰিব, সেইটো নিশ্চিত।

## ডবকাত পথ দুৰ্ঘটনাত থিতাতে নিহত দুগৰাকী মহিলা

**গণ বাৰ্তা, ডবকা, ২৫ এপ্ৰিল ঃ** আজি পুৱাৰ ভাগত ডবকা-ডিফু সংযোগী ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাই জোকাৰি গ'ল সমগ্ৰ ডবকা অঞ্চল। বাতৰি অনুসৰি ডবকাৰ পৰা ডিফু অভিমুখে গৈ থকা এখন মাৰুতী এল্ট' বাহনত বিপৰীত দিশৰ পৰা আহি থকা এখন যাত্ৰীবাহী আল্ট্ৰা বাছৰ মুখামুখি সংঘৰ্ষত দুগৰাকীকৈ মহিলাৰ কৰুণ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত বাতৰি মতে, ডিফুৰ পৰা নগাওঁ অভিমুখে গৈ থকা যাত্ৰীবাহী AS09BC 5503 নম্বৰৰ যাত্ৰীবাহী আল্ট্ৰা বাছখনে বিপৰীত দিশৰ পৰা আহি থকা AS01 GB 5035 নম্বৰৰ এল্ট' বাহনখনৰ সৈতে মুখামুখি সংঘৰ্ষ লাগে। এই দুৰ্ঘটনা ইমানেই ভয়াৱহ আছিল যাত্ৰীবাহী আল্ট্ৰা বাছখনে প্ৰায় পঞ্চাছ মিটাৰমান চোঁচৰাই লৈ যায় এল্ট' বাহনখনক। এল্ট'খনত যাত্ৰীৰূপে থকা দুগৰাকী মহিলা ক্ৰমে ৰজনি ইংহিপি আৰু নজমি তিমুংপীৰ থিতাতে মৃত্যু হয়। ইয়াৰে ৰজনী ইংহিপি হৈছে দুগৰাকী ডবকাৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ প্ৰাক্তন সহকাৰী অভিযন্তা জেবলিংচং তিমুঙৰ মাতৃ আৰু আনগৰাকী হৈছে অভিযন্তাগৰাকীৰ পেহীয়েক তথা চিকিৎসক ক্লাৰবং ক্ৰামছাৰ মাতৃ নজমি তিমুংপি বুলি জানিব পৰা গৈছে। দুয়োৰে ঘৰ পশ্চিম কাৰ্বি আংলং জিলাৰ সাতগাঁৱত বুলি জানিব পৰা গৈছে।

## অৰুণাচল প্ৰদেশ চৰকাৰৰ উদ্যোগ বিভাগৰ ৩০গৰাকী উদ্যোগীৰ পাঁচদিনীয়া উদ্যমিতাৰ প্ৰশিক্ষণ




**বিশেষ প্ৰতিনিধি, ইটানগৰ, ২৫ এপ্ৰিল ঃ** অৰুণাচল প্ৰদেশত উদ্যমিতা আৰু আত্মনিৰ্ভৰশীলতাৰ প্ৰসাৰৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে ইটানগৰৰ ডি কে কনভেনচন চেণ্টাৰত অৰুণাচল প্ৰদেশ চৰকাৰৰ উদ্যোগ মন্ত্ৰী ন্যাটো ডকুমে আনুষ্ঠানিকভাৱে আৰম্ভ কৰে উদ্যমিতা বিকাশ প্ৰশিক্ষণ (ইডিপি)। উদ্যোগ বিভাগৰ সহযোগত আৰু আহমেদাবাদৰ এণ্ট্ৰিপ্ৰিনিউৰশ্বিপ ডেভেলপমেণ্ট ইনষ্টিটিউট অৱ ইণ্ডিয়াৰ (ইডিআইআই) উদ্যোগত অনুষ্ঠিত এই কাৰ্যসূচীৰ লক্ষ্য হৈছে ৩০ জন নিৰ্বাচিত উচ্চাকাংক্ষী উদ্যোগীক সফলতাৰে ব্যৱসায় উদ্যোগ আৰম্ভ কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় অত্যাৱশ্যকীয় দক্ষতা আৰু জ্ঞানেৰে সজ্জিত কৰি সবল কৰি তোলা। এসপ্তাহৰ ভিতৰত অংশগ্ৰহণকাৰীসকলে ব্যৱসায়িক পৰিকল্পনা, বিত্তীয় ব্যৱস্থাপনা, বিপণন কৌশল, চৰকাৰী আঁচনি, আৰু উদ্যমিতাৰ বাবে ডিজিটেল সঁজুলিৰ ব্যৱহাৰৰ দৰে মূল ক্ষেত্ৰসমূহৰ প্ৰশিক্ষণ লাভ কৰিব। উদ্বোধনী ভাষণত মাননীয় মন্ত্ৰী মহোদয়ে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ আৰু চাকৰি সৃষ্টিৰ ক্ষেত্ৰত উদ্যমিতাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ কয়— ‘অৰুণাচল প্ৰদেশৰ পৰ্যটন, কৃষি, হস্তশিল্প, আৰু কৃষিভিত্তিক উদ্যোগৰ দৰে খণ্ডত বিপুল সম্ভাৱনা আছে। ই ডি পিৰ দৰে পদক্ষেপৰ জৰিয়তে আমি কেৱল স্থানীয় প্ৰতিভাক লালন-পালন কৰাই নহয়, আমাৰ যুৱক-যুৱতীসকলক চাকৰি প্ৰত্যাশীৰ পৰিৱৰ্তে চাকৰি সৃষ্টিকাৰী হ'বলৈ সক্ষম কৰি তুলিছোঁ।’ ভাষণত তেওঁ ই ডি আই আই, আহমেদাবাদক এনে ধৰণৰ কাৰ্যসূচী আয়োজন কৰাৰ বাবেও স্বীকৃতি দিয়ে। এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আয়ুক্ত (উদ্যোগ), সঞ্চালক (উদ্যোগ), সফল উদ্যোগী, আৰু উৎসাহী অংশগ্ৰহণকাৰী অংশগ্ৰহণ কৰে। উদ্যোগ বিভাগৰ আয়ুক্ত শ্ৰী সৌগাট বিশ্বাসেও অনুষ্ঠানত ভাষণ দি অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণৰ সুবিধা গ্ৰহণ কৰিবলৈ আৰু ষ্টাৰ্টআপ আৰু এম এছ এম ইসমূহক সহায় কৰা বিভিন্ন চৰকাৰী আঁচনিৰ সম্পূৰ্ণ সুবিধা ল'বলৈ উৎসাহিত কৰে। অৰুণাচল প্ৰদেশত প্ৰথমবাৰৰ বাবে এই ধৰণৰ কাৰ্যসূচী আয়োজন কৰাত সকলো সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁ সঞ্চালক প্ৰধান ড° সুনীল শুক্লাক ধন্যবাদ জ্ঞাপন কৰে। ২৩ এপ্ৰিলৰ পৰা অৰুণাচল প্ৰদেশ চৰকাৰৰ উদ্যোগ বিভাগৰ সহযোগত ইটানগৰৰ ডি কে কনভেনচন হলত পূৰ্বৰ ৩০ গৰাকী উদ্যোগীৰ বাবে আন এক ৩ দিনীয়া উদ্যমিতাৰ বিকাশ কাৰ্যসূচী (ইজিপি) আয়োজন কৰা হৈছে।

ইউনিটী মিডিয়া এণ্ড ইনফ্ৰাষ্ট্ৰাক্‌চাৰ লিমিটেডৰ হৈ পৰিচালন সম্পাদক ছাহজাহান তালুকদাৰৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত, ইক' প্ৰিণ্টিং প্ৰেছ, এ কে দেৱ ৰোড, কটাহবাৰী, গড়চুক, গুৱাহাটী-৭৮১০৩৫ত মুদ্ৰিত আৰু চেলিমা পাব্লিকেশ্যনচ্‌ (প্ৰাঃ) লিমিটেড, মালুগ্ৰাম, ঘনিয়ালা, শিলচৰ-৭৮৮০০২ ত প্ৰকাশিত ও মুদ্ৰিত। *(যিকোনো আইনী বিষয়সমূহ গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)*
কাৰ্যালয়ৰ ঠিকনা ঃ হাতীগাঁও চাৰিআলি, হাতীগাঁও, গুৱাহাটী-৭৮১ ০৩৮, ফোন ঃ ০৩৬১-২২২৪৪৮৮, ম'বাইল ঃ ৯৪০১১১৪৪৪৪ e-mail-ganaadhikar123@gmail.com মুখ্য সম্পাদক ঃ খবিৰ আহমেদ। সম্পাদক ঃ ড° জাকিৰ হুছেইন, কাৰ্যবাহী সম্পাদক ঃ চন্দ্ৰ কুমাৰ শইকীয়া
Published and printed by Managing Editor Shahjahan Talukdar on behalf of Unity Media And Infrustructure Limited. Published from Fazham Complex, Hatigaon Chariali, Guwahati-781038 and printed at Echo Printing Press, A. K Deb Road, Katahbari, Garchuk, Guwahati - 781035, Phone : 0361-2224488, Mobile : 9401114444, e-mail-ganaadhikar123@gmail.com Chief Editor : Khabir Ahmed , Editor : Dr. Zakir Hussain, Executive Editor : Chandra Kumar Saikia